
GARGAON COLLEGE
ESTD
1959
গড়গাঁও মহাবিদ্যালয় আলোচনী
২০১৭-১৮ বৰ্ষ
নিবিড় তিমিৰ ভেদি
পোহৰৰে সীমা খেদি
আমি আগুৱাই যাওঁ......


THE GARGAON COLLEGE
ESTD 1959
গড়গঙ্গা
গড়গাঁও মহাবিদ্যালয় আলোচনী
২০১৭-১৮ বৰ্ষ
সম্পাদক ঃ ভাৰ্গৱ লিগিৰা

## মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহৰ দৃশ্যাংশ









## নৱাগত আদৰণী সভা ২০১৮ ৰ দৃশ্যাংশ



বৈজ্ঞানিক চিন্তা আৰু সমাজ শীৰ্ষক বক্তৃতানুষ্ঠানৰ দৃশ্য



মহাবিদ্যালয়ত পৰিৱেশিত একাংকিকা নাটকৰ দৃশ্য







## মহাবিদ্যালয়ৰ সম্পদসমূহৰ আলোকচিত্ৰ




















মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পুণ্যধৰ গগৈ



উপাধ্যক্ষা ড° টুটুল বৰতামূলী



অতিৰিক্ত উপাধ্যক্ষ ড° যোগেশ বৰা



**IQAC ৰ সমন্বয়ক ড° পৰন কুমাৰ গগৈ**



**গ্ৰন্থাগাৰিক ড° পংকজ কুমাৰ নাথ**




**মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ আলোকচিত্ৰ**



**মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ আলোকচিত্ৰ**

# সম্পাদনা সমিতি



ড° পুণ্যধৰ গগৈ
সভাপতি



ড° অঞ্জন কোঁৱৰ
উপদেষ্টা



প্ৰণৱ দুৱৰা
উপদেষ্টা



ভাৰ্গৱ লিগিৰা
সম্পাদক



অবিনাশ শইকীয়া
পদেন সদস্য



বৰষা বৰুৱা
সদস্য



সম্প্ৰীতি লাহন
সদস্য

# ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



বিশ্বজিত বৰগোহাঁই
সভাপতি



গীতাৰ্থী গগৈ
উপ-সভাপতি



অবিনাশ শইকীয়া
সাধাৰণ সম্পাদক



প্ৰাঞ্জল গগৈ
সহকাৰী সাঃ সম্পাদক



ভাৰ্গৱ লিগিৰা
সাহিত্য আৰু আলোচনী সম্পাদক



মণিমুগ্ধ ৰাজকোঁৱৰ
উৎসৱ আৰু সাংস্কৃতিক সম্পাদক



চেহনাজ আহমেদ
তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদক



শিৱানী গগৈ
সংগীত বিভাগৰ সম্পাদক



আফৰাজ ৰহমান
খেল বিভাগৰ সম্পাদক



প্ৰাঞ্জল প্ৰতিম ৰাজকোঁৱৰ
গুৰু খেল বিভাগৰ সম্পাদক



ফল্গু বল্লভ ৰাজকোঁৱৰ
লঘু খেল বিভাগৰ সম্পাদক



পৰীক্ষিত গগৈ
শৰীৰচৰ্চা বিভাগৰ সম্পাদক



কৃষ্ণা গগৈ
সমাজসেৱা বিভাগৰ সম্পাদক



দেৱব্ৰত দত্ত
ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক



নিকুমণি মহন
ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা

# মহাবিদ্যালয়ৰ গৌৰৱ............

## ২০১৮ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ কৃতী শিক্ষাৰ্থীসকল


প্ৰদ্যুৎ ফুকন (ভূ-তত্ত্ব বিভাগ)
প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান


জনাৰ্দন চেতিয়া (ইংৰাজী বিভাগ)
প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান


নবীন অধিকাৰী (ভূ-তত্ত্ব বিভাগ)
প্ৰথম শ্ৰেণীৰ ষষ্ঠ স্থান


মঃ চানী হুছেইন (ভূ-তত্ত্ব বিভাগ)
প্ৰথম শ্ৰেণীৰ দশম স্থান

## বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল


অংকিতা কোঁৱৰ
শ্ৰেষ্ঠ গায়িকা


সমীৰণ বৰগোহাঁই
শ্ৰেষ্ঠ তাৰ্কিক


মল্লিকা দত্ত
শ্ৰেষ্ঠ অভিনেত্ৰী


প্লাৱিতা ফুকন
শ্ৰেষ্ঠ সাহিত্যিক


পল্লৱ বাইলুং
মিষ্টাৰ গড়গাঁও


নৱজ্যোতি আৰন্ধৰা
শ্ৰেষ্ঠ এথলীট

## ২০১৮ বৰ্ষৰ
## শ্ৰেষ্ঠ নৱাগত-নৱাগতা..........


হিমান্ত বৰগোহাঁই


ধনাৰ্থী গগৈ

## আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাৰ
## সফল প্ৰতিযোগীসকল.........


নৱজ্যোতি আৰন্ধৰা
আন্তঃ মহাবিদ্যালয়
টাইকোৱানদো
প্ৰতিযোগিতাৰ
স্বৰ্ণপদক প্ৰাপ্ত


কাশ্যপ বুঢ়াগোহাঁই
আন্তঃ মহাবিদ্যালয়
বাঁহী বাদন আৰু তবলা
বাদন প্ৰতিযোগিতাৰ
তৃতীয় স্থানপ্ৰাপ্ত



পৰিস্মৃতা কাকতি
আন্তঃ মহাবিদ্যালয়
একাংকিকা নাট
প্ৰতিযোগিতাত
বিচাৰকৰ বিশেষ বটা প্ৰাপ্ত


আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ দিহানাম আৰু সমবেত সংগীত
প্ৰতিযোগিতাৰ বটা জয়ী প্ৰতিযোগীৰ সৈতে
ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল

# ফটোৱে কথা কয়.....




















-ঃ আলোকচিত্ৰ শিল্পী ঃ-

অগ্নিভ মহন্ত

অবিনাশ শইকীয়া

ভাস্কৰজ্যোতি তামুলী

# গড়গঞাৰ শিল্পচেতনা





















**শিল্পীসকল ঃ**

.দীপজ্যোতি গোৱালা, কুন্দন হাতীকাকতি, ৱাছিফা ৰহমান, দেবাশিষ চেতিয়া

# আলোকচিত্রত ২০১৭-১৮ বৰ্ষত মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচী.......




















## আলোকচিত্ৰত ২০১৭-১৮ বৰ্ষত ছাত্ৰ একতা সভা আৰু NSS গোটে ৰূপায়ণ কৰা বিভিন্ন কাৰ্যসূচী...


















# গড়গঞা

## গড়গাঁও মহাবিদ্যালয় আলোচনী

## ২০১৭-১৮ বৰ্ষ

সশ্ৰদ্ধ প্ৰীতি আৰু শুভেচ্ছাৰে

প্ৰতি ..........................................................................................

..........................................................................................

**সম্পাদক ঃ**
**ভাৰ্গৱ লিগিৰা**

# ‘GARGAYAN’

Edited by Bhargob Ligira and published by College Students’ Union on behalf of Gargaon College, Simaluguri for the session 2017-18, printed at Rohman Printing Press, Simaluguri.




## সম্পাদনা সমিতি

সভাপতি ঃ ড° পুণ্যধৰ গগৈ

উপদেষ্টা ঃ ড° অঞ্জন কোঁৱৰ
প্ৰণৱ দুৱৰা

সম্পাদক ঃ ভাৰ্গৱ লিগিৰা

পদেন সদস্য ঃ অবিনাশ শইকীয়া

সদস্য ঃ বৰষা বৰুৱা
সম্প্ৰীতি লাহন

প্ৰকাশক ঃ ছাত্ৰ একতা সভা, ২০১৭-১৮ বৰ্ষ

বেটুপাত ঃ হিমাংশু গগৈ

স্কেচ্ অংকন ঃ দীপজ্যোতি গোৱালা
উৎস - ইন্টাৰনেট

মুদ্ৰণ ঃ ৰহমান প্ৰিন্টিং প্ৰেছ, শিমলুগুৰি



# উছৰ্গা

*সামাজিক মাধ্যম আৰু ইণ্টাৰনেটৰ বৰ্ধিত জনপ্ৰিয়তাৰ সময়তো নৱপ্ৰজন্মৰ যিসকলে কলমক অস্ত্ৰ হিচাপে লৈ সত্য আৰু জ্ঞানৰ কৰ্ষণত মনোনিৱেশ কৰি আছে, তেওঁলোকলৈ সাদৰেৰে 'গড়গঞা'ৰ এই সংখ্যাটি উছৰ্গা কৰিলোঁ।*

*ভাৰ্গৰ লিগিৰা*

**সম্পাদক 'গড়গঞা'**

*Professor Ranjit Tamuli*
**Vice-Chancellor**
**DIBRUGARH UNIVERSITY**
Dibrugarh, PIN 786004, Assam

Phone : 0373-2370239 (O), 0373-2328557 (R)
Mobile : +91 94350 06038, Fax : 0373 -2370323
E-mail : vc@dibru.ac.in
rtamuli@rediffmail.com

Ref. No. ......................................

Date 3/12/2018

# শুভেচ্ছা বাণী

প্ৰতি,

**শ্ৰী ভাৰ্গৱ লিগিৰা**
সম্পাদক, আলোচনী বিভাগ
গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ শিক্ষাবৰ্ষ

প্ৰিয় শ্ৰী লিগিৰা,

আমি জানিবলৈ পাই আনন্দিত হৈছো যে, ১৯৫৯ চনতে প্ৰতিষ্ঠিত গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাই জন্মলগ্নৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ অৰ্থে প্ৰতি বছৰে এখনি বাৰ্ষিক আলোচনী প্ৰকাশ কৰি আহিছে। পৰম্পৰা অব্যাহত ৰাখি আলোচনীখনিৰ ২০১৭-১৮ শিক্ষাবৰ্ষৰ সংস্কৰণটি প্ৰকাশৰ প্ৰস্তুতি চলোৱাৰ কথা জানি আমি সুখী হৈছো।

মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাৰ আলোচনীখনিয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ লেখা প্ৰকাশৰ যোগেদি তেওঁলোকৰ প্ৰতিভা বিকাশত প্ৰভূত অৰিহণা যোগায়। তদুপৰি, এনে আলোচনীত সাধাৰণতে মহাবিদ্যালয়খনৰ বিভিন্ন তথ্য-পাতিও লিপিবদ্ধ হৈ ৰয়। আমাৰ আশা এয়ে যে ছাত্ৰ-ছাত্ৰীসকল অধিক উপকৃত হ'ব পৰাকৈ আলোচনীখনিত অন্যান্য লেখকৰ মানদণ্ডসম্পন্ন লেখাও প্ৰকাশ পাব।

এই শিক্ষাবৰ্ষৰ সংস্কৰণটি সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাওক— তাৰ বাবে আমাৰ শুভেচ্ছা থাকিল।

নিষ্ঠাৰে—

RTamuli
(ৰঞ্জিত তামুলী)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়

# শুভেচ্ছাবাণী

অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হ'ল ইতিহাসে গৰকা গড়গাঁৱৰ বুকুত সগৌৰৱে থিয় দি থকা গড়গাঁও মহাবিদ্যালয়। ১৯৫৯ চনত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনে প্ৰতিষ্ঠাকালৰে পৰা অহৰহ মানৱ সম্পদ গঢ়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মহাবিদ্যালয়খনৰ এটা গুৰুত্বপূৰ্ণ অংগ হ'ল 'ছাত্ৰ একতা সভা'ৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক আলোচনী 'গড়গঞ্জ'। গড়গাঁও মহাবিদ্যালয়ৰ ঐতিহ্য, গৌৰৱ, শিক্ষা, সংস্কৃতি, ক্ৰীড়া আদি সকলো দিশৰ প্ৰতিফলন ঘটা 'গড়গঞ্জ'ৰ ২০১৭-১৮ বৰ্ষৰ সংখ্যাটি মৰমৰ ছাত্ৰ শ্ৰীমান ভাৰ্গৱ লিগিৰাৰ সম্পাদনাৰে প্ৰকাশৰ বাবে সাজু হৈছে বুলি জানিব পাৰিছো।

'গড়গঞ্জ' ২০১৭-১৮ ৰ সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশ পাওক। সম্পাদনা সমিতিৰ উমৈহতীয়া প্ৰচেষ্টাত মহাবিদ্যালয়খনিক সাৰ্থকভাৱে প্ৰতিফলন কৰিব পৰা এখন আলোচনীৰ ৰূপ পাওক। আমাৰ আন্তৰিক শুভাশিস যাচিলোঁ।

(ড° টুটুল বৰতামূলী)
উপাধ্যক্ষা
গড়গাঁও মহাবিদ্যালয়

# শ্ৰদ্ধাঞ্জলি

স্বদেশ আৰু স্বজাতিৰ
মংগলৰ হকে কৰা কৰ্মৰে
নিজৰ জীৱন সমৃদ্ধ কৰি
আমাৰ মাজৰ পৰা হেৰাই যোৱা
প্ৰতিজন পুণ্যাত্মাৰ চৰণ কমলত
আমাৰ শ্ৰদ্ধা আৰু ভক্তিভৰা
প্ৰণিপাত জনালোঁ।

# মহাবিদ্যালয় সংগীত

নিবিড় তিমিৰ ভেদি
পোহৰৰে সীমা খেদি
আমি আগুৱাই যাওঁ ...
ৰণুৱা বনুৱাৰ দেশ গঢ়া সপোনৰ
আমি জয় গীত গাওঁ।
দীনতা,
হীনতা,
নীচতা ভীৰুতাৰ
হওক অৱসান
জ্ঞানৰ বন্তি জালি
প্ৰাণৰ জেউতি ঢালি
গাওঁ জীৱনৰ গান
আমি গাওঁ জীৱনৰ গান।
এই গানৰ সুৰত
সেই ত্যাগৰ বুকুত
এই দীপ্ত আলোকত আমি
জয়গীত গাওঁ
গড়গাঁৱে সাৰ পাব
লাচিত সেনানী হ'ব
জয়া-মূলা গাভৰুৰ
প্ৰাণৰ শকতি লৈ
আমি আগুৱাই যাওঁ।।

**কথা ঃ স্বৰ্গীয় লীলা গগৈ**
**সুৰ ঃ শ্ৰীযুত ললিত শ্যাম**



# সম্পাদকীয়...



এতিয়া একবিংশ শতিকা। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা এই শতিকাৰ অঘোষিত সম্ৰাট। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অৱদানসমূহে এই সময়ছোৱাত জীৱনশৈলী ইমানেই মসৃণ আৰু স্বাচ্ছন্দ্য কৰি তুলিছে যে, এটা সময়ত অলীক কল্পনা যেন লগা কিছুমান সুবিধাৰে আমি জীৱনটো উপভোগ কৰাৰ সুবিধা লাভ কৰিছোঁ। স্বাভাৱিকতে, এনে এক প্ৰেক্ষাপটত প্ৰতি মুহূৰ্ততে পৃথিৱীখনে পৰিৱৰ্তনৰ দিশেদি বাট বুলিছে। কিন্তু এই পৰিৱৰ্তনে আমাক প্ৰকৃততে কোন দিশলৈ লৈ গৈ আছে, সাম্প্ৰতিক সময়ত ইও এটা অতি প্ৰাসংগিক বিষয়।

বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ একবিংশ শতিকাৰ মানুহৰ প্ৰতি অন্যতম শ্ৰেষ্ঠ অৱদান হ'ল সামাজিক মাধ্যম (Social Media)। ফেচবুক, হুৱাটছ্ এপ, ইনষ্টাগ্ৰাম, টুইটাৰকে প্ৰমুখ্য কৰি বিভিন্ন সামাজিক মাধ্যমে বৰ্তমান পৃথিৱীখন আৱৰি ৰাখিছে। পৃথিৱীৰ সকলো ঠাইৰ মানুহেই সামাজিক মাধ্যমৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰা দেখা গৈছে। ই সমাজৰ বাবে বা পৃথিৱীখনৰ বাবে কিমান ইতিবাচক? আলোচনা আৰু চৰ্চাৰ প্ৰয়োজনীয়তা নিঃসন্দেহে আছে।

আমি এক বেলেগ দৃষ্টিভংগীৰে সমগ্ৰ বিষয়টো আলোচনা কৰিব বিচাৰিছো। আজি অসমৰ প্ৰেক্ষাপটত সামাজিক মাধ্যম আৰু যুৱ মানসিকতা —এই বিষয়টো যদি লক্ষ্য কৰা হয়, তেন্তে একে সময়তে কিছুমান ইতিবাচক আৰু কিছুমান নেতিবাচক দিশ আমাৰ চকুত পৰিব। ইতিবাচক দিশসমূহৰ কথা যদি আমি ক'বলৈ যাওঁ, তেনেহ'লে প্ৰথমেই ক'ব পাৰো আটাইতকৈ জনপ্ৰিয় সামাজিক মাধ্যম ফেচবুকৰ কথা। আজি ফেচবুকৰ যোগেদি অসমত অসমীয়া ভাষা ব্যৱহাৰৰ এক বিপ্লৱৰ সূচনা হৈছে বুলি ক'লেও হয়তো অত্যুক্তি কৰা নহ'ব। ফেচবুকত অসমীয়া ভাষাত লিখাৰ এটা প্ৰৱণতা নতুন চামৰ মাজত সৃষ্টি হৈছে, যিটো ভাষাটোৰ বাবে তথা সামগ্ৰিকভাৱে জাতিটোৰ বাবেই আশাৰ বতৰা। কি লিখিছে বা কিমান শুদ্ধকৈ লিখিছে, সেই কথাতকৈ বেছি গুৰুত্বপূৰ্ণ এই যে, অসমীয়া ভাষাত লিখিবলৈ আৰম্ভ কৰিছে। যিহেতু লিখিবলৈ আৰম্ভ কৰিছে, গতিকে ভুলবোৰ লাহে লাহে আঁতৰ হ'বই। সেয়ে, ইয়াক এক আশাব্যঞ্জক ঘটনা হিচাপে লৈ সামাজিক মাধ্যমৰে এক ইতিবাচক দিশ বুলি ক'ব নোৱাৰি নে? কেৱল ইমানেই নহয়, সংস্কৃতি, সমাজ সচেতনতা, সামাজিক ও ৰাজনৈতিক প্ৰমূল্যবোধ আদিৰ প্ৰতিফলনৰ এক মঞ্চ হৈ পৰিছে সামাজিক মাধ্যম। এই কথাষাৰৰ অৱতাৰণা এইকাৰণেই কৰা হৈছে যে 'অসমীয়াত কথা পাতো আহক' নামৰ এটা ফেচবুক গ্ৰুপত উপৰোক্ত দিশসমূহক সাঙুৰি লৈ প্ৰত্যেকদিনাই বৌদ্ধিক আলোচনাৰ সূত্ৰপাত হোৱা দেখা যায় আৰু আটাইতকৈ মন কৰিবলগীয়া কথাটো হ'ল যে, এই গ্ৰুপটোৰ সদস্যৰ সংখ্যা প্ৰায় ষাঠি হাজাৰৰো অধিক।

ইয়াৰ উপৰি, সামাজিক মাধ্যমসমূহে সাম্প্ৰতিক সময়ত মানৱীয় প্ৰমূল্যবোধৰ উত্তৰণেৰে এক সুস্থ সামাজিক বাতাৱৰণ গঢ়ি তোলাৰ ক্ষেত্ৰতো এক প্ৰকাৰৰ বিপ্লৱৰ সূচনা কৰিছে। এইক্ষেত্ৰত উদাহৰণ হিচাপে মানসজ্যোতি শৰ্মা নামৰ এজন যুৱকৰ প্ৰচেষ্টাত আৰম্ভ হোৱা 'ৰক্তই জীৱন' নামৰ হুৱাটছ্ এপ গ্ৰুপটোৰ কথা উনুকিয়াব পাৰি। অসমৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ব্যক্তিক লৈ গঠিত এই গ্ৰুপটোৰ যোগেদি ৰোগীসকলক প্ৰয়োজন অনুসৰি ৰক্তদান কৰাৰ লগতে বিভিন্ন সময়ত বিভিন্নজন ৰোগীক অন্যান্য প্ৰকাৰে সহায়ৰ হাত আগবঢ়াই অহা হৈছে। উল্লেখ্য যে, বৰ্তমান সময়ত ই কেৱল এটা হুৱাটছ্ এপ গ্ৰুপ হৈয়ে থকা নাই, বৰঞ্চ ৰাজ্যজুৰি বিস্তৃত এটা স্বেচ্ছাসেৱী সংগঠনলৈ ৰূপান্তৰিত হৈছে।

দ্বিতীয়তে উল্লেখ কৰিব পাৰি 'Rescue' নামৰ শিৱসাগৰৰ অন্য এটা ফেচবুক গ্ৰুপৰ কথা। এই গ্ৰুপৰ সদস্যসকলেও আৰম্ভণিৰে পৰা মানৱীয় প্ৰমূল্যবোধেৰে দুৰ্গতজনৰ কাষত থিয় দি তেওঁলোকলৈ সহায়ৰ হাত আগবঢ়োৱাৰ দৰে প্ৰশংসনীয়

কাম হাতত লৈ আহিছে। একেদৰে উনুকিয়াব পাৰি শিৱসাগৰ জিলাৰ ডিমৌৰ উদ্যমী ব্যক্তি ড° বিজয়কৃষ্ণ চেতিয়া, উমেশ চেতিয়া, সমীৰণ বৰগোহাঁইৰ কথা যিসকলে সামাজিক মাধ্যমৰ যোগেদি প্ৰচাৰ কৰি বিভিন্ন ধৰণে সমস্যাৰ সন্মুখীন হৈ অহা ব্যক্তিসকলৰ বাবে সাহায্য সংগ্ৰহ কৰে আৰু সংশ্লিষ্ট ব্যক্তিসকলক সহায় কৰে। 'সন্মিলিত প্ৰয়াস' নামকৰণেৰে তেওঁলোকে আৰম্ভ কৰা এই অভিযানে কেইবাজনো দৰিদ্ৰ মেধাৱী ছাত্ৰক আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰাৰ লগতে ডিমৌ লাচিত নগৰত সামাজিক মাধ্যমত প্ৰচাৰৰ যোগেদি লাভ কৰা সাহায্যৰে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পৰাকৈ এটা 'বুক ডিপো' স্থাপন কৰিছে। এনে কাৰ্য কেৱল প্ৰশংসনীয়েই নহয়, অনুকৰণীয়ও।

এইবাৰ উল্লেখ কৰিব বিচাৰিছো ফেচবুক পেজ 'সপোনৰ শিৱসাগৰ' আৰু 'সপোনৰ অসম'ৰ কথা। এই দুটা ফেচবুক পেজে গতানুগতিকতাক পৰিহাৰ কৰি সামাজিক মাধ্যমৰ যোগেদি শিৱসাগৰ আৰু অসমৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক তথা সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰাৰ প্ৰচেষ্টাত ব্ৰতী হৈ আছে। কেৱল ইমানেই নহয়, তেওঁলোকে অতি সম্প্ৰতি বিভিন্ন ছেমিনাৰ, আলোচনাচক্ৰ, কৰ্মশালা আদি অনুষ্ঠিত কৰি মানৱ সম্পদৰ বিকাশৰ বাবেও লেখত ল'বলগীয়া পদক্ষেপ গ্ৰহণ কৰিছে। এক সুস্থ সামাজিক বাতাৱৰণ সৃষ্টি কৰিবৰ বাবে প্ৰয়োজনীয় আটাইবোৰ দিশ সাঙুৰি ল'বলৈ চেষ্টা কৰা এই দুয়োটা পেজৰে পৰিচালনাৰ দায়িত্বত আছে শিৱসাগৰৰ কেইজনমান উদ্যমী যুৱক। এনে কামৰ বাবে তেওঁলোকো ধন্যবাদৰ পাত্ৰ।

ইয়াৰ লগতে, অসম মহিলা বিশ্ববিদ্যালয়ৰ স্বাৰ্থৰ বিৰুদ্ধে চৰকাৰে গ্ৰহণ কৰা নীতিৰ বিৰোধিতাৰে অসমৰ ছাত্ৰসমাজে যি ঐক্যবদ্ধ স্থিতি গ্ৰহণ কৰিছিল, এইক্ষেত্ৰতো সামাজিক মাধ্যমৰ ভূমিকা আছিল মন কৰিবলগীয়া।

এইবোৰৰ উপৰিও, কাকজান মহাবিদ্যালয়ৰ এগৰাকী মেধাৱী ছাত্ৰীৰ অসুখৰ সময়ত, নামৰূপৰ এগৰাকী কণমানিৰ চিকিৎসাৰ বাবে সাহায্যৰ প্ৰয়োজনৰ সময়ত উজনি অসমৰ প্ৰায় আটাইকেইখন আগশাৰীৰ মহাবিদ্যালয়ে একত্ৰিত হৈ যি মানৱতাৰ নিদৰ্শন দাঙি ধৰিছিল, তাৰো আৰম্ভণি হৈছিল সামাজিক মাধ্যমৰ যোগেদিয়েই।

স্বাভাৱিকতে এই আলোচনাই সামাজিক মাধ্যমৰ প্ৰতি মনত এক যোগাত্মক ধাৰণা আনি দিয়ে। কিন্তু, ইয়াৰ আন এটা স্ববিৰোধী বাস্তৱ আছে যিয়ে সমাজৰ সচেতন মহলক উদ্বিগ্ন কৰি তোলে। এইক্ষেত্ৰত বিস্তাৰিত আলোচনা কৰাৰ স্পৰ্ধা কৰা নাই যদিও নিজৰ অভিজ্ঞতাৰে কেইটামান কথা উনুকিয়াব খুজিছো।

বৰ্তমান এচাম নতুন প্ৰজন্মই সামাজিক মাধ্যমসমূহৰ ইতিবাচক দিশসমূহক গুৰুত্ব দিয়াৰ পৰিৱৰ্তে ইয়াক সময় অতিবাহিত কৰাৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰা দেখা গৈছে। ই সমাজৰ বাবে মুঠেও শুভ লক্ষণ নহয়। কিয়নো এনে মানসিকতাই যুৱচামক এক কৰ্মবিমুখী স্বভাৱৰ অধিকাৰী কৰি তোলাৰ সম্ভাৱনা থাকে। লগতে, সামাজিক মাধ্যমত অসমীয়া ভাষাত লিখিবলৈ আৰম্ভ কৰা যুৱচামে যদি বাস্তৱক্ষেত্ৰত অসমীয়া ভাষা ব্যৱহাৰত গুৰুত্ব নিদিয়ে, তেন্তে কেৱল সামাজিক মাধ্যমতে যে অদূৰ ভৱিষ্যতে অসমীয়া ভাষা সীমাবদ্ধ থাকিব, তেনে আশংকাক নুই কৰিব নিশ্চয় নোৱাৰি। অপ্ৰিয় হ'লেও সত্য, এনে এক পৰিস্থিতিৰ পূৰ্বাভাস 'গড়গঞাং'ৰ সম্পাদনাই আমাক দি গ'ল। গতিকে ইয়াৰ পৰাই আটাইলৈ অনুৰোধ, কেৱল সামাজিক মাধ্যমতে ইতিবাচক কামবোৰ সীমাবদ্ধ নাৰাখি বাস্তৱক্ষেত্ৰতো তাৰ প্ৰতিফলন ঘটোৱাৰ চেষ্টা কৰক, তেহে সুন্দৰ হ'ব সমাজ। জীয়াই থাকিব জাতি। জিলিকি উঠিব সংস্কৃতি।

ভাল হওক সকলোৰে। ইতিবাচকবোৰে মলিনতাবোৰ ঢাকি পেলাওক— প্ৰান্তত তাৰেই কামনা।

## কৃতজ্ঞতাৰ একলম ঃ

মহাবিদ্যালয়ৰ আলোচনী এখনে এখন মহাবিদ্যালয়ৰ দাপোণ হিচাপে কাম কৰে। 'গড়গঞাং'ৰ এটা সুনাম আছে, ঐতিহ্য আছে। তাক কিমান দূৰ অটুট ৰাখিব পাৰিলো, তাৰ বিচাৰ আপোনালোকলৈ ঠেলিলো। যথাসময়তকৈ আপোনালোকলৈ কিছু পলমকৈ 'গড়গঞাং' আগবঢ়াই দিলো, তাৰবাবে ক্ষমা বিচাৰিলো।

এইছেগতে ধন্যবাদ জনাইছো মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পুণ্যধৰ গগৈ ছাৰলৈ। তেখেতৰ সহায়ৰ অবিহনে গড়গঞাংই প্ৰকাশৰ পথ নেদেখিলেহেঁতেন। ড° যোগেশ বড়া ছাৰ প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ তেওঁলোকৰ শুভকামনা আৰু দিহা-পৰামৰ্শৰ

বাবে কৃতজ্ঞতাৰ শৰাই যাচিলোঁ। আলোচনীৰ উপদেষ্টা ড° অঞ্জন কোঁৱৰ ছাৰ আৰু প্ৰণৱ দুৱৰা ছাৰৰ অহৰহ সকীয়নি, পৰামৰ্শ আৰু সহযোগিতাৰ অবিহনে গড়গঞা হয়তো আধৰুৱা হ'লহেঁতেন। ধন্যবাদ তেওঁলোকলৈও। ধন্যবাদ আৰু কৃতজ্ঞতা সম্পাদনা সমিতিৰ সদস্য/সদস্যা— বৰষা, সম্প্ৰীতি, দীপজ্যোতিলৈ। বেটুপাতৰ শিল্পী ভাতৃপ্ৰতীম হিমাংশুৰ সহায় কেনেকৈ পাহৰিম? কেনেকৈ পাহৰিম ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অবিনাশকে প্ৰমুখ্য কৰি সমূহ বিষয়ববীয়াৰ সহযোগিতাক? বন্ধুবৰ তথা শুভাকাংক্ষী ভাস্কৰ, ডেনিচ, মনোৰঞ্জন, অনুপম, সুশান্ত, নৰজ্যোতি, ৰাহুল, ক্ষমালিকা, পঞ্চমী, মৈৰাক্ষী, গৌৰী, লাকী, মৰমৰ অনুজ বিকাশজ্যোতি, দিগন্ত, জ্যোতি তথা অন্যান্য সকলোৰে সহায় আৰু উৎসাহক চিৰদিন মনত ৰাখিম। আলোচনীৰ বাবে সকলো ফটো সংগ্ৰহ কৰি দিয়া কৌশিকক কৃতজ্ঞতা নজনোৱাকৈ কিদৰে থাকো?

কৃতজ্ঞতা আলোচনীৰ বাবে লেখা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা 'গড়গঞা'সকললৈ। আমাক সাক্ষাৎকাৰৰ বাবে সময় দি কৃতাৰ্থ কৰা তৰালি শৰ্মা আৰু হিমাংশু প্ৰসাদ দাসৰ ওচৰত চিৰঋণী হৈ ৰ'ম। কৃতজ্ঞতা অহৰহ আলোচনীৰ অগ্ৰগতিৰ খবৰ লৈ মোক সাহস দিয়া মৰাণ মহাবিদ্যালয়ৰ শুভ্ৰজ্যোতি, ডিমৌ মহাবিদ্যালয়ৰ লক্ষীনন্দন, শিৱসাগৰ মহাবিদ্যালয়ৰ নয়ন, সোণাৰি মহাবিদ্যালয়ৰ শিশিৰ, কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰণৱ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিস্মিতা বা, মৃদুপৱন দা, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ দীপজ্যোতি দা, কটন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ হেমাংগ আৰু দেৱাশিষ, উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ লুইত কিৰণ আটাইলৈ।

সদৌশেষত ধন্যবাদ ৰহমান প্ৰিণ্টিং প্ৰেছৰ স্বত্বাধিকাৰ আৰু সমূহ কৰ্মকৰ্তালৈ 'গড়গঞা'ক ন সাজেৰে সাজি উলিওৱাৰ বাবে।

অনিচ্ছাকৃত ভুল-ত্ৰুটীৰ বাবে পুনৰ ক্ষমা প্ৰাৰ্থনাৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয়তু গড়গঞা

ধন্যবাদেৰে—

*ভাৰ্গৱ লিগিৰা*
**সম্পাদক**
গড়গঞা ২০১৭-১৮

**মাননীয় লেখক-লেখিকাসকলৰ লেখনিৰ মৌলিকতা সম্পৰ্কত সম্পাদনা সমিতি দায়বদ্ধ নহয়।**
**— সম্পাদনা সমিতি।**

# সূচীপত্ৰ

## চিন্তাশিল্প আৰু বিবিধা


### সাহিত্য চ'ৰা

- অসমীয়া বিজ্ঞান আলোচনী ● ড° আন্না গগৈ ১৭
- নৰকান্ত বৰুৱাৰ কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ ● মনোৰঞ্জন বৰদলৈ ১৯
- বেজবৰুৱাৰ চুটিগল্প আৰু গল্পশৈলীঃ এক অৱলোকন ● কংকণা বৰুৱা ২৩
- সাধাৰণ পঢ়ুৱৈৰ দৃষ্টিৰে প্ৰশান্ত কুমাৰ দাসদেৱৰ 'নীল তমালৰ ৰ'দ' ● সম্প্ৰীতি লাহন ২৫

### সংস্কৃতি

- বকলীয়ালসকলৰ দধিমন্থন পৰম্পৰা ঃ এক চমু অৱলোকন ● দেৱযানী বকলীয়াল ২৭
- পৰিৱৰ্তনৰ ধামখুমীয়াত অসমীয়া সংস্কৃতি ঃ এক চমু অৱলোকন ● বৰষা বৰুৱা ৩১
- অসমৰ পুথিচিত্ৰ ● হিমাংশু গগৈ ৩৪
- অসমীয়া সংস্কৃতিত বাঁহ ● মনালিছা শইকীয়া ৩৬

### বিজ্ঞান

- প্ৰাকৃতিক বুৰঞ্জীৰ কথা ● ড° চন্দ্ৰাদিত্য গগৈ ৩৮
- অবৈজ্ঞানিক চিন্তা আৰু আমি ● ড° ক্ষীৰোদ চন্দ্ৰ গগৈ ৪১

### ক্ৰীড়া

- অসমৰ ক্ৰীড়াজগত ঃ এটি অৱলোকন ● বিকাশজ্যোতি চাংমাই ৪৪

### বিষয় ঃ অসম

- পৰ্যটন উদ্যোগ আৰু অসম ● মনীষা বৰগোহাঁই ৪৭
- অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু চৰকাৰৰ ভূমিকা ● ৰাজু চেতিয়া ফুকন ৫১
- অসমৰ নিবনুৱা সমস্যা আৰু সমাধানৰ উপায় ● জ্যোতি কোঁৱৰ ৫৩
- অসমৰ বৰ্তমান শিক্ষাব্যৱস্থা ঃ চমু অৱলোকন ● দীপাংকৰ বড়া ৫৫
- বৰ্তমান সময়ত অসমৰ সংবাদ মাধ্যম ঃ প্ৰাসংগিক চিন্তা ● কংকণা কোঁচ ৫৭

### ব্যক্তি আৰু ব্যক্তিত্ব

- আম্বেদকাৰ আৰু অস্পৃশ্যতা ● তৃষ্ণা চুতীয়া ৫৮
- আহোম ৰমণী চাও চিং কুঁৱৰী ● বৰষা শইকীয়া ৬০
- কৰ্ছিকাৰ বীৰজন ● দিগন্ত দাস ৬২
- জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য ঃ "হীৰু দা" ● চয়নিকা নেওগ ৬৪

### চিন্তন

- আধুনিক গোলকীকৰণৰ ধামখুমীয়াত এক বিশ্বমানৱতাবোধ গঢ়ি তোলাত সফল হ'ব পাৰিবনে যুৱ প্ৰজন্ম? ● অনিৰ্বান চেতিয়া ৬৫
- যুৱ উচ্ছৃংখলতা ঃ এক আলোচনা ● অন্বেষা ভট্ট ৬৭
- যুক্তিবাদ ঃ সম্পদ নে আপদ ● দিগন্ত দাস ৬৯
- নাৰী সৱলীকৰণ ● মণি শইকীয়া ৭১

**গড়গঞাৰ মুক্তকণ্ঠ**


- হিন্দু বিদেশীক নাগৰিকত্ব আৰু অসমৰ ভৱিষ্যৎ ● অংকিতা বৰগোহাঁই ৭৩
  ● কংকনা কোঁচ ৭৪
  ● প্ৰিয়ংকা দত্ত ৭৬
- বাক্‌স্বাধীনতা ● হেমাংগ গগৈ ৭৭
  ● শিশিৰ কুমাৰ গগৈ ৭৮
  ● দীপজ্যোতি গগৈ ৭৮
  ● লুইত কিৰণ দাস ৭৮


**ৰস ৰচনা**


- টকা ● অংকিতা বৰগোহাঁই ৭৯


**অন্তৰংগ**


- ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত গায়িকা তৰালি শৰ্মাৰ সৈতে... ৮০
- কবি, নাট্যকাৰ, অভিনেতা ও চলচিত্ৰ পৰিচালক হিমাংশু প্ৰসাদ দাসৰ সৈতে... ৮৫


## অনুভৱৰ অনুৰণন


- 'দেউতা' ● মনোৰঞ্জন চাংমাই ৯১
- বাস্তৱতাৰ নিদৰ্শন কলেজীয়া সপোন, যুৱ উচ্ছৃংখলতা আৰু আমিবোৰ ● পলী খনিকৰ ৯৪
- নাহৰ দেশৰ মধুৰ স্মৃতি ● লক্ষ্যজিৎ ফুকন
  ● সুৰভী ৰাজকুমাৰী ৯৬


**ভ্ৰমণ**


- শ্বিলঙলৈ বুলি.... ● প্ৰণামী গগৈ ৯৭


## চুটিগল্প


- প্ৰত্যৰ্পণ ● মণীষা বৰগোহাঁই ১০৩
- সপোনৰ ৰং ● পৰিস্মৃতা কাকতি ১০৬
- মাজনিশাৰ উচুপনি ● প্লাৱিতা ফুকন ১০৮
- শেষ ● দিগন্ত দাস ১১২
- সংকল্প, এক নতুন জীৱনৰ... ● পূৰবী বুঢ়াগোহাঁই ১১৩
- জীৱন নামৰ কিবা এটা ● অনিৰ্বান চেতিয়া ১১৪
- সেমেকা ৰাতিৰ উৰুঙা পঁজা ● পৰিস্মৃতা কাকতি ১১৬
- অমাৱস্যাত আশাৰ কিৰণ ● অংকিতা বৰগোহাঁই ১১৮
- এটি আশা ● প্ৰণামী গগৈ ১১৯
- ৰাধিকাৰ দুঃসময় ● স্বস্তিকা বৰকটকী ১২০


## নীলা খামৰ চিঠি


- নীলা খামৰ চিঠি ● সম্প্ৰীতি লাহন ১২৩
- হেঁপাহৰ এখনি নীলা খামৰ চিঠিৰ বাবে ● পূৰ্ণিমা দত্ত ১২৪
- অনুভৱৰ চাকনৈয়া... ● কংকণা বৰুৱা ১২৫

## উপন্যাসিকা


- উপন্যাস ● সুশান্ত ভৰালী ১২৯
- এখন ঘৰৰ কাহিনী ● অংকিতা বৰগোহাঁই ১৩৩

**নাট্যশিল্প**

- চৰাইদেউ পাহাৰৰ নাগিনীজনী ● পদুম গগৈ ১৩৫


## ছন্দৰ বাংময় বাট


- শৰত নাহিবি তই ● প্ৰিয়ংকা দত্ত ১৪১
- সভ্যতাত বিলীন নোহোৱা এটা চিঞৰ ● অনিৰ্বান চেতিয়া ১৪১
- আহ ঃ ৰোহিংগ্যা ● অংকিতা বৰগোহাঁই ১৪২
- সপোনৰ উচুপনি ● অনিৰ্বান চেতিয়া ১৪২
- বৰষুণ ● সম্প্ৰীতি লাহন ১৪৩
- অপেক্ষাৰ অন্তত... ● পূৰবী বুঢ়াগোহাঁই ১৪৩
- জীৱন ঃ এক ধূসৰিত পৃষ্ঠা ● কংকণা বৰুৱা ১৪৪
- অসমীয়া মুৰ্দাবাদ ● কংকণা কোঁচ ১৪৫
- গাত ৰ'দ-বৰষুণ নপৰা মানুহজন ● সুশান্ত ভৰালী ১৪৬
- অনুভৱৰ অংকুৰণ ● গৌৰীপ্ৰিয়া ১৪৭
- দুঃ সময় ● ক্ষমালিকা দত্ত ১৪৮
- প্ৰণিপাত ● ৰেইনী বৰগোহাঁই ১৪৮
- মনত পৰে ● পৰিস্মৃতা কাকতি ১৪৯
- স্মৃতিৰ এখিলা পাত ● পলী খনিকৰ ১৪৯
- জীৱন - মাথোঁ এক শূন্য ● অন্বেষা ভট্ট ১৫০


## English Section


- Arundhati Roy: A Bold Voice of Contemporary India ● **Himakhi Phukan** ১৫৩
- Globalization and Its Impact on Young Generation ● **Janardan Chetia** ১৫৬
- The Story of Gratitude (Story of the iron lady of Pakistan : Muniba Mazari) ● **Dipjyoti Gowala** ১৫৮
- We Live in Deeds, Not in Years ● **Angkrita Chetia** ১৬৩
- A Lonely Midnight in a City ● **Janardan Chetia** ১৬৪
- Last Day ● **Angelina B. Dihingia** ১৬৫
- The Proud Father ● **Plabita Phukon** ১৬৬
- Raghu's Stepmother ● **Angkrita Chetia** ১৬৭
- Subconscious Vision ● **Janardan Chetia** ১৬৮
- Teachers ● **Angkrita Chetia** ১৬৯
- Something Missing ● **Plabita Phukon** ১৬৯
- My 3am Story ● **Gauri Priya** ১৭০

- **সম্পাদকীয় প্ৰতিবেদন** ১৭৩-১৮৮

# চিন্তাশিল্প আৰু বিবিধা

মননশীল সাহিত্যই বহু পাঠকৰ ৰসাস্বাদন কৰোৱাই এক ঐন্দ্ৰজালিক মায়াজালৰ দ্বাৰা। সেই মায়াজালৰ মাজৰ পৰা উজ্জ্বল হৈ উঠা সত্যৰ সংস্পৰ্শত পাঠকসকল হৈ পৰে সন্মোহিত আৰু সন্তুষ্ট। পাঠকৰ মনত জন্ম দিব পৰা এক উচ্চস্তৰৰ বৌদ্ধিক পৰিতৃপ্তিৰ বাবেই আধুনিক প্ৰযুক্তিৰ সহায়ত নিৰ্মিত ভিন্ন উপাদানৰ মাজতো গ্ৰন্থ আৰু সাহিত্যৰ স্থান অনন্য।

—ময়ূৰ বৰা



# অসমীয়া বিজ্ঞান আলোচনী

● ড° আন্না গগৈ
সহকাৰী অধ্যাপিকা
ৰসায়ন বিভাগ

বিজ্ঞানৰ তাত্ত্বিক বিষয়বস্তুক সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ বৰ্ণনাত্মক সৰল ভাষাৰে লিখা ৰচনাই হৈছে বিজ্ঞান সাহিত্য। মানুহৰ কলাসুলভ নান্দনিক ভাৱ-অনুভূতিবোৰক লৈ ৰচনা কৰা সাহিত্যৰাজিৰ তুলনাত বিজ্ঞানক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা সাহিত্য বহু পলমকৈ সাহিত্য জগতলৈ আহিছে।

অসমীয়া সাহিত্যতকৈ বহু আগতেই অৱশ্যে পশ্চিমীয়া দেশসমূহত বিজ্ঞান সাহিত্যৰ ভেঁটি সুদৃঢ় হৈছিল। ১৬৩২ খ্ৰীষ্টাব্দতে গেলিলিঅ' গেলিলিৰ "Dialogue Connecting the two Chief World Systems" প্ৰকাশ হোৱাৰ পাছৰেপৰা প্ৰায় একাধাৰে ডাৰউইন, ফাৰাডে, ৰেলছ, জুলেভাৰ্ণ, আইনষ্টাইন, আইজাক এছিম'ভ আদি বিজ্ঞানী আৰু বিজ্ঞান লেখকসমূহৰ লেখনিয়ে পশ্চিমীয়া দেশসমূহত বিজ্ঞান সাহিত্যৰ ভঁৰাল চহকী কৰিছিল।

অসমীয়া সাহিত্যতো বিজ্ঞান সাহিত্য তেনেই চালুকীয়া অৱস্থাত নাই। ইতিহাসে ঢুকি নোপোৱাৰে পৰা মানুহৰ মুখে মুখে প্ৰচলন হৈ অহা বিজ্ঞানসুলভ ৰীতি-নীতি, যোজনা, পটন্তৰ, ডাকৰ বচন আদিত কৃষি, স্বাস্থ্য, পশুপালন, পৰিৱেশ আদি বিষয়ক মৌখিক সাহিত্যবোৰ এতিয়াও বিজ্ঞানসন্মত বুলি সকলোৱে মানি লৈছে। ১৪৩৪ চনত নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত বকুল কায়স্থই 'কিতাপত মঞ্জুৰী' নামৰ এখন গণিতৰ পুথি অসমীয়ালৈ অনুবাদ কৰিছিল। ১৬৯৫ চনত আহোম স্বৰ্গদেউৰ তত্ত্বাৱধানত কবিৰাজ চক্ৰৱৰ্তীয়ে 'ভাস্বতী শাস্ত্ৰ' অসমীয়ালৈ অনুবাদ কৰিছিল। ১৭৩৪ চনত সুকুমাৰ বৰকাইথে ৰচনা কৰা 'হস্তীবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ' নামৰ পুথিখন সমগ্ৰ অসমীয়া বিজ্ঞান সাহিত্যৰে এক উল্লেখযোগ্য ৰচনা।

অসমৰ প্ৰথম বাতৰি কাকত 'অৰুণোদই'য়ে বিজ্ঞান জনপ্ৰিয়কৰণ আৰু সমাজত বৈজ্ঞানিক মানসিকতা গঢ়াত বিশেষ ভূমিকা লৈছিল। পৰৱৰ্তী সময়ত 'বাঁহী', 'উষা', 'জোনাকী', 'মৌ', 'ৰামধেনু', 'বিজুলী', 'চেতনা', 'মিলন', 'সাধনা', 'আবাহন' আদি আলোচনীয়েও বিজ্ঞানৰ প্ৰবন্ধ-পাতি, বিজ্ঞান সংবাদ আদি প্ৰকাশ কৰি অসমীয়া বিজ্ঞান সাহিত্যৰ ভেঁটি সুদৃঢ় কৰাত অৰিহণা যোগাইছিল। 'দীপক', 'সাপ্তাহিক নীলাচল', 'আসাম বন্ধু', 'আসাম হিতৈষী', 'আমাৰ প্ৰতিনিধি', 'সাদিনীয়া নৱযুগ', 'নতুন পৃথিৱী', 'লহৰ', 'আকাশ', 'আজিৰ সময়', 'ডেউকা', 'সূত্ৰধাৰ', 'কিশোৰ', 'অভিৰুচি' আদি কাকত-আলোচনীতো বিজ্ঞানৰ প্ৰবন্ধ-পাতি প্ৰকাশ হৈছিল আৰু বৰ্তমানেও 'প্ৰকাশ', 'প্ৰান্তিক', 'সঁফুৰা', 'মৌচাক', 'নতুন আৱিষ্কাৰ', 'মুকুতা', 'নতুন পদাতিক', 'সাতসৰী', 'গৰীয়সী' আদি প্ৰতিখন আলোচনীতেই বিজ্ঞানৰ প্ৰবন্ধ-নিবন্ধ, সংবাদ-আলোচনা আদি নিয়মীয়াকৈ প্ৰকাশ হৈ আছে। ইয়াৰ উপৰিও অসমৰ প্ৰায়বোৰ বাতৰি-কাকততেই বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধ-পাতি নিয়মীয়াকৈ প্ৰকাশ কৰা হয়।

অসমীয়া ভাষাত বৰ্তমানলৈকে সহস্ৰাধিক জনপ্ৰিয় বিজ্ঞানৰ পুথি ৰচনা হৈছে আৰু অসমীয়া প্ৰতিখন বাতৰি-কাকত আলোচনীতে নিয়মীয়াকৈ বিজ্ঞানৰ প্ৰবন্ধ-পাতি প্ৰকাশ হৈ আছে যদিও অসমীয়া ভাষাত বিজ্ঞানৰ বাবে আছুতীয়া আলোচনীৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা।

অসমীয়া ভাষাত প্ৰথম বিজ্ঞান আলোচনীখন হৈছে ১৯২৪ চনতে প্ৰকাশ হোৱা 'পশুপালন' নামৰ কৃষি আৰু পশুপালন সম্পৰ্কীয় মাহেকীয়া আলোচনীখন।

অসমীয়া ভাষাত প্ৰথম বিজ্ঞান বিষয়ক নিয়মীয়া আলোচনীখন হৈছে 'বিজ্ঞান জেউতি'। 'বিজ্ঞান জেউতি'য়ে অসমীয়া বিজ্ঞান সাহিত্যত এটা যুগৰ সূচনা কৰিলে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক জনপ্ৰিয় কৰাক মুখ্য উদ্দেশ্য হিচাপে লৈ প্ৰতিষ্ঠা কৰা স্বেচ্ছামূলক সংগঠন 'অসম বিজ্ঞান সমিতি'য়ে প্ৰকাশ কৰা অসমীয়া ভাষাত বিজ্ঞান চৰ্চা কৰাৰ এক মঞ্চ হৈছে 'বিজ্ঞান জেউতি'। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক জনসাধাৰণৰ কামত আহিব পৰাকৈ ওচৰ চপাবলৈ হ'লে মাতৃভাষাৰ জৰিয়তে বিজ্ঞানৰ জটিল তত্ত্ব আদি সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ সৰল আৰু মনোগ্ৰাহীকৈ প্ৰকাশ কৰাৰ

প্ৰয়োজনীয়তা আছে আৰু সেই উদ্দেশ্যেৰেই প্ৰকাশিত 'বিজ্ঞান জেউতি'য়ে অসমীয়া বিজ্ঞান সাহিত্য চৰ্চাৰ ক্ষেত্ৰখন নিজৰ জেউতিৰে পোহৰাই তুলিলে। ১৯৬১ চনৰ পৰা তিনিমহীয়া হিচাপে প্ৰকাশ হোৱা 'বিজ্ঞান জেউতি' আলোচনীখন ১২ তম বৰ্ষ প্ৰকাশন (১৯৭৬ চন)ৰ পৰা দুমহীয়া হিচাপে প্ৰকাশ হৈ আছে।

অসমীয়া বিজ্ঞান সাহিত্যৰ বিকাশত 'বিজ্ঞান জেউতি'য়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। 'বিজ্ঞান জেউতি'য়ে এচাম পাঠকৰ জন্ম দিলে যি বিজ্ঞানক এক দুৰ্বোধ্য বিষয় বুলি নাভাবি সমাজ জীৱনৰ এক অংগ বুলি ভাবিবলৈ শিকিছে। পুৰণিচাম বিজ্ঞান লেখকৰ লেখনিয়ে 'বিজ্ঞান জেউতি'ৰ পাতত জেউতি চৰাইছে আৰু সমান্তৰালভাৱে 'বিজ্ঞান জেউতি'য়ে এচাম নতুন লেখকৰো জন্ম দিছে। মুঠৰ ওপৰত 'বিজ্ঞান জেউতি' প্ৰকাশৰ জৰিয়তে বিজ্ঞান চৰ্চাৰ কাৰণে এক নিয়মীয়া মঞ্চ প্ৰতিষ্ঠা হ'ল য'ত বিভিন্ন বয়সৰ বিজ্ঞান লেখক-লেখিকাৰ যোগেদি সমাজত বিজ্ঞান জনপ্ৰিয়কৰণৰ উপৰিও অসমীয়া ভাষাত বিজ্ঞান-চৰ্চাৰ বহু নতুন দুৱাৰ মুকলি হ'ল। 'বিজ্ঞান জেউতি' আলোচনীখনত বিজ্ঞানৰ মৌলিক প্ৰবন্ধ-নিবন্ধ প্ৰকাশ হোৱাৰ উপৰিও বিজ্ঞানভিত্তিক কল্প ৰচনা, বিজ্ঞানভিত্তিক গল্প-উপন্যাস, বিজ্ঞান সংবাদ, ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰশ্নোত্তৰ শিতান, ৰসায়নৰ মেজিক, বিজ্ঞানৰ অনুদিত ৰচনা-প্ৰবন্ধ, ধাৰাবাহিক অনুদিত গ্ৰন্থ আদি প্ৰকাশ হয়। 'বিজ্ঞান জেউতি'য়ে অনা বৈপ্লৱিক পৰিৱৰ্তনৰ ফলশ্ৰুতিতেই সাহিত্য-আলোচনী, বাতৰি কাকত, অনাতাঁৰ কেন্দ্ৰত আগতে সীমিত কৰি ৰখা বিজ্ঞান ৰচনাৰ স্থান বৃদ্ধি পাবলৈ ধৰিলে।

'বিজ্ঞান জেউতি'ক আদৰ্শ হিচাপে লৈ অসম বিজ্ঞান সমিতিৰ শাখা সমিতিসমূহেও পিছলৈ কিছুমান আলোচনী প্ৰকাশ কৰিবলৈ লয়। এইসমূহৰ ভিতৰত কেইখনমান আলোচনী হৈছে— উত্তৰ লক্ষীমপুৰ শাখাৰ 'বিজ্ঞান বাৰ্তা' (১৯৮৩), নলবাৰী শাখাৰ 'বিজ্ঞান পত্ৰ' ছমহীয়া (১৯৮৭), নগাঁও শাখাৰ 'বিজ্ঞান বৰ্ণালী' ছমহীয়া (১৯৮৯), ধেমাজি শাখাৰ 'পৰমাণু' ছমহীয়া (১৯৮২), দুলীয়াজান শাখাৰ 'বিজ্ঞান বৰ্ণালী' (১৯৮৮) আদি।

অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ বিজ্ঞানৰ অৰ্থ-সাহায্যৰে 'দৃষ্টি' নামৰ আন এখন বিজ্ঞান আলোচনী প্ৰকাশ হয়। 'দৃষ্টি'ৰ সম্পাদক আছিল দীনেশ চন্দ্ৰ গোস্বামী। ১৯৮৪ চনৰ পৰা একাধাৰে কেইবাবছৰ জুৰি প্ৰকাশ হৈ থকা আৰু বৰ্তমান প্ৰকাশ বন্ধ হৈ থকা 'দৃষ্টি' এখন দুমহীয়া বিজ্ঞান আলোচনী। 'দৃষ্টি'ত বিজ্ঞানৰ একোটা বিষয় বিশদভাৱে আলোচনা কৰা হৈছিল। 'দৃষ্টি'ত প্ৰকাশিত কেইটামান বিষয় হৈছে— আহাৰ আৰু পুষ্টি, পানী, জুই, সংযোগ ব্যৱস্থা, যাতায়ত, সৌৰজগত, ভূমিকম্প, তেলৰ কাহিনী, জীৱজগতৰ বিষ, অণুজীৱৰ জগতখন, দূষিত পৰিৱেশ আদি।

অসমীয়া বিজ্ঞান সাহিত্যৰ ভঁৰাল চহকী কৰা আন কেইখনমান আলোচনী হৈছে— উত্তৰ-পূৰ্বাঞ্চল ভৌগোলিক সন্থাৰ বাৰ্ষিক মুখপত্ৰ 'ভৌগোলিকা' (১৯৮৬), ৰাজ্যিক বিজ্ঞান শিক্ষা সংস্থাৰ তিনিমহীয়া 'বিজ্ঞান সঁফুৰা' (১৯৮৬), বৰ্তমানেও প্ৰকাশ হৈ থকা অসম গণিত শিক্ষায়তনৰ ছমহীয়া 'গণিত বিকাশ' (১৯৮৭) আদি।

খুব কম পৰিসৰত প্ৰচাৰ লাভ কৰা আনকেইখনমান বিজ্ঞান আলোচনী হৈছে— ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'পদাৰ্থ বিজ্ঞান পত্ৰিকা', 'ৰসায়ন শিক্ষা' আদি।

অসমীয়া ভাষাত স্বাস্থ্য সম্পৰ্কীয় ভালেকেইখন আলোচনী প্ৰকাশ হৈ আছে। তাৰ ভিতৰতে 'স্বাস্থ্য' (১৯৮৬, দুমহীয়া বিজ্ঞান আলোচনী), 'স্বাস্থ্যচিন্তা' (১৯৮৮, সম্পাদক ডাঃ নগেন দত্ত আৰু শান্তনু তামুলী), 'স্বাস্থ্য আৰু দীৰ্ঘজীৱন', 'জি. এন. আৰ. চি. স্বাস্থ্য' আদি।

অসমীয়া ভাষাত শিশু আৰু কিশোৰৰ উপযোগী বিজ্ঞান আলোচনীৰ জগতখন তেনেই চালুকীয়া অৱস্থাত আছে। শিশু আৰু কিশোৰৰ বাবে আছুতীয়া বিজ্ঞান আলোচনী 'নতুন আৱিষ্কাৰ' (১৯৮৮) এখন নিয়মীয়াকৈ প্ৰকাশ হৈ থকা মাহেকীয়া আলোচনী। 'নতুন আৱিষ্কাৰ'-য়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত যথেষ্ট অৰিহণা যোগাই আহিছে। ১৯৯০ চনৰ পৰা 'জ্ঞান-বিজ্ঞান' নামৰ আন এখন স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপযোগী বিজ্ঞান আলোচনী প্ৰকাশ হৈছিল।

বিজ্ঞান গৱেষণা আৰু চৰ্চাৰ অবিহনে মানৱ জাতিয়ে উন্নতিৰ শিখৰত আৰোহণ কৰাটো সম্ভৱ নহয়। জনসাধাৰণৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়িবলৈ, সমাজত বিজ্ঞানৰ মঙ্গলময় প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰু জনগণক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অপ-প্ৰয়োগৰ বিষয়ে সচেতন কৰিবলৈ বিজ্ঞান সাহিত্য এক উপযুক্ত মাধ্যম। অসমীয়া ভাষাত বিজ্ঞান আলোচনীৰ সংখ্যা তুলনামূলকভাৱে কম যদিও, লেখক আৰু প্ৰকাশক — এই সকলোৰে সমূহীয়া প্ৰচেষ্টাই অসমীয়া বিজ্ঞান আলোচনীক আৰু বিস্তাৰিতভাৱে আগবঢ়াই নিব বুলি আমি আশাবাদী। ❖❖❖



# নৱকান্ত বৰুৱাৰ কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ

## (নিৰ্বাচিত কবিতাৰ আধাৰত)

● মনোৰঞ্জন বৰদলৈ
প্ৰাক্তন ছাত্ৰ



নতুন কবিতাৰ অন্যতম মনোৰম অলংকাৰ হ'ল 'চিত্ৰকল্প'। কবিতাৰ বিমূৰ্ত্ত ভাৱবস্তুক ফুটাই তুলি পাঠকৰ ইন্দ্ৰিয়জ অনুভূতি বোধগম্য কৰি তুলিবৰ বাবেই কবিতাত 'চিত্ৰকল্প'ৰ ব্যৱহাৰ কৰা হয়। 'চিত্ৰকল্প' শব্দৰ আক্ষৰিক অৰ্থ হ'ল 'ছবিৰ নিচিনা'। এই ছবি ৰং তুলিকাৰে আঁকা ছবি নহয়, শব্দ আৰু ব্যঞ্জনাৰ সমাৱেশত গঢ় লৈ উঠা ছবি। কবিৰ অনুভূতিবোৰে কবিতাত এখন ছবিৰ দৰেই প্ৰকাশিত হৈ পাঠকৰ মনত এনে ধাৰণা দিয়ে যেন পাঠকে কবিতা পঢ়া নাই, বৰং কবিতাৰ চিত্ৰকল্পৰ মাজেদি গৈ কবিতাত বৰ্ণিত জগতখনত উটি-ভাঁহি ফুৰিছে।

এজৰা পাউণ্ডৰ মতে, "চিত্ৰকল্প কবিতাৰ অলংকাৰ নহয়, ই হ'ল কবিতাৰ ৰাণী।"

ড° কৰবী ডেকা হাজৰিকাৰ মতে, "কবিতাত চিত্ৰকল্প হ'ল মনৰ চকুৰে দেখা পোৱা ছবি।"

ড° লোপা বৰুৱাৰ মতে, "চিত্ৰকল্প কবিৰ অনুভূতি আৰু ইচ্ছাৰ মাজৰ এক শক্তিশালী মাধ্যম।"

নতুন অসমীয়া কবিতাত চিত্ৰকল্পৰ ব্যাপক প্ৰয়োগ হোৱা দেখা পোৱা যায়। নতুন অসমীয়া কবিতাত হেম বৰুৱাৰ পৰা আৰম্ভ কৰি নৱকান্ত বৰুৱা, অমূল্য বৰুৱা, নীলমণি ফুকন আদি নতুন কবিৰ হাতত চিত্ৰকল্পৰ ব্যৱহাৰে বিশেষ মাত্ৰা লাভ কৰে।

১৯৩০ চনত নগাঁও জিলাত জন্ম লাভ কৰা নৱকান্ত বৰুৱা অসমীয়া কাব্য জগতৰ এটি উজ্জ্বল নক্ষত্ৰ। নগাঁৱতেই স্কুলীয়া শিক্ষা সমাপন কৰা নৱকান্ত বৰুৱাই ১৯৪৭ চনত শান্তি নিকেতনৰ পৰা ইংৰাজী অনাৰ্চ সহ স্নাতক আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। শিকোহাবাদ্ এ. কে. কলেজ, যোৰহাট জগন্নাথ বৰুৱা কলেজ আৰু কটন কলেজত অধ্যাপক হিচাপে কাম কৰা বৰুৱাই কেইবাখনো সাহিত্য গ্ৰন্থেৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ ভিতৰত 'হে অৰণ্য হে মহানগৰ'-১৯৫১, 'কপিলী পৰীয়া সাধু'- ১৯৫১, 'এটি দুটি এঘাৰটি তৰা'-১৯৫৭, 'যতি আৰু কেইটিমান স্কেচ'-১৯৬১, 'অসমীয়া ছন্দশিল্পৰ ভূমিকা'-১৯৬২, 'ককাদেউতাৰ হাড়'-১৯৬৩, 'এখন স্বচ্ছ মুখাৰে'-১৯৯০ আদি উল্লেখযোগ্য। নৱকান্ত বৰুৱাই তেখেতৰ সাহিত্য সাধনাৰ কাৰণে ১৯৭৬ চনত 'পদ্মভূষণ সন্মান', ১৯৯৩ চনত 'অসম উপত্যকা সাহিত্য বঁটা', ১৯৭৫ চনত 'সাহিত্য অকাডেমী বঁটা' আৰু ১৯৯৮ চনত 'কমলকুমাৰী বঁটা' লাভ কৰে। ১৯৯০ চনত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনৰ সভাপতিৰ আসন অলংকৃত কৰা নৱকান্ত বৰুৱা কবি হিচাপে অসমীয়া সাহিত্য জগতত সৰ্বজনবিদিত।

নৱকান্ত বৰুৱাৰ চিত্ৰকল্পপুষ্ট কেইটামান কবিতা হ'ল—

(ক) এটা প্ৰেমৰ পদ্য
(খ) বশিষ্ঠত পিক্‌নিক্

(গ) শৰণীয়াত সন্ধ্যা
(ঘ) গোলাপ আৰু বেলিফুল
(ঙ) ইয়াত নদী আছিল
(চ) বোধিদ্ৰুমৰ খৰি
(ছ) লখিমী
(জ) ঐক্যতান
(ঝ) উভতি অহাৰ কবিতা
(ঞ) চকুপানী ঃ ফাগুনৰ
(ট) হে অৰণ্য, হে মহানগৰ
(ঠ) মোক লৈ যোৱা

নৰকান্ত বৰুৱাৰ কবিতাত ব্যৱহৃত চিত্ৰকল্প লাৱণ্যময়। এইবোৰৰ আবেদন হ'ল হৃদয়ৰ বেছি ওচৰচপা। নৰকান্ত বৰুৱাৰ কবিতাৰ চিত্ৰকল্পক 'হৃদয়ৰ অনুভূতিৰে বুজি পোৱা চিত্ৰকল্প' আৰু 'মগজুৰ চেতনাৰে বুজি পোৱা চিত্ৰকল্প' - এই দুই ভাগত ভাগ কৰিব পৰা যায়। বৰুৱাৰ কবিতাত প্ৰেম আৰু মৃত্যু, সৌন্দৰ্য আৰু কদৰ্য, স্বপ্ন আৰু উৎকণ্ঠাৰ দৰে পৰস্পৰ বিৰোধী অভিজ্ঞতাসমূহৰ চিত্ৰকল্প প্ৰবল ব্যঞ্জনাসমৃদ্ধ ৰূপত ওচৰা-ওচৰিকৈ ব্যৱহৃত হৈছে।

বৰুৱাৰ 'এটা প্ৰেমৰ পদ্য' কবিতাটোৰ চিত্ৰকল্প অতি মনোৰম—

*"মনত পৰেনে অৰুন্ধতী,*
*দুবৰি বনত মুকুতাৰ মণি*
*চুলিৰ মেঘত লাহী আঙুলিৰ বহুতো জোন,*
*জোৱাৰৰ বাবে সাগৰ নাছিল*
*...............................।"*

ইয়াত 'চুলিৰ মেঘত লাহী আঙুলিৰ জোন' চিত্ৰকল্পৰ জৰিয়তে কবিয়ে প্ৰেয়সী অৰুন্ধতীৰ মেঘবৰণীয়া চুলিৰ ফাঁকে-ফাঁকে হাত বোলাই থকা লাহী আঙুলিৰ অপৰূপ সৌন্দৰ্য সুন্দৰকৈ ফুটাই তুলিছে। এই সৌন্দৰ্যত কামনা নাই (জোৱাৰ); আছে মাথোন চিৰপ্ৰশান্তি।

কবিগৰাকীৰ চিত্ৰকল্প পুষ্ট আন এটি কবিতা হ'ল 'বশিষ্ঠত পিক্‌নিক্'—

*"সিফালে প্ৰখৰ সূৰ্য*
*আঁহত পাতৰ পৰা টোপাটোপে ৰ'দ সৰি পৰে..."*

আঁহতৰ পাতৰ ফাঁকেৰে পাৰ হৈ অহা ৰ'দ চেৰেঙা সকলোৰে চিনাকি। কিন্তু টোপ্‌টোপ্‌কৈ আঁহত পাতৰ পৰা সৰা ৰ'দ জাক কল্পনা জগতৰহে ভিতৰুৱা। বশিষ্ঠৰ ৰৌদ্ৰোজ্জ্বল দুপৰীয়াৰ ব্যঞ্জনা কঢ়িয়াই অনা এই চিত্ৰকল্প অতি মোহনীয়।

আন আন কবিসকলৰ কবিতাত প্ৰেয়সীৰ মুখৰ সৌন্দৰ্যৰ ছবি দাঙি ধৰা 'জোন'ৰ চিত্ৰকল্পই নৰকান্ত বৰুৱাৰ কবিতাত বেলেগ ৰূপত ধৰা দিলে। নৰকান্ত বৰুৱাৰ কবিতাত 'জোন' হৈ পৰিল 'মৃত, বেঁকা আৰু শিংলগা'। যেনে—

*"মৰা জোন উঠি আহে কবৰৰ পৰা*
*মৰা জোন উঠি আহে, আধা জোন*
*শিংলগা বেঁকা এটি জোন।"*

"শৰণীয়াত সন্ধ্যা" কবিতাত প্ৰয়োগ কৰা চিত্ৰকল্পই পাঠকক এক 'ঐন্দ্ৰজালিক মাধুৰ্য' প্ৰদান কৰে। যেনে—

*"এচপৰা আকাশৰ সোণ*
*খহি পৰি ৰয় দুবৰিত,*
*জোনাকীৰ দুটা জিলমিল*
*নিমাত জুনুকা দুভৰিত।"*

বিয়লিৰ আকাশৰ ৰ'দ এচেৰেঙা আহি দুবৰিৰ দলিচাত পৰি সৃষ্টি কৰা সৌন্দৰ্য বৰ মনোৰম। 'জিলমিল জোনাকী'ৰ চিত্ৰকল্পই সন্ধ্যাৰ ঐন্দ্ৰজালিক মাধুৰ্য ব্যঞ্জিত কৰাত সফল হৈছে।

কবিৰ 'গোলাপ আৰু বেলিফুল' কবিতাটোত 'দৰ্পন চিত্ৰকল্প'ৰ প্ৰয়োগ লেখত ল'বলগীয়া—

*"হালধীয়া বেলিফুলৰ শিখাবোৰ*
*কঁপি উঠিল, চঞ্চল*
*উৰ্দ্ধমুখী।"*

হালধীয়া বেলিফুলৰ পাহিবোৰে বতাহত হালিজালি থকাৰ দৃশ্য দৰ্শনেন্দ্ৰিয়ৰ বস্তু। কিন্তু 'জুইৰ শিখাৰ দৰে কঁপি উঠা বেলিফুল' — ই উপলব্ধিৰ ভিতৰুৱা।

বৰুৱাৰ চিত্ৰকল্প প্ৰয়োগ প্ৰতিভাৰ সাৰ্থক উমান পোৱা যায় 'ইয়াত নদী আছিল' নামৰ কবিতাটোত। যেনে—

*"দেখিছোঁ নদীৰ ঢলে বলাৎকাৰ কৰা পথাৰক*
*পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ সন্তান।"*

নদীৰ ঢলে পথাৰক বলাৎকাৰ কৰা চিত্ৰকল্পই নদীৰ বলিয়া বানে তছ্‌নছ্ কৰি থৈ যোৱা পথাৰৰ ব্যঞ্জনা আনিছে লগতে 'কবৰ'ৰ চিত্ৰকল্পই পথাৰ ওপচা সোণোৱালী ধাননিক কেনেকৈ বানে কঢ়িয়াই অনা পলসে ঢাকি নষ্ট কৰে তাক ব্যঞ্জিত কৰাত সফল হৈছে।

একেটা কবিতাৰেই পৰৱৰ্তী অংশ এনেধৰণৰ—

*"............................................*
*গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে*
*প্ৰাণৰ যিমান ৰং, সেউজীয়া সোণালী*
*আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু*
*ফুটছাই বৰণৰ এখন পৃথিৱী।"*

এই কবিতা পংক্তিত আধুনিক নাগৰিক সভ্যতাই মাতি অনা যুগৰ অভিশাপে প্ৰকৃতিৰ বুকুলৈ কঢ়িয়াই অনা মৰু সদৃশ অৱস্থাৰ কথা প্ৰকাশ কৰাত 'তামৰঙী আকাশ' আৰু 'ফুটছাই বৰণৰ পৃথিৱী'ৰ চিত্ৰকল্পৰ ব্যৱহাৰ মনোৰম।

কবিতাটোৰ পৰৱৰ্তী অংশৰ 'উটৰ ডিঙিৰ ছাঁ' আৰু 'সাগৰ'ৰ চিত্ৰকল্পই মৰুৰ মাজতো পানীৰ প্ৰতিশ্ৰুতি কঢ়িয়াই আনিছে; যি পানীয়ে শস্যশ্যামলা কৰি তুলিব পাৰে মৰু সদৃশ পৃথিৱীকো।

বৰুৱাৰ 'বোধিদ্ৰুমৰ খৰি' কবিতাটোত মানৱজীৱনৰ প্ৰকৃত সুখৰ ব্যঞ্জনা আনিবলৈ ব্যৱহাৰ কৰা চিত্ৰকল্পসমূহ যেনে— 'আইতাৰ তামোলৰ পিক্‌সনা জধলা চুমা', 'শিশুৰ মহামূঢ় ৰূপ' আদি বৰ যথোপযুক্ত। মানুহৰ মহামূঢ় ৰূপতেই যে চিৰশান্তি নিহিত হৈ থাকে তাক বুজাবলৈ বৰুৱাই চিত্ৰকল্প প্ৰয়োগ কৰি কৈছে—

*"আমাৰ কাৰণে যদি শান্তি আছে*
*আশা আছে-*
*চিৰশিশু মানুহৰ মহামূঢ়তাত;*
*তামোলৰ পিক্‌সনা আইতাৰ জধলা চুমাত।"*

চিত্ৰকল্পৰ সফল ব্যৱহাৰ ঘটা বৰুৱাৰ আন এটি কবিতা হ'ল 'লখিমী'—

*"তৰাৰ পাপৰি খহি*
*চোতালৰ দুবৰি ওপচে*
*ফুলৰ পোহৰে তাৰ*
*পদূলিত সজাই দীপালি।"*

কবিতাফাঁকিৰ 'তৰাৰ পাপৰি খহা চোতালৰ দুবৰি'ৰ চিত্ৰকল্পই নিশাৰ তৰাভৰা আকাশৰ ব্যঞ্জনা আনিছে। কবিতাটোৰ এই চিত্ৰকল্প 'শৰণীয়াত সন্ধ্যা' কবিতাটোৰ সন্ধ্যাৰ চিত্ৰকল্পৰ ওচৰচপা।

একেদৰে 'ঐক্যতান' কবিতাটোৰ 'আহিনৰ কুঁৱলীয়ে ঢাকি ৰখা পৃথিৱীৰ কুমাৰী ৰোমান্স' এই বিমূৰ্ত চিত্ৰকল্পই আহিনৰ গেঁৰ মেলা ধাননিৰ ছবিখন পাঠকৰ মানসপটত অংকন কৰাত কবি সফল হৈছে।

শব্দৰ কিছুমান সহজাত চিত্ৰধৰ্ম থাকে। এই চিত্ৰধৰ্মিতা ৰক্ষা কৰিব পাৰিলেই কবিতাত শব্দই আঁকা ছবিবোৰ জীৱন্ত হৈ উঠে। এনেদৰে শব্দৰ স্বকীয় সহজাত চিত্ৰধৰ্মৰ মাজেদি শুৱনি গাঁৱৰ চিনাকি ছবিখন 'জাপানী ছবি'ৰ দৰেই মায়াময় হৈ উঠিছে কবিৰ 'উভতি অহাৰ কবিতা'ত—

*"এয়েই চিনাকি গাঁও, কুঁৱলীৰ বগা কাগজত*
*জাপানী ছবিৰ মায়া বিজুলী বাঁহৰ।*
*বহুতো অতীত সনা পথাৰৰ বাটে বাটে*
*উশাহ উপচি পৰা চিনাকি সৌৰভ*
*ৰবাব্ ফুলৰ আৰু তোমাৰ চুলিৰ আৰু সেমেকা নৰাৰ।"*

কবিতা শাৰীৰ 'বগা কাগজহেন কুঁৱলী', 'বিজুলী বাঁহ', 'ৰবাব ফুল', 'সেমেকা নৰা'ৰ চিত্ৰকল্পৰে কবিয়ে পাঠকক এখনি গ্ৰাম্য ছবিৰ সন্ধান দিয়ে।

বৰুৱাৰ 'চকুপানী ঃ ফাগুনৰ' কবিতাটোতো অভিনৱ চিত্ৰকল্পৰ সমাহাৰ লক্ষ্য কৰিব পাৰি—

*"শুকান পাতৰ চিঠি খিৰিকীৰে ময়েই বিলাওঁ,*
*শুকান পাতত থকা খবৰ মাথোঁ*
*মোক নুসুধিবা,*
*.......................................।"*

কবিতাফাঁকিৰ 'শুকান পাতৰ চিঠি বিলোৱা ডাকোৱালৰূপী ফাগুন'ৰ চিত্ৰকল্প অভিনৱেই নহয়, একে সময়তে হৃদয়স্পৰ্শীও।

একেটা কবিতাৰেই 'শিমলু ফুলৰ মৌ এপিয়লা ৰঙীন খবৰ' কঢ়িয়াই অন্য ফাগুনৰ চিত্ৰকল্পৰ জৰিয়তে ফাগুনৰ চঞ্চল ৰূপৰ বৰ্ণনা জীপাল হৈ উঠিছে।

নৰকান্ত বৰুৱাৰ কেতবোৰ কবিতাৰ চিত্ৰধৰ্মিতা ইমানেই প্ৰৱল যে তেওঁ নীৰৱতাকো শব্দৰে মুখৰ কৰি তুলিবলৈ সক্ষম হয়।

মহানাগৰিক জীৱনৰ জটিলতা পূৰ্ণ ছবিখন অংকন কৰা কবিৰ 'হে অৰণ্য, হে মহানগৰ' কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ মন কৰিবলগীয়া—

*"ৰঙা-নীলা শেঁতা মুখ*
*হেনা, মধুবালা আৰু অলকানন্দাৰ........."*

ইয়াৰ 'হেনা, মধুবালা আৰু অলকানন্দাৰ ৰঙা-নীলা শেঁতা মুখ'ৰ চিত্ৰকল্পই মহানাগৰিক জীৱনৰ পণ্য সভ্যতা জীৱন্ত ৰূপত ফুটাই তুলিছে।

আনহাতে 'মোক লৈ যোৱা' কবিতাত সৰলতাপূৰ্ণ জীৱনৰ ছবি অংকন কৰিবলৈ 'আদম্ হাৱাই'ৰ চিত্ৰকল্প ব্যৱহাৰ কৰি কবিয়ে প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিছে—

*"মোক লৈ যোৱা সেই আদিম মানুহৰ মাজলৈ*
*য'ত আদম্ হাৱাই গিয়ান গছৰ*
*গুটি খোৱা নাই তেতিয়াও।"*

নৰকান্ত বৰুৱাৰ বেছিভাগ কবিতাৰেই চিত্ৰকল্প বুজিবলৈ বিশেষ বুদ্ধিচেতনা নতুবা সূক্ষ্ম দৃষ্টিভংগী প্ৰয়োগ কৰাৰ প্ৰয়োজন তুলনামূলকভাৱে আনসকল চিত্ৰকল্পবাদী কবিতকৈ কম। অৰ্থাৎ নৰকান্ত বৰুৱাৰ কেতবোৰ কবিতাৰ

চিত্ৰকল্প 'হৃদয়ৰ চিত্ৰকল্প' হোৱাৰ কাৰণে এইবোৰ পাঠকৰ সুখপাঠ্য হ'ব পাৰিছে। 'এটা প্ৰেমৰ পদ্য' ইয়াৰ উৎকৃষ্ট উদাহৰণ। কবিৰ ভালেসংখ্যক কবিতাৰ চিত্ৰকল্প মগজুৰ সূক্ষ্ম চেতনাৰে বুজি পাব পৰা চিত্ৰকল্প। মগজুৰ বুদ্ধিৰ দুৱাৰেদি গৈহে এনেবোৰ চিত্ৰকল্পই পাঠকৰ মনত দোলা দিব পাৰে। উদাহৰণস্বৰূপে, 'ইয়াত নদী আছিল' কবিতাৰ 'উটৰ ডিঙিৰ ছাঁ'ৰ দৰে চিত্ৰকল্পৰ কথা ক'ব পাৰি। তেখেতৰ কবিতাত বিদেশী কবি এলিয়ট্, বাংলা কবি জীৱনানন্দ দাস, ৰবীন্দ্ৰনাথ ঠাকুৰ, অমিয় চক্ৰৱৰ্তী আদিৰ কবিতাৰ চিত্ৰকল্পৰ প্ৰভাৱ পৰিছে যদিও বৰুৱাই তেওঁৰ চিত্ৰকল্পক সম্পূৰ্ণ থলুৱা পটভূমিত প্ৰতিষ্ঠা কৰাত সফল হৈছে। উদাহৰণস্বৰূপে, এলিয়টৰ 'ৱেইষ্ট লেণ্ড' কবিতাৰ প্ৰভাৱপুষ্ট বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাত এলিয়টি চিত্ৰকল্প 'কেকটাচ্'ৰ সলনি 'সিজু'ৰ ব্যৱহাৰে চিত্ৰকল্পৰ থলুৱা ৰূপ কঢ়িয়াই আনিছে। নৰকান্ত বৰুৱাৰ কিছুমান কবিতাৰ চিত্ৰকল্পই পাঠকৰ অধ্যয়নশীলতা আৰু বৰ্হিঃবিশ্বৰ সচেতনতা দাবী কৰে। উদাহৰণস্বৰূপে, 'মিচৰৰ স্ফিংচৰ হাঁহি' (সন্ধ্যাৰ ৰেপচ'দি), 'পীগ্‌মেলিয়নে উচুপে, 'মেড্যুচাৰ চকু' (আৰু এটা প্ৰেমৰ কবিতা) আদি চিত্ৰকল্পৰ অৰ্থ হৃদয়ংগম কৰিবলৈ সচেতন পাঠকহে সমৰ্থ হয়, যি সাধাৰণ হৃদয়সৰ্বস্ব পাঠকৰ মনত জটিলতাৰ সৃষ্টি কৰে। দেশ-বিদেশৰ নানান ঘটনা প্ৰৱাহৰ চিত্ৰকল্পই বৰুৱাৰ কবিতাক কেতিয়াবা দুৰ্বোধ্য কৰি তোলে। তথাপি কবিজনাৰ কবিতা স্ব-মাধুৰ্যৰে মণ্ডিত নোহোৱাকৈ থকা নাই।

নতুন কবি নৰকান্ত বৰুৱাৰ কবিতাৰ চিত্ৰকল্পৰ অধ্যয়ন কৰিলে উপলব্ধি হয় যে তেওঁৰ চিত্ৰকল্প সমৃদ্ধ কবিতাৰ মাজত কিছুমান 'হৃদয়ৰ চিত্ৰকল্প' আছে যদিও পাঠকৰ মগজুৰ প্ৰখৰতা দাবী কৰা কিছুমান চিত্ৰকল্পও নথকা নহয়। তেনেসমূহ কবিতাৰ অৰ্থ উপলব্ধিৰ বাবে কেৱল হৃদয়ৰ অনুভূতিয়েই যথেষ্ট নহয়; প্ৰখৰ বুদ্ধিচেতনা আৰু দেশ-বিদেশৰ বাস্তৱ প্ৰেক্ষাপটৰ ঘটনাৱলীৰ লগত সম্পৰ্ক থকাটোও জৰুৰী। এটা কথা স্বীকাৰ কৰিব লাগিব যে অন্যক্ষেত্ৰলৈ অহা পৰিৱৰ্তনৰ দৰে কবিতাৰ ক্ষেত্ৰলৈও অহা পৰিৱৰ্তনক নৰকান্ত বৰুৱাই এৰাই চলা নাই; গ্ৰহণ কৰিছে। পূৰ্বৰ দৰে বৰুৱাৰ কবিতা কেৱল 'পাৰ ওপচা আৱেগৰ ঢল' হৈ নাথাকি চিত্ৰকল্প সমৃদ্ধ হৈ পাঠকৰ বুজা-নুবুজাৰ দুৱাৰডলিত উপস্থিত হৈছে। নৰকান্ত বৰুৱাৰ চিত্ৰকল্পপুষ্ট এনেবোৰ কবিতা পাঠকে বুদ্ধিচেতনা আৰু বহুল দৃষ্টিভংগীৰে উপলব্ধি কৰাটোহে উচিত। তেহে পাঠকে বৰুৱাৰ চিত্ৰকল্পপুষ্ট কবিতাৰ অৰ্থ উপলব্ধি কৰি কাব্যস্বাদ আহৰণ কৰাত সফল হ'ব পাৰিব। ❖❖❖

## পাদটীকা

১। ড° লোপা বৰুৱা, 'আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প' - পৃষ্ঠ ১১৩, প্ৰথম শাৰী।

২। ড° কৰবী ডেকা হাজৰিকা, 'অসমীয়া কবিতা' - পৃষ্ঠা ৬৭, ২৬ নং শাৰী।

৩। ড° কৰবী ডেকা হাজৰিকা, 'কবিতাৰ ৰূপছায়া' - পৃষ্ঠা ৩৫, ১৮ নং শাৰী।

৪। ড° লোপা বৰুৱা, 'আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প' - পৃষ্ঠা ১১৭, ২৯ লং শাৰী।

৫। ড° কৰবী ডেকা হাজৰিকা, 'কবিতাৰ ৰূপছায়া' - পৃষ্ঠা ১৮৩, ২৩ নং শাৰী।

৬। ড° কৰবী ডেকা হাজৰিকা, 'অসমীয়া কবিতা' - পৃষ্ঠা ১৯৪, ৩১ নং শাৰী।

৭। ড° লোপা বৰুৱা, 'আধুনিক অসমীয়া কবিতাৰ প্ৰতীক আৰু চিত্ৰকল্প' - পৃষ্ঠা ১৩১, ২১ নং শাৰী।

৮। চন্দ্ৰ কটকী, 'গান আৰু কবিতা সমগ্ৰ' - পৃষ্ঠা ৩১৪, ৯ নং শাৰী।

## সহায়ক গ্ৰন্থপঞ্জী


ক) নৰকান্ত বৰুৱা ঃ 'গান আৰু কবিতা সমগ্ৰ', ভৱানী প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনচ, গুৱাহাটী।

খ) ড° লোপা বৰুৱা ঃ 'আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প', পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী।

গ) ড° কৰবী ডেকা হাজৰিকা ঃ 'অসমীয়া কবিতা', বনলতা, ডিব্ৰুগড়।

ঘ) ড° কৰবী ডেকা হাজৰিকা ঃ 'কবিতাৰ ৰূপছায়া', বনলতা, ডিব্ৰুগড়।

ঙ) চন্দ্ৰ কটকী ঃ 'আধুনিক অসমীয়া কবিতা', অসম সাহিত্য সভা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

(চ) মহেন্দ্ৰ বৰা ঃ 'সাহিত্য উপক্ৰমণিকা', ষ্টুডেণ্টছ্ ষ্ট'ৰছ্, বৰুৱাবামুণ গাঁও।



# বেজবৰুৱাৰ চুটিগল্প আৰু গল্পশৈলীঃ এক অৱলোকন

● কংকণা বৰুৱা
অসমীয়া বিভাগ
চতুৰ্থ যান্মাসিক

চুটিগল্প সাহিত্যৰ এক অবিচ্ছেদ্য অংগ। এক সংক্ষিপ্ত ৰূপত জীৱনৰ সত্য আৰু সৌন্দৰ্য কলাসুলভভাৱে চিত্ৰিত কৰা হয় ইয়াত। অসমীয়া সাহিত্যত জোনাকীৰ যোগেদি বেজবৰুৱাই চুটিগল্পৰ শুভাৰম্ভ কৰিলে আৰু আৰম্ভৰ সৃষ্টি হিচাপে এইমুঠি নতুন সৃষ্টি কলা-নিপুণতাৰ ফালৰ পৰা সফল সৃষ্টি বুলিব নোৱাৰি। আচলতে জোনাকীত বেজবৰুৱাৰ হাতত চুটিগল্পৰ পৰীক্ষা-নিৰীক্ষাহে চলিছিল।

পশ্চিমত চুটিগল্পৰ জন্ম হয় নৱন্যাস আন্দোলনৰ সময়ত। সেয়ে আমেৰিকা আৰু ফৰাচী চুটিগল্পৰো আৰম্ভণিতে গীতিকাব্যসুলভ কোমল অনুভূতি আৰু প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যই চুটিগল্পত ঠাই পাইছিল। সকলো ভাষাৰ সাহিত্যৰ ক্ষেত্ৰত চুটিগল্প নৱন্যাস আন্দোলনৰ আৰম্ভণি কালৰ সৃষ্টি। সময়টো মাথোন একে নহয়। বেজবৰুৱাৰ চুটিগল্পতো বেজবৰুৱাৰ 'কন্যা', 'নকওঁ', 'জালুকবাৰী', 'এৰাবাৰী', 'বিহু' আৰু 'মুক্তি' আদি গল্পকেইটাৰ মাজেদি অসমীয়া সাহিত্যলৈ নৱন্যাস আন্দোলনকেই আদৰি অনা হৈছিল।

বেজবৰুৱাৰ হাতত চুটিগল্পৰ জন্ম হ'ল, কিন্তু চুটিগল্পই শিল্প ৰূপ লাভ কৰিব নোৱাৰিলে। গল্পৰ শিল্পকলাৰ প্ৰতি লক্ষ্য নাৰাখি কেৱল সুখপাঠ্য কৰি তোলাতেই বেজবৰুৱাই অধিক গুৰুত্ব দিয়া যেন ধাৰণা হয়। বেজবৰুৱাৰ গল্পত কিন্তু কাহিনী অথবা বিষয়বস্তুৱে বহুসময়ত উপন্যাসৰ দৰে পেশীবহুল আবেষ্টনী এটাৰ সৃষ্টি কৰিব খোজে। সেইবাবে বেজবৰুৱাৰ অধিক গল্প সাধুকথাধৰ্মী হৈ পৰা দেখা যায়। আনকি বেজবৰুৱাই তেওঁৰ লেখনিৰ ক'তো চুটিগল্প বুলি কোৱা নাই। বৰং গল্প আৰু সাধুকথা বুলিহে কৈছে। বহুসময়ত বেজবৰুৱাৰ গল্পত কৃপাবৰী মানুহজনেও চুটিগল্পক লঘু ৰচনাৰ শাৰীলৈ নমাই আনিব খোজা দেখা যায়। এই প্ৰসংগত হীৰেণ গোহাঁইৰ মন্তব্য মন কৰিবলগীয়া। তেখেতৰ মতে — "এটা কথা নকৈ নোৱাৰি যে, বেজবৰুৱাৰ প্ৰদীপ্ত ৰোমাণ্টিক ব্যক্তিত্বত এহাতে যেনেকৈ শক্তি আৰু সামৰ্থৰ অভাৱ আছিল। এই গভীৰতাৰ ঠিক স্বাভাৱিক শক্তিৰ কথা নহয়"। এই প্ৰসংগতে আন এগৰাকী প্ৰসিদ্ধ সমালোচকৰ মতে — "চুটিগল্প এটা কঠিন আৰ্ট। ই সম্পূৰ্ণৰূপে আধুনিক যুগৰ সৃষ্টি। অসমীয়া ভাষাৰ সৰ্বপ্ৰথম চুটিগল্প লেখক লক্ষ্মীনাথ বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজৰ পাৰ্থক্যটো নিশ্চয় ভালকৈ বুজিব পৰা নাছিল। সেইকাৰণে চুটিগল্পক সাধুকথা আৰু চুটিগল্পৰ সাঁকো স্বৰূপ বুলিব পাৰি"।

ৰসৰাজ উপাধিৰে বিভূষিত বেজবৰুৱাৰ গল্পত হাস্য আৰু কৌতুকে অধিক স্থান দখল কৰি আছে। বাঙালী সাহিত্যৰ বংকিমচন্দ্ৰৰ দৰেই বেজবৰুৱাইও বহুসময়ত গল্পৰ আংগিকৰ প্ৰতি আওকাণ কৰি হাস্য, ব্যংগ আৰু কৌতুক সৃষ্টিত অধিক মনোনিৱেশ কৰা দেখা যায়। বেজবৰুৱাৰ চুটিগল্প বহু সময়ত হাঁহিৰ খোৰাক যোগাবৰ অৰ্থে লঘু চিত্ৰ সৃষ্টি কৰা আৰু শ্ৰেণী চৰিত্ৰ কিছুমানক তীব্ৰ ব্যংগ কৰাতে সীমাবদ্ধ থাকিল। হাঁহিৰ সিপাৰে কৰুণ ৰসসিক্ত জীৱনৰ অৱস্থিতিৰ সম্ভেদ যি গ'গল আৰু চেখভৰ গল্পত পোৱা যায়, বেজবৰুৱাৰ গল্পত জীৱনৰ গুৰু গম্ভীৰ অন্তলীন স্থিতি হাঁহিৰ খলকনিত অদৃশ্য হৈ যায়। কিন্তু হাস্যৰস সৃষ্টিত ভাষাৰ যাদুকৰী সাৱলীল শক্তিৰ দিশৰ বেজবৰুৱা কিন্তু অদ্বিতীয়। সেইবাবেই বেজবৰুৱাৰ হাস্যৰস প্ৰধান গল্পবোৰে পাঠকক মনোৰঞ্জন দি আহিব পাৰিছে।

'মলক গুইন গুইন', 'নাঙল চন্দ্ৰ', 'ভোকেন্দ্ৰ বৰুৱা', 'ভোমকেৰেলা' আদিৰ মাজেদি বেজবৰুৱাই সমকালীন সমাজৰ কিছুমান ভণ্ড শ্ৰেণীচৰিত্ৰক তীব্ৰভাৱে ব্যংগ কৰিছে। সংক্ষেপতে ক'বলৈ গ'লে বেজবৰুৱাৰ ব্যংগ গল্পসমূহ তেখেতৰ পূৰ্বসূৰী ব্যংগলেখক হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী'ৰ ব্যংগভাৱৰেই বিস্তাৰিত ৰূপ। সি যি কি নহওক, সমাজৰ অশুভ শ্ৰেণীচৰিত্ৰ কিছুমানক ব্যংগ কৰি লিখা গল্পসমূহ আৰু লঘু হাস্যৰসাত্মক গল্পবোৰৰ যোগেদি বেজবৰুৱাই আধুনিক অসমীয়া সাহিত্যত এটা নতুন বাট মুকলি কৰিলে। আঙ্গিক বৈশিষ্ট্যৰ ফালৰ পৰা এইবোৰ গল্প চুটিগল্পৰ পৰ্যায়ভুক্ত নহয় যদিও হাস্য আৰু ব্যংগ সাহিত্যৰ পূৰ্ব পৰম্পৰাক নতুন ৰূপত অব্যাহত ৰখাত বেজবৰুৱাৰ হাস্য আৰু ব্যংগ গল্পৰ এক ঐতিহাসিক মূল্য স্বীকাৰ কৰিব পাৰি।

গহীন ভাৱৰ গল্পসমূহৰো বহু ক্ষেত্ৰত বেজবৰুৱা বাঙালী চুটিগল্পৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। প্ৰধানকৈ ৰবীন্দ্ৰ নাথৰ বহু গল্পৰ প্ৰভাৱ বেজবৰুৱাৰ গল্পত প্ৰত্যক্ষভাৱে পৰা দেখা যায়। বেজবৰুৱাৰ মালতী গল্পৰ বিষয়-বস্তু অসম বুৰঞ্জীৰ ছাঁৰ পৰা গ্ৰহণ কৰিছে, যদিও গল্পটোৰ ভাৱ-বস্তু ৰবীন্দ্ৰ নাথৰ 'নিশীথে' গল্পৰ সমধৰ্মী। সেইদৰে বেজবৰুৱাৰ 'লাওখোলা' গল্প ৰবীন্দ্ৰনাথৰ 'কংকাল' গল্পৰ লগত মিলে। অৱশ্যে ৰবীন্দ্ৰনাথৰ গল্পত যি শিল্পচাতুৰ্য আৰু গভীৰ জীৱন বীক্ষা আছে, বেজবৰুৱাৰ গল্পত সি অভাৱ।

ভাৰতীয় প্ৰভাৱৰ উপৰিও বেজবৰুৱাৰ গল্পত পশ্চিমীয়া চুটিগল্পৰ প্ৰভাৱো নপৰাকৈ থকা নাই। ঊনবিংশ শতিকাৰ শেষ দশকতে মোপাছাঁ প্ৰমুখ্যে অন্যান্য গল্পলেখকৰ গল্প বাঙালীলৈ অনুবাদ হয়। বেজবৰুৱা প্ৰমুখ্যে অসমীয়া ছাত্ৰসকলৰ বৌদ্ধিক কৰ্ষণস্থলী হ'ল কলিকতা। গতিকে এইসকলৰ মনৰ দিগন্ত সম্প্ৰসাৰণ পশ্চিমীয়া সাহিত্যয়ো অনুপ্ৰেৰণা যোগোৱা স্বাভাৱিক।


বেজবৰুৱাৰ গল্পৰ মাজেদি বাস্তৱবাদী সাহিত্যৰ ধাৰা প্ৰৱৰ্তন হৈছিল বাবেই তেখেতৰ গল্পত নৰ-নাৰীৰ প্ৰেম আৰু মানৱতাবাদে গুৰুত্বপূৰ্ণ স্থান পাইছিল। নাৰীক আধ্যাত্মিক দৃষ্টিৰে চাইছিল বাবেই বেজবৰুৱাৰ বহু গল্পত নাৰীৰ মহিমা প্ৰদৰ্শিত হোৱা দেখা যায়। ৰবীন্দ্ৰনাথৰ 'দেনাপাওনা', 'হৈমন্তী', 'যজ্ঞেশ্বৰৰ যজ্ঞ', 'স্ত্ৰীৰ পত্ৰ' গল্পত নাৰী মনৰ চিৰন্তন সত্য আৰু সৌন্দৰ্যক পোহৰলৈ অনাৰ দৰেই বেজবৰুৱায়ো 'ভদৰী', 'জয়ন্তী', 'পাটমুগী' আদি গল্পৰ মাজেদি নাৰী চৰিত্ৰৰ সত্য আৰু সৌন্দৰ্য প্ৰকাশ কৰিছে। নাৰীৰ প্ৰতি সহৃদয় আৰু শ্ৰদ্ধাশীল দৃষ্টিভংগীৰ ক্ষেত্ৰত বেজবৰুৱা বাঙালী লেখক শৰৎচন্দ্ৰ সৈতে একে। প্ৰেমৰ গভীৰতা, দৃঢ়তা আৰু মহত্ত্বৰ দিশত 'কন্যা', 'ভদৰী', 'নকওঁ', 'জলকুঁৱৰী' আদি গল্প উল্লেখযোগ্য।

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বিষয়-বস্তু আৰু ভাৱবস্তু বহুবৰ্ণময় নহয়; সমকালীন সমাজ চেতনাৰ পৰাই বেজবৰুৱাই গল্পৰ বিষয়-বস্তু গ্ৰহণ কৰা দেখা যায়। প্ৰথমভাগ সমাজ সংস্কাৰধৰ্মী আৰু দ্বিতীয়ভাগ ব্যক্তি জীৱন সম্পৰ্কীয়। 'ভোকেন্দ্ৰ বৰুৱা', 'জাতিৰামৰ জাত' আদি তীব্ৰ সংস্কাৰ ভাৱাবেগ শ্ৰেণীৰ গল্প আৰু 'পুত্ৰৱান পিতা', 'ভদৰী', 'নকওঁ', 'জলকুঁৱৰী' আদি ব্যক্তি জীৱন সম্পৰ্কীয় গল্প।

সি যি কি নহওক উল্লেখিত দুটা প্ৰধান ধাৰাৰ গল্পৰ যোগেদি বেজবৰুৱাই আধুনিক অসমীয়া সাহিত্যত কেৱল চুটি গল্পৰেই ভেটি স্থাপন কৰিলে এনে নহয়, এইগৰাকী লেখকৰ গল্পৰ যোগেদি অসমীয়া সাহিত্যত আধুনিকতাৰো বাট প্ৰশস্ত হৈ পৰিল। তদুপৰি বেজবৰুৱাৰ গল্পৰ যোগেদি আধুনিক অসমীয়া সাহিত্যই চুবুৰীয়া বাঙালী সাহিত্য আৰু পশ্চিমৰ বৰেণ্য চুটি গল্প লেখকসকলৰ সৈতে সংযোগ স্থাপন কৰিলে। গতিকে চুটি গল্পৰ আংগিক অথবা কলা-কৌশলৰ দিশত নিখুঁত নহয় যদিও অসমীয়া চুটি গল্পৰ জনক হিচাপে আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত বেজবৰুৱাৰ ঐতিহাসিক গুৰুত্ব সৰ্বকালৰ বাবে স্বীকৃত হৈ ৰ'ব।❖❖❖

# সাধাৰণ পঢুৱৈৰ দৃষ্টিৰে প্ৰশান্ত কুমাৰ দাসদেৱৰ ‘নীল তমালৰ ৰ'দ’

● **সম্প্ৰীতি লাহন**
প্ৰাণীবিজ্ঞান বিভাগ
দ্বিতীয় ষান্মাসিক




**আৰম্ভণি ঃ**

“উপন্যাস হ'ল জনাকীৰ্ণ ৰাজপথেদি খোজ কাঢ়ি গৈ থকা এখন আইনা।”— ষ্টেন্ধাল।

কল্পনাৰ ৰহণ কিম্বা বাস্তৱৰ সুখ-দুখ, বিদ্ৰোহ-বিপ্লৱ, জীৱন-প্ৰকৃতি, প্ৰেম অথবা ব্যৰ্থতা এনে বহু ৰসৰ অপূৰ্ব সমাহাৰক চকুৰ আগত দৃশ্যমান কৰি তুলিব পৰা উপন্যাস বোৰো একো একোখন আইনা। উপন্যাস এনে এখন আইনা যি পঢুৱৈক টানি লৈ যাব পাৰে কোনো যুদ্ধক্ষেত্ৰলৈ কিম্বা কোনো আনন্দ উৎসৱলৈ, লৈ যাব পাৰে প্ৰকৃতিৰ অনন্য সৌন্দৰ্যৰাশিৰ মাজলৈ অথবা কংক্ৰিটৰ পৃথিৱীৰ জটিলতাৰ মাজলৈ। ভিন্ন চৰিত্ৰসমূহৰ মাজত নিজে এক নীৰৱ চৰিত্ৰ হৈ প্ৰত্যক্ষ কৰিব পাৰি আন চৰিত্ৰসমূহৰ জীৱন। সানি যাব পাৰে দুই ওঁঠৰ মাজত এক মিঠা প্ৰশান্তিৰ হাঁহি, অন্য কেতিয়াবা সেমেকাই তুলিব পাৰে পঢুৱৈৰ দুচকু। উপন্যাসিকৰ শব্দত জী উঠা উপন্যাসৰ কাহিনীসমূহ কেতিয়াবা হৃদয়ৰ স্থায়ী বাসিন্দা হৈ ৰৈ যায়।

অসমীয়া সাহিত্য জগতৰ কাঞ্চন বৰুৱাদেৱৰ ‘অসীমত যাৰ হেৰাল সীমা’, ড° মামণি ৰয়ছম গোস্বামী বাইদেউৰ ‘নীলকণ্ঠী ব্ৰজ’, ‘আধালেখা দস্তাৱেজ’, ড° ৰীতা চৌধুৰী বাইদেউৰ ‘এই সময় সেই সময়’, ‘হৃদয়ৰ নিৰুপায়’ আৰু আন বহুতো উপন্যাসে মোৰ মনত গভীৰ ৰেখাপাত কৰি যোৱাৰ দৰে মাথো কেইমাহমান আগতে পঢ়া প্ৰশান্ত কুমাৰ দাসদেৱৰ প্ৰথমখন উপন্যাস ‘নীল তমালৰ ৰ'দ’ উপন্যাসখনেও মোৰ মনত ৰেখাপাত কৰি গ'ল। প্ৰকৃতিৰ ৰম্যভূমি অসমৰ কাৰ্বি আংলং জিলাৰ অনন্য সৌন্দৰ্যৰ লগতে গোষ্ঠীসংঘৰ্ষ, উগ্ৰপন্থী সমস্যা, বিচ্ছিন্নতাবাদ আৰু আন বহুতো সমস্যাক এক দুৰ্গম যাত্ৰাৰ মাজেৰে বৰ সুন্দৰকৈ উপস্থাপন কৰিছে। উপন্যাসখন প্ৰকাশ কৰিছে ‘আঁক-বাঁক’ প্ৰকাশনে।

**লেখকৰ পৰিচয় ঃ**

প্ৰশান্ত কুমাৰ দাসদেৱ এজন সু-গল্পকাৰ হোৱাৰ লগতে ‘সাদিন গ্ৰুপ অফ পাব্লিকেচন’ৰ এজন বিশিষ্ট সাংবাদিক। তেখেতৰ কেইখনমান গ্ৰন্থ হৈছে ‘গল্পবোৰ’, ‘ডুবন্ত জাহাজৰ দুৰন্ত নাৱিক’, ‘দ্য ডাউনটাউন’, ‘দেশী-বেদেশী মজাৰ সাধু’। ‘নীল তমালৰ ৰ'দ’ লেখকৰ প্ৰথমখন উপন্যাস।

**উপন্যাসখনৰ বিষয়বস্তু ঃ**

প্ৰকৃতিৰ ৰম্যভূমি অসমৰ কাৰ্বি আংলঙৰ সৌন্দৰ্যৰাশি অতুলনীয়। সেউজীয়া পাহাৰ, অৰণ্য তথা প্ৰাকৃতিক সম্পদেৰে সগৰ্ভা কাৰ্বি ভূমি। এই অনন্য সৌন্দৰ্যৰ কাৰ্বিভূমিয়েই হৈছে উপন্যাসখনৰ পটভূমি। বিচ্ছিন্নতাবাদী মনোভাৱ আৰু কাৰ্বি আৰু ডিমাচা সম্প্ৰদায়ৰ মাজৰ গোষ্ঠী সংঘৰ্ষই জৰ্জৰিত কাৰ্বিভূমিৰ সম্পৰ্কে প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ যোৱা কথক, গোষ্ঠী সংঘৰ্ষত বিদ্ৰোহীৰ হাতত পিতৃ-মাতৃক হেৰুওৱা দুটি

ভুক্তভোগী কাৰ্বি শিশু 'জন' আৰু 'ৰামচন'ৰ সন্মুখীন হৈছে। পাটৰ উপাধিৰ এজন তিৱা জনজাতিৰ লোকৰ ঘৰত পালিত সন্তানৰূপে লালিত-পালিত হোৱা শিশু দুটিৰ জ্যেষ্ঠ ককায়েক বিদ্যা সংঘৰ্ষৰ সময়ত বিচ্ছিন্ন হৈ পৰিছিল দুয়োৰে পৰা। বিদ্যা মন্দাৰদিছা নামৰ এখন ভিতৰুৱা গাঁৱত এক ডিমাছা পৰিয়ালত পালিত সন্তানৰূপে বাস কৰিছে। বিদ্যাৰ সতে জন আৰু ৰামচনৰ সংযোগ ঘটোৱাৰ উদ্দেশ্যৰে এক দুৰ্গম যাত্ৰাৰ মাজেৰেই লেখকে কাহিনী চিত্ৰণ কৰিছে। প্ৰকৃতিৰ ৰম্যভূমিৰ মাজেৰে এই দুৰ্গম যাত্ৰাত কথকৰ সংগী হৈছে জন-ৰামচনৰ লগতে তুলনীয়া পিতৃ পাটৰ আৰু আন এক নাৰী চৰিত্ৰ প্লিপ্লি। প্লিপ্লিৰ প্ৰেমিক এক বিচ্ছিন্নতাবাদী সংগঠনৰ নেতা। প্ৰেমিকৰ সতে প্ৰেম সম্পৰ্কীয় আলোচনাত মিলিত হৈ সম্পৰ্কৰ এক স্থায়ী সিদ্ধান্ত নিৰ্ণয়ৰ উদ্দেশ্য লৈ প্লিপ্লি এই যাত্ৰাৰ সহযাত্ৰী হৈ ৰৈছে। চমু বাটৰ সন্ধানত বাৰে বাৰে পথচ্যুত হৈছে তেওঁলোক, ইখনৰ পিছত সিখন গাঁও অতিক্ৰম কৰিছে, কেতিয়াবা বৰষুণত তিতিছে, আন কেতিয়াবা ৰ'দত শুকাইছে, পাথৰ বগাই আগুৱাই গৈছে অথচ লক্ষ্যস্থান মন্দাৰদিছাৰ পৰা তেওঁলোক বহুদূৰত। এক পথ বিভ্ৰান্তি। এই দুৰ্গম যাত্ৰাত বাটে-বাটে অভিজ্ঞতা বুটলি আগুৱাই গৈছে তেওঁলোক। সমান্তৰালভাৱে কথকে উপস্থাপন কৰিছে প্ৰকৃতিৰ অনন্য সৌন্দৰ্য সেউজীয়া অৰণ্যৰ আঁৰৰ আন্ধাৰ বাস্তৱ, গোষ্ঠী সংঘৰ্ষৰ ভয়াৱহ পৰিণতি, বিচ্ছিন্নতাবাদ, উগ্ৰপন্থীৰ সমস্যা. পৃথক ৰাজ্যকৰণৰ অযুক্তিকৰ দাবী আৰু ইয়াৰ পৰিণতিৰ দৰে আন বহুতো জ্বলন্ত সমস্যা। স্বাধীনতাৰ পৰৱৰ্তী সময়ত গঢ় লৈ উঠা অধিকাৰ কেন্দ্ৰীক আন্দোলনসমূহৰ ৰক্তক্ষয়ী-আত্মঘাতী ৰূপ আৰু এই আন্দোলনৰ সৰ্বাধিক ভুক্তভোগী নাৰী আৰু শিশুৰ বৰ্ণনা লেখকে বৰ সুন্দৰভাৱে আগবঢ়াইছে। জীৱন ধাৰণৰ ন্যূনতম প্ৰয়োজনখিনিৰ পৰাও বঞ্চিত আশ্ৰয় শিবিৰৰ অস্বাস্থ্যকৰ জনজীৱনৰ মৰ্মস্পৰ্শী বৰ্ণনাও উল্লেখযোগ্য। আশ্ৰয় শিবিৰৰ পৰাই প্লিপ্লিৰ সতে তেওঁলোকৰ যাত্ৰাৰ দিশ ভিন্ন হৈ পৰিছে আৰু যাত্ৰাৰ সংগী হৈছে মেৰী নামৰ অন্য এক নাৰী চৰিত্ৰ যি যৌৱনৰ সৰ্বস্ব হেৰুৱাই অসহায় হৈ পৰিছে। এই যাত্ৰাত তেওঁলোকে আৱিষ্কাৰ কৰিছে এনে এক বৰ়ো গাঁও যিখন গাঁৱৰ প্ৰতিজন ব্যক্তি ফ্লৰ'চিছত (Fluorosis) আক্ৰান্ত। আৱিষ্কাৰ কৰিছে এনে বহু গাঁও য'ত সভ্যতাৰ পোহৰে স্পৰ্শ কৰা নাই, য'ত বিদ্যা-শিক্ষাৰ বাবে এখন বিদ্যালয় নাই। এনেসমূহ জনজীৱনক লৈ যে পৃথক ৰাজ্য গঠনৰ দাবী সম্পূৰ্ণ অযুক্তিকৰ সেয়া লেখকে সুন্দৰভাৱে উপস্থাপন কৰিছে। 'নীল তমালৰ ৰ'দ' উপন্যাসখন কাৰ্বিভূমিৰ বৰ্বৰ ৰূপ, উগ্ৰবাদী সংগঠনৰ দাবী আৰু পৃথক ৰাজ্য গঠনৰ ভয়াৱহ পৰিণতিৰ এক স্পষ্ট প্ৰতিফলন স্বৰূপ। কথকৰ এক পক্ষীয় প্ৰেম, বিৰহ উপন্যাসখনৰ আন এক উপাদান। 'চলমান বৃত্তান্ত' আৰু 'অভিযানমূলক কৌতূহল'এ উপন্যাসখনক অধিক মনোগ্ৰাহী কৰি তুলিছে। উপন্যাসখনৰ মাজেৰে লেখকে তেওঁৰ অৰণ্য প্ৰেম প্ৰকাশ কৰিছে— "নদী বা পথাৰতকৈ মই ভালপাওঁ অৰণ্য। অৰণ্য আদিম। অৰণ্য অকৃত্ৰিম। অৰণ্য সৰল। অৰণ্যৰ সেউজীয়াবোৰেই জীৱনৰ শেষ সঁচা।" আনহাতে লেখকে উল্লেখ কৰিছে— "বিদ্ৰোহীবোৰ অহাৰ পাছত অৰণ্য আৰু অৰণ্য হৈ নাথাকিল। নাথাকিল নিজস্বতাও।" এনেদৰেই উপন্যাসখনৰ মাজেৰে প্ৰতিফলিত হৈছে প্ৰকৃতিৰ উত্থান-পতন আৰু বিৱৰ্তন। এই যাত্ৰাৰ লক্ষ্যস্থান মন্দাৰদিছাত তেওঁলোক উপস্থিত হ'ব পাৰিলেনে? বিদ্যাৰ সতে জন-ৰামচনৰ মিলন হ'লনে? প্লিপ্লিয়ে বাৰু প্ৰেমিকক লগ পালেনে? এনেসমূহ কৌতূহলে পঢ়ুৱৈক উপন্যাসখনৰ গভীৰতৰলৈ টানি লৈ যায়। উপন্যাসখনৰ ঘটনাসমূহৰ বৰ্ণনা তথা পৰিৱেশ চিত্ৰণ ইমান সূক্ষ্ম যে উপন্যাসখন পঢ়ি থকা সময়ত মোৰ এনে অনুভৱ হৈছিল যেন প্ৰতিটো দৃশ্য মোৰ চকুৰ সন্মুখত। প্ৰতিটো যেন দৃশ্যমান হৈ উঠিছে চকুৰ আগত। ২০১৭ চনৰ নৱেম্বৰ মাহত প্ৰথম প্ৰকাশ হোৱা 'নীল তমালৰ ৰ'দ' উপন্যাসখনক মই মোৰ প্ৰিয় উপন্যাসৰ তালিকাত স্থান দিব পাৰো।


**সামৰণি ঃ**

"বৰ্বৰতাৰ বিৰুদ্ধে প্ৰতিৰোধৰ শেষ দুৰ্গ হ'ল উপন্যাস।"— ৰিচাৰ্ড হিউজ

প্ৰশান্ত কুমাৰ দাসদেৱৰ 'নীল তমালৰ ৰ'দ' উপন্যাসখনো কাৰ্বিভূমিত বৰ্বৰতাৰ বিৰুদ্ধে এক প্ৰতিৰোধৰ দুৰ্গ হিচাপে থিয় হৈ ৰওক। গোষ্ঠী সংঘৰ্ষ, বিচ্ছিন্নতাবাদৰ অৱসান হওঁক। কাৰ্বিভূমি প্ৰকৃতিৰ ৰম্যভূমি ৰূপে পৰিচিত হৈ ৰওঁক, বৰ্বৰতাৰে নহয়। অৱশেষত 'নীল তমালৰ ৰ'দ'ৰ দৰে এখন সময়োপযোগী, বাস্তৱ সন্মত, সুন্দৰ উপন্যাস পঢ়ুৱৈ সমাজৰ বাবে সৃষ্টি কৰাৰ বাবে লেখক প্ৰশান্ত কুমাৰ দাসদেৱলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

বি.দ্ৰ. ঃ ফ্লৰ'চিছ (Fluorosis) ঃ এবিধ হাড়ৰ ৰোগ। এই ৰোগত আক্ৰান্ত ব্যক্তিৰ দুই ভৰিয়ে বৃত্তাকাৰ ৰূপ ধাৰণ কৰে।

❖❖❖



# বকলীয়ালসকলৰ দধিমন্থন পৰম্পৰা ঃ এক চমু অৱলোকন

● দেৱযানী বকলীয়াল
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

অসমত বাস কৰা বিভিন্ন নৃ-গোষ্ঠীৰ সাংস্কৃতিক বৈচিত্র্যক বৃহত্তৰ অসমীয়া সংস্কৃতিয়ে সামৰি লৈছে। অসমীয়া সংস্কৃতিৰ এই বিচিত্ৰতাত অৰিহণা যোগোৱা অসমৰ ভূমিপুত্ৰ কছাৰীসকলৰ ক্ষুদ্ৰ এটি ঠাল হৈছে বকলীয়াল উপাধিৰ লোকসকল। এই বকলীয়াল লোকসকলৰ সম্পৰ্কে হিতেশ্বৰ বৰবৰুৱাৰ 'আহোমৰ দিন' বুৰঞ্জীখনত এইদৰে উল্লেখ আছে যে কছাৰী সোণোৱালবিলাকৰ খেল ৭ টা— বাঁহবৰীয়া, নিৰমূলীয়া, ছিবপুৰীয়া, তাজেঙীয়া, বকলীয়াল, নামৰূপীয়া আৰু কুলি গঞা। অৱশ্যে বকলীয়ালসকলৰ বিষয়ে আঁতি-গুৰি মাৰি লিখিত বুৰঞ্জী বা টোকা আদি পোৱা নাযায়। প্ৰচলিত এক কিম্বদন্তী অনুসৰি বকলীয়ালসকলৰ পূৰ্বপুৰুষসকলে গছৰ বাকলি, বিভিন্ন উদ্ভিদ আদি শালত খুন্দি নিমখ প্ৰস্তুত কৰিব জানিছিল। নিমখ প্ৰস্তুত কৰা শালখনৰ নাম আছিল 'বকলশাল'। 'বকলশাল'ত নিমখ প্ৰস্তুত কৰা বাবেই বকলীয়াল উপাধি হৈছিল বুলি কোৱা হয়। বকলীয়াল লোকসকল বৰ্তমান ডিব্ৰুগড়, গোলাঘাট আদি অসমৰ বিভিন্ন ঠাইত স্থায়ীভাৱে বসবাস কৰি আছে। ঘাইকৈ ডিব্ৰুগড় জিলাৰ টিংখং সমষ্টিৰ অন্তৰ্গত দ-চুক, কমাৰ চুক, বগাদাত, কেছেৰুগুৰি, কচলোবাম, বৰবিল, গেৰেকণি, বাঘমৰা, থেকেৰাগুৰি আদি গাঁৱত বকলীয়াল লোকসকলক পোৱা যায়।

বকলীয়ালসকলৰ মাজত প্ৰচলিত লোকাচাৰ,

লোকবিশ্বাস, উৎসৱ-অনুষ্ঠান আদিৰ ক্ষেত্ৰত থকা সুকীয়া বিশেষত্বই তেওঁলোকৰ সাংস্কৃতিক স্বকীয়তাৰ প্ৰকাশ কৰিছে। এইক্ষেত্ৰত তেওঁলোকৰ ধৰ্মীয় উপাসনাৰ প্ৰাণস্বৰূপ দধিশাল আৰু দধি মন্থন পৰম্পৰা অতি উল্লেখযোগ্য। ঘাইকৈ ব'হাগ বিহুৰ লোকাচাৰৰ সৈতে জড়িত এই দধিমন্থন পৰম্পৰাৰ বিষয়ে আভা, দিয়াৰ পূৰ্বে দধিশালৰ এটি চমু বিৱৰণ দিয়া হ'ল।

**দধিশালৰ পৰিচয় ঃ**

দধিশালখন হৈছে বকলীয়ালসকলৰ এক এৰাব নোৱাৰা সাংস্কৃতিক উপাদান। এই দধিশালখন বলিশালৰ ধৰ্মীয় ৰূপান্তৰ। বকলীয়ালসকলে অতীততে শিৱক আৰাধনা কৰিছিল। শাক্ত ধৰ্মত দীক্ষিত বকলীয়ালসকলৰ মাজত বলি-বিধানৰ প্ৰচলন আছিল। পাছলৈ বকলীয়ালসকলৰ সত্ৰ দুৱামাৰি সত্ৰত (বৰ্তমান শিৱসাগৰ জিলাৰ নাজিৰা চকীমুখত অৱস্থিত) শৰণ লৈ বৈষ্ণৱ পন্থা গ্ৰহণ কৰে। প্ৰাপ্ত তথ্যমতে মহাপুৰুষ শংকৰদেৱৰ অন্যতম প্ৰধান শিষ্য দামোদৰদেৱৰ শিষ্য মধুৰাম দেৱৰ প্ৰভাৱত বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি বলিশালখন দধিশাললৈ ৰূপান্তৰ কৰে। পূৰ্বতে প্ৰতিঘৰৰ পৰা এটাকৈ জীৱ উপাস্য দেৱতালৈ আগবঢ়োৱা যি পৰম্পৰা তাক ৰূপান্তৰ ঘটাই তাৰ সলনি এখন ৰঙা চালু দধিশালত অৰ্পণ কৰি পূৰ্বৰ পৰম্পৰা জীয়াই ৰাখিছে। সেইদৰে বলি কটাৰ পিছত পুৰোহিতে পূৰ্বতে দিয়া কেঁচা তেজৰ ফোঁটৰ প্ৰতীকৰ ৰূপত এতিয়া মেধিয়ে আবিৰ ৰঙা ফোঁট দিয়ে। গতিকে দধিশালৰ ব্যৱহাৰ আধা শাক্ত আৰু আধা বৈষ্ণৱ বুলি ক'ব পাৰি।

নামঘৰৰ মণিকূটৰ ভিতৰত সযতনে ৰাখি থোৱা দধিশালখন চ'তৰ সংক্ৰান্তিৰ দিনা নামঘৰৰ ভিতৰতে মণিকূটৰ বিপৰীতে অৰ্থাৎ পশ্চিমফালে স্থাপন কৰা হয়। দধিশালখন সাধাৰণতে ১৪ (চৈধ্য) হাত দীঘল গন্ধকৰৈ কাঠেৰে তৈয়াৰ কৰা হয়। দুইমূৰে দুটা ডাঙৰ খুঁটা আৰু এই খুঁটা দুটাৰ সৈতে দুখন ৭ টাকৈ ফুটা থকা নাও আকৃতিৰ এখন তলত আৰু এখন ওপৰত সংলগ্ন কৰা হয়। ওপৰৰ নাও দুখনৰ সৈতে থিয়কৈ চাৰিটা কাঠৰ শলা ঘূৰিব পৰা অৱস্থাত লগোৱা থাকে। এই শলাবিলাকৰ ওপৰত দুখন ধেনু ওলোটাকৈ বন্ধা থাকে যাতে শলাডাল ঘূৰিলে দেখিবলৈ সুন্দৰ হয়। শলা চাৰিডালত ঘূৰাব পৰাকৈ প্ৰত্যেকতে দুইপাৰে দুডাল তৰা বা ওদাল গছৰ জৰী পকাই লোৱা হয়। মন্থনৰ সুবিধাৰ্থে জৰীডালৰ দুইমূৰে দুটাকৈ ঘিলা গুটি লগোৱা হয়। শালখনৰ সোঁমাজত যিটো খুঁটা বা শাল থাকে সেইডালক নাড়ী শলা বুলি কোৱা হয় আৰু সেইডাল দধি মথিবৰ বাবে ব্যৱহাৰ কৰা নহয়। ইয়াৰ ওপৰত এটা জামুক কাঠৰ ডিল থাকে। শলাবিলাকৰ তলত কাক বাঁহৰ চুঙাত পানী, পঞ্চামৃত, সোণ, ৰূপ আদি দিয়া হয়। শালখনৰ খুঁটা, মগৰৰ ডিঙিৰ অংশ, শালৰ তলৰ ভাগটো ৰঙা কাপোৰে ঢাকি দিয়া হয়। শালখনত বগা, ক'লা, ৰঙা এই তিনিটা ৰং ব্যৱহাৰ কৰা হয়। ৰঙা ৰংটো হালধি আৰু চুণ মিহলি কৰি, চুণ সানি বগা ৰং আৰু বাঁহপাত পুৰি ছাইখিনি মিঠাতেলৰ লগত সানি ক'লা ৰঙটো ভকতে নিজে প্ৰস্তুত কৰি লয়। কথিত আছে যে পূৰ্বতে এই তিনিটা ৰঙৰ জীৱহে বকলীয়ালসকলে উপাস্য দেৱতাক উচৰ্গা কৰিছিল। বৰ্তমান এই ৰং তিনিটাৰ তাত্ত্বিক অৰ্থ ৰঙাৰ 'ৰজ', বগাৰ 'সত্ব' আৰু কলা ৰং 'তম' বুলি মত পোষণ কৰা হয়। দধিশালখন ব'হাগ বিহু উদ্‌যাপনৰ ১৫ দিনৰ পাছত নিয়ম-নীতিৰে উঠাই সযতনে পুনৰ মণিকূটৰ ভিতৰত ৰাখি থোৱা হয়।

**দধিমন্থন পৰম্পৰা ঃ**

বকলীয়ালসকলে নামঘৰতেই ব'হাগ বিহু উদ্‌যাপন কৰে। ব'হাগ বিহুত গাঁৱৰ প্ৰত্যেকঘৰ মানুহেই নামঘৰত শৰাই দিয়া, গুৰু ভকতক সেৱা জনোৱা বাধ্যতামূলক। নামঘৰত শৰাই, চাকি-বন্তি আগবঢ়োৱাৰ পাছত সেৱা পৰ্ব আৰম্ভ হয়। এই সেৱা পৰ্বক গোঁসাই সেৱা বুলি কোৱা হয়। প্ৰথমে মণিকূট অৰ্থাৎ ভাগৱতলৈ সেৱা জনাই তামোল-পাণৰ শৰাই আৰু চালুক দি দধিশাললৈ বেলেগ সেৱা জনায়।

পহিলা ব'হাগত ভকতসকলৰ নাম-প্ৰসংগ, হীৰা নাম, গায়ন-বায়ন আৰু আইসকলে দধিশালৰ কাষত বহি নাম লোৱাৰ অন্তত দধিমন্থন আৰম্ভ হয়। দধিমন্থনৰ বাবে শালখনৰ দুয়োফালে দুটা শাৰী হৈ ভৰি দুখন সমান কৰি থিয় হৈ শলাত বন্ধা জৰীৰে দুই হাতেৰে এবাৰ আগলৈ এবাৰ পাছলৈ কৰি গীতৰ লগত ৰজিতা খোৱাই দধিমন্থন কৰে। প্ৰথমে গাভৰুসকলে আৰু তাৰপাছত ডেকাসকলে দধিমন্থন কৰে। গাভৰুসকলে দধি মথোতে আইসকলে আৰু ডেকাসকলে দধি মথোতে ভকতসকলে দধি মথনী নাম গায়। তেনেকৈ এক ব'হাগৰ পৰা ছয় ব'হাগলৈকে পুৱাৰ পৰা ৰাতিলৈকে চৈধ্য প্ৰসংগৰে বিহু পালন কৰা হয়। সপ্তম দিনা অৰ্থাৎ বৰসবাহৰ দিনা নাম-প্ৰসংগ, দধিমন্থন, গায়ন-বায়নৰ উপৰি গোঁসাই বিচা, পুৰুষৰ নাচ, বহুৱা নাচ, থিয় নাম, বাৰমহীয়া গীত আদি কাৰ্যসূচীৰে বিহুৰ সামৰণী অনুষ্ঠান পালন কৰা হয়। ধৱল চোঁৰৰ হাতত লৈ নামঘৰৰ মেধিজনে সাতবাৰ মণিকূট, দধিশাল প্ৰদক্ষিণ কৰি বিচা (বা দিয়া) কাৰ্যকে

গোঁসাই বিচা বুলি কোৱা হয়। পুৰুষৰ নাচ হৈছে গায়ন গোৱাৰ পূৰ্বে নামঘৰৰ ভিতৰত পুৰুষসকলে প্ৰদৰ্শন কৰা বিহুনাচৰ সৈতে সাদৃশ্য থকা এক বিশেষ শৈলীৰ নাচ। হাত দুখন দীঘলকৈ মেলি অলপ কুঁজা হৈ জঁপিয়াই জঁপিয়াই মৃদঙৰ ছেৱত নচা এই নাচ যথেষ্ট আমোদদায়ক। এই নাচত কেৱল পুৰুষেহে অংশগ্ৰহণ কৰে বাবে 'পুৰুষৰ নাচ' বুলি কোৱা হয়। তেনেদৰে বহুৱা নাচ মৃদঙৰ ছেৱত নচা পুৰুষৰ নাচ, য'ত নাচোতাই তামোলৰ ঢকুৱাৰে এখন মুখা সাজি চূণেৰে চকু-নাক-মুখ আঁকি পিন্ধি লয়। সেয়ে ইয়াক চূণখোৱা বুলিও কয়। কঁকালত চিৰিলি চিৰিলিকৈ ফলা কলপাত মেৰিয়াই লয়। শৰীৰৰ বাকী অংশত বস্ত্ৰ নাথাকে। সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত বহুৱা নৃত্যৰ সৈতে ইয়াৰ সাদৃশ্য থকা দেখা যায়। জাতীয় পৰম্পৰা হিচাপে প্ৰচলিত এই নাচ দুটাৰ উদ্দেশ্য শিশুৰ পৰা ডেকা-গাভৰু, বৃদ্ধ-বৃদ্ধা সকলোকে একঘেয়ামী কাৰ্যসূচীৰ পৰা সামান্য নিলগাই আমোদ প্ৰদান কৰা বুলি ক'ব পাৰি।

দধিশালত ৰঙা চালু অৰ্পণ কৰা পৰম্পৰাত মনোকামনা সিদ্ধিৰ লোকবিশ্বাস জড়িত হৈ আছে। দধিশালখন স্থাপন হৈ থকা কেইদিনত খেতি পথাৰত হাল-কোৰ নাবায়। গাঁৱৰ কোনো তিৰোতাই দধিশালখন অৱজ্ঞা কৰি ফুৰিবলৈ নাযায় বা গ'লেও ঘূৰি আহিব লাগে বুলি লোকবিশ্বাস প্ৰচলিত। তদুপৰি দধিশাল নভঙালৈকে ঢোল বজাই হুঁচৰি কৰাৰ নিয়ম তেওঁলোকৰ নাই। বিহু মাৰিলে কৃষ্ণ সংস্কৃতিলৈ পিঠি দিয়াৰ ভয়ত বা ডেকা-গাভৰুক সংযত ৰাখি সমাজ সু-শৃংখল কৰি ৰখাৰ স্বাৰ্থত ৰাতি বিহু মৰাটো নিষিদ্ধ কৰি পেলাইছিল। অৱশ্যে বৰ্তমান এই নিয়মৰ তাৰতম্য ঘটা দেখা যায়।

বকলীয়ালসকলৰ দধিমন্থন পৰম্পৰাত কেইবাটাও বিশেষ তাৎপৰ্য পৰিলক্ষিত হয়। বৈষ্ণৱ ধৰ্মত দীক্ষিত হৈও পূৰ্বৰ উপাস্য দেৱতাৰ থান বা বলিশালখন সম্পূৰ্ণৰূপে ত্যাগ কৰাৰ সলনি সেইখনৰ সংস্কাৰ সাধন কৰি দধিশালৰ ৰূপ প্ৰদান কৰে। ১৪ হাত দীঘল দধিশাল আৰু ইয়াত থকা ৭ টা খুঁটাই বকলীয়াল কছাৰীসকলৰ ১৪ টা বংশ আৰু ৭ টা খেলৰ ইংগিত দিয়ে। নাড়ী শলাৰ ওপৰৰ জামুক কাঠৰ ডিলটো প্ৰজননৰ প্ৰতীক হিচাপে ধৰা হয়। পৃথিৱীখন আদিতে জলময় আছিল। পানীতে প্ৰথম মেৰুদণ্ডী জীৱ 'মাছ'ৰ সৃষ্টি হয়। সেয়ে মাছ ভগৱানৰ প্ৰথম অৱতাৰ আৰু জলময় পৃথিৱীখন কিছু শুকাই বোকা সৃষ্টি হোৱাত কাছ বা মগৰ জাতীয় জীৱৰ সৃষ্টি হয়, যাক ভগৱানৰ দ্বিতীয় অৱতাৰ বুলি কোৱা হয়। সেয়ে দধিশালৰ তলত কাক বাঁহৰ চুঙাত পানী, ওপৰত মাছ আৰু মাছ খাই মগৰ স্থপন কৰা হৈছে। দধিশালখন অমৃত প্ৰাপ্তিৰ উদ্দেশ্যে কৰা সমুদ্ৰ মন্থনৰ এক প্ৰতীক বুলিও ক'ব পাৰি। জীৱন সমুদ্ৰত অমৃত লাভ কৰিবলৈ কঠোৰ সাধনা, পৰিশ্ৰমৰ প্ৰয়োজন। গতিকে কাঠৰ শলাডালক মন্দৰ পৰ্বত, জৰীডাল বাসুকী নাগ বা কাল অৰ্থাৎ সময় হিচাপে ধৰি ল'ব পাৰি। মনৰ অসুৰক দমন কৰি জীৱন অমৃতময় কৰিবলৈ দধিমন্থন পৰম্পৰাই শিকনি দিয়ে। তদুপৰি এই দধিমন্থন পৰম্পৰা কৃষ্ণ সংস্কৃতিৰ পৰিচায়ক। শ্ৰীকৃষ্ণৰ শিশু লীলা আৰু যশোদাকে ধৰি গোপিনীসকলৰ বাৎসল্য প্ৰেমৰ প্ৰতীক এই দধিশাল তথা দধিমন্থন পৰম্পৰা। এইক্ষেত্ৰত মন কৰিবলগীয়া যে ল'ৰাৰ পৰা বুঢ়ালৈকে, ডেকা-গাভৰু, আইসকলক নামঘৰৰ বিভিন্ন কাৰ্যসূচীত ভাগ লোৱাৰ সুবিধা প্ৰদান কৰি, গাভৰুৰ লগতে ডেকাসকলকো দধি মথিবলৈ সুবিধা প্ৰদান কৰি বকলীয়ালসকলে নামঘৰত ব'হাগ বিহু উদ্‌যাপনৰ আনন্দ সকলোকে সমানে উপভোগ কৰিবলৈ সুবিধা দিয়ে।

দধিমন্থন পৰম্পৰাৰ লগত জড়িত গীতসমূহক দধিমথনী নাম বুলি কোৱা হয়। এই দধিমথনী নাম ৭ (সাত) শ্ৰম আছে। প্ৰতিটো শ্ৰমতে কৃষ্ণ কথাই প্ৰাধান্য পাইছে। গাভৰুসকলে এই নামৰ ছন্দত যশোদাৰ ৰূপত লয়লাস ভংগিমাৰে দধিমন্থন কৰে। ডেকাসকলে দধি মথোতে ভকতে দধিমথনী নাম গাওঁতে তালৰ ব্যৱহাৰ কৰে। আইসকলে চাপৰি বায়। আই আৰু ভকতসকলে একেখিনি নামকে গাই যদিও সুৰৰ ক্ষেত্ৰত কিছু ভিন্নতা পৰিলক্ষিত হয়। ৭ শ্ৰম দধিমথনী নাম গোৱাৰ অন্তত মন্থনৰো সামৰণি মাৰে।

অসমীয়া জনজীৱনত কৃষ্ণ প্ৰভাৱ অপৰিসীম। সেয়ে অসমীয়া লোকগীতসমূহত কৃষ্ণ কথাই প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰা দেখা যায়। বকলীয়ালসকলৰ দধিমথনী নামসমূহে কৃষ্ণৰ শিশু লীলাৰ সুন্দৰ ছবি দাঙি ধৰিছে। দেৱ আৰু মানৱ এই দুই ৰূপত কৃষ্ণ লীলাৰ বৰ্ণনা পোৱা যায়। কাতি মাহৰ অমাৱস্যাৰ দিনা ব্ৰজবাসীসকলে বাৰ্ষিকভাৱে গোবৰ্দ্ধন পৰ্বতত ইন্দ্ৰ যজ্ঞ কৰে। নন্দৰ ঘৰৰ দাসীসকল এই যজ্ঞত ব্যস্ত হোৱাত যশোদাই নিজে দধিমন্থন কৰিছিল। প্ৰথম শ্ৰমতে এই বৰ্ণনা পোৱা যায় এনেদৰে—

*"গোবিন্দাই মুৰাৰী এ হৰি এ ৰাম জয়।*  
*আপুনি যশোদা নন্দৰ ঘৰণী দধি মথিবাক যায়।।*  
*ঘিঁউ বাতি লৈ কৃষ্ণাইক মাতোগৈ।*  
*ৰাম বনমালী গোপাল বনমালী।*  
*দুগ্ধ সৰে দধি মথে ভাল যমুনা জলে।।"*

গতিকে দধিমথনী নামসমূহৰ মূল বিষয় বা চৰিত্ৰ হৈছে শিশু কৃষ্ণ। তেনেদৰে দধিমন্থন পৰম্পৰা আৰু দধিমথনী নামসমূহৰ তাৎপৰ্য হৈছে কৃষ্ণৰ বাৎসল্য প্ৰেমৰ মাজেৰে ভক্তিৰসত নিমজ্জিত হৈ মনৰ অসুৰ দমন কৰি সত্যৰ সন্ধান কৰা।

বকলীয়াল সমাজৰ আইসকলে ব'হাগ বিহুৰ সময়ত দধিশাল স্থাপনৰ পাছত পহিলা ব'হাগৰ পৰা বিহুৰ পোন্ধৰ দিনলৈকে অৰ্থাৎ ১৪ ব'হাগলৈকে নামঘৰতে ৰাতি দধিশালৰ কাষত বহি নাম লয়। এই নামসমূহক তেওঁলোকে 'বিহুনাম' বুলি কয়। বিহুনাম বুলি ক'লে সাধাৰণতে যেনেধৰণৰ নামৰ কথা মনলৈ আহে সেইসমূহৰ পৰা বকলীয়ালসকলৰ মাজত প্ৰচলিত বিহুনাম সম্পূৰ্ণ পৃথক। কৃষ্ণ কথা বৰ্ণিত নামসমূহক বিহুৰ সময়ত গোৱা হয় বাবেই বিহুনাম বুলি কোৱা বুলি ধাৰণা কৰিব পাৰি। এই বিহুনামসমূহো কৃষ্ণৰ শিশুলীলাৰ বৰ্ণনাৰে পৰিপূৰ্ণ। তদুপৰি কৃষ্ণৰ অপৰূপ সৌন্দৰ্যাদিৰ গুণানুকীৰ্তন, কৃষ্ণ প্ৰেমত ব্যাকুল গোপীৰ মনৰ হাহাকাৰ, কৃষ্ণক বিচাৰি নাপাই খেদ প্ৰকাশ আদি ভাৱৰ প্ৰতিফলন ঘটিছে।

**দধিমন্থন পৰম্পৰাৰ সাম্প্ৰতিক স্থিতি ঃ**

বকলীয়াল সমাজৰ ঐতিহ্য বহনকাৰী সম্পদ দধিশালখন এতিয়াও তেওঁলোকৰ প্ৰাণস্বৰূপ। প্ৰতিঘৰ মানুহে ৰঙা চালু, তামোল-পাণৰ টোপোলা দি সেৱা লোৱা, ফাকুৰ ৰঙা ফোঁট লোৱা আদি দধিশালৰ এৰাব নোৱাৰা নিয়ম হিচাপে বৰ্তমান সময়তো মানি আহিছে। তদুপৰি দধিমন্থন পৰম্পৰাও সম্পূৰ্ণৰূপে ত্যাগ কৰা নাই। অৱশ্যে কিছুমান নামঘৰত জনা মানুহৰ অভাৱত দুই এক কাৰ্যসূচীকে ধৰি মন্থন পৰম্পৰাও বাদ পৰিছে। প্ৰাপ্ত তথ্য মতে দূৰামাৰি সত্ৰত দধিমন্থন পৰম্পৰা ৰক্ষা কৰিবলৈ ৰাইজ ওলাই নহাত দধিশালখন এলাগি হৈ পৰি আছে। তেনেদৰে বহুকেইটা নামঘৰত দধিমন্থন কৰিবলৈ ডেকা-গাভৰুসকলে পূৰ্বৰ দৰে আগবাঢ়ি অহাটো কমি গৈছে। বকলীয়াল গাঁওবোৰত এক জনপ্ৰবাদ আছে যে দধিশাল নভঙালৈকে ঢোল বজাই বিহু মাৰিব নাপায়; মাৰিলে অমংগল হয়। কিন্তু বৰ্তমান বকলীয়াল গাঁওবোৰত হুঁচৰি মৰা দেখা যায়। দধি মথোতে গোৱা নামসমূহৰো দুই এক অংশ হেৰাই গৈছে। পাছৰ চামে এইসমূহ চৰ্চাৰ মাজেৰে ধৰি ৰখাৰ চেষ্টা কৰিলে এই সম্পদসমূহ অক্ষুণ্ণ অৱস্থাত সংৰক্ষণ হৈ ৰ'ব। বৰ্তমান দুই এক নামঘৰত দধিমথনী নাম গোৱা বা জনা মানুহৰ অভাৱ পৰিলক্ষিত হৈছে। আগতে আইসকলে ৰাতি নামঘৰত বিহুনাম লোৱাৰ যি নিয়ম, বৰ্তমান তাক এৰাধৰাকৈ মানি চলিছে। পুৰুষৰ নাচ, বহুৱা নাচ বকলীয়ালসকলৰ দুই এখন গাঁৱতহে দেখা যায়।

বকলীয়ালসকলৰ দধিশাল, দধিমন্থন পৰম্পৰা, গীত-নৃত্য —এই সকলো বিশেষ তাৎপৰ্য বহনকাৰী সাংস্কৃতিক উপাদান। পৰিৱৰ্তিত সমাজ ব্যৱস্থাত এইসমূহক গুৰুত্বহীন বুলি ভাবিবলৈ লোৱাৰ বিপৰীতে এই আপুৰুগীয়া সাংস্কৃতিক সম্পদৰাজি ৰক্ষণৰ ক্ষেত্ৰত সচেষ্ট তথা সচেতন হোৱাৰ প্ৰয়োজন আছে। ❖❖❖

**সমল পুথি —**

১। বৰবৰুৱা হিতেশ্বৰ ঃ 'আহোমৰ দিন', অসম প্ৰকাশন পৰিষদ, ডিচেম্বৰ ২০০৩।
২। বকলীয়াল বিদ্যুৎ (সম্পা) ঃ 'দাপোণ' - বকলীয়াল উন্নয়ন সমিতিৰ প্ৰথম দ্বি-বাৰ্ষিক সন্মিলনৰ স্মৃতিগ্ৰন্থৰ, ২০১২।

# পৰিৱৰ্তনৰ ধামখুমীয়াত অসমীয়া সংস্কৃতি ঃ এক চমু অৱলোকন

● **বৰষা বৰুৱা**
চতুৰ্থ ষান্মাসিক
সমাজতত্ব বিভাগ





সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোৱতী সুঁতি। এখন নদীয়ে যিদৰে নিৰৱচ্ছিন্নভাৱে গতি কৰি থাকে, ঠিক তেনেদৰে সংস্কৃতিও ধাৰাবাহিকভাৱে অবিৰাম গতিত চলি থাকে। নৈয়ে যিদৰে গৰা খহায়, বলুকা পাতে, ঠিক সেইদৰে সংস্কৃতিৰো সময়ৰ সোঁতত লাগি কিছুমান সম্পদ এৰা পৰে, কিছুমান নতুনৰ যোগ হয়। নতুন আৰু পুৰণি সংস্কৃতিৰ মাজত মাজে সময়ে দোমোজাৰ সৃষ্টি হয়, কিন্তু তাৰ পাছতো ই নিৰৱংচ্ছিন্নভাৱে নিজৰ গতি অক্ষুণ্ণ ৰাখে। সঁচা অৰ্থত সংস্কৃতি বুলি ক'লে এটা জাতিৰ, এটা অঞ্চলৰ, এখন ৰাজ্যৰ মাজত প্ৰচলিত ৰীতি-নীতি, বিশ্বাস, পৰম্পৰা, ধৰ্ম, খাদ্যাভ্যাস, ভাষা আদিৰ সকলোৰে সংমিশ্ৰণক বুজা যায়। সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ পৰিচয়।

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন অন্যতম ৰাজ্য হৈছে অসম। অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি অৰ্থাৎ ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমত কিছু পৃথক তথা বাৰেৰহণীয়া সংস্কৃতি দেখিবলৈ পোৱা যায়। বিভিন্ন জাতি-জনগোষ্ঠীৰ সংগমস্থল হিচাপে পৰিচিত অসমখনক অতীতত 'বৰ অসম' বোলা হৈছিল। যিহেতু প্ৰত্যেক জনগোষ্ঠীৰে কিছুমান নিজস্ব সংস্কৃতি আছে, গতিকে অসমত সকলোৰে সমন্বয়ত গঢ়ি উঠা এক সংমিশ্ৰিত সংস্কৃতি বিদ্যমান। আৰ্য, কিৰাত, নিষাদ, দ্ৰাবিড় আদি বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিভিন্ন সংস্কৃতিৰ উপাদান সংমিশ্ৰিত হৈ বহুযুগৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপেহে এই বৰ্ণাঢ্য অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে বুলি ক'ব পৰা যায়। বৈচিত্ৰ্যৰ মাজত ঐক্য সাধন কৰাই ইয়াৰ মূল বৈশিষ্ট্য।

অসমত বিভিন্ন সময়ত প্ৰচলিত সংস্কৃতিৰ ধাৰা সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

**প্ৰাক্-শংকৰী যুগৰ সংস্কৃতি ঃ** প্ৰাক্-শংকৰী যুগ বুলি ক'লে যোড়শ শতিকাৰ দোক্-মোকালিলৈকে ইতিহাসে ঢুকি পোৱা সময়খিনিৰ কথা ক'ব পাৰি। শিলালিপি, তামৰ ফলি, শাস্ত্ৰীয় গ্ৰন্থসমূহত পোৱা কথা আৰু কেতবোৰ প্ৰতীকধৰ্মী কাহিনীৰ পৰা এই যুগৰ সাংস্কৃতিক দিশসমূহৰ বিষয়ে আঁত ধৰিবলৈ প্ৰয়াস কৰিব পাৰি। যোগিনীতন্ত্ৰই এই যুগৰ ধৰ্ম

আৰু সংস্কৃতিৰ স্বৰূপ নামাকৰণ কৰিছে। এই সংস্কৃতিয়েই হ'ল কৈৰাতজ সংস্কৃতি। এই সময়ৰ সংস্কৃতিত ভাৰতীয় হিন্দু সংস্কৃতিৰ উপাদান দৃষ্টিগোচৰ হয় যদিও মূল নাড়ী কেন্দ্ৰ ৰচিত হৈছিল কিৰাত বা মংগোলীয় উপাদানেৰে।

সংস্কৃতিৰ গঠন তথা বিকাশত জাতিগত সমন্বয়ে পোনপটীয়াকৈ সহায় কৰে। প্ৰাক্-শংকৰী যুগত বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণ হৈছিল। আৰ্য, দ্ৰাবিড়, মংগোলীয় আদি সকলোৰে জাতিগত সমন্বয়ৰ ফলত অসমৰ সংস্কৃতি সংমিশ্ৰিত সংস্কৃতিলৈ ৰূপান্তৰ ঘটে। এইদৰে জাতিগত সংমিশ্ৰণ ঘটি সংস্কৃতিৰ গঠন বিৱৰ্তন আৰু বিকাশত যথেষ্ট সহায় কৰে।

প্ৰাক্-শংকৰী যুগৰ সংস্কৃতিৰ বিষয়ে ব্যাপক অধ্যয়নৰ বাবে স্থপতিবিদ্যা, ভাস্কৰ্য, লেখন কলা আদি সমলৰ যথেষ্ট অভাৱ পৰিলক্ষিত হয় যদিও এই সংস্কৃতিৰ বিষয়ে তাম্ৰশাসন, হৰ্ষচৰিত আৰু হিউৱেন চাঙৰ ভ্ৰমণ-বৃতান্ত 'চি-য়ু-কি' আদি গ্ৰন্থত কম-বেছি পৰিমাণে পোৱা যায়। সেই সময়ত ইয়াৰ কৃষ্টি-সংস্কৃতি যথেষ্ট চহকী আছিল। সকলো শ্ৰেণীৰ লোকে আমিষ আহাৰ গ্ৰহণ কৰিছিল। সেই সময়ত মানুহৰ বিশ্বাস, ধৰ্ম, পূজা-পাতল আদিৰ প্ৰাদুৰ্ভাৱ বেছি আছিল। সংগীত চৰ্চাৰো যথেষ্ট উৎকৰ্ষ সাধন হৈছিল। কৃষিৰ পৰাই লোক সংগীতৰো জন্ম হয়। সেই সময়ত অসমীয়া সংস্কৃতি যথেষ্ট চহকী আছিল।

**আহোম যুগৰ সংস্কৃতি ঃ** আহোম যুগৰ সংস্কৃতি মানেই সমন্বয়ৰ সংস্কৃতি, সংমিশ্ৰিত সংস্কৃতি। সেই সময়ত অসমৰ চুকে-কোণে থকা বৰাহী, মৰাণ, চুতীয়া, কছাৰী, দেউৰী আদি সকলো জনজাতি একলগ হৈ এটা জাতিত পৰিণত হ'ল। প্ৰত্যেক জাতিৰে কিছুমান নিজস্ব সংস্কৃতি আছে। গতিকে এনেধৰণৰ জাতিগত সমন্বয় সাধনৰ যোগেদি আৰু বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ উপাদান সান-মিহলি হৈ যৌগিক অসমীয়া সংস্কৃতিৰ জন্ম দিয়ে। আহোমসকলে কিছুমান নিজৰ সংস্কৃতি, ধৰ্ম, পৰম্পৰা আৰু ভাষা লৈ ইয়াত প্ৰৱেশ কৰিছিল যদিও পৰৱৰ্তী সময়ত ইয়াৰ সংস্কৃতি, ভাষা, ধৰ্ম গ্ৰহণ কৰি ইয়াৰ সংস্কৃতিৰ বিকাশত আত্মনিয়োগ কৰে। এনেদৰেই কালক্ৰমত আহোমসকলে লগত লৈ অহা খেতিৰ সঁচ— আহোম বগৰী, আহোম শালি, নৰাচোলা, জৰা, বান, মাইহাং, হেংদান আদি অসমীয়া সংস্কৃতিৰ বুকুত সোমাই যায়। অসমীয়া ভাষাটোও আহোম যুগতে 'অসমীয়া' নামেৰে নামাকৰণ হয় অৰ্থাৎ অসমীয়াই পৰিগ্ৰহণ কৰে।

**শংকৰী যুগৰ সংস্কৃতি ঃ** অসমৰ সংস্কৃতিৰ ইতিহাসত শংকৰী যুগৰ সংস্কৃতিৰ মূল দুটা উপাদান হ'ল নামঘৰ আৰু সত্ৰ। কিন্তু বৰ্তমান সময়ত শংকৰী সংস্কৃতি বুলিলে কেৱল সত্ৰীয়া সংস্কৃতিকে উৎসাহেৰে ব্যৱহাৰ কৰা হয়। সকলো সত্ৰতে শংকৰদেৱে এৰি যোৱা ঐতিহ্য নাই বা সকলো ঐতিহ্য সত্ৰসমূহত পোৱা নাযায়। প্ৰকৃততে শংকৰদেৱে এৰি যোৱা সকলো ঐতিহ্যকে এই যুগৰ সংস্কৃতিৰ ভিতৰত ধৰা হয়। শংকৰদেৱে অসমত শাক্ত ধৰ্মৰ পৰিৱৰ্তে বৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠা কৰি বহু দেৱ-দেৱী পূজাৰ পৰিৱৰ্তে এক ঈশ্বৰক পূজা কৰাৰ প্ৰতি মানুহক আকৰ্ষিত কৰিছিল। মানুহক জাতি, ধৰ্ম, বৰ্ণ-নিৰ্বিশেষে নাম কীৰ্তন তথা ভক্তিত সমান অধিকাৰৰ কথাৰে মানুহক দেৱত্বলৈ যোৱাৰ পথ প্ৰদৰ্শিত কৰিছিল। তেওঁৰ দিনতে মহাপুৰুষজনাই নামঘৰ প্ৰতিষ্ঠা কৰি নামঘৰত ভকত গোটাবৰ বাবে ডবাৰ লগতে কাঁহ বজোৱাৰ নিয়মৰ আৰম্ভণি কৰিছিল। এই সময়ত মহাপুৰুষজনাই মৈথেলী আৰু ব্ৰজাৱলী ভাষাৰ সংমিশ্ৰণত এক বিশেষ শ্ৰেণীৰ গীত ৰচনা কৰে যাক বৰগীত বুলি কোৱা হয়। বৰগীতসমূহ অন্যান্য গীততকৈ ভাৱৰ ক্ষেত্ৰত উচ্চমানৰ আছিল। তেওঁ অংকীয়া নাট ৰচনা কৰি সুদূৰ পঞ্চাদশ শতিকাতে অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি গৈছে। তেওঁ অংকীয়া নাটৰ যোগেদি খোল-মৃদঙৰ বোল, তাল, নাচ, গীত, অভিনয় আদিৰো বিকাশ সাধন কৰিছিল। এই সময়ত অসমীয়া সংস্কৃতিৰ ধাৰা যথেষ্ট উচ্চ খাপৰ আছিল।

**আধুনিক অসমীয়া সংস্কৃতি ঃ** সংস্কৃতি যিহেতু বোৱতী নৈ। গতিকে সময়ৰ গতি আৰু সমন্বয়ৰ ধৰ্ম লৈ সংস্কৃতিয়ে যোগ-বিয়োগৰ চিৰাচৰিত নিয়ম মানি আগবাঢ়ি যায়। অসমীয়া সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। প্ৰাগ্ ঐতিহাসিক যুগতে গঢ় লৈ উঠা এই সংস্কৃতিয়ে বৰ্তমান আধুনিক যুগত ভৰি দিছেহি, আহোম যুগতে এই সংস্কৃতিয়ে অসমীয়া সংস্কৃতি নাম লয়।

ঊনবিংশ শতিকাৰ তৃতীয় দশকৰপৰাই অসমীয়া সংস্কৃতিত পুৰণি ৰীতি-নাতি, বিশ্বাস, পৰম্পৰা আদিৰ বিয়োগৰ পৰিৱৰ্তে কিছুমান নতুনৰ যোগ হ'ল। অৰ্থাৎ আধুনিক অসমীয়া সংস্কৃতি হ'ল পৰিৱৰ্তনৰ সংস্কৃতি। আধুনিক অসমীয়া সংস্কৃতি পৰিৱৰ্তনৰ গতি খৰতকীয়া কৰাত সহায় কৰা তিনিটা প্ৰধান উপাদান হ'ল— (ক) আধুনিক শিক্ষা (খ) নগৰীকৰণ (গ) উদ্যোগীকৰণ। আধুনিক শিক্ষাই কম-বেছি পৰিমাণে মানুহৰ চিন্তাধাৰাত প্ৰভাৱ পেলাইছে। যাৰ

ফলত মানুহৰ সাজ-পাৰ খাদ্যাভ্যাস আদিত নতুনৰ যোগ হ'ল। নগৰীকৰণৰ ফলত মানুহ নগৰমুখী হ'ল আৰু নগৰত বিভিন্ন জাতি-জনগোষ্ঠীৰ লগত হোৱা আদান-প্ৰদানৰ যোগেদি কৃত্ৰিম সামাজিকতা, কৃত্ৰিম আধুনিকতা গ্ৰহণ কৰিবলৈ ল'লে। বৰ্তমান সাংস্কৃতিক বিপ্লৱৰ নামত প্ৰাচীন অসমীয়া সংস্কৃতিৰ সাময়িক অনুশীলন কৰি নগৰীয়া মানুহে অসমীয়া সংস্কৃতিৰ যি প্ৰতিনিধিত্ব কৰিছে, সেয়া প্ৰকৃত ৰূপ নহয়, মুখা বা ভেঙুচালিহে। তদুপৰি বৰ্তমান সময়ত এসময়ৰ কৃষিমুখী সমাজখনে উদ্যোগমুখী ৰূপ লৈছে। উদ্যোগীকৰণে অসমীয়া সংস্কৃতিৰ ঐতিহ্যৰ বুকুত আঘাত হনাৰ বাবে দ্ৰুত গতিত যো-জা আৰম্ভ কৰিছে। পুৰণি শিল্প, কুঁহিয়াৰশাল, তেলীশাল আদিয়ে চিৰ বিদায় মাগিলে। মানুহে অতীতৰ পৰম্পৰা, বিশ্বাস, ৰীতি-নীতি, পৰম্পৰাগত সাজ-পোছাকৰ পৰিৱৰ্তে পশ্চিমীয়া সংস্কৃতিক সম্পূৰ্ণ ৰূপে অনুসৰণ কৰি আদৰি লৈ নিজৰ জীৱনৰ গতি সলনি কৰিছে। অতীতৰপৰা অসমীয়া হিন্দু সমাজত বোৱাৰী বা যিকোনো বিবাহিত মহিলাই সেন্দুৰ লোৱাৰ যি এক পৰম্পৰাগত নিয়ম চলি আহিছিল সেই নিয়মৰ পৰিমাণ কমি আহিছে। অসমীয়াৰ আৱেগ, অসমীয়াৰ আদৰৰ গামোচাখনৰ পৰিৱৰ্তে নৱপ্ৰজন্মই পশ্চিমীয়া সংগীতৰ সুৰ, পশ্চিমীয়া চিনেমা আদিহে পছন্দ কৰা হ'ল। অসমীয়া সংস্কৃতিত বয়নশিল্পৰ যথেষ্ট গুৰুত্ব আছিল, কিন্তু বৰ্তমান সময়ত অসমীয়া জীয়ৰী-বোৱাৰীয়ে ঘৰত সূতা কাটি কাপোৰ পৰিধান কৰাৰ পৰিৱৰ্তে উচ্চদামত ক্ৰয় কৰিহে পৰিধান কৰে। এনেদৰেই আধুনিক যুগত অৰ্থাৎ বৰ্তমান সময়ত সময়ৰ কালচক্ৰত পৰি অসমীয়া সংস্কৃতিয়ে নিজৰ প্ৰকৃত নিভাঁজ পৰম্পৰা, প্ৰকৃত সংস্কৃতিৰ প্ৰতি আওকণীয়া মনোভাৱ প্ৰকাশ কৰি নিজৰ জাতি, মাটিৰ প্ৰতিয়েই ভাবুকি কঢ়িয়াই আনিছে, কেতিয়াবা হয়তো নিজৰ আত্মপৰিচয়তো সংকট আহি পৰিব।

এক কথাত ক'বলৈ গ'লে "জোঁৰ পুৰি হাত পালেহি"। এনে প্ৰেক্ষাপটত বাৰেৰহণীয়া অসমীয়া সংস্কৃতিক স্বকীয় ঐতিহ্যৰে জীয়াই ৰাখিবলৈ নৱ-প্ৰজন্মই দায়বদ্ধতাৰে খোজ দিয়াটো অতি প্ৰয়োজন। বৰ্ণময় অসমীয়া সংস্কৃতিক আঁকোৱালি লৈ বিশ্বৰ প্ৰেক্ষাপটত তুলি ধৰি গৌৰৱেৰে অসমীয়া পৰিচয় ৰক্ষা কৰিব পাৰিলেহে অসমীয়া যুৱ প্ৰজন্মৰ স্বদেশ-স্বজাতিৰ প্ৰতি থকা দায়বদ্ধতাৰ সঠিক ৰূপায়ণ হ'ব।

❖❖❖

*দেখিছো নদীৰ ঢলে বলাৎকাৰ কৰা*
*পথাৰক,*
*পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ*
*সন্তান,*
*শুনিছো সিন্ধুৰ বানে নিমিষতে*
*নগৰক আত্মসাৎ কৰি*
*এৰি থৈ গুচি যোৱা শ্মশানৰ প্ৰশান্তিৰ*
*গান।*

**— নৱকান্ত বৰুৱা**



# অসমৰ পুথিচিত্ৰ

● **হিমাংশু গগৈ**
শিক্ষাতত্ত্ব বিভাগ
দ্বিতীয় ষান্মাসিক

অসমৰ পুথিচিত্ৰৰ আৰম্ভণি শংকৰী যুগৰ পৰাই হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তত্ত্বাৱধানত অসমীয়া পুথিচিত্ৰই এক পূৰ্ণতাপ্ৰাপ্ত অৱস্থাত উপস্থিত হৈছিল। এই জাগৰণৰ গুৰি ধৰোঁতা শংকৰদেৱ আছিল একাধাৰে চিত্ৰকাৰ, কবি, নাট্যকাৰ আৰু বহুতো গুণ সমৃদ্ধ ব্যক্তি। তেখেতৰ পুথিচিত্ৰবোৰ অতি প্ৰাথমিক স্তৰৰ (অতি পুৰণি) জাকত-জিলিকা চিত্ৰ বুলি অভিহিত কৰিব পাৰি। চিত্ৰবোৰত ব্যৱহাৰ হোৱা চিয়াঁহী অতি দ্ৰুত আছিল। এই চিয়াঁহীৰ মুখ্য মাধ্যম আছিল ‘শিলিখা’। এই চিত্ৰত ব্যৱহাৰ হোৱা অন্যান্য ৰং সমূহ আছিল— ইন্দিগ’, ডাঠ হালধীয়া, হেঙুল, হাইতাল, ছাই ৰং ইত্যাদি। এই ৰং সমূহৰ দ্বাৰা সহজেই প্ৰাথমিক ৰং সমূহ প্ৰয়োগ কৰিব পৰা গৈছিল। কিছুমান ঠাইতহে মিশ্ৰ ৰঙৰ প্ৰয়োগ দেখা পোৱা গৈছিল।

অসমীয়া পুথিচিত্ৰৰ অন্যতম চিত্ৰপুথি ‘চিত্ৰ ভাগৱত’ৰ বিষয়ে প্ৰফেচাৰ কৃষ্ণকান্ত সন্দিকৈদেৱে বিশেষভাৱে গুৰুত্ব দি ভাৰতবৰ্ষৰ স্থাপত্য আৰু ভাস্কৰ্যৰ বিখ্যাত সিংহটোৰ চিত্ৰসমূহৰ জৰিয়তে উল্লেখ কৰিছিল। এই চিত্ৰবোৰত জীৱ-জন্তু আৰু চৰাইৰ অবয়ৱবোৰ এফালৰ পৰা দেখাকৈ আঁকিছিল, যাৰ ফলত ভাৱ প্ৰকাশত সহজ হৈছিল। কেতিয়াবা মুখৰ অংশ এপলীয়া কৰি শৰীৰৰ সমুখভাৱ তৈয়াৰ কৰা হৈছিল আৰু উজ্জ্বল ডাঠ ৰঙৰ বিপৰীতে অবয়ৱবোৰ উপস্থাপন কৰিছিল। পুৰুষৰ মূৰত মৰা পাগুৰি ঠাইবিশেষে মুগলাই টুপী বুলি জনা যায়, যিটো ৰাজপুত আৰু মোগল চিত্ৰত দেখা পোৱা যায়। ইয়াৰ চিত্ৰবোৰত পৰিপেক্ষণৰ

বিষয়ে অভিজ্ঞতা থকা দেখা নাযায়। চিত্রত মানুহৰ চকুৰ আকৃতি মাছৰ দৰে, চেলাউৰি ধেনুভিৰিয়া, নাক জোঙা, কপাল বহল আৰু এচলীয়া, কঁকাল চিয়াঁ দেখা যায়। পুৰুষৰ পোছাক সাধাৰণতে ধুতি-দোপাত্তা আৰু মহিলাৰ শাড়ী আৰু বদিচ পৰিধান কৰা দেখা যায়।

প্ৰধানতঃ ১৫-১৬ শতিকাত পুথিসমূহ প্ৰচুৰ পৰিমাণে তৈয়াৰ কৰা হৈছিল। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহুতো ঠাইত বহুতো পুথিচিত্ৰ উদ্ধাৰ কৰা হৈছিল। এইবোৰৰ কিছুমান কেইবাশ বছৰৰ পুৰণি বুলি উমান পোৱা গৈছে। এই মেনুস্ক্ৰিপ্টবোৰ সাধাৰণতে সাঁচিপাতৰ বাকলিত তৈয়াৰ কৰা হৈছিল। সাঁচি বা অগৰু গছৰ বাকলিৰ দ্বাৰা তৈয়াৰী পাতল আকৃতিৰ সমতল খণ্ডত এইবোৰ তৈয়াৰ কৰা হৈছিল যিটো আন ক'তো দেখা পোৱা নাযায়। এই বাকলিবোৰ লিখা বা অঁকাৰ কাৰণে উপযুক্ত হোৱাৰ বাবে এক দীৰ্ঘকালীন সময়ৰ প্ৰয়োজন হৈছিল। ইয়াৰ বাহিৰেও কপাহৰ দ্বাৰা তৈয়াৰী পাতল কাগজৰ লগত মুগা আৰু পাম গছৰ আঁহযুক্ত কাগজ তৈয়াৰ কৰি চিত্ৰ তৈয়াৰ কৰাও দেখা পোৱা যায়।

ড° মহেশ্বৰ নেওগ আৰু কৃষ্ণকান্ত সন্দিকৈদেৱে মেনুস্ক্ৰিপ্ট চিত্ৰসমূহক কিছুমান স্কুলৰ ভিত্তিত পাঁচটা ভাগত ভাগ কৰিছে। সেইসমূহ হৈছে—

১। টাই আহোম স্কুল
২। সত্ৰীয়া স্কুল
৩। দৰহী স্কুল
৪। প্ৰাক্ গড়গাঁও স্কুল
৫। গড়গাঁও স্কুল

পুথিচিত্ৰৰ কিছুমান ষ্টাইল আৰু চাৰিত্ৰিক গুণৰ ফালৰ পৰা বিচাৰ কৰিলে চিত্ৰ ভাগৱত, হস্তীবিদ্যাৰ্ণৱ, গীত-গোবিন্দ আৰু কেইখনমান চিত্ৰ অতি সূক্ষ্ম অনুভূতিপূৰ্ণ আৰু এইবোৰৰ কৰ্মশৈলী গ্ৰামীণ শিল্পত অন্তৰ্ভুক্ত কৰিব পাৰি। কিন্তু আন কিছুমান পুথিচিত্ৰ যেনে — তীৰ্থ কৌমুদী, অনাদি পতন আদি পুথি কিছু কম উন্নত পদ্ধতিৰ আৰু ইয়াৰ ধ্যান-ধাৰণা আৰু কাৰ্যকৰী গুণৰ ফালৰ পৰা কোনো থলুৱা শিল্পৰ প্ৰভাৱ গতানুগতিকভাৱে আজিও চলি থকা দেখা যায়।

ভাৰতবৰ্ষৰ বিখ্যাত শিল্পী নন্দলাল বসুৱে অসমৰ বিখ্যাত চিত্ৰ ভাগৱত পুথিত ৰাজস্থানী আৰু জৈন মিনিয়েচাৰৰ সাদৃশ্যৰ কথা বিশেষভাৱে উল্লেখ কৰিছে।

আনহাতে হস্তীবিদ্যাৰ্ণৱ চিত্ৰপুথিত মোগল মিনিয়েচাৰৰ লগত বহুখিনি সাদৃশ্য দেখা পোৱা যায়। তাৰোপৰি পাহাৰী আৰু ডেকানী চিত্ৰপুথিৰ লগতো এই চিত্ৰবোৰৰ সাদৃশ্য দেখা পোৱা যায়। এই পুথিবোৰত কিছুমান থলুৱা বস্তুৰ প্ৰয়োগ দেখা পোৱা যায় যিবোৰত ইন্দো-পাৰস্যৰ চিত্ৰৰ প্ৰভাৱ পৰা বুলি অনুমান কৰিব পাৰি কিন্তু আহোমৰ ৰাজত্বৰ সময়ৰ পৰা ইয়াৰ আৰু উন্নতি পৰিলক্ষিত হয়।

শেষত কেইখনমান পুথিচিত্ৰৰ নাম উল্লেখ কৰা হ'ল—

১। পৰিক্ষীতে শুকদেৱৰ পৰা ভাগৱত শুনি থকা দৃশ্য।
২। দৈৱকী বসুদেৱৰ বিবাহ
৩। বসুদেৱ নন্দৰ ঘৰলৈ যাত্ৰা কৰা দৃশ্য
৪। কংসই যোগমায়াক মাৰিবলৈ ধৰা দৃশ্য
৫। পুতনা বধ ইত্যাদি।

❖❖❖

# অসমীয়া সংস্কৃতিত বাঁহ

● **মনালিছা শইকীয়া**
সমাজতত্ব বিভাগ
দ্বিতীয় ষান্মাসিক

অসমৰ জাতীয় উৎসৱকেইটা যিদৰে বাপতি সাহোন, একেদৰে অসমৰ বাঁহ আৰু ইয়াৰ প্ৰচলনো বাপতি সাহোন। অসমীয়াত এষাৰ কথা আছে "বাঁহ নাই যাৰ সাহ নাই তাৰ"। অসমীয়াৰ জনজীৱনত বাঁহৰ প্ৰচলন অধিক ৰূপত দেখা যায়।

সময় পৰিৱৰ্তনশীল। পৰিৱৰ্তনশীল সময়ৰ বোকোচাত উঠি আধুনিক প্ৰযুক্তিৰ সোৱাদ ল'বলৈ আগবাঢ়ি যোৱা বহুলোকে বাঁহৰ পৰম্পৰাগত সামগ্ৰীসমূহক এলাগী চকুৰে চাইছিল। আধুনিক প্ৰযুক্তিৰ সৃষ্ট আহিলাসমূহক প্ৰাণভৰি আদৰি লোৱাৰ পাছত তাৰ মান যিয়েই নহওক কিয় সেয়া ক'বলৈ নাযাওঁ, কিন্তু তাৰ পৰা গ্ৰহণ কৰা চৌখিন মনৰ আকাংক্ষা কিছু পৰিমাণে হ'লেও মন্থৰ হ'বলৈ ধৰাত পুনৰ বাঁহৰ পৰা তৈয়াৰী সামগ্ৰীসমূহে অন্য এক সুকীয়া কায়দাৰে পৰৱৰ্তী প্ৰজন্মৰ ব্যৱহাৰিক চাহিদা আৰু চৌখিন চাহিদা পূৰণ কৰিবলৈ সক্ষম হ'ব ধৰিলে।

বৰ্তমান নৱ প্ৰজন্মই হয়তো বিশ্বাস কৰিবলৈ অসুবিধা পাব যে, বাঁহৰ চুঙাত চাহ খোৱাৰে পৰা আৰম্ভ কৰি শুকান মাছ, খৰিচা, মলা ধপাত, লাগতিয়াল কাগজ-পত্ৰ, মুদ্ৰা বা নোট, ঔষধ আদি বাঁহৰ পাত্ৰ বা বিশেষভাৱে তৈয়াৰী চুঙাতেই সংৰক্ষণ কৰিছিল। জপা নামৰ নিপুণতা আৰু কাৰিকৰী দক্ষতা পূৰ্ণ মানসিকতা খটুৱাই সাজিছিল এক উচ্চ মানদণ্ডৰ বাকচ। বৰ্তমান সেই সামগ্ৰী বিধ দুই এখন গাঁৱত বিৰলভাৱে দেখিবলৈ পোৱা যায়। লগতে এনেধৰণৰ কিছু সামগ্ৰী যাদুঘৰসমূহতে দেখা যায়। সাধাৰণভাৱেতো মাছ ধৰা সঁজুলি, আত্মৰক্ষাৰ আহিলা, ঘৰ বনোৱা আদি এই সকলোখিনিতে বাঁহৰ প্ৰচলন সৰ্বাধিক আছিল। চকী-মেজ, গাখীৰ খীৰুৱা কঢ়িয়া, বিচনী, ঢৰা, মূঢ়া, ডলা-চালনি, পাচি-খৰাহী ইত্যাদি অন্যান্য সামগ্ৰীও উল্লেখযোগ্য।

বাদ্য হিচাপে পেঁপাৰ নলিচা, চুপহি, টকা, গগনা, বাঁহী, ঢুলৰ মাৰি, চিৰিতাল, খুঁটিতাল আদি আজিও বিদ্যমান। গতিকে বাঁহৰ এনে ঐতিহ্যপূৰ্ণ বহু সামগ্ৰীয়ে বৰ্তমান কঢ়িয়াই আনিছে আমাৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক জগতখনলৈ এক অনবদ্য আলংকাৰিক পৰিচয় আৰু সম্ভাব্য আত্মনিয়োগৰ উদাহৰণ।



অসমীয়া সমাজত বিশেষকৈ বাঁহেৰে তৈয়াৰী বাঢ়নিটোৰে পুৰাতেই চোতাল-পদূলি সৰাটো এক নৈতিক পৰম্পৰা আজিও উজ্জীৱিত। এনেস্থলত বাঁহৰ প্ৰচলন পুৱাৰ বাহি চোতাল-পদূলি সৰাৰ পৰা আৰম্ভ কৰি নৱজাতকৰ নাভি কটা চুচডাল আৰু শ্মশান যাত্ৰাৰ বেলিকাও প্ৰয়োজন হয় চাঙি। মৃতকৰ শ্ৰাদ্ধৰ কৰ্মটো ব্যৱহাৰ হয় পাচি-খৰাহী, ঢৰা, ৰভা আদিৰ ক্ষেত্ৰতো। প্লাষ্টিক, কংক্ৰীটৰ আগমনে আধুনিক সামাজিক ব্যৱস্থাৰ যিমানেই

উন্নতি সাধন নকৰক কিয় বাঁহৰ সামগ্ৰীৰ প্ৰচলনেও দিনক দিনে এক নতুন গঠনমূলক মাত্ৰা প্ৰদানেৰে সৃষ্টিৰ অন্যান্য কলা যোগান ধৰিব লাগিছে। এই কলাৰ লগত এতিয়া সংযোগ হৈছে কৰ্ম সংস্থান আৰু অৰ্থনৈতিক উন্নতিৰ সোপান। এতিয়া অসমীয়া সমাজত বা সমাজব্যৱস্থাত পৰম্পৰা, সাংস্কৃতিক জগতত ব্যৱহৃত হোৱা সামগ্ৰীসমূহ সম্পদলৈ উন্নতি হৈছে। বাঢ়নি, ভাৰ পাচি, গৰু বিহুত গৰু গা ধুওৱাত ব্যৱহাৰ কৰা চাক (লাউ, বেঙেনা শিঙা) উৎসৱ-পাৰ্বণত অতি প্ৰয়োজনীয় হৈ পৰে এই বাঁহৰ সামগ্ৰীসমূহ।

জাতি বাঁহজোপা অতিকে লাগতিয়াল। তাক লোক সংগীতত এনেদৰে কোৱা হয় বা গোৱা হয়—"বাৰীৰে ঢাপৰে জাতি বাঁহ এজুপি সিও মোৰ সহোদৰ ভাই। জীয়াই থাকো মানে কৰোঁ কাঠি-কামি মৰিলে লগতে যায়।"

আকৌ বিহুগীতত গাই "আগলি বাঁহৰে লাহৰি গগনা বহি তাঁতৰ পাতত বাও, আহে কি নাহে ঐ মোৰে ধন চেনাই ঐ চিৰি পাতি মংগলখন চাও"। এই পদ আৰু যোজনাসমূহত এখন সমাজত বাঁহৰ প্ৰয়োজনীতাৰ কথা কম কথাতে প্ৰকাশ কৰিবলৈ লেখক শিল্পীসকলক ইন্ধন যোগাইছে।

মানুহ জীয়াই থাকে মানে বাঁহৰ প্ৰয়োজন কমি নাযায়, পুৰুষানুক্ৰমে উৎপাদন কৰি অহা এই সেউজীয়া বহু বৰ্ষীয় উদ্ভিদবিধে অৰ্থনৈতিকভাৱেও অতীজৰে পৰা বৰ্তমানলৈকে মানৱ সমাজৰ গুৰুত্বপূৰ্ণ চাহিদা পূৰণ কৰি আহিছে। বৰ্তমান আধুনিক আৰ্হিৰে বাঁহৰ চোফা, ডিভান, আলনা, ট্ৰে, ঘৰ সজোৱা সামগ্ৰী, চাহৰ কাপ, বিচনী, খাৰু, চুলিত মৰা ক্লিপ, চেণ্ডেল, কলম, পেটি, মোবাইল কভাৰ, বেগ আনকি বিশেষ এবিধ বাঁহৰ ঢকুৱাৰ পৰা গ্ৰন্থ পৰ্যন্ত তৈয়াৰ কৰিছে। (শিৱসাগৰ জিলাৰ বকতা ন নাথ গাঁৱৰ গ্ৰামীণ হস্ত উদ্যোগ নামৰ অনুষ্ঠানটিৰ উদ্যোগত)।

বৰ্তমান অসমীয়া ৰাইজে এসময়ত আঁতৰাই পঠোৱা বাঁহৰ সামগ্ৰীসমূহক নতুন ৰূপেৰে সজাই পৰাই ঘৰৰ বিশেষ সামগ্ৰী হিচাপে সন্মানেৰে সজাই ৰাখিছে। আমাৰ ঐতিহ্য বহনকাৰী এই সামগ্ৰীসমূহক বৰ্তমান আঁকোৱালি লোৱাতো অতি আদৰৰ কথা হৈ পৰিছে।

সামাজিক বনানীকৰণ বিভাগেও বৰ্তমান বাঁহৰ বিষয়ে গৱেষণামূলকভাৱে বাঁহৰ বিস্তৃত এলেকাত বিভিন্ন পদ্ধতিৰে বিভিন্ন জাতৰ খেতি কৰিছে। এতিয়াৰ পৰা বাঁহ কেৱল আমাৰ বাৰীৰ ঢাপতেই সীমাবদ্ধ নাথাকি সামাজিক বনানীকৰণৰ অধীনতো স্থান লাভ কৰিবলৈ সক্ষম হৈছে। সেয়ে অসমীয়া সমাজত প্ৰচলিত বাঁহৰ সামগ্ৰীসমূহক এতিয়া মনোমোহা ৰূপ দি অসমৰ বহু শিল্পী তথা শিক্ষিত নিবনুৱাই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিবলৈ সক্ষম হৈছে।

জাতীয় এনে সম্পদসমূহক জাতীয় পৰিচয়ৰ উপৰিও অৰ্থনৈতিকভাৱে আগবাঢ়ি যাবৰ বেলিকা বলিষ্ঠ ভূমিকা পালন কৰাতো অত্যন্ত জৰুৰী বুলি ভাবিবৰ হ'ল। পৰম্পৰাগতভাৱে চলি অহা এই সামগ্ৰীসমূহক উন্নত প্ৰযুক্তি প্ৰয়োগ কৰি ব্যাপকভাৱে বাঁহ শিল্প উদ্যোগ গঢ়ি তোলাৰ এয়া উপযুক্ত সময়। অসমৰ বাঁহেৰে প্লাই-টাইলচ্, পৰ্দা আদি নিৰ্মিত হৈ বিদেশী বজাৰলৈ আগমন ঘটিছে।

বিজ্ঞানসন্মতভাৱে বাঁহৰ বিষয়ে পৰীক্ষা-নিৰীক্ষা কৰি পৃথিৱীত প্ৰায় ৭৫ টা জাতিৰ ১২৫০ টা প্ৰজাতি বাছি উলিয়াইছে। তাৰে উত্তৰ-পূবত ১৪ টা জাত আৰু ৮৮ টা প্ৰজাতি থকাতো ঠাৱৰ হৈছে। তাৰে জাতি আৰু ভলুকা এই দুয়োবিধ বাঁহেই অসমীয়া জাতীয় জীৱনত বিশেষভাৱে ভূমিকা পালন কৰা বাঁহ। নানাবিধ সামগ্ৰী প্ৰস্তুতৰ বাবে জাতি বাঁহ অতি দৰকাৰী। ঘৰৰ খুঁটাৰ বাবে ভলুকা বাঁহক বেছি ব্যৱহাৰ কৰে। বৰ্তমান কাগজকলৰ বাবে ভলুকা বাঁহকে আদি কৰি ভালেকেইবিধ বাঁহ ভাল কাগজ উৎপাদনৰ বাবে কেঁচামাল হিচাপে পৰিগণিত হৈছে। তদুপৰি অসমৰ মাটিত খনন কৰা তৈল খাদসমূহৰ ফিল্ড (ক্ষেত্ৰ) তৈয়াৰ কৰাৰ বেলিকাও ভলুকা বাঁহ ব্যৱহাৰ কৰা দেখা গৈছে। শেষত অসমৰ সেউজীয়া সোণ বুলি উল্লেখ কৰিব পৰা বাঁহৰ কেইটামান প্ৰজাতিৰ বৈজ্ঞানিক নাম উল্লেখ কৰিব বিচাৰিছোঁ—

১। জাতি বাঁহ ঃ Bambusatulda
২। কাক বাঁহ ঃ Demdracalamus hamitom
৩। মকাল বাঁহ ঃ Bambusa Nutums
৪। বিজুলী বাঁহ ঃ Bambusa pellicla

❖❖❖

গদ্যশাখা

বিজ্ঞান

# প্ৰাকৃতিক বুৰঞ্জীৰ কথা

● ড° চন্দ্ৰাদিত্য গগৈ
সহকাৰী অধ্যাপক
ভূ-তত্ত্ব বিভাগ

বুৰঞ্জী বা ইতিহাস বুলিলেই ৰজা-মহাৰজা, যুদ্ধ-সন্ধি, আখ্যান-কিম্বদন্তী আদিৰ কথাই আমাৰ মনলৈ আহে। আমাৰ ঘৰৰ বা গাঁৱৰ বয়োজ্যেষ্ঠ সকলৰপৰা আমি বৰ আগ্ৰহেৰে আগৰ দিনৰ কথাবোৰ শুনো। যেতিয়া ফুটা কড়ি, নয়া পইচা, এটকাৰ বজাৰৰ হিচাপ শুনো, আজিৰ সময়ৰ সৈতে তাক ৰিজাই চাই বৰ আচৰিত হওঁ। আকৌ আন কিছুমান আখ্যান, সাধুকথা সৰুতে বিশ্বাস কৰিলেও ডাঙৰ হৈ যুক্তি-বুদ্ধি কিছু বঢ়াৰ পাছত সেইবোৰ মনোগ্ৰাহী হ'লেও তাক বাস্তৱিক সত্য বুলি মানি নলওঁ বা সাধুকথা বুলিয়েই গ্ৰহণ কৰোঁ। এনে সাধুকথাবোৰ বয়োজ্যেষ্ঠসকলৰ বা তেওঁলোকৰ দেউতাকসকলৰ জীৱন কালত ঘটা ঘটনাবোৰ সাধাৰণতে অতি বেছি বৃটিছ যুগৰ সময়লৈকেহে বিস্তৃত। তেওঁলোকে শুনি অহা, মানি অহা বিভিন্ন আখ্যানৰ সত্য, ত্ৰেতা, দ্বাপৰ, কলি যুগৰ সময়সীমাৰে আজি আমি বুজি পোৱা পৃথিৱী আৰু বিশ্বজগতক বুজিবলৈ অসুবিধা হয়। কিন্তু আমাৰ এই পৃথিৱীখন সৃষ্টিৰে পৰা আৰম্ভ কৰি পৃথিৱীৰ বুকুত জীৱৰ উৎপত্তি আৰু ক্ৰমবিকাশ হৈ কিদৰে আহি আজিৰ অৱস্থা পাইছেহি তাক প্ৰকৃতাৰ্থত জনাৰ হাবিয়াস অনুসন্ধিৎসু মানুহৰ সদায়েই থাকিব। এই অনুসন্ধিৎসাৰ ক্ষুধা কোনো বয়োজ্যেষ্ঠ ব্যক্তি বা আখ্যানৰ পৰা আমাৰ দূৰ নহয়, ইয়াৰ বাবে আমি প্ৰাকৃতিক ভৌতিক বিজ্ঞান (Natural Physical Science)ৰ এক শাখা ভূ-তত্ত্ব বা ভূ-বিজ্ঞান (Geology)ৰ ওচৰ চাপিব লগা হয়।

ভূ-বিজ্ঞানত শিলবোৰত কেইবাটাও দৃষ্টিভংগীৰে অধ্যয়ন কৰা হয়। ইয়াৰে এটা দৃষ্টিভংগীমতে “শিলবোৰ হৈছে পৃথিৱীৰ বুৰঞ্জীৰ একোখিলা পৃষ্ঠা” আৰু এই পৃষ্ঠাবোৰৰ অধ্যয়নৰ জৰিয়তেই আমি বৰ্তমানে বাস কৰা পৃথিৱীখনত সৃষ্টিৰে পৰা এতিয়ালৈকে কি কি ঘটনা ঘটিছিল আৰু ঘটিব ধৰিছে, তাৰ পৰাই এই প্ৰাকৃতিক বুৰঞ্জীৰ জ্ঞান লভিব পাৰো। পৃথিৱীৰ খোলাৰ বিভিন্ন স্থানত উপলব্ধ এই শিলসমূহক সুকীয়া সুকীয়াকৈ অধ্যয়ন কৰি বয়সৰ ক্ৰম অনুসৰি সজাবৰ বাবে প্ৰধানকৈ জৈৱিক বিবৰ্ত্তন (Organic Evolution) আৰু তেজষ্ক্ৰিয় বয়স নিৰূপণ (Radiometric dating) কৌশলৰ পদ্ধতিসমূহত প্ৰয়োগ কৰা হয়। শিলসমূহ অধ্যয়নৰ প্ৰক্ৰিয়াটোত ঘাইকৈ পৰ্যবেক্ষন, ব্যাখ্যা আৰু সিদ্ধান্ত লোৱাৰ বেলিকা ‘ইউনিফৰ্মিটেৰিয়ানিজিম’ (Uniformitrianism) নীতিৰ আলম লোৱা হয়। এই নীতিমতে একে অৱস্থা আৰু পৰিস্থিতিত প্ৰকৃতিয়ে একেধৰণেৰে সক্ৰিয়তা দেখুৱায়। গতিকে আজি যিদৰে বৰফ গলি পানী হৈছে, পানী ভাপ হৈ ডাৱৰ সৃষ্টি কৰিছে, আগ্নেয়গিৰিৰ পৰা নিৰ্গত উত্তপ্ত গলিত পদাৰ্থ গোট মাৰি কঠিন শিলাৰ সৃষ্টি কৰিছে, সেয়া আগতেও আছিল; এতিয়াও আছে আৰু ভৱিষ্যতলৈকো থাকিব। কেৱল মাত্ৰ এটা সময়ত কোনো এক স্থানত কোনো এবিধৰ কাৰ্যকলাপ প্ৰভাৱশালী হয়। সেয়ে কোৱা হয় যে Present is the key to the past.... বৰ্তমানেই অতীতৰ ৰহস্য ভেদ কৰাৰ চাবিকাঠি।

এনেধৰণৰ এক দীঘলীয়া প্ৰক্ৰিয়াৰ মাজেৰে শিলসমূহ অধ্যয়ন কৰি পৃথিৱীৰ সৃষ্টিৰে পৰা বৰ্তমানলৈ শিলৰ বুকুত সঞ্চিত প্ৰাকৃতিক মহাকাব্যৰ কাহিনীটোক লৈ বিজ্ঞানীসকলে এখন “ভূ-তাত্ত্বিক কালপঞ্জী” (Geological Time Scale) প্ৰস্তুত কৰিছে। নতুন নতুন তথ্যৰ উদ্‌ঘাটনে এই ভূ-তাত্ত্বিক কালপঞ্জীক সময়ে সময়ে নকৈ সমৃদ্ধিশালী কৰি আহিছে। এই ভূ-তাত্ত্বিক কালপঞ্জী কেৱল ভূ-বিজ্ঞান বা প্ৰাকৃতিক বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবেই প্ৰয়োজনীয় এনে নহয়, ই সাধাৰণ জ্ঞান পিপাসু অন্য যিকোনো বিষয়ৰ ব্যক্তিৰ বাবেও গুৰুত্বপূৰ্ণ।

ভূ-তাত্ত্বিক কালপঞ্জী ঃ বছৰটোৰ সময়খিনিক যিভাৱে কিছুমান মাহ, ঘণ্টা, মিনিট আৰু ছেকেণ্ডত বিভক্ত কৰা হৈছে, ঠিক তেনেদৰে পৃথিৱীৰ জন্মৰে পৰা বৰ্তমানলৈ মুঠ 4600 নিযুত বছৰৰ সময়খিনিক কিছুমান ভাগত বিভক্ত কৰা হৈছে। ভূ-তাত্ত্বিক কালপুঞ্জীৰ সময় বিভাজন কিন্তু সুষম নহয়। ইয়াৰ কাৰণ হৈছে ইয়াৰ পৰিসীমাবোৰ গুৰুত্বপূৰ্ণ প্ৰাকৃতিক ঘটনাৰাজিৰ ওপৰত ভিত্তি কৰি কৰা হৈছে। যি

কি নহওক, পৃথিৱীৰ বয়সৰ 4600 নিযুত বছৰক প্ৰধানকৈ দুটা ভাগ কৰি ইহঁতক Eon বোলা হয়। প্ৰথম ইয়নটো হৈছে Cryptozoic বা Precambrain আৰু দ্বিতীয় ইয়নটো হৈছে - Phanerozoic Eon । এই ইয়নক কেতবোৰ Era, Era বিলাকক কিছুমান 'Period', পিৰিয়ডবিলাকক কিছুমান 'Epoch' ক বিভক্ত কৰা হৈছে। গতিকে বিভাজনৰ ক্ৰমটো ডাঙৰৰ পৰা সৰুলৈ এনেধৰণৰ।

Eon > Era > Period > Epoch

1. ক্ৰিপ্ট'জয়িক ইয়ন (Cryptozoic Eon) ঃ

Cryptozoic ক গুপ্তজৈৱিক বুলি ক'ব পাৰি, কাৰণ এই সময়ছোৱাত জীৱৰ বিকাশৰ প্ৰক্ৰিয়াটো গুপুত হৈ থকা দেখা যায়। এই ইয়নটোক Precambrain Eon ও বোলা হয় এইবাবেই যে ই Cambrain তকৈ পুৰণি। এই Eon ৰ অৱস্থিতি কাল 4600 নিযুত বছৰৰ আগৰে পৰা প্ৰায় 500 নিযুত বছৰলৈকে ব্যাপ্ত হৈ আছে। ই প্ৰায় 4100 নিযুত বছৰৰ দীঘলীয়া সময়। এই সময়ছোৱাক আকৌ তিনিটা ইৰাত বিভক্ত কৰা হৈছে। ইয়াৰ প্ৰথমটো হৈছে Hadean Era - 4600 নিযুত বছৰৰ পৰা 4000 নিযুত বছৰলৈকে, দ্বিতীয়টো Archean বা Azoic। ই 4000 নিযুত বছৰৰ পৰা 2500 নিযুত বছৰলৈকে আৰু তৃতীয়টো Proterozoic Era। ই 2500 নিযুত বছৰৰ পৰা 500 নিযুত বছৰ মানলৈ ব্যাপ্ত।

Cryptozoic ৰ প্ৰথমটো Era অৰ্থাৎ Hadean Eraৰ সময়ছোৱা পৃথিৱীৰ খোলা বিবৰ্ত্তনৰ প্ৰাৰম্ভিক সময় আৰু ইয়াৰ বিষয়ে খুওৱ কম সম্ভেদ পোৱা যায়। ইয়াৰ পাছৰ Era হৈছে Azoic Era। Azoicৰ অৰ্থ হৈছে জীৱহীন, অৰ্থাৎ এই সময়ছোৱাৰ শিলত জীৱৰ অস্তিত্ব পোৱা নাযায়। তৃতীয়টো অৰ্থাৎ Proterozoic Eraৰ সময়ছোৱাত প্ৰাৰম্ভিক জীৱৰ বিকাশৰ অস্তিত্ব শিলৰ মাজত পোৱা যায়। এই ইৰাটোক জীৱজগতৰ পুৱতি নিশা বা দোকমোকালি বুলি কোৱা হয়।

2. ফেনেৰ'জয়িক ইয়ন (Phanerozoic Eon) ঃ

Phanerozoicৰ অৰ্থ হৈছে— ডাঙৰ জীৱ। এই সময়ছোৱাত ঘাইকৈ পৃথিৱীত অনুজীৱৰ ক্ৰমবিকাশ ঘটি ডাঙৰ ডাঙৰ জীৱৰ শ্ৰীবৃদ্ধি আৰু ধ্বংস হোৱা দেখা যায়। Phanerozoic Eonৰ অৱস্থিতি কাল প্ৰায় ৫০০ নিযুত বছৰৰ আগৰে পৰা বৰ্তমানলৈকে ব্যাপ্ত হৈ আছে। যদিওবা Cryptozoic Eonৰ তুলনাত ইয়াৰ সময়সীমা তাকৰ কিন্তু ই যথেষ্ট পৰিমাণে ঘটনাবহুল তথা বহু পটপৰিবৰ্তনৰ সাক্ষ্য ই বহন কৰিছে। এই Phanerozoic Eonটোৰ উপভাগৰ সংখ্যাও সৰহ। এই Phanerozoic Eonকো তিনিটা Eraত ভাগ কৰা হৈছে। প্ৰথমটোক Paleozoic Era, দ্বিতীয়টো Mesozoic Era আৰু তৃতীয়টো Cenozoic Era বুলি নামকৰণ কৰা হৈছে।

2.1. পেলিঅ'জয়িক এৰা (Paleozoic Era) ঃ

Paleozoicৰ অৰ্থ হৈছে - প্ৰাচীন জীৱৰ যুগ। ইয়াৰ অৱস্থিতিকাল প্ৰায় 500 নিযুত বছৰৰ পৰা 250 নিযুত বছৰলৈকে ব্যাপ্ত হৈ আছে। Paleozoic Eraৰ সময়খিনিক ছটা পিৰিয়ডত বিভক্ত কৰা হৈছে। এইবিলাক যথাক্ৰমে - (১) Cambrain Period, (২) Ordovician Period, (৩) Silurian Period, (৪) Devonian Period, (৫) Carboniferous Period আৰু (৬) Permian Period।

Paleozoic Eraৰ আদিতে সাগৰত জীৱৰ বিকাশ ঘটি অমেৰুদণ্ডী প্ৰাণীৰ ব্যাপক শ্ৰীবৃদ্ধি ঘটিছিল। Ordovician Periodৰ সময়ছোৱাতে প্ৰথম মেৰুদণ্ডী প্ৰাণী হিচাপে সাগৰত মাছৰ আৰ্বিভাৱ হৈছিল। Silurian Periodৰ সময়ছোৱাত স্থলভাগত প্ৰথম উদ্ভিদৰ আবিৰ্ভাৱ আৰু বিকাশ হ'বলৈ আৰম্ভ কৰে। Devonian Periodৰ সময়ত স্থলচৰ জীৱ হিচাপে বিশেষ প্ৰজাতিৰ মাছৰ ক্ৰমবিকাশ ঘটি উভচৰ প্ৰাণীৰ আবিৰ্ভাৱ হয়। Carboniferous Periodৰ সময়ছোৱাৰ জলবায়ু উদ্ভিদৰ অনুকূল হয় আৰু স্থলভাগ প্ৰকাণ্ড প্ৰকাণ্ড ঢেকীয়া জাতীয় গছ-গছনিৰে ভৰি পৰে। এই সময়ছোৱাতে কিছুমান প্ৰজাতিৰ উভচৰ প্ৰাণীৰ বিবৰ্ত্তন হৈ সৰীসৃপ জাতীয় প্ৰাণীৰো আগমন ঘটে। Permian Period সময়ছোৱা প্ৰায় ২৯৯ নিযুত বছৰৰ পৰা ২৫০ নিযুত বছৰলৈ ব্যাপ্ত। এই পিৰিয়ডটো Paleozoic Eraৰ শেষৰটো পিৰিয়ড। এই অন্তিম পিৰিয়ডটোত এটা মহা বিলুপ্তি সংঘটিত হয়। এই মহাবিলুপ্তিত সাগৰীয় জীৱকুলৰ প্ৰায় নব্বৈ শতাংশ আৰু স্থলভাগৰ জীৱৰ প্ৰায় সত্তৰ শতাংশ নিঃশেষ হৈ যায়। পৃথিৱীৰ বুকুত কোনো এক প্ৰজাতিৰ জীৱৰ আৰ্বিভাৱ আৰু বিলুপ্তি তেনেই সাধাৰণ কথা। Paleozoic Eraতে এনেধৰণৰ বিলুপ্তি Ordovician আৰু Devonian কালতো সংঘটিত হৈছিল। কিন্তু পৃথিৱীৰ বুকুত এনেধৰণৰ পাঁচটা মহাবিলুপ্তিৰ সংঘটিত হৈছিল। তাৰ ভিতৰত আগতে উল্লেখ কৰা পাৰ্মিয়ান মহাবিলুপ্তিটোৱেই সবাটোতকৈ ডাঙৰ। পাৰ্মিয়ান বিলুপ্তিৰ পাছত পৰিবৰ্তিত পৰিৱেশ আৰু পৰিস্থিতিত নতুন নতুন প্ৰজাতিৰ জীৱৰ আগমন আৰু শ্ৰীবৃদ্ধি হয়।

2.2. মেচ'জয়িক এৰা (Mesozoic Era)

Paleozoic Eraৰ সামৰণিৰ পৰা Mesozoic

Eraৰ আৰম্ভণি হয়। Mesozoic Eraৰ অৱস্থিতি কালৰ সীমা প্ৰায় 250 নিযুত বছৰৰ আগৰে পৰা 65 নিযুত বছৰ আগলৈকে ব্যাপ্ত হৈ আছে। Mesozoicৰ সমগ্ৰ সময়ছোৱাক তিনিটা পিৰিয়ডত বিভক্ত কৰা হৈছে। ইয়াৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয়টো যথাক্ৰমে— Triassic Period, Jurassic Period আৰু Cretaceous Period বুলি নামকৰণ কৰা হৈছে। এই Mesozoic Eraৰ সময়ছোৱাক মধ্যযুগীয় যুগৰ সময়ো বোলা হয় আৰু বৃহৎ শৰীৰৰ ডায়ন'ছৰসমূহ এই সময়তে পৃথিৱীত আবিৰ্ভাৱ হৈ ইহঁতৰ আধিপত্য বিৰাজ কৰিছিল। সৰীসৃপ জাতীয় প্ৰাণীৰ এই দৈত্যকায় ডায়ন'ছৰবিলাকৰ ওপৰত জুৰাছিক পাৰ্ককে ধৰি কেইবাখনো জনপ্ৰিয় চিনেমা নিৰ্মিত হৈছে। এইবিলাকে পৃথিৱীৰ প্ৰাকৃতিক বুৰঞ্জীৰ ৰোমাঞ্চকৰ অধ্যায়ৰ কথা প্ৰতিবিম্বিত কৰিছে। Mesozoic Eraৰ অন্তিম পিৰিয়ডটো Cretaceous আৰু এই সময়ত হোৱা এক প্ৰকাণ্ড উল্কাপাতৰ বাবে ভূ-ভাগৰ পৰিস্থিতি বহুত সলনি হয় আৰু আন এটা মহাবিলুপ্তিৰ জৰিয়তে সকলো দৈত্যকায় ডায়ন'ছৰবোৰৰ ধ্বংস হৈছিল। ইয়াৰ লগে লগে সৰীসৃপৰ আধিপত্য শেষ হৈছিল। ইয়াৰ পাছত আহিব লগা স্তন্যপায়ী প্ৰাণীয়ে Mesozoicৰ মাজতে ক্ষুদ্ৰ ৰূপত ভুমুকি মাৰিছিল।

2.3. কেন'জয়িক এৰা (Cenozoic Era) ঃ

Phanerozoic Eonৰ নবীনতম Eraটোৱেই হৈছে Cenozoic Era। ইয়াক আধুনিক জীৱৰ যুগ বুলিও কোৱা হয়। মূলতঃ ই স্তন্যপায়ী প্ৰাণীৰ আধিপত্যৰ যুগ। এই প্ৰায় 65 নিযুত বছৰৰ আগৰে পৰা এতিয়ালৈকে তিষ্ঠি আছে। প্ৰধানকৈ এই Cenozoic Eraটোক দুটা পিৰিয়ডত বিভক্ত কৰা হৈছে। ইয়াৰ প্ৰথমটো Tertiary Period আৰু দ্বিতীয়টো Quarternary Period বুলি নামকৰণ কৰা হৈছে। এই সময়সীমাৰ ভিতৰত শিলবিলাকত স্তন্যপায়ী বিভিন্ন প্ৰজাতিৰ জীৱৰ দৈহিক বিবৰ্ত্তনৰ প্ৰচুৰ তথ্য পোৱা যায় বাবেই ইয়াৰ পিৰিয়ডবিলাকক আৰু কেতবোৰ সৰু সুৰু ইপ'কত ভাগ কৰা হৈছে। Tertiary Periodক এই Paleocene Epoch, Eocene Epoch, Ohgocene Epoch, Miocne Epoch, Pliocene Epoch আৰু Holocene Epoch- এই পাঁচোটা ইপ'কত ভাগ কৰা হৈছে। এই Tertiaryৰ বিভিন্ন Epoch বিলাকত হাতী, ঘোঁৰা, উট আদি জীৱৰ দৈহিক গঠনৰ বিবৰ্তনৰ সাক্ষ্য শিলাস্তৰসমূহত সুন্দৰকৈ পোৱা যায়। Tertiaryৰ শেষৰ ফালে প্ৰায়মেট (Primate) জাতীয় জীৱৰ দৈহিক পৰিৱৰ্তন ঘটি আদিম মানৱৰ পূৰ্বজে ভুমুকি মাৰিছিল। Tertiaryৰ দ্বিতীয়টো পিৰিয়ড হৈছে Quarternary Period। Quarternary Period আৰম্ভণি প্ৰায় 2 নিযুত বছৰৰ পূৰ্বৰে পৰা বুলি ধৰা হয়। এই Quarternary Periodক দুটা Epochত ভাগ কৰা হৈছে। প্ৰথমটো Pleistocene আৰু দ্বিতীয়টোক Holocene Epoch বুলি নামকৰণ কৰা হৈছে। Quarternary Periodৰ শিলাস্তৰৰ মাজত মানৱৰ ক্ৰমবিকাশৰ জীৱাশ্ম পোৱা হয় বাবে ইয়াক মানৱৰ যুগ বুলিও কোৱা হয়। Pleistocene Epoch ৰ সময়ছোৱাত তুষাৰপাত আৰু গৰম জলবায়ুৰ কেইবাটাও পুনৰাবৃত্তিৰ তথ্যও পোৱা যায়। শেষৰটো তুষাৰপাত যুগ প্ৰায় বাৰ হেজাৰ বছৰৰ ভিতৰত সংঘটিত হৈছিল। এই সময়ছোৱাত বহুত স্তন্যপায়ী জীৱৰ বিলুপ্তি ঘটিছিল। এতিয়াৰেপৰা প্ৰায় বাৰহেজাৰ বছৰৰ আগলৈকে ভূ-বিজ্ঞানৰ নৱতম হল'চিন ইপ'ক আৰম্ভ হয় বুলি ধৰা হয়। Quarternary Periodৰ মাজতে ক্ৰমবিকাশ ঘটা মানৱ সভ্যতাৰ মধ্যপ্লাইষ্ট'চিন সময়ৰ পৰা প্ৰায় বাৰ হেজাৰৰ ভিতৰত আদিম মানৱৰ প্ৰত্ন প্ৰস্তৰ যুগ বুলি গণ্য কৰা হয়। পাছৰ বাৰ হেজাৰ বছৰৰ পৰা দহ হেজাৰ বছৰলৈকে মধ্যপ্ৰস্তৰ যুগ আৰু প্ৰায় ন হেজাৰ বছৰ আগত নৱ প্ৰস্তৰ যুগ বুলি ধৰা হয়। ইয়াৰ পাছত মানৱে ধাতু ব্যৱহাৰ কৰিবলৈ শিকে, যাক ব্ৰঞ্জ যুগ, লৌহ যুগ বুলি বিবেচনা কৰা হয় আৰু ইয়াৰে পৰা বৰ্তমানলৈ মানৱ সমাজৰ ভিতৰুৱা পৰিৱৰ্তনৰ বিষয়বিলাক সামাজিক বুৰঞ্জীৰ আলোচ্য বিষয়বস্তু হৈ পৰে।

প্ৰকৃততে প্ৰাকৃতিক বুৰঞ্জী বুলি ক'লে আমি বাস কৰা পৃথিৱীখনৰ ভূ-ভাগৰ পৰিৱৰ্তনসমূহ, সাগৰপৃষ্ঠৰ উচ্চতাৰ পৰিবৰ্তন, জলবায়ুৰ পৰিৱৰ্তন, নতুন সাগৰ-পৰ্বতৰ সৃষ্টি ইত্যাদি বিষয়সমূহো সামৰি লোৱা হয়। এই লেখাটোৰ কলেৱৰ চমু কৰিবৰ বাবেই ইয়াত কেৱল জৈৱিক বিবৰ্ত্তনৰ লগত সংগতি ৰাখি ভূ-তাত্ত্বিক কালপঞ্জীখন সৰল ৰূপত উপস্থাপনৰ চেষ্টা কৰা হ'ল।

❖❖❖



# অবৈজ্ঞানিক চিন্তা আৰু আমি

● ড° ক্ষীৰোদ চন্দ্ৰ গগৈ
বিভাগীয় মুৰব্বী
সমাজতত্ত্ব বিভাগ

দুটা ভৰিৰ ওপৰত ৰাজহাঁড় পোন কৰি থিয় দিব পৰা অৱস্থাৰ পৰাই মানুহৰ মগজুৰ বিকাশ হ'বলৈ ধৰিলে আৰু এইদৰেই শ শ বছৰৰ ক্ৰমবিৱৰ্তনৰ অন্তত অন্যান্য জীৱ-জন্তুতকৈ কেইবাগুণে বিকশিত হ'ল। ইয়াৰ ফলত মানুহে ভাবিবলৈ, কল্পনা কৰিবলৈ, কেইবাটাও কথা বা দৃশ্য একেলগে মানসপটত আঁকি তাৰ ওপৰত তুলনামূলকভাৱে বিচাৰ বা মূল্যায়ন কৰিবলৈ সমৰ্থ হ'ল— যিবোৰ গুণ অন্যান্য জীৱ-জন্তুৱে কিমান দূৰ পাৰিছে সি আজিও প্ৰশ্নবোধক হৈ আছে। তুলনামূলক বিশ্লেষণ কৰিব পৰা ক্ষমতা অহাৰ পিছত মানুহৰ মনত যুক্তিবাদ (Rational Thinking )ৰ বিকাশ হ'বলৈ ধৰিলে, যি প্ৰাকৃতিক প্ৰতিকূলতা তথা প্ৰাণীজগতৰ মাজত টিকি থকাৰ প্ৰতিযোগিতাত (Survival of The Fittest) অৱশ্যেই প্ৰয়োজনীয় হৈ পৰিল। হয়তো এইদৰেই যুক্তি আৰু মানুহৰ প্ৰয়োজনীয়তা বা প্ৰায়োগিকতাৰ সমন্বয়ৰ ফলত সৃষ্টি হ'ল মানুহৰ সৌন্দৰ্য বা নন্দনতাত্ত্বিক (Aesthetic) গুণ। অৰ্থাৎ যি মানুহৰ বাবে প্ৰয়োজনীয় বা গ্ৰহণীয় তাকহে মানুহে আদৰ কৰি ধুনীয়া দেখা হ'ল। ক্ষতিকাৰক বা ধ্বংসাত্মক কথা এটাক মানুহে কেতিয়াও ধুনীয়া নেদেখে। ধুনীয়াৰ নিজস্ব এক সত্ত্বা বা অস্তিত্ব নাই। যিহেতু বস্তু এটা আগত থাকিলেহে আমি দেখা পাওঁ, সেয়ে ভাৱ বা চেতনা (Idea or consciousness)ৰ জন্ম আগত নহয়, বস্তু বা বাস্তৱিক অৱস্থাৰ (Material condition) পৰাহে ইয়াৰ জন্ম হয়। আনকি সকলো ভাৱ-চিন্তাৰ ভঁৰাল আমাৰ মগজুটোও বাস্তৱ অস্তিত্ব থকা এখিনি স্নায়ৱিক কোষৰ সমষ্টি। সেয়েহে ভাৱবাদ (Idealism) দৰ্শনতকৈ বস্তুবাদৰ দৰ্শন (Materialism)হে অধিক বিজ্ঞানসন্মতভাৱে শুদ্ধ। মানুহ এজনৰ মগজুৰ অনুধাৱন শক্তি যিমানেই উন্নত তথা সূক্ষ্ম হয়, সিমানেই তেওঁৰ সৌন্দৰ্য চেতনা (Aesthetic sense) ও বিকশিত হয়। আৰু সেয়ে মানুহভেদে তেওঁৰ সক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি সৌন্দৰ্য অনুধাৱন শক্তিৰ তাৰতম্য হয়। সেয়ে সকলোৱে শিল্পী হ'ব নোৱাৰে।

যুক্তি আৰু সৌন্দৰ্য অনুধাৱন গুণ মানুহ তথা মানৱতাৰ নিজস্ব প্ৰতিভা, যাৰ সৌৰভত মানৱ সভ্যতাই অন্যান্য জীৱ-জন্তুক চেৰ পেলাই বহুদূৰ আগুৱাই গৈছে।

প্ৰাচীন কালত যেতিয়া প্ৰাকৃতিক বিজ্ঞান বা বৈজ্ঞানিক অনুসন্ধান স্তব্ধ আছিল, তেতিয়া মানুহে দিন-ৰাতি, বনজুই, বতাহ-বৰষুণ, ধুমুহা, ভূমিকম্প, বজ্ৰপাত ইত্যাদি প্ৰাকৃতিক ঘটনাসমূহৰ কাৰণ আৰু এইবোৰ পৰিচালিত কৰা বিশ্বজনীন প্ৰাকৃতিক বিধি (Natural Law)বোৰ নাজানিছিল। ইয়াৰ ফলত আগত উল্লেখ কৰা মানুহৰ ভবা আৰু কল্পনা শক্তিৰে অদৃশ্যমান কোনো শক্তিৰ কল্পনা বা বিশ্বাস কৰি ভাবি লৈছিল আৰু এনেকৈয়ে যুক্তিবাদৰ সহায়ত নানা দৰ্শনৰ জন্ম হৈছিল, যিবিলাক বিজ্ঞানৰ নিৰীক্ষণ, বাস্তৱতা, পৰীক্ষা-নিৰীক্ষা, নিৰপেক্ষতা, প্ৰমাণ, পুনৰীক্ষণ, বিশ্বজনীনতা, পূৰ্বকথনীয়তা, আপেক্ষিক সত্য নিৰ্ভৰ তথা সঞ্চয়শীলতা ইত্যাদি গুণসমূহৰ পৰিসীমাৰ ভিতৰত থাকি কেৱল ভাৱবাদী আৰু অবৈজ্ঞানিক হৈ পৰিছিল। যিহেতু মানুহৰ মগজুৰ বিকাশৰ ফলস্বৰূপেহে চিন্তা-চেতনাৰ উৎপত্তি হৈছে আৰু যিহেতু মানুহৰ মগজুও কিছুমান স্নায়ৱিক, জৈৱিক কোষ তথা বস্তুৰ সমষ্টি আৰু বাস্তৱিক বস্তু জগতৰ প্ৰতি হোৱা চেতনামূলক প্ৰতিক্ৰিয়াৰ

ফলস্বৰূপেই মানুহৰ নানা ভাৱ-চিন্তাৰ জন্ম হয়। সেয়েহে বস্তুবাদী সত্ত্বাৰ ওপৰত নিৰ্ভৰ নকৰাকৈ ভাৱবাদী ভাৱ-চিন্তাৰ কোনো নিজস্ব সত্ত্বা বা অস্তিত্ব নাথাকে। অৰ্থাৎ বাস্তৱবাদিতাৰ মাজেৰে বস্তুবাদী সত্ত্বাক মূল বিশেষত্বৰূপে লোৱা বৈজ্ঞানিক চিন্তা বা অনুসন্ধানেহে আমাক প্ৰকৃত সত্যৰ ওচৰ চপাই নিয়ে - যাক কাৰ্ল পিয়েৰচন নামৰ সমাজবিজ্ঞানীজনে "বিজ্ঞানৰ বাহিৰে সত্য অন্বেষণৰ কোনো চমু পথ নাই" বুলি স্বীকাৰ কৰি গৈছে।

অথচ আমি দেখা পাইছো যে, প্ৰকৃতি তথা সমাজবিজ্ঞানৰ বিকাশ মানুহৰ চেতনাৰ বিকাশতকৈ বহু দেৰিকৈ হোৱাৰ বাবে অতীজৰ পৰা মানুহৰ মন-মগজু নানা অবৈজ্ঞানিক চিন্তা-চৰ্চা, কল্পনা আৰু বিশ্বাসেৰে ভৰপূৰ হৈ আছে। যাৰ ফলত নানা সময়ত বাস্তৱ ভিত্তিৰহিত নানা কল্পিত কাহিনীৰ সৃষ্টি হৈ আহিছে। আৰু ইবিলাকে মানুহক ভুল পথে লৈ গৈ নিজৰ তথা সামাজিক সমস্যাসমূহৰ প্ৰকৃত আৰু সম্পূৰ্ণ সমাধানৰ পৰা সদায় আঁতৰাই লৈ গৈ পৰিস্থিতিসমূহ ক্ৰমান্বয়ে অধিক জটিল কৰি পেলাইছে। ফলত মানুহৰ সমস্যাসমূহৰ সমাধান সুদূৰপৰাহত হৈ ইয়ে তেওঁলোকক কৰি তুলিছে ভাগ্যান্বেষী, অদৃষ্টবাদী, পৰলৌকিক জীৱন সন্ধানী আৰু জন্মান্তৰবাদৰ আশ্ৰয় প্ৰাৰ্থী। জন্ম হৈছে দেৱ-দেৱতা, ভূত-প্ৰেত, স্বৰ্গ-নৰক, পূৰ্বজন্মৰ কৰ্মফলৰ ভাৱবাদী দৰ্শনৰ ধাৰণাসমূহৰ লগতে জড়বাদ, প্ৰকৃতিবাদ, আত্মাবাদ, প্ৰেতাত্মাবাদ, টোটেমবাদ ইত্যাদি আদিম আৰু অসংগঠিত ধৰ্মসমূহ। ইয়াৰ লগতে জন্ম হৈছে জ্যোতিষশাস্ত্ৰ - যাৰ মূল কথা হ'ল লাখ লাখ কিলোমিটাৰ দূৰত থকা জড় পদাৰ্থৰ সমষ্টি, বুধ, বৃহস্পতি, শুক্ৰ, শনি, সপ্তৰ্ষিমণ্ডলৰ দৰে গ্ৰহ-নক্ষত্ৰসমূহে আমাৰ নিজস্ব ইচ্ছা, শক্তি তথা দক্ষতা আৰু সাধনাক নস্যাৎ কৰি সূতা ধৰি নচুৱাই থকা পুতলাৰ দৰে আমাক নচুৱাই থাকে আৰু কৰি তোলে আমাক জড় পদাৰ্থৰ নামান্তৰ। প্ৰকৃত কথা হ'ল মানুহৰ জীৱন জীৱিকাৰ সমস্যাসমূহ যিহেতু চৌপাশৰ প্ৰাকৃতিক তথা সামাজিক পৰিৱেশৰ সৈতে জড়িত আৰু ইহঁতৰ পৰাই সৃষ্ট, সেয়েহে এই বাস্তৱ অৱস্থাৰ লগত জড়িত কাৰণসমূহকেই আমি বিচাৰি উলিয়াব লাগিব বৈজ্ঞানিক গৱেষণাৰ মাজেদি। ইয়াৰ লগতে কাৰণ অনুসৰি তাৰ প্ৰতিকাৰ বাস্তৱ পদক্ষেপেৰে গ্ৰহণ কৰা ব্যৱস্থাৰ মাজেদি উলিয়াই ল'ব লাগিব। কিন্তু তাকে নকৰি ইতিপূৰ্বে উল্লেখ কৰা নানা বিভ্ৰাটত আমি আমাৰ জীৱন পংগু কৰি তুলিছো। আজিৰ ডাইনী হত্যা তথা সোপাধৰা কাণ্ড ইয়াৰে উদাহৰণ।

এনে অদৃষ্টবাদী চিন্তাৰ ফলত আমি নিজৰ দোষসমূহ নেদেখো আৰু নুশুধৰাওঁ। বৰঞ্চ লৌকিক বা অলৌকিক গুণৰ ওপৰত নিৰ্ভৰশীল হৈ পৰমুখাপেক্ষী হৈ পৰোঁ। সেইদৰে বাস্তৱ সমাজৰ মাজতেই লুকাই থকা আমাৰ দুখ-দুৰ্দশাৰ মূল কাৰক শ্ৰেণীবিভেদ আৰু শোষণ ব্যৱস্থাক নানা ৰূপ, চলনা আৰু কৌশলেৰে চলাই অহা শাসক-শোষক চক্ৰই শোষিত জনগণৰ গণবিক্ষোভ আৰু প্ৰতিৰোধৰ সংগ্ৰামৰ পৰা অলৌকিকতাৰ আঁৰ লৈ হাত সাৰি যায়। ফলত অন্তহীন শোষণৰ স্বীকাৰ হৈ জনগণৰ দুৰ্দশাৰো অন্ত নপৰে। জনগণে সচেতন হৈ ঐক্যবদ্ধ সংগ্ৰাম কৰাৰ আশংকাত এই প্ৰতিক্ৰিয়াশীল শক্তিবোৰে জনগণৰ মাজত জাতি-ভাষা-ধৰ্ম-প্ৰজাতি ইত্যাদিৰ আধাৰত বিভেদৰ বীজ সিঁচি দিয়ে। ইয়াৰ পৰাই জন্ম হয় উগ্ৰ জাতীয়তাবাদ, সাম্প্ৰদায়িক সংঘৰ্ষ, ধৰ্মীয় মৌলবাদৰ সন্ত্ৰাসবাদ। সব্যসাচী সৈনিক শিল্পী বিষ্ণুৰাভাই সেয়ে কৈছিল, "জাতিৰ নামত নানা জালিয়াতিৰ খেল/বজ্জাতৰ দলে পাতে নানা চুৰি, ডকাইতিৰ খেল।"

আমি এইদৰেই দেখা পাইছো অবৈজ্ঞানিক চিন্তাই নানা অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ জন্ম দি সিয়েই পুনৰ পৰম্পৰাগত ৰূপত থাকি যুগে যুগে মানৱ প্ৰগতিত বাধা দান কৰি আহিছে আৰু সকলো দুখ-দুৰ্দশাৰ অন্ত পেলাই এখন বিভেদ আৰু শোষণবিহীন সুন্দৰ সমাজ গঢ়াৰ বাটত হেঙাৰ হৈছে। আমি যদি ভালদৰে লক্ষ্য কৰোঁ আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰিক আৰু বস্তুগত সংস্কৃতিত বিজ্ঞানৰ ন ন আৱিষ্কাৰ উদ্ভাৱন গ্ৰহণ কৰি আহিছে। কিন্তু ইয়াৰ বিপৰীতে পুৱা শুই উঠাৰ পৰা নিশা শোৱালৈকে অহৰহ অবস্তুগত সংস্কৃতিৰ দিশত নানা অবৈজ্ঞানিক চিন্তাৰ মাজতে থাকি আমাৰ সমস্যাসমূহ বিশ্লেষণ কৰোঁ আৰু ভুল কাৰণসমূহ বিচাৰি উলিয়াই সেইমতেই তাৰ প্ৰতিকাৰৰ পণ্ডশ্ৰম কৰোঁ। অবৈজ্ঞানিক চিন্তা সেয়ে প্ৰগতিৰ বিপৰীতে প্ৰতিক্ৰিয়াশীল, সুন্দৰ বিপৰীতে অসুন্দৰৰ নামান্তৰ যাক আন্ধাৰ খেদা বন্তিগছিৰ দৰে জনগণৰ মাজত বৈজ্ঞানিক চিন্তাৰ প্ৰসাৰেহে নাশিব পাৰি।

হিন্দু, ইছলাম, খ্ৰীষ্টান, বৌদ্ধ, জৈন, শিখ ইত্যাদি প্ৰতিটো সংগঠিত ধৰ্মৰে মূল লক্ষ্য মানৱতা বা মানুহৰ কল্যাণ আৰু এই ধৰ্মসমূহৰ প্ৰৱৰ্তকসকল মানৱতাৰ পূজাৰী আছিল বুলি তেখেতসকলৰ জীৱন আলেখ্যই কয়। কিন্তু সেই মধ্যযুগত বিজ্ঞান চিন্তাৰ সীমাবদ্ধতাৰ বাবেই স্বাভাৱিকতে তেখেতসকলৰ লেখনি বা দৰ্শনত অদৃষ্টবাদ বা ভাৱবাদৰ প্ৰলেপ পৰিছিল। বেদ, কোৰাণ, বাইবেল ইত্যাদি ধৰ্মগ্ৰন্থসমূহত

ইয়াৰ প্ৰমাণ পোৱা যায়। আজিৰ একবিংশ শতিকাৰ বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অপৰিসীম অগ্ৰগতিৰ সময়ত তাকেই অন্ধ গোড়ামিতাৰে গ্ৰহণ নকৰি সেইসমূহ পুনৰ বৈজ্ঞানিক বিশ্লেষণেৰে শুদ্ধৰূপে লৈ মানৱ প্ৰগতিৰ সহায়ক কৰি ল'ব লাগিব। শুদ্ধ কৰ্মই যিহেতু ধৰ্মৰ মূল তত্ত্ব, সেয়েহে পৰিৱৰ্তিত প্ৰাকৃতিক তথা সামাজিক পৰিস্থিতিত খাপ খুৱাই মূল মানৱতাক কেন্দ্ৰ কৰি শুদ্ধ কৰ্মৰ সন্ধান উলিয়াই সেইমতে ধৰ্মক পৰিমাৰ্জিত কৰি লোৱাই আমাৰ সমাজৰ প্ৰকৃত কৰ্তব্য। বিশ্ব চৰাচৰৰ বহু ৰহস্য এতিয়াও বৈজ্ঞানিক গৱেষণাৰ বাহিৰত ৰৈ আছে। সেয়েহে অতীতৰ দৰেই প্ৰাকৃতিক ঘটনাৰ বহুতো এতিয়াও সাঁথৰ হৈ আছে, যি আমাক অতীতত হোৱা অভিজ্ঞতাৰ দৰেই অবৈজ্ঞানিক চিন্তাৰ পোখা মেলি দিয়ে। কিন্তু কোলাৰটো এৰি বোকোচাৰটো লোৱাৰ দৰে এই সাঁথৰসমূহৰ উত্তৰৰ সন্ধানত আমি কেতিয়াও বাস্তৱতাৰ মাজেদি যিকোনো পৰিৱেশ-পৰিস্থিতি অথবা ঘটনাৰ প্ৰতি আহৰণ কৰা জ্ঞানক অস্বীকাৰ কৰি অলীকতাৰ আশ্ৰয় ল'ব নোৱাৰো। সি অনুসন্ধানৰ নামত ইতিমধ্যে পোৱা সত্যক দলিয়াই পেলোৱাৰ সমপৰ্যায়ৰ হ'ব। বিজ্ঞান এক যাত্ৰা আৰু বৈজ্ঞানিক সকলো বৈশিষ্ট্যক সাৰোগত কৰি এই যাত্ৰাক আমি অব্যাহত ৰাখিবই লাগিব। নিশ্চয় সত্যৰ পথেৰেহে সত্য আৰু শুদ্ধ লক্ষ্যক ঢুকি পোৱা কথাযাৰ সাৰোগত কৰি আমি অনন্ত বিশ্বৰ অন্তহীন ৰহস্যৰ সন্ধানী যাত্ৰাত প্ৰজন্মৰ পিছত প্ৰজন্ম ব্ৰতী হৈ থাকিম। তেতিয়াহে নিশ্চয় আমি ব্ৰহ্মাৰ চাৰি অংগৰ পৰা চাৰি জাতি হোৱা, হনুমানে সূৰ্যক গিলা, বৰুণ দেৱতাই বৰষুণ দিয়া, দধীচি মুনিয়ে আত্মত্যাগেৰে ইন্দ্ৰক বজ্ৰ দিয়া, প্ৰাণীজগতৰ ক্ৰমবিৱৰ্তনৰ সূত্ৰৰ বিপৰীতে মানুহৰ উপৰিপুৰুষ আদম আৰু ইভ সৰগৰ পৰা নামি অহা ইত্যাদি ইত্যাদি অলেখ অবৈজ্ঞানিক চিন্তাক বাদ দি যাব পাৰিম। লগতে বৈজ্ঞানিক চিন্তা তথা যুক্তিৰ ভেঁটিত সত্য আৰু সুন্দৰৰ সমন্বয়েৰে সঁচা মানৱতাৰে সঁচা মানুহৰ সমাজ গঢ়াৰ সংগ্ৰামত অগ্ৰসৰ হৈ থাকিব পাৰিম।

পৰিশেষত অবৈজ্ঞানিক চিন্তাৰ দুটা উদাহৰণেৰে আমি আমাৰ এই লেখাৰ সামৰণি মাৰিম। প্ৰথমতে, অতিসম্প্ৰতি কেন্দ্ৰীয় আৰু ৰাজ্যিক বিজেপি চৰকাৰ কেইখনে হিন্দু ধৰ্মীয় মৌলবাদেৰে হিন্দু জনসংখ্যা বৃদ্ধিৰ স্বাৰ্থত ঐতিহাসিক অসম চুক্তিৰ ১৯৭১ চনৰ ২৫ মাৰ্চৰ সময়সীমা অতিক্ৰম কৰি লাখ লাখ বাংলাদেশী হিন্দু লোকৰ অসমলৈ প্ৰব্ৰজনক স্বীকৃতি দিব বিচাৰিছে। যাৰ যোগেদি ত্ৰিপুৰীসকলৰ দৰেই খিলঞ্জীয়া অসমীয়াইও বেংগলী আধিপত্যৰে নিজ মাতৃভূমিক অসমত ভাষা-সাহিত্য, সংস্কৃতি, ৰাজনীতি ইত্যাদি সকলোতে অধিকাৰ হেৰুৱাই তাহানিৰ ভূপেন দাই সকীয়াই যোৱাৰ দৰেই ঘৰতে ভগনীয়া হ'ব। ধৰ্মৰ ভিত্তিত জাতি গঢ়ি নুঠে। বৰঞ্চ জাতি এটা ধৰ্মনিৰপেক্ষ সত্বা, য'ত বিবিধ ধৰ্মীয় বিশ্বাসৰ মানুহ থাকিব পাৰে আৰু এইসকলৰ মাজত সংযোগীৰূপে গঢ়ি উঠা ভাষাহে এটা জাতিৰ প্ৰধান ভেঁটি। একেই ইছলামিক ধৰ্মৰ হোৱা সত্বেও ভাষাভিত্তিত পাকিস্তান দ্বিখণ্ডিত হৈ বাংলাদেশৰ জন্ম হৈছিল। অথচ কি বিড়ম্বনা যে উগ্ৰ হিন্দু ধৰ্মান্ধতাৰ বাবেই হিন্দু ভোটাৰৰ আশাত অসমৰ বিজেপি নেতাসকলে অসমীয়া জাতিৰ অস্তিত্বৰ প্ৰতি অহা সংকটৰ বাস্তৱ ভিত্তিকো নানা চালে-বেৰে কোবোৱা কথা আৰু চেষ্টাৰে আওকাণ কৰি হৈ পৰিছে একো একোজন দেশদ্ৰোহী, জাতিদ্ৰোহী আধুনিক বদন, বাদুলী ফুকন বা লালুকসোলা।

দ্বিতীয়তে, পৃথিৱীৰ আদিকবি বাল্মীকিয়ে সংস্কৃতত ৰচনা কৰা ৰামায়ণত মূল চৰিত্ৰ ৰাম এজন মানুহৰ সীমাবদ্ধতা আৰু দোষ-গুণক লৈ তেজ-মঙহৰ কিছু তেজস্বী ৰাজকুমাৰ আৰু পিছলৈ ৰজা আছিল। তেওঁ কোনো অলৌকিক গুণসম্পন্ন ব্যক্তি নাছিল। কিন্তু এই পুথিৰ দুই হাজাৰ বছৰ পিছত কবি তুলসী দাসে লিখা ৰামচৰিত মানসতহে ৰামক ঈশ্বৰৰ এক অৱতাৰ ৰূপে উপস্থাপন কৰা হ'ল। এই ঈশ্বৰ ৰামক কেন্দ্ৰ কৰিয়েই হিন্দু-মুছলিমৰ মাজত ৰাম জন্মভূমি আৰু বাবৰি মছজিদৰ কাজিয়া। এটা সময়ৰ কোনো এক সাধাৰণ কথাই এইদৰে লাখ লাখ মানুহৰ পুৰুষানুক্ৰমে মুখ বাগৰি কালক্ৰমত অসাধাৰণ তথা দৈৱিক ৰূপ লয়। আমাৰ মাজত চলি থকা উৰা বাতৰিবোৰো এনেদৰেই মানুহৰ মুখ বাগৰি বাগৰি এজনে আনজনক আকৰ্ষণৰ বাবে কৰা অতিৰঞ্জিত প্ৰচাৰৰ পৰাই সৃষ্টি হয়। এইদৰে মানুহৰ মাজতেই সৃষ্টি হোৱা এটা ভুল কথাকে লৈ তাৰ প্ৰতিক্ৰিয়াৰ বিষ পান কৰি বৈজ্ঞানিক প্ৰগতিৰ পৰিৱৰ্তে মান্ধাতা যুগৰ এলান্ধুকলীয়া অন্ধবিশ্বাস, কু-সংস্কাৰৰ গহ্বৰলৈ পশ্চাদগমন কৰোঁ। জানি-বুজিও যদি আমি প্ৰকৃত সত্যক নিজৰ ন্যস্ত স্বাৰ্থৰ বাবেই অস্বীকাৰ কৰি সুবিধাবাদৰ আশ্ৰয় লওঁ তেন্তে ক্ষতি সত্যৰ নহয়, বৰঞ্চ এদিন নহয় এদিন এনে ভুল কৰ্মৰ ফল আমি ভুগিবই লাগিব।

সেয়ে আহক, অবৈজ্ঞানিক চিন্তাৰ অসত্যক অস্বীকাৰ কৰি আমি বৈজ্ঞানিক চিন্তাৰ সত্যৰ সুন্দৰতাৰে আমাৰ ব্যক্তিগত আৰু সামাজিক জীৱনলৈ কল্পনাৰ সৰগখন নমাই আনো।

❖❖❖



# অসমৰ ক্ৰীড়াজগত ঃ এটি অৱলোকন

● বিকাশজ্যোতি চাংমাই
সমাজতত্ত্ব বিভাগ
দ্বিতীয় ষান্মাসিক

খেলক (ক্ৰীড়া) লৈ সৰুৰে পৰা মই বৰ উৎসাহী। খেল বুলিলেই খোৱা-বোৱা পাহৰিও দিনটো পাৰ কৰিছিলো। শৈশৱকাল অতিবাহিত কৰিছোঁ গাঁৱৰ এক মনোৰম সামাজিক পৰিৱেশত। সৰুৰে পৰা লুকা-চুৰি খেলা, কাবাডী খেলা, ৰেডি-য়েছ্ খেলা, অলপ ডাঙৰ হোৱাৰ পৰা ক্ৰিকেট খেলা যেন দৈনন্দিন জীৱনৰ আজৰি সময়ৰ লগৰী হৈ পৰিছিল। এক কথাত শৈশৱৰ পৰা খেলৰ প্ৰতি এক দুৰ্বলতা আছিল।

খেল-ধেমালি জীৱনৰ এক আমোদজনক শাৰীৰিক কাৰ্য। কৰ্মব্যস্ত মানৱ জীৱনৰ অৱসৰ বিনোদনৰ লগত খেল-ধেমালি গভীৰভাৱে সম্পৰ্কিত। তথাপিও অৱসৰ বিনোদন কালত কৰা ধেমালি মাত্ৰেই খেল নহয়। খেল (Game) আৰু ধেমালি (Play)ৰ মাজত পাৰ্থক্য আছে। খেলত (Game) দল বিভাজন আৰু স্পষ্ট প্ৰতিযোগিতাৰ ভাৰ থাকে। ধেমালি (Play) সৰ্বকালৰ বাবে নিৰ্দোষ স্ফূৰ্তিৰ ভঁৰাল।

ভাৰত এখন ক্ৰিকেট বলীয়া দেশ। এক কথাত ক'বলৈ গ'লে ক্ৰিকেটক ভাৰতবৰ্ষত এটা ধৰ্ম বুলিয়ে ক'ব পাৰি। এই ধৰ্মৰ ভগৱান স্বৰূপ হ'ল লিটল মাষ্টাৰ শচীন তেণ্ডুলকাৰ। খেল বুলি ক'লে ভাৰতৰ ক্ৰিকেটতে চলি আহিছে অবাধ ৰাজত্ব। ক্ৰিকেটে যেন গ্ৰাস কৰি পেলাইছে আন আন খেলসমূহক। অতীতত ভাৰত হকীত আছিল অপ্ৰতিৰোধ্য এক শক্তি। ফুটবলতো ভাৰতবৰ্ষক উলাই কৰিব পৰা বিধৰ নাছিল। কিন্তু সময়ৰ লগে লগে ক্ৰিকেটে সকলো খেলকে সৰু কৰি পেলালে। জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ

কৰা এইবিধ খেলত বিভোৰ হৈ পাহৰি পেলালে যে আন কিছুমান খেলতো যে ভাৰতৰ এটা দল, খেলুৱৈ আছে। কিয়, আৰু কেনেকৈ ভাৰতবৰ্ষত ক্ৰিকেটৰ ইমান জনপ্ৰিয়তা? ভাৰতবৰ্ষত অন্যান্য খেলৰ ইমান জনপ্ৰিয়তা নাই কিয়? হয়। নিশ্চয় ইয়াৰ কাৰণ নোহোৱা নহয়। ভাৰতীয় ক্ৰিকেটক অধিক জনপ্ৰিয় কৰি তোলাৰ মূলতে হ'ল সঠিক আন্তঃগাঁথনি আৰু ইয়াৰ ব্যাপক প্ৰচাৰ। ভাৰতীয় ক্ৰিকেটৰ সৰ্বেসৰ্বা বি.চি.চি.আই. (B.C.C.I.) হ'ল পৃথিৱীৰ অন্যতম এটা ধনী ক্ৰীড়া সংস্থা। এই সংস্থাই ক্ৰিকেটক জনপ্ৰিয় কৰিবলৈ যিসমূহ প্ৰচেষ্টা হাতত লৈছে সেয়া উল্লেখযোগ্য। তাৰেই ফলস্বৰূপে ভাৰতত ক্ৰিকেটৰ এই ৰূপ দেখিবলৈ পাইছো। সেয়া আই.পি.এল.ৰ (I.P.L.)ৰ সফলতা তথা জনপ্ৰিয়তাৰ দ্বাৰাই বুজিব পাৰি। ভাৰতত খ্যাতি আৰু টকাৰ খেল হৈ পৰিল ক্ৰিকেট। বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ জড়িত হৈ ইয়াক অধিক জনপ্ৰিয় কৰি তুলিলে যাৰ ফলত ভাৰতবৰ্ষত ক্ৰিকেটৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগতে ভাৰতবৰ্ষই লাভ কৰিলে জছপ্ৰিট বুমৰাহ, হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, কুলদীপ যাদৱ আদিৰ দৰে খেলুৱৈ।

ক্ৰিকেটৰ এই প্ৰসংগটি উল্লেখ কৰাৰ মূলতে হ'ল ক্ৰিকেটৰ দৰে আন আন খেলসমূহক জনপ্ৰিয় কৰিবলৈ আই.পি.এল. (I.P.L.)ৰ দৰে লীগ বা গ্লেমাৰৰ প্ৰয়োজন নেকি? অৱশ্যে আই.পি.এলৰ (I.P.L.)ৰ সমান্তৰালভাৱে ফুটবলৰ আই.এছ.এল. (I.S.L.), প্ৰ' কাবাডী লীগ, বেডমিন্টন লীগসমূহ লাহে লাহে অনুষ্ঠিত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। এনেধৰণৰ গ্লেমাৰে দেশৰ বিভিন্ন কোণৰ প্ৰতিভা বিচৰাত নিশ্চয় সহায় কৰিছে।

প্ৰায় ১২০ কোটি জনসংখ্যাৰ ভাৰতে বৰ্তমান সময়ত ফুটবল বিশ্বকাপত অংশ ল'ব নোৱাৰাটোৱে ফুটবল বিশ্বত নিজৰ দুৰ্বলতাৰ কথাকে উদঙাই তোলে। সেই দুৰ্বলতা দূৰ কৰিবলৈয়ে আমাক প্ৰয়োজন এই লীগসমূহ আৰু গ্লেমাৰ।

এতিয়া আঁহো অসমৰ ক্ৰীড়া জগতখনলৈ। অসমখন ক্ৰীড়া ক্ষেত্ৰত যথেষ্ট চালুকীয়া অৱস্থাত আছে। অৱশ্যে সময়ে সময়ে সু-নিপুণ খেলুৱৈয়ে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ কথাটো নুই কৰিব নোৱাৰি। অসমখনত ক্ৰীড়াৰ ক্ষেত্ৰত যথেষ্ট প্ৰাচুৰ্য তথা সম্ভাৱনা আছে। সময়ে সময়ে ভোগেশ্বৰ বৰুৱা, মনালিছা বৰুৱা, জয়ন্ত তালুকদাৰ, এলভিছ হাজৰিকা, মাধৱী গগৈ আদিৰ দৰে খেলুৱৈয়ে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম বুটলিবলৈ সক্ষম হৈছিল। শেহতীয়াকৈ অৱশ্যে, হিমা দাস, অংকুশিতা বড়ো, শিৱ থাপা, লাভলীনা বৰগোহাঁই, ৰিয়ান পৰাগ, অশ্বিনী পুনাপ্পা আদিয়ে নিজ নিজ ক্ষেত্ৰখনত ক্ৰীড়া জগতত দপ-দপাই ফুৰিছে।

অসমৰ পৰা যদিও এইসমূহ খেলুৱৈ ওলাইছে তথাপিও ইয়াতকৈ অধিক সম্ভাৱনাময় খেলুৱৈৰে যে ভৰপূৰ সেই কথা নুই কৰিব নোৱাৰি। এই খেলুৱৈসকলক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব আমাৰ চৰকাৰে। তথা খেলসমূহক অধিক জনপ্ৰিয় কৰি তুলিব লাগিব। আন্তঃগাঁথনি উন্নত কৰি উচ্চ প্ৰশিক্ষণৰ সুবিধা কৰি খেলুৱৈসকলক গুৰুত্ব দিয়া প্ৰয়োজন। উচ্চ প্ৰশিক্ষণ পালে অসমৰ যুৱক কি সুনিপুণ আৰু দুৰ্দৰ্ষ হৈ উঠিব পাৰে, সেয়া সহজে অনুমেয়। এইক্ষেত্ৰত চৰকাৰৰ অৱহেলা নিশ্চয়কৈ দায়ী। বক্সিংঙত অসমৰ অন্যতম ৰূপে পৰিগণিত হৈছে—অংকুশিতা বড়ো, যমুনা বড়ো, শিৱ থাপা, লাভলীনা বৰগোহাঁই আদি। তেওঁলোকক বৰ্তমানেও কিছুমান উচ্চ প্ৰশিক্ষণৰ প্ৰয়োজন যিবোৰে তেওঁলোকক অধিক সুদক্ষ কৰি তুলিব। এবাৰ অসমলৈ অহা ভাৰতৰ বিখ্যাত বেডমিণ্টন খেলুৱৈ চেতন আনন্দে অসমৰ খেলুৱৈৰ শাৰীৰিক গঠন চীনৰ খেলুৱৈৰ লগত তুলনা কৰি ইয়াৰ সম্ভাৱনাৰ কথা ব্যক্ত কৰিছিল। স্বাভাৱিকতে অসম বেডমিণ্টনৰ উল্লেখনীয় উৰ্বৰ ভূমি হ'ব পাৰে। ইতিমধ্যে অসমৰ অস্মিতা চলিহাই ৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি লাভ কৰিছে। লগতে অশ্বিনী পুনাপ্পাই ভাৰতক বহুকেইটা আন্তঃৰাষ্ট্ৰীয় পদক উপহাৰ দিছিল অসমৰ অলিম্পিয়ান দীপাংকৰ ভট্টাচাৰ্যৰ প্ৰশিক্ষণ দ্বাৰা পুষ্ট হৈ। গতিকে অসমতো যে তেওঁ পুনাপ্পাৰ দৰে আন কাৰোবাৰ জন্ম দিব পাৰিব সেয়া ভাবিবৰ থল আছে।

ফুটবলৰ ক্ষেত্ৰখনলৈ যদি লক্ষ্য কৰো দেখিম যে অসমৰ গ্ৰামাঞ্চলসমূহ অজস্ৰ ক্ৰীড়া সম্ভাৱনাৰে ভৰপূৰ। জনজাতীয় ফুটবল খেলুৱৈসকল জন্মগত যুঁজাৰু; সহজতে হাৰ মানিব নোখোজে, শাৰীৰিক আৰু মানসিকভাৱে শক্তিশালী বুদ্ধিমত্তাৰ অধিকাৰী। শেহতীয়াকৈ ফুটবলৰ ক্ষেত্ৰখনত নিজৰ সুকীয়া পৰিচয় দাঙি ধৰিছে হলিচৰণ নাৰ্জাৰী, দুৰ্গা বড়ো, প্ৰাঞ্জল ভূমিজ, এলেন দেউৰী আদি খেলুৱৈয়ে। আই.এছ.এল.(I.S.L.)ৰ দৰে লীগত খেলি সুযোগৰ সদ্ব্যৱহাৰ কৰি এওঁলোকৰ দৰে অন্যান্য খেলুৱৈ জন্ম হ'বলৈ

হ'লে লাগিব একোখন মুক্ত মঞ্চ য'ত নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শনৰ মুক্ত সুবিধা থাকে।

শেহতীয়াকৈ হিমা দাসৰ সাফল্যই যেন পুনৰ এবাৰ প্ৰমাণ কৰিলে অসমৰ এথলেটিক্ছত সম্ভাৱনীয়তাৰ কথা। ধিং এক্সপ্ৰেছ হিমা দাসেই হ'ল বিশ্ব ট্ৰেক আৰু ফিল্ড ইভেণ্টত পদক লাভ কৰা প্ৰথমগৰাকী ভাৰতীয়।

ভলীবলতো অসমৰ গ্ৰামাঞ্চলত প্ৰচুৰ প্ৰতিভা লুকাই আছে। অসমৰ বহু অপ্ৰশিক্ষণপ্ৰাপ্ত খেলুৱৈয়ে ভাল প্ৰদৰ্শন কৰা বহুতো খেল দেখিছোঁ যিবোৰত কিছুমান প্ৰশিক্ষণপ্ৰাপ্ত খেলুৱৈকো ঢোকে ঢোকে পানী খুৱাইছিল।

অসমত ক্ৰিকেটৰ প্ৰতিভাও যথেষ্ট। অৱশ্যে ভাৰতীয় জাতীয় দলত এজনো অসমীয়া ক্ৰিকেটাৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰাটো অতি দুখজনক তথা লজ্জাজনক কথা। অৱশ্যে এই ক্ষেত্ৰত অসম ক্ৰিকেট সংস্থা (A.C.A.)ৰ ভূমিকা একেবাৰে নিৰ্লিপ্ত। অসম ক্ৰিকেট সন্থাৰ নগণ্য অৱদানৰ সত্বেও চেগাচোৰোকাকৈ অসমৰ বেগী বলাৰ আবু নেচিম, কৃষ্ণ দাস, অনুপ ঘটক, অৰূপ দাস, শিৱ শংকৰ ৰয়, অলৰাউণ্ডাৰ স্বৰূপম পুৰকায়স্থ, ৰিয়ান পৰাগ আদিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত ৰঞ্জী ট্ৰফী, দুলীপ ট্ৰফী আদিত ভাল প্ৰদৰ্শন কৰিছে। শেহতীয়াকৈ অসমৰ যুৱ খেলুৱৈ ৰিয়ান পৰাগ ২০১৮ চনৰ ১৯ বছৰ অনুৰ্ধ বিশ্বকাপত ভাৰতীয় দলৰ হৈ খেলাৰ সুযোগ লাভ কৰে। ৰিয়ান পৰাগে ২০১৯ বৰ্ষৰ আই.পি.এল.(Indian Premier League)ৰ ১২ সংখ্যক সংস্কৰণৰ ৰাজস্থান ৰয়েলছ (R.R.) দলৰ হৈ খেলাৰ সুযোগ লাভ কৰিছে। বেগী বলাৰৰ প্ৰাচুৰ্য থাকিলেও অসমৰ পৰা এতিয়ালৈকে নাম কৰিব পৰা ভাল বেট্‌ছমেন ওলোৱা নাই। ভাল বেট্‌ছমেনৰ অভাৱতেই অসমে ৰঞ্জী ট্ৰফীত মুখথেকেচা খাব লগা হয়।

অসমত ক্ৰিকেটৰ বিকাশৰ ক্ষেত্ৰত অসম ক্ৰিকেট সন্থাৰ অৱদান যে নগণ্য তথা ক্ৰিকেটাৰসকলৰ ভৱিষ্যত তথা কেৰিয়াৰক লৈ অলপো সচেতন নহয় তাক প্ৰমাণ কৰে শেহতীয়াকৈ অসম ৰঞ্জী দলৰ অন্যতম সদস্য স্বৰূপম পুৰকায়স্থৰ সৈতে সংঘটিত ঘটনাই। অসম ৰঞ্জী দলত নাম অন্তৰ্ভুক্ত হৈও খেলাৰ পৰা বঞ্চিত হয় খেলুৱৈজন, কাৰণ তেওঁ ভাৰতীয় ক্ৰিকেট ব'ৰ্ড (B.C.C.I.) ৰ পঞ্জীয়নভুক্ত নাছিল আৰু এই পঞ্জীয়নৰ দায়িত্ব থাকে অসম ক্ৰিকেট সন্থাৰ হাতত। শেহতীয়াকৈ অসমৰ বেগী বলাৰ কৃষ্ণ দাসেও বাৰে বাৰে উপেক্ষিত হৈ এই বছৰ ৰঞ্জী ছিজন গোৱা দলৰ হৈ খেলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

অসমত যেনেদৰে সু-নিপুণ খেলুৱৈৰ কেৰিয়াৰ ধ্বংস যজ্ঞ চলিছে ই সঁচাকৈ চিন্তনীয়। অসমৰ ক্ৰীড়া ক্ষেত্ৰখনক আগুৱাই নিবৰ বাবে লাগিব সু-সংহত প্ৰণালীবদ্ধ এটা গাঁথনি। জিলা পৰ্যায়ৰ লগতে মহকুমা, পঞ্চায়ত পৰ্যায়ৰ গাঁথনি প্ৰস্তুত কৰিব লাগিব। এই নীতিক বাস্তৱত ৰূপায়িত কৰিবৰ বাবে চৰকাৰী কৰ্তৃপক্ষই অচিৰেই স্থানীয় ক্লাবৰ লগত চুক্তি কৰি উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। অসমৰ অৰ্ধেকসংখ্যক বিদ্যালয়/মহাবিদ্যালয়ৰ নিজা খেলপথাৰ আছে। তাত সামান্যভাৱে আন্তঃগাঁথনি উন্নত কৰি চেণ্টাৰ অৱ একচিলেঞ্চ আদি স্থাপন কৰিব পৰা যায়। মহাবিদ্যালয়সমূহে 'বিশ্ববিদ্যালয় অনুদান আয়োগ'ৰ দ্বাৰা সাহায্য লাভ কৰি নিৰ্মাণ কৰা ইনড'ৰ ষ্টেডিয়ামসমূহত নিয়মীয়া অনুশীলন আৰু প্ৰশিক্ষণৰ যোগেদি ভৱিষ্যতে উন্নত মানৰ খেলুৱৈ সৃষ্টি হ'ব পাৰে। দুনীৰ্তিগ্ৰস্ত সংস্থাবিলাকৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা কৰি স্থানীয় বিদ্যালয়সমূহলৈ বা মহাবিদ্যালয়সমূহলৈ ক্ৰীড়া উন্নয়নৰ পুঁজিসমূহ দিয়াৰ ব্যৱস্থা কৰিব লাগে। উন্নতমানৰ এনেধৰণৰ গাঁথনি এটাৰ অস্তিত্ব থাকিলেহে খেলুৱৈৰ উৎপাদন হ'ব। এইদৰে জন্ম হোৱা ক্ৰীড়াবিদসকলক সংস্থাপন দিয়াৰ সু-ব্যৱস্থাও চৰকাৰে কৰা প্ৰয়োজন। চৰকাৰী সমৰ্থনৰ অভাৱৰ ফলতে সফল খেলুৱৈ হোৱাৰ পিছতো সাধাৰণ জীৱন-যাপনৰ সংগ্ৰামত লিপ্ত হ'বলগীয়া হয়। সামূহিক ক্ৰীড়াই এটা জাতি গঠন কৰে। গতিকে অসমে ক্ৰীড়াৰ উপযুক্ত গাঁথনি প্ৰস্তুত কৰি বাস্তৱত ফলৱৰ্তী কৰাৰ প্ৰচেষ্টা চলায় তেন্তে অসমীয়াৰ জাতীয় আবেগ, স্বাভিমান, শৌৰ্য-বীৰ্য প্ৰকাশৰ বাবে ক্ৰীড়া হ'ব উপযুক্ত মাধ্যম।

❖❖❖




# পৰ্যটন উদ্যোগ আৰু অসম

● মনীষা বৰগোহাঁই
প্ৰাক্তন ছাত্ৰী

সম্প্ৰতি এক আকৰ্ষণীয় তথা লেখত ল'বলগীয়া উদ্যোগৰূপে পৰিগণিত হোৱা উদ্যোগবিধেই হৈছে পৰ্যটন উদ্যোগ। সেয়েহে পৰ্যটক তথা ভ্ৰমণকাৰীসকলক নিজ নিজ দেশৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰায় প্ৰতিখন দেশেই চেষ্টা কৰি আহিছে। পৰ্যটন যিহেতু এটা আতিথ্যৰ উদ্যোগ, সেয়ে তাৰ বিকাশৰ তথা উন্নয়নৰ কথা ভবাৰ লগে লগে আমি কেতবোৰ দিশ নিৰ্ণয় কৰি লোৱা উচিত—

(১) পৰ্যটনৰ প্ৰয়োজনীয়তা আছেনে? যদি আছে কিয়?

(২) আমাৰ পৰ্যটনৰ সম্পদসমূহৰ চৰিত্ৰ কি?

(৩) আমি কেনেধৰণৰ পৰ্যটকক আদৰিম?

(৪) কোনধৰণৰ অতিথিৰ আদৰণিয়ে থলুৱা পৰ্যটনৰ সম্পদসমূহৰ সংৰক্ষণত সহায়ক হোৱাৰ উপৰিও থলুৱা মূল্যবোধক বিকৃত নকৰিব।

আমাৰ অসম যে পৰ্যটকৰ বাবে এক আকৰ্ষণীয় থলী হ'ব পাৰে এই ক্ষেত্ৰত সকলো একমত। ভাৰতৰ পূব দিশত সূৰ্য উঠা দেশ বুলি পৰিগণিত হোৱা অসম অকৃত্ৰিম প্ৰাকৃতিক সৌন্দৰ্য, মঠ-মন্দিৰ তথা ৰজাদিনীয়া কীৰ্তিচিহ্নৰে বিৰাজমান। সেয়েহে অসমৰ প্ৰাকৃতিক শোভাই অতীজৰে পৰা পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। অসমত ভিন ভিন প্ৰজাতিৰ জীৱ-জন্তু, বৰ্ষাৰণ্য, প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা জলাশয় আছে। তদুপৰি অতীতৰে পৰা অসমখন স্থাপত্য কলা, ভাস্কৰ্য কলা তথা প্ৰত্নতত্ত্বৰ ভঁৰাল হিচাপে বিখ্যাত হৈ আহিছে।

সপ্তম শতিকাৰ চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ দিনৰ পৰা অসংখ্য দেশী-বিদেশী পৰ্যটক অসমলৈ আহিছে আৰু ইয়াৰ নৈসৰ্গিক সৌন্দৰ্যত মুগ্ধ হৈছে। কিন্তু অতি দুখৰ বিষয়টো হ'ল পৰ্যটকসকলক আকৰ্ষণ কৰিব পৰা সকলো সম্পদ থকা সত্বেও সম্প্ৰতি অসমে বিভিন্ন কাৰণত এক আকৰ্ষণীয় পৰ্যটন থলী হোৱাৰ পৰা বঞ্চিত হৈ আছে ।

পৰ্যটন বিভাগে সপ্তাহৰ প্ৰতিটো বাৰতে গুৱাহাটী

মহানগৰীৰ দৰ্শনীয় স্থানসমূহ পৰিদৰ্শকৰ বাবে এক স্থানীয় ‘পেকেজ ট্যুৰ’ ৰ সুবিধা কৰি দিছে। পৰ্যটন বিভাগে আগবঢ়োৱা আন এক আকৰ্ষণীয় পেকেজ ট্যুৰ হ’ল— তেজপুৰ আৰু ভালুকপুং দৰ্শন কৰাৰ সু-ব্যৱস্থা। তদুপৰি পৰ্যটকসকলে অসম-অৰুণাচল সীমান্তত থকা টিপিত এছিয়াৰ সৰ্ববৃহৎ অৰ্কিড উদ্যানৰো সৌন্দৰ্য উপভোগ কৰাৰ সু-ব্যৱস্থা আছে।

অসমৰ পৰ্যটন বিভাগে আকৰ্ষণীয় পৰ্যটন স্থানসমূহত কেইবাটাও পৰ্যটনৰ বাবে আবাসগৃহ নিৰ্মাণ কৰি উলিয়াইছিল। এই ক্ষেত্ৰত কাজিৰঙা, ওৰাং, ভালুকপুং, তেজপুৰ, যোৰহাট, শিৱসাগৰ, নগাঁও, হাফলং, শিলচৰ, ডিফু আদিত নিৰ্মাণ হোৱা যাত্ৰী আবাসগৃহকেইটাৰ কথা উল্লেখ কৰিব পাৰি। অসমত পৰ্যটনক উদ্যোগৰ মৰ্যাদা দিয়া হৈছিল ১৯৮৭ চনত।

প্ৰকৃতাৰ্থত পৰ্যটন হ’ল মূলধনকেন্দ্ৰিক উদ্যোগ। ইয়াৰ বিকাশ সাধন হ’বলৈ হ’লে স্বাভাৱিকতে বিভিন্ন সা-সুবিধাৰ প্ৰয়োজনীয়তা আহি পৰে। বিশেষকৈ হোটেল, নিবাসগৃহ, বাট-পথৰ উন্নয়ন সাধন কৰাটো অত্যন্ত প্ৰয়োজনীয়।

অসমলৈ অধিক পৰ্যটকৰে আগমন ঘটে এশিঙীয়া গঁড়ৰ বিচৰণ ভূমি ৰূপে জগতবিখ্যাত কাজিৰঙা অভিমুখে। পৰ্যটকক আকৰ্ষণ কৰাৰ বাবে কাজিৰঙাত কিছু ব্যৱস্থা ৰখা হৈছে যদিও ইয়েই যথেষ্ট নহয়।

তদুপৰি আজি অসমত পৰ্যটন বুলিলেই বিশেষকৈ কাজিৰঙা আৰু মানাহ ব্যাঘ্ৰ প্ৰকল্পতেই সীমাবদ্ধ হৈ আছে। কিন্তু বিলৰ বুকুৰ পৰা বিলুপ্তত হ’বলৈ ধৰা বিভিন্ন বিধ প্ৰজাতিৰ বাসস্থান হৈ থকা বহুকেইখন অভয়াৰণ্যৰ বিষয়ে সম্প্ৰতি অনেক লোক অৱগত নহয়।

অসমৰ ক্ষেত্ৰত আজি অসমবাসীয়ে একো ব্যৱস্থা হাতত ল’ব পৰা নাই। বিভিন্ন কৃষ্টি-সংস্কৃতি, জাতি-জনগোষ্ঠীৰ মিলনভূমি অসমতো বছৰৰ বিভিন্ন ঋতুত কেইবাটাও উৎসৱ পালন কৰা হয়। সহজে পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা ব’হাগ বিহুৰ দৰে মনোমোহা নৃত্য-গীতসমূহ অসমৰ বাহিৰত প্ৰচাৰৰ বাবে তেনে কোনো ব্যৱস্থা হাতত লোৱা হোৱা নাই।

মাজুলী সুবিশাল ব্ৰহ্মপুত্ৰৰ বুকুত অৱস্থিত বিশ্বৰ সৰ্ববৃহৎ নদী দ্বীপ তথা অসমৰ বৈষ্ণৱ সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ। তদুপৰি দক্ষিণপাট, আউনীআটী, গড়মূৰ আৰু কমলাবাৰীৰ দৰে বিশিষ্ট চাৰিখন সত্ৰক কেন্দ্ৰ কৰি যি আধ্যত্মিক পৰিৱেশ মাজুলীত গঢ়ি উঠিছে সেয়া আধ্যাত্মিক ভাৱাপন্ন প্ৰতিজন পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ’ব পাৰে। কিন্তু যাতায়াতৰ দুৰৱস্থাৰ বাবে বাৰিষাৰ দিনত মাজুলীৰ সৈতে অসমৰ অন্যান্য প্ৰান্তৰ যোগাযোগ প্ৰায় বিচ্ছিন্ন হৈ থাকে। কিন্তু পুঁজি বিনিয়োগৰ জৰিয়তে যাতায়াতৰ উন্নয়ন সাধন কৰি অথবা যোৰহাটৰ নিমাতীঘাটৰ পৰা মাজুলীলৈ ওলোমা দলং নিৰ্মাণ কৰি যাতায়াতৰ পথ সুচল হ’লে পৰ্যটকসকলকো আকৰ্ষণ কৰিব পাৰিলেহেঁতেন।

পৰ্বত-পাহাৰ, নদী, অটব্য অৰণ্যৰে ভৰপূৰ অঞ্চল বিশেষকৈ পৰ্যটনৰ বাবেও উপযুক্ত কেন্দ্ৰস্থল। কিন্তু বিভাগীয় কৰ্তৃপক্ষৰ গা-এৰা মনোভাৱৰ বাবে পৰ্যটকক আকৰ্ষণ কৰাৰ পৰা ই বিশেষভাৱে বঞ্চিত। পৰ্যটকৰ বাবে অধিক আকৰ্ষণীয় মনোমোহা স্থলী হ’ল— আহোম যুগৰ কীৰ্তিচিহ্নসমূহ। এইখিনিতে উল্লেখ কৰিব পাৰি যে পৰ্যটকৰ আকৰ্ষণৰ বাবে দিল্লীৰ লালকিল্লাত ছাঁ-পোহৰৰ প্ৰদৰ্শনীৰে আৰু অধিক মনোমোহা কৰি তোলা হয়। তদুপৰি মহীশূৰৰ বৃন্দাবন উদ্যানৰ আলোক উজ্জ্বল মনোমুগ্ধকৰ পৰিৱেশৰ অন্যতম। তেনেদৰে আমাৰ আহোম ৰাজত্বৰ কীৰ্তিচিহ্নসমূহ আৰু চৰাইদেউৰ নিৰ্জন সৌন্দৰ্যকো লালকিল্লা অথবা বৃন্দাবন উদ্যানৰ দৰে আৰ্কষণীয় কৰি তুলিব পৰা যায়।

অসমৰ ৰাজধানী নগৰ গুৱাহাটীক কেন্দ্ৰ কৰি পূবে শদিয়াৰ কেঁচাইখাতী মন্দিৰৰ পৰা পশ্চিমে ধুবুৰীৰ নেতাই ধুবুনী ঘাটলৈ, উত্তৰে উণৰ সামগ্ৰীৰ বৃহৎ বজাৰ ভুটীয়া মেলাৰ বাবে খ্যাত দৰং আৰু ভৈৰৱকুণ্ডৰ পৰা দক্ষিণে বিস্ময়কৰ পক্ষী উদ্যান জাতিংগালৈকে আছে অনেক মনোমোহা স্থান।

আহোম ৰাজত্বৰ অলেখ কীৰ্তিচিহ্ন বুকুত সামৰি গৌৰৱ ঘোষণা কৰা উজনিৰ চহৰ শিৱসাগৰ। শিৱদ’ল, পাঁচশৰো অধিক পুখুৰী আৰু এশৰো অধিক সৰু-বৰ দ’ল-দেৱালয়, সত্ৰ আদিৰে ভৰপূৰ শিৱসাগৰ অতীজৰে পৰা ভ্ৰমণকাৰীসকলৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ আহিছে। দেৱী দ’ল, বিষ্ণু দ’ল, ৰংঘৰ, তলাতল ঘৰ, ৰংগনাথ দ’ল, হৰগৌৰী মন্দিৰ, গোলাঘৰৰ ভগ্নাৱশেষ, দ্বাৰসমূহ, জয়সাগৰ, জয়দ’ল, বাখৰবেঙেনা আদি কৰি শিৱসাগৰ নগৰৰ পৰা ১৩ কিলোমিটাৰ নিলগৰ পূবে অৱস্থিত তেতিয়াৰ আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱৰ সাতমহলীয়া কাৰেংঘৰ তথা চৰাইদেউ মৈদাম, গৌৰীসাগৰ পুখুৰী, নামদাঙৰ শিলৰ সাঁকো, নগা আলি আদি হ’ল এই চহৰৰ কেইটামান উল্লেখযোগ্য পৰ্যটক আকৰ্ষণৰ কেন্দ্ৰস্থল।

শিৱসাগৰৰ পৰা ৫৫ মিলোমিটাৰ নিলগৰ দুগৰাকী আহোম স্বৰ্গদেউৰ দুটি মৈদাম বুকুত লৈ তথা বিখ্যাত চাহ উদ্যোগৰ প্ৰণালীবদ্ধ চহৰ যোৰহাট। এই চহৰৰ বিশেষ আকৰ্ষণীয় স্থান হ'ল— অসম কৃষি বিশ্ববিদ্যালয়, টোকলাই চাহ গৱেষণা কেন্দ্ৰ, আঞ্চলিক গৱেষণাগাৰ, টীয়কৰ ঢেকীয়াখোৱা বৰনামঘৰৰ, তিতাবৰৰ ধান গৱেষণাকেন্দ্ৰ।

এইবাৰ আমি আহিছো চিত্ৰলেখাৰ দেশ তেজপুৰলৈ। ঐতিহাসিক চহৰ তেজপুৰৰ চুকে-কোণে সিঁচৰতি হৈ থকা কাৰুকাৰ্য খচিত শিলাখণ্ড, ভাস্কৰ্যসমূহে আজিও অতীতৰ সেই গৌৰৱোজ্জ্বল কাহিনী ঘোষণা কৰি আছে। এই তেজপুৰতেই অসুৰৰাজ বানে সুন্দৰী ৰাজকুমাৰী উষাক ৰাখিবলৈ অগ্নিগড় পাহাৰৰ চূড়াত নিৰ্মাণ কৰিছিল বিখ্যাত অগ্নিগড়। ইয়াতে নিৰ্মিত হৈছে উষা-চিত্ৰলেখা উদ্যান। তেজপুৰৰ পৰ্যটক আকৰ্ষণৰ থলী হ'ল— দ' পৰ্বতীয়াৰ শিলৰ তোৰণ, ৰুদ্ৰপদ মহাভৈৰৱ, ভৈৰৱী মন্দিৰ, বামুণী পাহাৰ ধ্বংসাৱশেষ, গণেশঘাট, পদুমপুখুৰী, বৃটিছ বিষয়া মিঃ কোলে নিৰ্মাণ কৰা কোল পাৰ্ক, হজৰা পুখুৰী, হলোশ্বৰী মন্দিৰ, ভালুকপুং, শিঙৰীৰ গুপ্তেশ্বৰ মন্দিৰ, ভোমোৰাগুৰি বিভিন্ন সত্ৰ ইত্যাদি।

চান্দ সদাগৰৰ স্মৃতি বিজড়িত অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত ধুবুৰী চহৰত ভৰি থ'লে স্মৃতিপটত ভাঁহি অহা নামটোৱেই হৈছে বিখ্যাত চান্দৰ ডিঙা আৰু নেতাই ধুবুনীৰ ঘাট। তদুপৰি ধুবুৰীত অৱস্থিত অন্য এক দৰ্শনীয় স্থান হ'ল— নৱম শিখগুৰু টেগ বাহাদুৰে প্ৰতিষ্ঠা কৰা পৱিত্ৰ গুৰুদ্বাৰ আৰু বিলাসীপাৰাৰ বগৰীবাৰীত থকা প্ৰখ্যাত মহামায়া থান।

দক্ষিণত অৱস্থিত গোৱালপাৰাত আছে ঐতিহ্যমণ্ডিত শ্ৰীসূৰ্য পাহাৰ। সাতটা চূড়াৰ এই পাহাৰত দুৰ্গা, গণেশ, চন্দ্ৰ আদি দেৱতাৰ মূৰ্ত্তিৰ লগতে বুদ্ধদেৱৰ মূৰ্ত্তি তথা উনত্ৰিশ কোটি শিৱলিংগ বিৰাজমান। গোৱালপাৰাৰ অন্যান্য দৰ্শনীয় স্থান হ'ল— টুক্ৰেশ্বৰী মন্দিৰ, বইটামাৰীৰ গোপীনাথ থান তথা পঞ্চৰত্ন দলং আদি।

অসমৰ মধ্যম খণ্ডত অৱস্থিত বিভিন্ন ঐতিহ্যৰে সমৃদ্ধ নগাঁও চহৰ। এই চহৰৰ কেইখনমান উল্লেখযোগ্য পৰ্যটকৰ আকৰ্ষণ থলী হ'ল— চম্পাৱতী জলপ্ৰপাত, আকাশীগংগা জলপ্ৰপাত, কলিয়াবৰ মৈদাম, ভৰালী নামঘৰ, শিলঘাটৰ জলপ্ৰপাত, কামাখ্যা মন্দিৰ, দুই মুনিশীলা, ৰহাৰ জোঙালবলহু গড় আৰু মীন মহাবিদ্যালয় আদিৰ উপৰি স্বাভাৱিকতে মনলৈ অহা নামটোৱেই হৈছে— নগাঁও চহৰৰ পৰা ১৫ কিলোমিটাৰ নিলগত থকা প্ৰসিদ্ধ বৰদোৱা সত্ৰ। বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱা সমগ্ৰ অসমবাসীৰ বাবেই এক প্ৰসিদ্ধ তীৰ্থস্থান। সু-বৃহৎ কীৰ্তনঘৰ বৰপেটাৰ এক অন্যতম আকৰ্ষণীয় স্থান।

এইবাৰ উল্লেখ কৰিব বিচাৰিছো গুৱাহাটী মহানগৰীৰ বিভিন্ন চাবলগীয়া ঠাইসমূহৰ বিষয়ে। দেশখনৰ ভিতৰতে এক উল্লেখযোগ্য মহানগৰী ৰূপে চিহ্নিত গুৱাহাটীত আছে প্ৰকৃতিৰ মাজত উপভোগ কৰিব পৰা সকলোখিনি উৎস মহানগৰীৰ সৌন্দৰ্যৰ মূল উৎস হ'ল বৰলুইত ব্ৰহ্মপুত্ৰ। মহানগৰীৰ কেইখনমান আকৰ্ষণীয় পৰ্যটন স্থান হ'ল— শুক্ৰেশ্বৰ পাৰ্ক, মহাবীৰ উদ্যান, শংকৰদেৱ উদ্যান, তৰুণৰাম ফুকন পাৰ্ক আদি ব্ৰহ্মপুত্ৰৰ মাজত পাৰত অৱস্থিত। তদুপৰি নীলাচল পাহাৰত থকা কামাখ্যা মন্দিৰ, অসম ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যান। তিৰুপতি বালাজী মন্দিৰ, ব্ৰহ্মপুত্ৰৰ বুকুত পৃথিৱীৰ ক্ষুদ্ৰতম দ্বীপ উমানন্দত থকা উমানন্দ মন্দিৰ, উচ্চ ন্যায়ালয়, ৰাজ্যিক সংগ্ৰহালয়, দীঘলীপুখুৰী, নেহৰু পাৰ্ক, তাৰকা গৃহ, ৰবীন্দ্ৰ ভৱন, ইতিহাস প্ৰসিদ্ধ কটন কলেজ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, শুক্ৰেশ্বৰ মন্দিৰ, বাণেশ্বৰ মন্দিৰ, নৱগ্ৰহ পাহাৰৰ নৱগ্ৰহ মন্দিৰ, খানাপাৰাৰ বিজ্ঞান গৱেষণাগাৰ ইত্যাদি। তদুপৰি গুৱাহাটীৰ দাঁতিকাষৰীয়া অঞ্চল হাজোত আছে— হয়গ্ৰীৱ মাধৱ মন্দিৰ, পোৱামক্কা দৰগাহ আৰু বৌদ্ধস্তূপ— যি হিন্দু, মুছলমান আৰু বৌদ্ধ এই তিনি ধৰ্মৰ লোকৰে আকৰ্ষণৰ কেন্দ্ৰ।

অতীজৰে পৰা অসমখন স্থাপত্য আৰু ভাস্কৰ্য কলা তথা প্ৰত্নতত্ত্বৰ ভঁৰাল হিচাপে জনাজাত হৈ আহিছে আৰু অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিস্তাৰিত বিভিন্ন মঠ-মন্দিৰত থকা কীৰ্তিচিহ্ন তথা প্ৰাচীন স্মৃতিসৌধ আদিয়ে এইটো প্ৰতিপন্ন কৰিছে। ইয়াৰ কিছুমান উৎকৃষ্ট নিদৰ্শন হ'ল— দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলীত থকা সৰাগুৰি চাপৰিৰ আজান পীৰৰ দৰগাহ, দেৰগাঁৱৰ শিৱ দ'ল, নেঘেৰিটিঙৰ মন্দিৰ, আঠখেলীয়া নামঘৰ, বোকাখাতৰ কুৰুৱাবাহী সত্ৰ, নুমলীগড়ৰ প্ৰখ্যাত গড়, প্ৰাচীন পুখুৰী, মৈদাম, থান, ধেমাজিৰ মালিনী থান, নাৰায়ণপুৰৰ বদলা আতাৰ থান আৰু মাধৱদেৱৰ জন্মস্থান, উত্তৰ কাছাৰৰ মাইবং চহৰ ইত্যাদি তথা স্বাস্থ্যকৰ ঠাই হাফলং, পক্ষীৰ আত্মহত্যাৰ বাবে খ্যাত

জাতিংগা, বিশ্বৰ সৰ্ববৃহৎ তেল শোধনাগাৰ ডিগবৈ।

বৰ্ণাঢ্য আৰু বিচিত্ৰ প্ৰাকৃতিক বৈভৱেৰেই য'ত অসমৰ পৰিচয় ত'ত অসমৰ অৰণ্যসমূহো পৰ্যটকৰ বাবে ভূ-গৰ্ভ স্বৰূপ। অসমৰ মুঠ মাটিকালিৰ ৩৯ শতাংশ এলেকাই বনাঞ্চল। অতীজৰে পৰা পৰ্যটকক আকৰ্ষণ কৰি অহা অসমৰ প্ৰধান হাবি-বননিৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল—

**কাজিৰঙা ঃ** ১৯১৬ চনত 'প্ৰমোদ উদ্যান' বা 'মৃগয়া বন' ৰূপে স্বীকৃতি দিয়া কাজিৰঙাৰ প্ৰাচীন নাম 'ভোগদুৱাৰ'। সম্প্ৰতি এশিঙীয়া গঁড়ৰ বিচৰণভূমি ৰূপে বিশ্ববিখ্যাত কাজিৰঙা।

**ওৰাং ঃ** দৰং জিলাত অৱস্থিত ওৰাং পূৰ্বতে অৱস্থিত এখন জনবসতিপূৰ্ণ ঠাই। ১৯৮৫ চনত ইয়াক অভয়াৰণ্য ৰূপে ঘোষণা কৰা হয় আৰু ১৯৯৯ চনত ইয়াক উন্নীত কৰা হয় ৰাষ্ট্ৰীয় উদ্যান ৰূপে।

**পবিতৰা ঃ** মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্য ১৯৭১ চনলৈকে আছিল গো-চৰণীয়া পথাৰ। ১৯৮৭ চনত ইয়াক অভয়াৰণ্যলৈ উন্নীত কৰা হয়। গড়ৰ উপৰি ইয়াত বাঘ, ম'হ, বিৰল প্ৰজাতিৰ বাদুলী, এন্দুৰ আদি পোৱা যায়।

**মানাহ ঃ** অসমৰ একমাত্ৰ ব্যাঘ্ৰ প্ৰকল্প মানাহ ৰাষ্ট্ৰীয় উদ্যান বৰপেটা জিলাৰ অসম ভূটান সীমান্তত অৱস্থিত। ইয়াত অন্যান্য দুষ্প্ৰাপ্য প্ৰাণীসমূহৰ ভিতৰত সোণালী বান্দৰ অন্যতম।

**নামেৰী ঃ** লুপ্তপ্ৰায় প্ৰাণী দেওৰাজ ম'হৰ বিচৰণভূমি এই অভয়াৰণ্যক ১৯৯৭ চনত ৰাষ্ট্ৰীয় উদ্যান স্বীকৃতি দিয়া হয়।

**ডিব্ৰু-চৈখোৱা ঃ** অসমৰ সৰ্ববৃহৎ ৰাষ্ট্ৰীয় উদ্যান ৰূপে স্বীকৃত এইখনেই বিশ্বৰ একমাত্ৰ বনাঞ্চল য'ত বনৰীয়া ঘোঁৰা পোৱা যায়।

**সোণাই ৰূপাই অভয়াৰণ্য ঃ** শোণিতপুৰ জিলাৰ বালিপাৰাৰ ওচৰত অৱস্থিত এই বনাঞ্চলত পোৱা বন্যপ্ৰাণী সমূহ হ'ল— গড়, হাতী, বাঘ, বিবিধ প্ৰজাতিৰ চৰাই আদি।

**পাভ অভয়াৰণ্য ঃ** লক্ষীমপুৰ জিলাত অৱস্থিত এই অভয়াৰণ্যখন প্ৰধানত ঃ বনৰীয়া ম'হ আৰু হাতীৰ বাবে বিখ্যাত।

**নামবৰ সংৰক্ষিত বনাঞ্চল ঃ** প্ৰসিদ্ধ গৰম পানীৰ উহৰ বাবে বিখ্যাত এই বনাঞ্চলত বনৰীয়া হাতী, বনৰৌ, হলৌবান্দৰ, লাজুকী বান্দৰৰ উপৰি বহু দুষ্প্ৰাপ্য অৰ্কিড পোৱা যায়।

**বৰনদী অভয়াৰণ্য ঃ** দৰং জিলাত থকা বৰনদী বনাঞ্চল ১৯৮১ চনত অভয়াৰণ্য স্বীকৃতি দিয়া হয়। নল গাহৰি, ম'হ, বান্দৰ, ভালুক, নাহৰফুটুকী বাঘ আৰু বিবিধ প্ৰজাতিৰ চৰাইৰ বাবে বিখ্যাত।

কেন্দ্ৰীয় চৰকাৰৰ উদাসীনতা, ৰাজ্য চৰকাৰৰ নেতিবাচক মনোভাব আৰু জনসাধাৰণৰ অসচেতনতাৰ বাবে অসমত আজি পৰ্যন্ত পৰ্যটনে এক আশানুৰূপ ফল লাভ কৰিব পৰা নাই। এই তিনিও পক্ষই যদি এই ক্ষেত্ৰত অধিক উদ্যামী তথা আন্তৰিক মনোভাৱেৰে বিশেষ পদক্ষেপ লয়, তেন্তে অসমত পৰ্যটন উদ্যোগে দেশৰ ভিতৰত এক শক্তিশালী উদ্যোগৰূপে আত্মপ্ৰকাশ কৰিব পাৰিব।

❖❖❖

*নাৱৰ টিঙত মই*
*তৰা আৰু বোকা একেলগে দেখি*
*বাঘৰ গোজৰ, ম'হৰ ঘণ্টা*
*জলকুঁৱৰীৰ গীত*
*একেলগে বাজে বেসুৰা*
*সুৰীয়াকৈ।*

**— অজিত বৰুৱা**



# অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু চৰকাৰৰ ভূমিকা

● ৰাজু চেতিয়া ফুকন
প্ৰাক্তন ছাত্ৰ

নায়ক হ'ব খুজি খলনায়ক হ'লো
কিনো বিধি শতৰুৰ. . . .
কোনো নাই তোৰ কাষতে আজি
আপোন বুলিবলে, জন অৰণ্যৰ মাজতো
আজি অকলশৰে. . . .

জাতীয় নায়ক সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া, নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬ যদি বাতিল কৰাব নোৱাৰে, তেতিয়া হ'লে আমাৰ বাবে স্বাধীন অসমৰ গত্যন্তৰ নাথাকিব। জাতীয় নায়ক মহোদয় আমি আপোনাৰ দিনত একেবাৰে সুৰক্ষিত নহয়। আপুনি আমাৰ বাবে কোনো কাৰণত জাতীয় নায়ক হ'ব নোৱাৰে। আপুনি আমাৰ বাবে জাতীয় খলনায়ক। আপুনি হয়তো নাজানে শতাব্দী প্ৰাচীন এটা সমৃদ্ধিশালী জাতিতকৈ এখন ধৰ্মকেন্দ্ৰিক বিল

কেতিয়াও ডাঙৰ নহয়। আপোনাৰ নেতৃত্বত থকা এই চৰকাৰৰ সময়তে অসমীয়া জাতিটোকে শেষ কৰিব বিচাৰিছে। স্বৰ্গদেউ চাওলুং চ্যুকাফাই সাতৰাজ মাৰি এক ৰাজ কৰা বৃহৎ অসমীয়া জাতিটোক আজি বৰাকৰ বঙালী জাতীয়তাবাদক বুকুত লৈ হিন্দী-হিন্দু-হিন্দুত্বৰ বাণী লৈ বৃহত্তৰ অসমীয়া জাতীয়তাবাদক চিৰকাললৈ শেষ কৰাৰ কুটিল ৰাজনীতিত আপুনি ভৰি দিলে। মোডী-সৰ্বা-হিমন্ত ডাঙৰীয়া, আপোনালোকে হয়তো পাহৰিলে বিশ্বৰ কোনো ৰাজনৈতিক শক্তিয়েই দীৰ্ঘকাল স্বেচ্ছাচাৰিতা তথা একক কৰ্তৃত্ব চলাই তিষ্ঠি থাকিব পৰা নাই। সেইবাবে কৈছো, সময় এতিয়াও শেষ হৈ যোৱা নাই, সোণোৱাল ডাঙৰীয়া, আপুনি অসমীয়া জনতাৰ কথা শুনক। অসমীয়া তেজাল ডেকাই আজি দিল্লীত বিধেয়কৰ বিৰোধিতা কৰিবলৈ গৈ উলংগ হ'বলগা হৈছে। হয়তো, অসমৰ ইতিহাসত এনে দুৰ্ভাগ্যজনক ঘটনা ঘটা নাছিল। এই লেখাৰ মাজত মোৰ স্পষ্ট কথা— ধৰ্মনিৰপেক্ষ আমাৰ অসম ৰাজ্যত কোনো কাৰণে জাতিধ্বংসী নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬ মানি লোৱা নহ'ব। প্ৰয়োজনত নিজৰ দেহৰ কেঁচা তেজ দি হ'লেও অসমীয়া জাতি, ভাষা, সংস্কৃতি ৰক্ষা কৰিবলৈ দায়বদ্ধ। কোনো কাৰণতে আই মাতৃক উলংগ কৰিবলৈ দিব নোৱাৰো। ইতিহাসৰ পাত মেলিলে আমি দেখো অসমীয়াই আইক ৰক্ষাৰ বাবে কোনোদিন আপোচ কৰা নাই। সদায় যুঁজিবলৈ শিকাই আহিছে। এই বিধেয়কে আমাৰ বৃহত্তৰ অসমীয়া জাতিটোক হিন্দু-মুছলমানৰ ৰাজনীতিৰে চিৰকাললৈ বিভাজন কৰাৰ ৰাজনীতিৰে অসমীয়া মানুহৰ ঐক্যবদ্ধ জাতীয়তাবাদক পংগু কৰিব বিচাৰিছে। আমি গণতান্ত্ৰিক দেশৰ নাগৰিক। সেইবাবে আহক আমি সকলোৱে জাতিৰ সংকটৰ সময়ত চৰকাৰৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলো।

য'ত নেকি স্বাধীনতাই নাই, তাত একোৰেই মূল্য নাই। সেইবাবে পণ লৈছো দেহত শেষ বিন্দু তেজ থকালৈকে যুঁজ দিম, আজুৰি আনিম ক্ষমতা।

❖❖❖

*কাইলৈৰ দিনটো কেৱল কাইলৈৰ দিনটোৰ বাবে*
*আজি আমাৰ চৌদিশে জুই*
*কাইলৈৰ দিনটোৰ বাবে আমাৰ ভিতৰে ভিতৰে নিৰ্মাণ*
*কাইলৈৰ দিনটো কেৱল কাইলৈৰ দিনটোৰ বাবে*
*আমাৰ ভিতৰে ভিতৰে প্ৰস্তুতি*
*........................................*
*কাইলৈৰ দিনটো আমাৰ হ'ব*
*কাইলৈৰ পৰা সম্পূৰ্ণ স্বাধীনতাৰ বাহিৰে*
*নাথাকিব আন কোনো কথা।*

**— সনন্ত তাঁতী**

# অসমৰ নিবনুৱা সমস্যা আৰু সমাধানৰ উপায়

● জ্যোতি কোঁৱৰ
দ্বিতীয় ষাণ্মাসিক
অৰ্থনীতি বিভাগ




নিবনুৱা বুলি ক'লে কোনো কৰ্ম সংস্থাপনত জড়িত নথকাটোৱেই বুজায়। অসমৰ প্ৰধান সমস্যাৰ ভিতৰত এটা উৎকৃষ্ট উদাহৰণ হিচাপে এই নিবনুৱা সমস্যাক বিবেচিত কৰা হয়। এই সমস্যাটো বৰ্তমানৰ সমস্যা নহয়। সমস্যাটো চলি আহিছে ইংৰাজৰ শাসন কালৰ পৰা। ইংৰাজে তেওঁলোকৰ চিন্তা, তীক্ষ্ণ বুদ্ধিৰ জৰিয়তে এই সোণালী অসমখনৰ পৰা বহু মূল্যবান ৰত্ন লৈ যোৱাৰ উপৰিও তেওঁলোকে অসমৰ ব্যক্তিসকলক অন্যান্য কৰ্ম শক্তিত হীন কৰি, দাস মনোবৃত্তি উপহাৰ দি নিবনুৱা কৰি থৈ আঁতৰি গ'ল। বৰ্তমান সময়ত অসমৰ জনসাধাৰণে চৰকাৰী চাকৰিৰ অবিহনে কোনো বৃত্তিকে নিজৰ জীৱনৰ উৎকৃষ্টতম বৃত্তি হিচাপে গ্ৰহণ নকৰে। বেচৰকাৰী চাকৰি কৰা জনসাধাৰণৰ সংখ্যাও এই অসমত সীমিত। বৰ্তমান সময়ৰ অসমৰ যুৱকসকলে হাতে-কামে জড়িত হৈ থকা বৃত্তিসমূহত নিয়োজিত হ'বলৈ সংকোচ কৰা দেখা পোৱা যায়।

আমাৰ দেশ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত দেশৰ জনসাধাৰণে নতুন দিগন্তৰ সপোন দেখিছিল। নতুন এখন সমাজ গঢ়াৰ সপোন দেখিছিল। কিন্তু সেই সপোনবোৰ দিঠকত পৰিণত নহ'ল। সমাজত ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত এনে কিছুমান বৈষ্যমতাৰ সৃষ্টি হ'ল। দুখীয়াসমূহ দুখীয়া হ'ল। ধনীসমূহ ধনীক শ্ৰেণীলৈ ৰূপান্তৰিত হ'ল। আৰু শিক্ষিত-অৰ্ধশিক্ষিত লোকসকল নিবনুৱাৰ কবলত পৰিল।

দেশৰ জনসাধাৰণে আগতে দুবেলা-দুমুঠি যোগাৰ কৰিলেই তেওঁলোক সন্তুষ্ট আছিল। কৃষি-কৰ্মত নিয়োজিত হৈয়ে সেই আহাৰৰ যোগাৰ কৰিছিল। কিন্তু জনসংখ্যা নিয়ন্ত্ৰণৰ অভাৱ, পৰিয়াল-পৰিকল্পনা আঁচনিৰ ব্যৰ্থতা আদিৰ ফলস্বৰূপে দেশত জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পালে। লাহে

লাহে বিজ্ঞানৰ সম্প্ৰসাৰণৰ লগে লগে কল-কাৰখানা আদিৰ সৃষ্টি হ'ল আৰু কিছু লোকে এই উদ্যোগসমূহত নিজকে সংস্থাপিত কৰিলে। ইয়াৰোপৰি দেশত শিক্ষাৰ প্ৰসাৰো দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিলে। অসমৰ চুকে-কোণে লাখ লাখ শিক্ষানুষ্ঠানৰ সৃষ্টি হ'ল। এনে হোৱাৰ ফলস্বৰূপে শিক্ষিত লোকৰ সংখ্যা অত্যাধিক মাত্ৰাত বৃদ্ধি হ'ল। কিন্তু কৰ্মক্ষেত্ৰৰ সংখ্যা সীমিত হোৱাৰ ফলস্বৰূপে সেই শিক্ষিত লোকসকল নিবনুৱা ৰূপে গঢ় লৈ উঠিল। এনেদৰে শিক্ষিত নিবনুৱাৰ সৃষ্টি হ'ল। আনহাতে কল-কাৰখানা, চাহ-বাগিচাসমূহ গঢ় লৈ উঠিলেও শ্ৰমিকসকলৰ সংখ্যা তাতকৈ বৃদ্ধি পোৱাত সমাজত আৰু এক প্ৰকাৰৰ নিবনুৱাৰ সৃষ্টি হ'ল। অৰ্থাৎ সমাজত নিবনুৱাৰ সংখ্যা দিনক দিনে বাঢ়ি যাব ধৰিছে। চৰকাৰে তেওঁলোকৰ পৰিকল্পনাৰ জৰিয়তে বহুতো নিবনুৱাক কৰ্ম সংস্থাপন দিয়াৰ লক্ষ্য গ্ৰহণ কৰিলেও কিছু সমস্যাৰ বাবে সেই ব্যক্তিসকলে কৰ্ম সংস্থাপন নাপায় নিবনুৱা হৈ থাকিবলগা হয়।

এই নিবনুৱা সমস্যা আঁতৰ কৰিবৰ বাবে ভাৰত চৰকাৰে বিভিন্ন আঁচনি প্ৰণয়ন কৰিছে। তাৰে ভিতৰত ২০০৫ চনৰ ২৫ আগষ্টত প্ৰণয়ন কৰা মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি, ২০০৮ চনত প্ৰণয়ন কৰা প্ৰধান মন্ত্ৰীৰ নিয়োগ সৃষ্টি আঁচনি উল্লেখযোগ্য। এই নিবনুৱা সমস্যা সমাধানৰ বাবে অসমত প্ৰচলিত শিক্ষা ব্যৱস্থাক সুদৃঢ় কৰিব লাগিব। বৰ্তমান প্ৰচলিত ডিগ্ৰীমুখী শিক্ষা ব্যৱস্থাক আঁতৰাই বৃত্তিমুখী শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব লাগে। বৃত্তিমুখী শিক্ষা প্ৰৱৰ্তন কৰিলে প্ৰত্যেকজন ব্যক্তিয়ে নিজকে নিবনুৱা সমস্যাৰ পৰা আঁতৰাই সংস্থাপিত কৰিব পাৰিব। বৰ্তমানৰ উচ্চ শিক্ষা ব্যৱস্থাত কলা, বাণিজ্য আৰু বিজ্ঞান এই তিনিটা বিভাগ থাকিলেও ডিগ্ৰী লোৱাৰ অন্তত যুৱক-যুৱতীসকল নিবনুৱা হৈ থাকিব লগা হয়। গতিকে অসমৰ শিক্ষা ব্যৱস্থাই বৃত্তিমুখী শিক্ষাক অন্তৰ্ভুক্ত কৰি নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

এই সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰৰো এক গুৰুত্বপূৰ্ণ ভূমিকাৰ অত্যন্ত প্ৰয়োজন। চৰকাৰে ৰাজ্যত দেখা পোৱা নিবনুৱা সমস্যা সমাধানৰ হিতাৰ্থে শিল্প-উদ্যোগ আৰু কুটীৰ উদ্যোগসমূহ স্থাপন কৰিব লাগে।

লগতে ৰাজ্যৰ ভৱিষ্যৎ তথা উঠি অহা যুৱ-প্ৰজন্মই তেওঁলোকৰ মানসিকতা সলনি কৰিবই লাগিব। সকলোৱে শিক্ষা-দীক্ষা লৈ কেৱল চৰকাৰী চাকৰি লাভ কৰাৰ আশা ত্যাগ কৰি যিকোনো বিভাগত যাতে নিজকে সংস্থাপিত কৰিব পাৰে সেই বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগে।

নিবনুৱা সমস্যা সৃষ্টিৰ অন্যতম কাৰণ জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ বাবে পৰিয়াল-পৰিকল্পনা আঁচনিসমূহ সুদৃঢ় কৰিব লাগে, জন্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে।

গতিকে জনসাধাৰণে যদি নিজৰ দৃষ্টিভংগী পৰিৱৰ্তন কৰে, চাকৰিমুখী শিক্ষা, ডিগ্ৰীমুখী শিক্ষা ত্যাগ কৰি যদি বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰিব পাৰে তেন্তে নিশ্চয় অসমৰ এটা ডাঙৰ সমস্যা সমাজৰ পৰা আঁতৰি যাব। অসমৰ জনসাধাৰণে এটা নতুন দিগন্তৰ সূচনা কৰিব পাৰিব। ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্য হিচাপে অসমখনে নিজকে চিনাকি দিব পাৰিব। আৰু অতীতৰ হেৰাই যোৱা সোণালী অসমখন পুনৰ উদ্ধাৰ হ'ব।

অসমত বাস কৰা প্ৰত্যেকজন ব্যক্তিয়ে সদায় মনত ৰাখিব লাগে যে—

*"অসম আমাৰ ৰূপহী*
*গুণৰো নাই শেষ,*
*ভাৰতৰে পূৰ্ব দিশৰ*
*সূৰ্য উঠা দেশ।"*

❖❖❖

# অসমৰ বৰ্তমান শিক্ষাব্যৱস্থা ঃ চমু অৱলোকন

● দীপাংকৰ বড়া
শিক্ষাতত্ত্ব বিভাগ
দ্বিতীয় ষান্মাসিক





সমাজৰ উন্নতিৰ ঘাই বাহক হৈছে শিক্ষা। শিক্ষাই সমাজত নতুনত্ব প্ৰদান কৰে। শিক্ষাৰ জৰিয়তে সভ্যতাৰ বিকাশ হৈছে আৰু আমি আজি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অত্যাধুনিক পৃথিৱীৰ বাসিন্দা হ'বলৈ সক্ষম হৈছোঁ।

দেশ, জাতি আৰু সমাজক প্ৰগতিৰ উচ্চ শিখৰত আহোৰণ কৰিবলৈ সক্ষম হোৱাৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা অপৰিসীম। সেয়ে শিক্ষা ব্যৱস্থা ত্ৰুটীহীন, সমাজৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পৰা হ'ব লাগে। ব্যৱহাৰিক আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ লক্ষ্য নিৰূপিত হ'ব লাগে। তদুপৰি শিক্ষাৰ লক্ষ্যই গণতান্ত্ৰিক আদৰ্শসমূহৰ বিকাশ সাধন কৰিব লাগে।

কিন্তু প্ৰচলিত শিক্ষা ব্যৱস্থা পুথিকেন্দ্ৰিক আৰু তাত্বিক হোৱা পৰিলক্ষিত হৈছে। অসমত বিশেষভাৱে দেখা গৈছে বৰ্তমানৰ শিক্ষাব্যৱস্থাই সমাজৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ অসমৰ্থ হৈছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীৰ মনত নেতিবাচক ধাৰণাৰ জন্ম দিছে। ব্যৱহাৰিক শিক্ষাৰ পৰিৱৰ্তে ই তাত্বিক ধৰণৰ হৈ পৰিছে। প্ৰচলিত শিক্ষা ব্যৱস্থাই গুণগত শিক্ষাৰ পৰিৱৰ্তে পৰিমাণগত শিক্ষাৰহে বিকাশ ঘটাইছে। শিক্ষাৰ অৰ্থ মাৰ্কশ্বিটত সৰহ নম্বৰ গোটোৱা, পাৰ্চেনটেজ বঢ়োৱা আদি অত্যন্ত সংকীৰ্ণ অৰ্থত ব্যৱহাৰ হ'বলৈ ধৰিছে। এনেধৰণৰ মানসিকতাৰ ফলস্বৰূপে প্ৰকৃত শিক্ষিতৰ অভাৱ ঘটিছে। তদুপৰি দেখা গৈছে বৰ্তমান যুৱ উচ্ছৃংখলতাৰ পৰিমাণ বৃদ্ধি পাইছে, অৰ্থাৎ বৰ্তমান শিক্ষা ব্যৱস্থাই মানুহৰ নৈতিক, আধ্যাত্মিক মূল্যবোধৰ জ্ঞান প্ৰদান কৰাবলৈ অসমৰ্থ হৈছে। শিক্ষাক সংকীৰ্ণ অৰ্থত ব্যৱহাৰ কৰি সমাজৰ উন্নতিত বাধাৰ সৃষ্টি কৰিছে। তদুপৰি প্ৰচলিত শিক্ষা

ব্যৱস্থা অত্যন্ত যান্ত্ৰিক আৰু পৰীক্ষামুখী হোৱা দেখা গৈছে। সঘন পৰীক্ষাৰ ফলশ্ৰুতিত শিক্ষাৰ্থীয়ে পৰীক্ষাৰ বাবে প্ৰয়োজনীয় জ্ঞানহে যান্ত্ৰিকভাৱে আয়ত্ত কৰে। ফলত প্ৰকৃত জ্ঞান লাভ কৰিব নোৱাৰে।

তদুপৰি ত্ৰুটীপূৰ্ণ পাঠ্যক্ৰম, পৰিদৰ্শনৰ অভাৱ, অপচয় আৰু অনুন্নয়ন আদি বিভিন্ন সমস্যা অসমৰ শিক্ষা ব্যৱস্থাত পৰিলক্ষিত হৈছে। ই সমাজ আৰু ৰাজ্যখনৰ বাবে এক গুৰুত্বপূৰ্ণ বিষয়।

ইয়াৰ প্ৰতিকাৰৰ বাবে শিক্ষা আয়োগ, চৰকাৰ, বুদ্ধিজীৱী আৰু সমাজৰ অংশীদাৰ প্ৰতিজন লোকেই ব্যৱস্থা হাতত লোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

শিক্ষা ব্যৱস্থা পুথিকেন্দ্ৰিক বা তাত্বিক হোৱাৰ পৰিৱৰ্তে ব্যৱহাৰিক আৰু সমাজৰ প্ৰয়োজনীয়তা পূৰণ কৰা বিধৰ হ'ব লাগে।

শিক্ষাৰ লক্ষ্য সমাজতান্ত্ৰিক, গণতান্ত্ৰিক আদৰ্শক প্ৰতিফলিত কৰিব পৰা বিধৰ হ'ব লাগে। লগতে নৈতিক, আধ্যাত্মিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

শিক্ষাৰ জৰিয়তে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ আৱিষ্কাৰ কৰা সামগ্ৰীসমূহ ব্যৱহাৰৰ উপযোগিতা, তাৰ গুণাৱলী আৰু নেতিবাচক দিশটোৰ সম্পৰ্কেও অৱগত কৰিব লাগে। যাতে শিক্ষাৰ্থীয়ে বিপথে পৰিচালিত নহয়।

শিক্ষাৰ পাঠ্যক্ৰম তত্ব প্ৰধান, পুথিকেন্দ্ৰিক আৰু যান্ত্ৰিক হোৱাৰ পৰিৱৰ্তে ব্যৱহাৰিক হ'ব লাগে।

শিক্ষা ব্যৱস্থাই সমাজ, দেশ আৰু জাতিক বিশ্বৰ দৰবাৰত এক উচ্চ ভেঁটি স্থাপন কৰোৱাত সহায় কৰিব লাগে। পৰিমাণগত শিক্ষাৰ পৰিৱৰ্তে গুণগত শিক্ষা প্ৰদান কৰিব লাগে। শিক্ষাৰ্থীৰ মানসিক সামৰ্থ, আগ্ৰহ-অভিৰুচিৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি শিক্ষা প্ৰদান কৰিব লাগে। যাতে শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কাৰ্য বোজা হিচাপে নলৈ প্ৰকৃতাৰ্থত জ্ঞান আহৰণৰ প্ৰতি উৎসাহী হৈ পৰে।

সৰ্বশেষত ক'ব পাৰি উল্লিখিত বিষয়টোৰ বিষয় সম্পৰ্কে গভীৰ অধ্যয়নৰ প্ৰয়োজন আছে। কিয়নো শিক্ষাই মানুহক বৰ্বৰ মানৱৰ পৰা মানৱ সম্পদলৈ ৰূপান্তৰিত কৰিছে। গতিকে শিক্ষা ব্যৱস্থাই যাতে মানৱ সম্পদৰ জন্ম দিব পাৰে তাৰ বাবে সকলোৱে সজাগ হোৱাৰ প্ৰয়োজনীয়তা আছে।❖❖❖

*যুঁজৰ বাবে কলম পৰ্যাপ্ত নহয়। যুঁজৰ বাবে প্ৰয়োজন সশস্ত্ৰ ইচ্ছাশক্তি। মই তেওঁলোকক ক'লো হৃদয়ক হৃদয়ৰ দৰে নাৰাখিবা তোমালোকে। মগজুক চয়তানৰ আড্ডা হ'বলৈ নিদিবা।*

**—সনন্ত তাঁতী**




# বৰ্তমান সময়ত অসমৰ সংবাদ মাধ্যমঃ প্ৰাসংগিক চিন্তা



● কংকণা কোঁচ
চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয় সাংবাদিকতাক। সাংবাদিকতা এটা অতি জটিল আৰু দায়িত্বপূৰ্ণ বৃত্তি। ইয়াৰ লগত জড়িতসকলে সদায় আপোচবিহীনভাৱে, নিঃস্বাৰ্থভাৱে, দায়বদ্ধতাৰে কামবোৰ কৰি যাবলগীয়া হয়। সেয়েহে সংবাদ সেৱাৰ লগত জড়িত লোকসকলক সমাজৰ আটাইতকৈ মৰ্যাদাপূৰ্ণ আৰু দায়বদ্ধ লোক হিচাপে গণ্য কৰা হয়। আমি ভাবো সংবাদ মাধ্যম এখন সমাজৰ দাপোণস্বৰূপ। সংবাদ মাধ্যমেই সমাজ এখনৰ গতি পথ নিৰূপণ কৰাত সহায় কৰে। কিন্তু এইখিনিতে আমি অতি দুখেৰে ক'বলগা হৈছে, সময় সলনিৰ লগে লগে, অৰ্থনৈতিক উন্নয়ন, স্বচ্ছল জীৱনবোধ, উচ্চাভিলাষী মনোভাৱৰ লগতে যান্ত্ৰিকতাৰ ধামখুমীয়াত অন্য বৃত্তিৰ দৰে সংবাদ সেৱা বা সাংবাদিকতাতো বৰ্তমান সময়ৰ ঘুণে ধৰা পৰিলক্ষিত হৈছে। বৰ্তমান সময়ৰ সংবাদ মাধ্যমক বহুতে বহুত ধৰণে সমালোচনা কৰা আমি সততে দেখা পাওঁ। বৰ্তমান সময়ৰ সাংবাদিকতাত নীতি-আদৰ্শৰ কোনো কথা নাইকিয়া হৈছে। কেৱল মাত্ৰ মিছাক সঁচা আৰু সঁচাক মিছা কৰি সমাজ তথা জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ নিম্ন মানসিকতাহে দেখা গৈছে।

যদিও সত্যনিষ্ঠতাক সাংবাদিকতাৰ এটা প্ৰধান দায়িত্ব বুলি ধৰি লওঁ কিন্তু বৰ্তমান সময়ৰ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকতাত সত্যক যেন সম্পূৰ্ণৰূপে আওকাণ কৰা হয়। সেইবাবে আমাৰ অনুৰোধ; সংবাদ সেৱাৰ দৰে এটা পৱিত্ৰ সেৱাত ব্ৰতী হৈ সংবাদ বিক্ৰী কৰিবলৈ গৈ আপোচবিহীন চৰিত্ৰটো আৰু সকলো নীতি-আদৰ্শ জলাঞ্জলি নিদিয়ে যেন।

শেষত অসমৰ সংবাদ মাধ্যমৰ ক্ষেত্ৰত কেইটামান কথা আমাৰ কৈ যোৱাৰ ইচ্ছা আছে। প্ৰথম— অসমৰ সাংবাদিকসকলৰ প্ৰশিক্ষণৰ কোনো ব্যৱস্থা নাথাকে। যাৰ ফলস্বৰূপে বিভিন্ন সময়ত বহু বাতৰি প্ৰদৰ্শনৰ ক্ষেত্ৰত সাংবাদিকসকলে ভুল কৰা দেখা যায়। ইয়াৰ উপৰি বৰ্তমান সময়ৰ সংবাদ মাধ্যমসমূহ পক্ষপাত হৈ পৰিছে। যাৰ ফলস্বৰূপে সংবাদ মাধ্যমৰ প্ৰতি থকা মানুহৰ আস্থা আৰু বিশ্বাস হেৰাই গৈছে। যিটো যুক্তিসংগত নহয় আৰু সমাজ এখন আগুৱাই যোৱাৰ ক্ষেত্ৰত শুভ লক্ষণ নহয়। আমি সংবাদ মাধ্যমৰ জৰিয়তে সত্যক উদ্‌ঘাটন কৰি অন্যায়ৰ বিৰুদ্ধে ন্যায় প্ৰতিষ্ঠাৰে ৰাজহুৱা স্বাৰ্থ সিদ্ধি কৰিব পৰা কাম, দায়িত্ব আৰু কৰ্তব্য সংবাদ মাধ্যমৰ পৰা আমি আশা কৰোঁ। বৰ্তমান সময়ৰ সমাজখন সুস্থ-সৱলভাৱে আগুৱাই যাবৰ বাবে সংবাদ মাধ্যমৰ প্ৰয়োজনীয়তা অপৰিসীম। সমাজৰ অপশক্তি, দুষ্কৃতিকাৰী তথা চৰকাৰ, প্ৰশাসনৰ ভুল পহৰাদাৰৰ কাম নিয়াৰিকৈ সংবাদ মাধ্যমে পালন কৰে যেন সেয়াই আমাৰ কাম্য। সঁচা অৰ্থত সংবাদ মাধ্যমে আপোচবিহীনভাৱে কামবোৰ আগুৱাই নিলেহে আমাৰ অসম উন্নতিৰ পথত আগুৱাই যাব। ❖❖❖

# আম্বেদকাৰ আৰু অস্পৃশ্যতা



● তৃষ্ণা চুতীয়া
সমাজতত্ত্ব বিভাগ
ষষ্ঠ ষান্মাসিক

যিসকল মহান ভাৰতীয়ই আধুনিক ভাৰতৰ সপোন দেখিছিল অথবা আধুনিক ভাৰত বুলিলে যিসকলৰ নাম হঠাতে আমাৰ মনলৈ আহে সেইসকলৰ ভিতৰত সঘনে আমাৰ মনলৈ অহা এটা নাম হৈছে ভি. আৰ. আম্বেদকাৰ। ভি. আৰ. আম্বেদকাৰৰ সম্পূৰ্ণ নাম হৈছে ভীমৰাও ৰামজী আম্বেদকাৰ। আম্বেদকাৰদেৱ আমাৰ মাজত বাবা চাহেব বুলিও জনপ্ৰিয়। তেখেতৰ জন্ম হৈছিল ১৮৯১ চনৰ ১৪ এপ্ৰিলত আৰু মৃত্যু হৈছিল ১৯৫৬ চনৰ ৬ ডিচেম্বৰত। সমাজৰ বিভিন্ন দিশত আম্বেদকাৰৰ অৱদান অতুলনীয়। আম্বেদকাৰৰ অৱদান তথা তেখেতৰ লেখনিৰ পৰিসৰ যথেষ্ট বহল, গতিকে এটা সাধাৰণ প্ৰবন্ধৰ যোগেদি এই সকলোবোৰ সামৰি লোৱাটো সম্ভৱ নহয়। ৰাজনীতি, অৰ্থনীতি তথা সমাজ সংস্কাৰ আদিৰ প্ৰতি তেওঁৰ অৱদান অবিস্মৰণীয়। কিন্তু এই সকলোবোৰৰ উপৰিও যিটো কথাই আম্বেদকাৰক মহান কৰি তুলিলে সেয়া হৈছে তেওঁৰ জীৱনৰ সংগ্ৰাম। যিমান সংগ্ৰামৰ মাজেৰে আহি আম্বেদকাৰ সফল হ'ল সেয়া সাধাৰণ মানুহৰ কাৰণে উৎসাহৰ বিষয়। মহাৰাষ্ট্ৰৰ 'মাহৰ' (Mahar) নামৰ এটা অস্পৃশ্য জাতিত জন্মগ্ৰহণ কৰা আম্বেদকাৰে সেই সময়ৰ গোড়া হিন্দু সমাজৰ পৰা যথেষ্ট শোষণৰ সন্মুখীন হৈছিল। জীৱনৰ প্ৰতিটো মুহূৰ্ততে তেওঁ দলিত হোৱাৰ বাবে সমস্যাত পৰিবলগীয়া হৈছিল। তেওঁ লিখা 'No Poem No Water' লেখনিৰ মাজেৰে তেওঁ লিখিছে যে কেৱল অস্পৃশ্য হোৱাৰ বাবেই বিদ্যালয়ৰ খোৱা পানী খোৱা কলহৰ পৰা পানী ল'ব পৰা নাছিল। সেয়ে পিয়ন নহা দিনা তেওঁক পানী দিবলৈও কোনো নাছিল। যাৰ বাবে পিয়ন নহা দিনা তেওঁ তেনেকৈয়ে পাৰ কৰিবলগীয়া হৈছিল। সি যি কি নহওক, যদিও আম্বেদকাৰৰ সকলো অৱদান আমাৰ এই ক্ষুদ্ৰ প্ৰবন্ধত সামৰা সম্ভৱ নহয়, তথাপিও আমাৰ সুবিধাৰ বাবে আমি আম্বেদকাৰৰ অৱদানসমূহক বিভিন্ন দিশত ভাগ কৰিব পাৰো। যেনে— ৰাজনৈতিক দিশত আম্বেদকাৰৰ অৱদান, অৰ্থনৈতিক দিশত আম্বেদকাৰৰ অৱদান, সমাজ সংস্কাৰৰ দিশত আম্বেদকাৰৰ অৱদান ইত্যাদি। আম্বেদকাৰ আছিল আমাৰ সংবিধানৰ প্ৰকৃত নিৰ্মাতা। তেখেত আছিল সংবিধানৰ প্ৰস্তুতিৰে খচৰা সমিতিৰ সভাপতি। তদুপৰি তেওঁ আছিল স্বাধীন ভাৰতৰ প্ৰথমজন আইন মন্ত্ৰী। আজিৰ দিনত আমি যি SC/ST আসন সংৰক্ষণৰ ব্যৱস্থা

পাওঁ, সেই সকলোবোৰৰ মুখ্য ব্যক্তিজন আছিল আম্বেদকাৰ। ভাৰতীয় অৰ্থনীতিৰ প্ৰতিও আম্বেদকাৰৰ অৱদান আছিল যথেষ্ট। তেখেতে অৰ্থনীতি বিষয়তো বিভিন্ন কিতাপ লিখিছে। সেইবোৰৰ ভিতৰত এখন উল্লেখনীয় গ্ৰন্থ হৈছে "The Problem of the Rupee: Its origin and its solution" আদি। কিন্তু এই সকলোবোৰৰ উপৰিও আম্বেদকাৰৰ মূল অৱদানসমূহ হৈছে অস্পৃশ্যতাৰ মুক্তিৰ বাবে কৰা আন্দোলন। হয়তো জীৱনৰ প্ৰতিটো দিশতে শোষণৰ বলি হোৱা আম্বেদকাৰে গোটেই জীৱন অস্পৃশ্যতা মুক্ত ভাৰতৰ সপোন দেখিছিল। তেওঁৰ এই প্ৰচেষ্টা আমি দেখিবলৈ পাওঁ তেওঁৰ বিভিন্ন লেখনিৰ মাজেৰে। যেনে — "Annihilation of Caste" নামৰ লেখনিৰ যোগেদি। আম্বেদকাৰে হিন্দু সমাজৰ ধৰ্মত থকা জাতি বিশ্বাসক সমালোচনা কৰিছিল। তেওঁ কৈছে যে ভাৰতত অৰ্থনৈতিক আৰু ৰাজনৈতিক সংস্কাৰৰ বাবে প্ৰথম প্ৰয়োজনীয়তা হৈছে সমাজক সংস্কাৰ। তেওঁৰ মতে জাতিগত ভেদ-ভাৱেৰে ভৰা ভাৰতত অৰ্থনৈতিক সংস্কাৰ আৰু ৰাজনৈতিক সংস্কাৰৰ পৰাই আৰম্ভ। হিন্দু সমাজ ব্যৱস্থাক সমালোচনা কৰি আম্বেদকাৰে কৈছে যে পৃথিৱীৰ কোনো সমাজতে জন্মগত সামাজিক সংস্থান গ্ৰহণযোগ্য নহয়। তেওঁৰ আন এটা লেখনি "Caste in India: Their Mechanism, Genesis and Development" এ কৈছে যে, জাতি ব্যৱস্থা হৈছে এটা শোষণৰ যন্ত্ৰ। জাতি ব্যৱস্থাই আন্তঃবিবাহৰ যোগেদি এই শোষণ ব্যৱস্থা বৰ্তাই ৰাখে। আম্বেদকাৰে কৈছে পৰম্পৰাগত হিন্দু সমাজত যেতিয়া এজন পতিৰ মৃত্যু হয় তেতিয়া তেওঁৰ পত্নীকো জ্বলাই দিয়া হয় সতী প্ৰথাৰ যোগেদি। এইটো এই কাৰণে কৰা হয় যাতে জাতিৰ পৱিত্ৰতা বজাই ৰাখিব পৰা যায়। যাতে বিধৱা নাৰীগৰাকীয়ে কোনো নীচ জাতিৰ লোকৰ সৈতে পুনৰ সম্বন্ধ গঢ়িব নোৱাৰে। যদি সতীদাহ প্ৰথা সম্ভৱ নহয় তেন্তে পত্নীৰ ওপৰত বৈধব্য জাপি দিয়া হয়। আম্বেদকাৰে এই সকলোবোৰৰ ক্ষেত্ৰত সদায়ে বাধা দিছিল। তেওঁ হিন্দু সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন বিচাৰিছিল কিন্তু যেতিয়া এইটো বুজি উঠিছিল যে হিন্দু ধৰ্মত থাকি এইটো সম্ভৱপৰ নহয়, তেতিয়া তেওঁ বৌদ্ধ ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু এই ধৰ্ম গ্ৰহণ কৰিছিল। লগতে তেওঁ বাকী দলিতসকলকো বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিবলৈ কৈছিল। ❖❖❖

*মই পৃথিৱীৰ প্ৰত্যেকজন শোষিতৰ কবি*
*মই কবি পৃথিৱীৰ প্ৰত্যেকজন সঁচা বিপ্লৱীৰ*
*তোমালোকৰ জয়ৰ সংগীত লিখিবলৈ*
*মোৰ কলম বৈ আছে*
*তুমুল উদ্যমেৰে জগাই তোলা জনগণক।*

**— কোকিল শইকীয়া**

# আহোম ৰমণী চাও চিং কুঁৱৰী

● বৰষা শইকীয়া
চতুৰ্থ ষান্মাসিক
বুৰঞ্জী বিভাগ

আহোম ৰাজতন্ত্ৰৰ সুদীৰ্ঘ ৬০০ বছৰীয়া ৰাজত্বকালৰ কথা অসম বুৰঞ্জীৰ প্ৰতিখন পৃষ্ঠাই সগৌৰৱে বৰ্ণনা দিয়ে। তেৰ শতিকাত আহোমসকল অসমলৈ আহি ১২৫৩ চনত চৰাইদেউত আহোম ৰাজ্যৰ প্ৰথম ৰাজধানী স্থাপন কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জাতি-জনগোষ্ঠীৰ লগত একতাৰ ডোলেৰে বান্ধ খাই বৰ অসমৰ বৃহৎ জাতি আৰু বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ গঢ় দিয়ে। সুদীৰ্ঘ আহোম ৰাজত্বকালৰ সকলো ঘটনা-পৰিঘটনাৰ উল্লেখ থকা বুৰঞ্জীসমূহ ৰজা, ৰজাঘৰীয়া, প্ৰধান ডা-ডাঙৰীয়াসকলৰ বৰ্ণনাৰেই ভৰপূৰ আছিল। তাত সাহিত্য-সংস্কৃতিৰ কিছু বিষয় অতি সেৰেঙাকৈহে ঠাই পাইছিল।

সম্ভৱতঃ আহোম ৰাজতন্ত্ৰৰ ৰজাসকলে নিজ ৰাজ্যৰ বিস্তৃতি আৰু ৰাজনৈতিক শক্তি, বংশৰ মৰ্যাদা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল বাবেই সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত বৰকৈ মনোনিৱেশ কৰা নাছিল। তেওঁলোকে ৰাজনৈতিক দৃঢ়তাক অত্যাধিক গুৰুত্ব দিছিল আৰু ৰাইজৰ বৌদ্ধিক মানসিক চিন্তাধাৰাৰ বিকাশৰ বাবে যে সাহিত্য শিক্ষাৰ উন্নতি কৰাটো প্ৰয়োজন সেই বিষয়ে হয়তো তেওঁলোকে দকৈ ভাবি চোৱা নাছিল। সেয়েহে বৰ বেছিকৈ বুৰঞ্জীত সাহিত্যৰ উন্নতিৰ বিষয়ে পোৱা নাযায়।

যি কি নহওক, পুৰুষ প্ৰধান সমাজত নাৰীক বেছি গুৰুত্ব দিয়া নহৈছিল আৰু সামন্ততান্ত্ৰিক ব্যৱস্থাৰ ৰাজ্যবিলাকতো নাৰীক অগ্ৰাধিকাৰ দিয়া নহৈছিল। অসম এখন পুৰুষ প্ৰধান দেশ আৰু সেয়েহে আহোম যুগৰ বুৰঞ্জীসমূহত নাৰীৰ বিষয়ত বেছি আলোকপাত কৰা হোৱা নাছিল। কাচিৎভাৱেহে দুই-চাৰিগৰাকী মহীয়সী নাৰীৰ সামান্যতম আভাস আহোম বুৰঞ্জীসমূহে ব্যক্ত কৰে। মূলাগাভৰু, চাও চিং কুঁৱৰী, ফুলেশ্বৰী কুঁৱৰী, কুৰঙ্গনয়নী আদি স্মৰণীয় মহীয়সী নাৰীৰ বিষয়ে বিস্তৃত বিৱৰণ পোৱা নাযায়। আহোম ৰাজত্বকালৰ বহুসংখ্যক কুঁৱৰী, ৰাজমাও আৰু ডাঙৰীয়ানীয়ে ৰাজ্য শাসনত আওপকীয়াকৈ গুৰুত্বপূৰ্ণ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। এওঁলোকৰ মাজৰে পৰা উল্লেখ কৰিবলগীয়া মহান আহোম ৰমণীগৰাকী হৈছে চাও চিং কুঁৱৰী।

আহোম বুৰঞ্জীত নাৰী সন্মোহিনী শক্তিৰ এক আদৰ্শ হৈছে চাও চিং কুঁৱৰী। এইগৰাকী ৰমণীৰ তেজ এতিয়াও বহু নাৰীৰ শক্তিৰ উৎস। ব্যৱহাৰিক গুণেৰে গুণান্বিত হোৱা নাৰীসকলৰ বাবে তেওঁ এক আদৰ্শ।

স্বৰ্গদেউ চুহুংমুঙৰ মৃত্যুৰ পাছত চুক্লেংমুং ১৫৩৯ খ্ৰীষ্টাব্দত আহোম ৰাজসিংহাসনত বহে। আহোম ৰাজতন্ত্ৰৰ পঞ্চদশতম এইজনা ৰজাই ১৫৪০ খ্ৰীষ্টাব্দত চৰগুৱাৰ পৰা গড়গাঁৱলৈ ৰাজধানী স্থানান্তৰিত কৰে। সেই হেতুকে তেওঁক গড়গঞা ৰজা বুলি কোৱা হয়। এওঁক ডেকা ৰজা বুলিও কোৱা হয়। তেওঁ গড়গাঁৱত শিঙৰী ঘৰত উঠি 'চুক্লেংমুং' নাম ল'লে।

স্বৰ্গদেউ চুক্লেংমুঙৰ বৰকুঁৱৰীৰ নাম আছিল নাংটেন খাম। ইতিহাসত চাও চিং কুঁৱৰী নামে প্ৰখ্যাত এইগৰাকী কুঁৱৰীৰ নামৰ অৰ্থ হৈছে— নাং মানে কন্যা, টেন মানে শুৱনি আৰু খামৰ অৰ্থ সোণ। অৰ্থাৎ সোণৰ দৰে জিলিকি থকা সুন্দৰী কন্যা।

পাটকাইৰ সিপাৰে থকা নৰা ৰাজ্যৰ কুঁৱৰী চাও চিং আছিল অতি বুদ্ধিমতী, বিদুষী মহিলা। চাও চিঙৰ ৰূপ লাৱণ্যই সকলোকে মুগ্ধ কৰিছিল। তেওঁৰ জ্ঞান, দক্ষতাও অতি প্ৰশংসনীয়। তেওঁৰ ৰাজনৈতিক দক্ষতাৰ উমান তেওঁৰ কৰ্মকুশলতাৰ পৰাই পাব পৰা যায়। তেওঁৰ পৰামৰ্শ অনুসৰি চুক্লেংমুঙে ৰাজধানীৰ চাৰিওকাষে দকৈ খাৱৈ খান্দি গড় নিৰ্মাণ কৰিছিল। এই দ আৰু বহল খাৱৈ সদায় পানীৰে উপচি

থাকে। গড়ৰ ওপৰত কোটোহা ঘাঁহ ৰুই দিয়া হৈছিল। বন্দুকৰ গুলী, তীক্ষ্ণ কাঁড়েও ইয়াৰ মাজেৰে পাৰ হৈ যাব নোৱাৰে। চাও চিং কুঁৱৰীয়ে এইদৰে অতি সুন্দৰকৈ সুৰক্ষিত ৰাজধানী বনাই তৃতীয় গড়ৰ ভিতৰতে ৰাজকাৰেং স্থাপনৰ নক্সা তৈয়াৰ কৰিছিল আৰু সুন্দৰকৈ কাৰেং সজোৱা হৈছিল।

ৰূপে গুণে সুৰুচিসম্পন্না চাও চিং কুঁৱৰীৰ এনে মহান চিন্তাধাৰাৰ বাবে আহোম ৰাজবংশৰ নাম চিৰকাললৈ ৰৈ বৈ যায়। তেওঁৰ কঠোৰ যদিও প্ৰশংসনীয় ৰাজনৈতিক সিদ্ধান্তবোৰে আহোম যুগৰ শাসন ব্যৱস্থাৰ বিষয়ে গভীৰ আলোকপাত কৰে।

গড়গাঁৱৰ বুৰঞ্জীত উল্লেখ আছে যে ৰূপে গুণে পাৰ্গতালি প্ৰদৰ্শন কৰা চাও চিং কুঁৱৰীয়ে ভৰিৰে আহোম আখৰ লিখিব পাৰিছিল।

আহোম বৈবাহিক পৰম্পৰা অনুযায়ী প্ৰতিগৰাকী আহোম জীয়াৰীক আত্মীয়তাৰ ডোলেৰে বান্ধ খুৱাই যৌতুকসহ চকলং কৰি বিয়া দিয়াৰ দৰে নৰা ৰজাই আহোম ৰজা চুক্লেংমুঙৰ ওপৰত সন্তুষ্ট হৈ যৌতুকসহ নিজ কন্যাক বিয়া দিলে। নাৰী শক্তিৰ তেজাল সুন্দৰী গাভৰু এনেয়ে দীপ্‌লিপ্ তাতে বিয়াৰ জোৰোণৰ চাৰিপাট সোণৰ খাৰু, আঠটা সোণৰ আঙুঠিৰে বাখৰ পটা দুটা, মণি পাঁচ চেওঁ, মেখেলা চাদৰ আৰু বৰৈ লগোৱা ৰিহাৰ পৰিধানে আহোম ৰমণী চাও চিঙৰ ৰূপ লাৱণ্য যেন সোণতে সুৰগা চৰাইছিল।

আহোম জীয়াৰী চাও চিং কুঁৱৰী দৈহিক সৌন্দৰ্যৰহে যে গৰাকী আছিল তেনে নহয়, তেওঁৰ আত্মপৰিচয় তেজাল মান, সাহস, একাত্মবোধ সমগ্ৰ নাৰী জাতি আৰু আহোম ৰাজবংশৰ এক উজ্জ্বল নক্ষত্ৰ তথা গৌৰৱ। সমাজৰ পুৰুষ নাৰী উভয়েই এই মহান নাৰীগৰাকীক আজিও সোঁৱৰে।❖❖❖

সহায়ক গ্ৰন্থ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহাসিক ৰমণীসকল।

*অতীন্দ্ৰিয় প্ৰতিশ্ৰুতি সমূলি বিফল*
*বুজি পাওঁ ইন্দ্ৰিয়ৰ স্বৰ*
*গোন্ধ পাওঁ নৰকৰ, ধূসৰ মৰুৰ*
*ঘৃণাৰ কাঁইটে বিন্ধে প্ৰেমৰ হৃদয়*
*পদুম ফুলিব ক'ত?*

— **নলিনীধৰ ভট্টাচাৰ্য**



# কৰ্ছিকাৰ বীৰজন

● দিগন্ত দাস
সমাজতত্ত্ব বিভাগ
দ্বিতীয় ষান্মাসিক

ফ্রান্স হৈছে বুৰঞ্জী, সাহিত্য, চিত্ৰকলা, ভাস্কৰ্যকলা, চিন্তাবিদ আৰু সুন্দৰীৰ আকৰ স্বৰূপ। ফ্রান্সৰ মূল ভূ-খণ্ডৰ পৰা পৃথক এটুকুৰা দ্বীপভূমি হৈছে 'কৰ্ছিকা'। এটা অখ্যাত দ্বীপ, যিটো পূৰ্বতে ইটালীৰ আছিল। পাছত ফ্রান্সে অধিকাৰ কৰে।

১৭৬৯ খ্ৰীঃৰ কথা, কৰ্ছিকা ভূমি ফ্রান্সে অধিকাৰ কৰা এমাহ হৈছে কি নাই হোৱা ১৫ আগষ্টৰ দিনাখন লেটিজেয়াই তেখেতৰ চতুৰ্থটো সন্তান প্ৰসৱ কৰে। লেটিজিয়াৰ লগতে তেখেতৰ স্বামী কাৰ্লোৱে সন্তানটোক ভালদৰে তুলি লৈ এটি চুমা খালে। তেখেতলোকে হয়তো সপোনতো ভবা নাছিল যে এই কণমানিটোৱেই সমগ্ৰ ইউৰোপ কঁপাই দিগ্বিজয়ী বীৰ হৈ ইতিহাসৰ সোণালী অধ্যায় ৰচিব।

কোন আছিল বাৰু শিশুটি? হয়, মই নেপোলিয়ন বোনাপাৰ্টৰ কথাই কৈছোঁ। যাৰ জীৱনীয়ে মোক সবাতোকৈ বেছি অনুপ্ৰাণিত কৰিছিল, সেই নেপোলিয়ন।

বাল্যকালত তেখেত আছিল অত্যন্ত মেধাৱী আৰু প্ৰখৰ বুদ্ধি সম্পন্ন। পঢ়ি থকাৰ দিনতে এবাৰ নেপোলিয়ন শিক্ষকৰ শাস্তিৰ সন্মুখীন হয়। শিক্ষকে তেখেতক দুই ধৰণৰ শাস্তিৰ পৰা এটা শাস্তি বাছি ল'বলৈ কয়। প্ৰথমটো আছিল তেখেতে শ্ৰেণীকোঠাত সকলোৰে সন্মুখত আঠুকাঢ়ি তলমূৰাকৈ থাকিব লাগিব। নহ'লে টিফিন থিয় হৈ খাব লাগিব। চতুৰ নেপোলিনয়ে দ্বিতীয় শাস্তিটো গ্ৰহণ কৰে। তেখেতে সৰুৰে পৰা কেৱল পিতৃ-মাতৃ আৰু ভগৱানৰ আগতহে শিৰ দোঁৱাইছিল।

তেতিয়া ফৰাচী বিপ্লৱৰ জোৱাৰ। বিপ্লৱৰ ফলত ৰাজশক্তিৰ পতন ঘটিছিল আৰু নেপোলিয়নৰ উত্থানৰ বাট প্ৰশস্ত হৈছিল। প্ৰায় ১৫ বছৰ মান বয়সতে তেওঁ লেফ্‌টনেন্টৰ পদ অলংকৃত কৰিছিল। কি অপূৰ্ব দক্ষতাঙ্গ দুই এখন সৰু-সুৰা দেশ আক্ৰমণ কৰি তেখেতে বিশ্বজয়ৰ আখৰা আৰম্ভ কৰি দিছিল।

ফৰাচী বিপ্লৱে গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ পাছত ফ্ৰান্সত এখন সমিতি গঠন হৈছিল। যাৰ নাম আছিল ডাইৰেক্টৰী সমিতি। ৰাষ্ট্ৰ পৰিচালনাৰ সম্পূৰ্ণ ভাৰ এই সমিতিৰ ওপৰতেই ন্যস্ত আছিল। এই পাঁচজনীয়া সমিতিৰ এজন সদস্য নেপোলিয়ন আছিল আৰু অধ্যৱসায়ৰ বলত এই সমিতিৰ মূল ব্যক্তি হৈ পৰিছিল।

ডাইৰেক্টৰী সমিতিৰ লোকসকলৰ দুৰ্নীতি পৰায়ণ মানসিকতাৰ সুযোগ লৈ এচাম লোকে যেতিয়া ৰাজতন্ত্ৰ পুনৰ প্ৰতিষ্ঠাৰ প্ৰয়াস কৰে, তেতিয়া নেপোলিয়নে ইজিপ্তৰ পৰা আহি এক নতুন শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। যাক কোৱা হয় 'কনছালেট' শাসন ব্যৱস্থা। তেখেতেই ইয়াৰ প্ৰথম কনছাল হয়। তেখেতে ফ্ৰান্সৰ শিক্ষা ব্যৱস্থা, যাতায়তৰ ব্যৱস্থা আদিৰো ভালেমান উন্নয়ন সাধন কৰিছিল। তেখেত এজন শিল্পানুৰাগীও আছিল। তেখেতে আক্ৰমণ কৰা দেশসমূহৰ মূল্যৱান শিল্প সামগ্ৰীসমূহ আনি ফ্ৰান্সৰ সংগ্ৰহালয় উপচাই দিছিল। পেৰিছ চহৰখন সুন্দৰৰূপে গঢ় দিয়াৰ ক্ষেত্ৰতো তেখেতে অলপো ত্ৰুটি এৰা নাছিল।

তেখেতে ৰাইজৰ আস্থাও এনেদৰে জয় কৰিবলৈ সক্ষম হয় যে সকলোৰে তেওঁকেই ৰজা হিচাপে ভাবিবলৈ লয়। ১৮০৮ চনত ৰাইজৰ ইচ্ছানুসৰি তেওঁ ফ্ৰান্সৰ সম্ৰাটৰ মুকুট পৰিধান কৰে।

নেপোলিয়নৰ বীৰত্বৰ কথাও কৈ শেষ কৰিব নোৱাৰি। তেওঁৰ পৰাক্ৰমত সমগ্ৰ পৃথিৱীয়ে তেখেতক ভয় কৰিছিল। সমগ্ৰ ইউৰোপেই তেওঁ অধিকাৰ কৰিছিল। কেৱল বাকী ৰৈছিলগৈ ইংলেণ্ড। দূৰদৰ্শী নেপোলিয়নে কিন্তু ৰোম আক্ৰমণ কৰা নাছিল। ভাৰতত বৃটিছৰ বিৰুদ্ধে যুঁজ দি থকা টিপু চুলতানৰ লগত মত বিনিময় কৰিছিল বুলি জনা যায়। কিন্তু তেওঁৰ দৰে এজন বীৰ ভাৰতলৈ আহিব নোৱাৰাতো হয়তো আমাৰেই দুৰ্ভাগ্য।

১৮১৫ চনৰ ৱাটাৰলু ৰণত নেপোলিয়নে তেখেতৰ মিত্ৰ গ্ৰাউচি আহি পোৱা চাৰি মিনিট পলম হোৱাৰ বাবেই পৰাস্ত হৈছিল আৰু জীৱনৰ পাছৰ কালছোৱা ছেইন্ট হেলেনা দ্বীপতেই নিৰ্বাসিত হৈ থাকিব লগা গৈছিল। সমগ্ৰ ইউৰোপৰে নিদ্ৰাহৰণকাৰী তথা ইউৰোপৰ আন আন শক্তিসমূহে মানৱ জাতিৰ শত্ৰুৰূপে প্ৰতিপন্ন কৰিবলৈ বিচৰা নেপোলিয়ন আছিল দেশপ্ৰেমিক, উদাৰ নৈতিক আৰু প্ৰজাবৎসল শাসক। ফ্ৰান্সৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ পাছলৈ অন্য দেশ আক্ৰমণেৰে শত্ৰুতা বৃদ্ধিৰ আশংকাৰে যুদ্ধনীতি ত্যাগ কৰিছিল। কিন্তু অন্য শক্তিসমূহে নেপোলিয়ন আতংকৰ পৰা সম্পূৰ্ণ ৰূপে মুক্ত হ'বলৈ ফ্ৰান্সৰ চাৰিওফালে আক্ৰমণ কৰিবলৈ ধৰিছিল।

ছেইন্ট হেলেনাত থাকোতেই তেওঁৰ মৃত্যু হৈছিল। তেখেতৰ মৃতদেহটো ফ্ৰান্সত কবৰ দিবলৈ ইচ্ছাপত্ৰত উল্লেখ কৰিছিল যদিও হৈ নুঠিল। ইউৰোপত তেখেতৰ শত্ৰু শক্তিসমূহে আকৌ নেপোলিয়ন মৰাৰ পৰা জী উঠাৰ ভয়তে মৃতদেহটো ইউৰোপলৈ অনাত আপত্তি দৰ্শাইছিল।

এইজনা বীৰ পুৰুষ মৰিও আজি অমৰ হৈ ৰ'ল। তেখেতৰ দলীয় নেতৃত্ব আৰু বাকপটুতা আছিল অনবদ্য। তেওঁ উদাত্ত ভাষণেৰে যিকোনো জনসমষ্টিৰ মাজত উৎসাহ-উদ্দীপনাৰ ধাৰা বোৱাব পাৰিছিল। সাধাৰণ পৰিয়ালৰ সন্তানৰ পৰা গৈ ফৰাচী সম্ৰাটলৈকে এয়া নেপোলিয়নৰ এক বিচিত্ৰ জীৱন। তেখেতৰ জীৱনীয়ে মোৰ জীৱনত যথেষ্ট ইন্ধন যোগাই আহিছে।

❖❖❖

# জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য ঃ “হীৰু দা”



● চয়নিকা নেওগ
প্ৰথম ষান্মাসিক

“কবিতা হৈছে মানৰ সত্য স্পৰ্শ কৰাৰ অনুসন্ধান। মই সাধাৰণ কবি মাত্ৰ। জীৱনে মোক আকৰ্ষণ কৰে চাৰিওফালৰ পৰা। জীৱনে মোক প্ৰভাৱিত কৰিছে নানা ধৰণে, নানা প্ৰকাৰে। চিনাকি জীৱন অচিনাকি পোহৰে বাৰে বাৰে মনৰ মজিয়াত ছাঁ পেলাইছে কোমলে-কঠিনে নানা ধৰণে। হোৱা-নোহোৱাৰ মাজেৰেই মানুহৰ জীৱন। কবিতাই মোক দুখ আৰু আনন্দ দুয়োটাই দিছে। কবিতাই মোৰ জীৱন আৰু জীৱিকা” —হীৰু দা।

কবিতাকে নিজৰ জীৱন আৰু জীৱিকা বুলি ভবা অসমীয়া কাব্য সাহিত্যত প্ৰেম আৰু ৰ’দালিৰ কবি হিচাপে সু-পৰিচিত ‘সুগন্ধি পখিলা’ৰ স্ৰষ্টা হীৰেন ভট্টাচাৰ্যৰ মৃত্যু অসমীয়া সাহিত্য জগতৰ এক অপূৰণীয় ক্ষতি। যিগৰাকী কবিয়ে শব্দৰ জুতি ভাল পাইছিল, যিগৰাকীয়ে কবিতাৰ মাজেৰে পৃথিৱীখনক সেউজীয়া ৰঙেৰে উপচাই পেলাইছিল, শইচৰ পথাৰ আৰু মানুহৰ প্ৰতি যিগৰাকীয়ে অন্তহীন আবেগিক টান অনুভৱ কৰিছিল সেইগৰাকী যাযাবৰী অসমীয়া কবি হীৰেন ভট্টাচাৰ্যৰ জন্ম হৈছিল ১৯৩২ চনৰ ২৮ জুলাইত যোৰহাটত। তেখেতৰ পিতৃৰ নাম তীৰ্থনাথ শৰ্মা আৰু মাতৃৰ নাম স্নেহলতা দেৱী।

হীৰুদাই ১৯৪৯ চনত কটন কলেজিয়েট স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ বি. বৰুৱা কলেজত শিক্ষা গ্ৰহণ কৰিছিল। ‘মোৰ দেশ মোৰ প্ৰেমৰ কবিতা’ শীৰ্ষক কাব্যগ্ৰন্থৰে অসমীয়া কাব্য জগতত নিজৰ উপস্থিতি ঘোষণা কৰি কবিগৰাকীয়ে সৃষ্টি কৰি যায় এটাৰ পিছত আন এটা যুগজয়ী কবিতা। হীৰুদাৰ কবিতাত মানুহৰ প্ৰতি, দেশৰ প্ৰতি, দেশৰ মাটি-পানী, বায়ু, আকাশৰ প্ৰতি গভীৰ প্ৰেম আছিল। ১৬ খন কাব্য গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা হীৰুদাই ১৯৮১ চনত প্ৰকাশিত ‘সুগন্ধি পখিলা’ কাব্যগ্ৰন্থৰ বাবে অসম সাহিত্য সভাই প্ৰদান কৰা ‘বিষ্ণু ৰাভা’ বঁটাকে ধৰি ‘বালাজী সাহিত্য বঁটা’ আৰু ‘ছোভিয়েট দেশ’ বঁটা লাভ কৰিছিল।

কবিতাৰ মাজেদি মানুহৰ হৃদয় জয় কৰা, মানুহৰ মুক্তিৰ গান গোৱা, কবিতাক জীৱনৰ সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তিৰ কাৰণ বুলি জ্ঞান কৰা, হীৰুদাই সমাজখনত কবিতাৰ ৰাগিত আকণ্ঠ ডুবাই ৰাখি, এটা যুগৰ যৱনিকা পেলাই ২০১১ চনৰ ৪ জুলাইত পত্নী পাৰুল দেৱী আৰু একমাত্ৰ কন্যা শান্তা শৰ্মাৰ লগতে অসংখ্য গুণমুগ্ধক এৰি গুচি গ’ল ভালপোৱা দিকচৌ বাটেদি অজান দেশলৈ। ৰ’দ লৈ গৈ ঢলি পৰিল সুৱৰ্ণ সূৰ্য...। মৃত্যুক শিল্পলৈ ৰূপান্তৰ কৰিব বিচৰা কবিও আজি শিল্পত পৰিণত হ’ল। সকলোৰে মৰম তথা শ্ৰদ্ধাৰ হীৰুদাৰ মৃত্যুত যেন হঠাতে এটা কলম থমকি ৰ’ল...। উকা হৈ পৰিল কবি তীৰ্থলৈ ৰূপান্তৰ কৰা ‘স্নেহতীৰ্থ’। ❖❖❖



# আধুনিক গোলকীকৰণৰ ধামখুমীয়াত এক বিশ্বমানৱতাবোধ গঢ়ি তোলাত সফল হ'ব পাৰিবনে যুৱ প্ৰজন্ম?

● অনিৰ্বান চেতিয়া
ৰাজনীতি বিজ্ঞান বিভাগ
ষষ্ঠ ষান্মাসিক

সাম্প্ৰতিক প্ৰেক্ষাপটত এটা কঠিন প্ৰশ্ন। সঁচাকৈ সফল হ'ব পাৰিবনে যুৱক-যুৱতীসকল, জাতীয় নায়কসকল, জাতিৰ কাৰণে তেজ দিয়া যুৱকসকল? বস্তুবাদী মানসিক পৰিসৰত সোমাই পৰা প্ৰত্যেকজন যুৱক-যুৱতীয়ে ভোগবাদীৰ যি প্ৰতিযোগিতা চলাইছে, এই প্ৰতিযোগিতাত এবাৰ থমকি নৰ'লে হয়তো মানৱতাৰ ভাষাই শিকিব নোৱাৰিব।

কেৱল মাত্ৰ মানৱতা উলংঘন কৰা কাৰ্যক প্ৰতিবাদ কৰাই মানৱতাৰ ভৱিষ্যৎ নিৰ্ণয় কৰিব নোৱাৰে নিশ্চয়।

বৰ্তমান সমাজ ব্যৱস্থাৰ এক প্ৰধান বৈশিষ্ট্য হৈছে বিশ্বায়ন। বিশ্বায়নৰ ফলত পৃথিৱীখন গোলকীয় গাঁৱলৈ ৰূপান্তৰিত হোৱা যি প্ৰক্ৰিয়া, এই পৰিৱৰ্তনৰ ফলত সমাজত ভাল আৰু বেয়া দুয়োটা প্ৰভাৱেই প্ৰতিফলিত হোৱা দেখা যায়। ভাল প্ৰভাৱসমূহ গ্ৰহণ কৰিবলৈ গৈ সমাজ ব্যৱস্থাত বেয়া দিশটোও মেৰ খাই গৈছে। গতিকে সেই বেয়া দিশটোৱে মানৱীয় দিশসমূহৰ ওপৰত বহু পৰিমাণে প্ৰভাৱ পেলাইছে। অৱশ্যে এইক্ষেত্ৰত ক'ব পাৰি কেৱল গোলকীকৰণেই মানৱতাৰ প্ৰতি ভাবুকি সৃষ্টি কৰা নাই, আন বহুতো কাৰকো জড়িত আছে। মানৱতাবাদ শব্দটো যি হেতুকে মানুহৰ লগত জড়িত গতিকে মানুহেই হৈছে মানৱতাৰ ভংগৰ প্ৰতি প্ৰথম ভাবুকি। কিয়নো বিশ্বায়ন প্ৰক্ৰিয়া মানুহৰেই সৃষ্টিৰ ফল।

সমাজ সংগবদ্ধতাৰে গঢ় লয়। এই সংগবদ্ধতাৰ মূল বাহক হৈছে যুৱ প্ৰজন্ম। গতিকে উত্তৰণৰ স্বাৰ্থত ভাতৃত্ববোধ আৰু সহনশীলতাৰ জৰিয়তে বৰ্তমানৰ যুৱ প্ৰজন্মই এক মানৱতাবোধ ৰক্ষাৰ কাৰণে আগবাঢ়ি যোৱা উচিত।

জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে কৈছিল—"সংস্কৃতি হৈছে সুন্দৰৰ পূজা"। এজন ব্যক্তি সংস্কৃতিবান নহ'লে কেতিয়াও এটা সুন্দৰ মনৰ অধিকাৰী হ'ব নোৱাৰে। গতিকে মানৱতাবাদী সমাজ নিৰ্মাণ কৰিবলৈ হ'লে প্ৰত্যেকজন যুৱকেই সংস্কৃতিবান হ'ব লাগিব। বৰ্তমান বিশ্বায়নৰ কবলত পৰি বহুতেই স্বকীয় সংস্কৃতি এৰি পশ্চিমীয়াৰ উদ্দাম সংস্কৃতি গ্ৰহণ কৰিছে। ইয়াৰ ফলত যি মিশ্ৰিত সংস্কৃতি গঢ় লৈ উঠিছে ই বহু পৰিমাণে যুৱক-যুৱতীসকলৰ মানসিক, বাহ্যিক চিন্তাধাৰাত ব্যতিক্ৰমী প্ৰভাৱ পেলাইছে। কোনো নৈতিক আইনৰ প্ৰভূত্ব গ্ৰহণ নকৰি অনৈতিক কাম কৰিবলৈ আগবাঢ়ি যাব পাৰিছে এনে সংস্কৃতিৰ কাৰণতে। এই ক্ষেত্ৰত প্ৰত্যেকজন ভাৰতীয় যুৱক-যুৱতীয়ে জাতিৰ মহানায়ক মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হোৱা উচিত। গান্ধীয়ে যি মহানুভৱতা দেখুৱাইছিল মানৱৰ প্ৰতি ই পৃথিৱীতেই বিৰল। সেয়েহে গান্ধীৰ আদৰ্শ, সত্য, নিষ্ঠা, কৰ্তব্যৰ প্ৰতি দৃষ্টি ৰাখি যুৱ প্ৰজন্মই মানৱতা ৰক্ষাৰ বাবে ওলাই অহাৰ সময় সমাগত। এইখিনিতে শংকৰি সংস্কৃতিৰ মূল গুৰি ধৰোঁতা মহাপুৰুষ শংকৰদেৱ গুৰুজনাৰ কথাও উল্লেখ কৰিব পাৰি। গুৰুজনাই যি আধ্যাত্মিকতাবাদৰ জন্ম দিছিল, তাত নিহিত আছিল গভীৰ মানৱতাবোধ, প্ৰেম, দয়া আদি গুণ। ভক্তিক তেওঁ আধাৰ হিচাপে লৈ মানৱতাৰ মনত জন্ম দিব বিচাৰিছিল এক সৎ, সুন্দৰ আৰু মহৎ ব্যক্তিত্বৰ আৰু ইয়াৰ উদ্দেশ্য আছিল এক পৱিত্ৰময় সমাজ নিৰ্মাণৰ পৰিকল্পনা। সেয়েহে প্ৰত্যেকজন যুৱক-যুৱতীয়ে এনে গুণৰাজিৰ দ্বাৰা অনুপ্ৰাণিত হৈ গোলকীকৰণৰ মজিয়াত ভৰি থৈ মানৱ প্ৰেমৰ জন্ম দিয়াত অগ্ৰসৰ হ'ব লাগে।

শেষত, প্ৰত্যেকজন যুৱক-যুৱতী সচেতন হ'ব লাগিব মানৱতাৰ স্বাৰ্থত। আদৰ্শ হ'ব লাগিব ন্যায়ৰ, শিক্ষা হ'ব লাগিব সৎ আৰু সংস্কৃতি মূল্যবোধৰ হ'লেহে বৰ্তমানৰ যুৱ প্ৰজন্মই গোলকীকৰণৰ কৰাল গ্ৰাসত পৰিও বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব পাৰিব বিশ্ব মানৱতাবোধ।

সংগবদ্ধতাৰ সপোন।
এক মানৱতাবোধৰ দাপোণ।।

❖❖❖

# যুৱ উচ্ছৃংখলতা ঃ এক আলোচনা

● অন্বেষা ভট্ট
দ্বিতীয় যাণ্মাসিক
অৰ্থনীতি বিভাগ





শৈশৱৰ ডেওনা পাৰ হোৱাৰ পিছতে মানুহে কৈশোৰৰ আৰু তাৰ পিছত যৌৱনৰ দুৱাৰডলিত ভৰি দিয়ে। কৈশোৰ আৰু যৌৱন-জীৱনৰ এই দুছোৱা কালত মানুহৰ শৰীৰৰ আকাৰ আৰু শক্তি ক্ৰমাগত বৰ্ধিত হৈ পৈণত অৱস্থাৰ ফালে আগবাঢ়ে। সেইদৰে মানুহৰ মনো এই দুছোৱা কালত নানা ধৰণৰ পৰিৱৰ্তনৰ সন্মুখীন হয়; বিভিন্ন আবেগ-অনুভূতিয়ে মনৰ ভিতৰত বাহ লয়; নিজৰ গাঁৱৰ, নগৰৰ বা বৃহত্তৰ সমাজৰ সংস্পৰ্শত নতুন চেতনাৰ উদয় হয়। প্ৰতিগৰাকী যুৱক-যুৱতীয়েই মানুহৰ এই স্বাভাৱিক পৰিৱৰ্তন আৰু বিকাশৰ খলপাসমূহৰ মাজেদি জীৱনৰ বাটত আগবাঢ়ে।

আদৰ্শগতভাৱে শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনৰ লগত মানৱ সভ্যতা আৰু সংস্কৃতিৰ এটা গভীৰ যোগসূত্ৰ স্থাপন কৰিব লাগে। এগৰাকী আদৰ্শ ছাত্ৰ-ছাত্ৰী কেৱল শিক্ষাসদী জ্ঞান বা কৌশলত নিপুণেই নহয়, তেওঁ মানৱ সভ্যতা আৰু সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। অৰ্থাৎ, যুৱ সমাজ অথবা ছাত্ৰ-ছাত্ৰী সমাজ, সভ্যতা আৰু সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে যুৱ সমাজৰ একাংশ আজি বিপথগামী হৈছে আৰু দিনে দিনে কু-আদৰ্শ আৰু কু-সংস্কৃতিৰ চিকাৰ হ'ব ধৰিছে।

ছাত্ৰ শক্তিয়েই একোখন দেশৰ বা জাতিৰ প্ৰধান যুৱশক্তি। গতিকে কোনো দেশৰ বা জাতিৰ প্ৰয়োজন বা সংকটৰ সময়ত ছাত্ৰ শক্তিয়ে ৰচনাত্মক ভূমিকা গ্ৰহণ কৰিব পাৰে। আধুনিক বিশ্বত সাম্ৰাজ্যবাদ, উপনিৱেশবাদ, আৰ্থ সামাজিক শোষণ আদিৰ বিৰুদ্ধে গণতান্ত্ৰিক বা সশস্ত্ৰ সকলো সংগ্ৰামতেই যুৱ শক্তি তথা ছাত্ৰ শক্তিৰ প্ৰত্যক্ষ আৰু পৰোক্ষ অৱদান কম-বেছি পৰিমাণে আছে। গতিকে যুৱ শক্তি যে এটা লেখত ল'বলগীয়া সামাজিক শক্তি সেই বিষয়ে সন্দেহ নাই। কিন্তু সু-সংহত, সুচিন্তা চালিত আৰু সু-নিয়ন্ত্ৰিত নহ'লে

ছাত্র শক্তিয়ে সমাজৰ অপকাৰ সাধন কৰাৰো সম্ভাৱনা থাকে।

বাহু বলত বিশ্বাসী আৰু দুদিনীয়া ডেকা তেজৰ পিৰপিৰণিত মত্ত একাংশ ছাত্ৰই আজিকালি গুৰু-গোঁসাই নমনা হৈছে। আজিৰ যুৱচামে স্থান-কাল-পাত্ৰ নিৰ্বিচাৰে অবাইচ মাত মাতিবলৈ কুণ্ঠাবোধ নকৰে আৰু গুৰুজনৰ, জ্ঞানীজনৰ, বয়োজ্যেষ্ঠজনৰ আনকি পিতৃ-মাতৃৰ সজ উপদেশ উলংঘা কৰি মাৰপিট, গুণ্ডামি, যুৱতী আৰু মহিলাৰ লগত অশ্লীল ব্যৱহাৰ কৰা আদি সমাজ বিৰোধী আচৰণ কৰে। অশ্ৰদ্ধাৱান হোৱা বাবে যুৱ সমাজৰ একাংশই শৈক্ষিক জ্ঞান বা ধ্যান-ধাৰণা আহৰণ কৰাতো ব্যৰ্থ হয়।

আজিৰ যুৱ প্ৰজন্মৰ অধ্যয়ন বিমুখতা এক অতি চিন্তনীয় বিষয় হৈ পৰিছে। বৃহত্তৰ সমাজখনত বিভিন্ন ক্ষেত্ৰত কঠিন প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লাগিব বুলি জানিও একাংশ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিয়মীয়া অধ্যয়ন আওকাণ কৰে। ফলত এনে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অসৎ উপায়ৰ আশ্ৰয় লয়। ইয়াৰ উপৰিও অসৎ উপায় অৱলম্বন কৰাৰ বাবে আইনসংগতভাৱে তেওঁলোকক সতৰ্ক কৰি দিলে অথবা শাস্তি প্ৰদান কৰিলে তেওঁলোকে সতৰ্ক কৰোঁতা বা শাস্তি প্ৰদান কৰোঁতা শিক্ষক-শিক্ষয়িত্ৰীক অপমান কৰি জঘন্যতৰ অপৰাধ কৰে।

কলেজ আৰু বিশ্ববিদ্যালয় পৰ্যায়ত একাংশ ছাত্ৰ-ছাত্ৰীয়ে এটা বিশেষ ধৰণৰ কু-কাৰ্য দিনে দিনে বেছিকৈ কৰিব ধৰিছে। কলেজ বা বিশ্ববিদ্যালয়ত বিশেষকৈ এই শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসত পুৰণি ছাত্ৰ-ছাত্ৰীসকলে নৱাগত-নৱাগতাসকলক বিভিন্ন ধৰণেৰে বিৰক্ত কৰে। 'ৰেগিং' বুলি জনাজাত এই বিৰক্তকৰণ কাৰ্যই প্ৰায়ে কুৎসিৎ আৰু অশ্লীল ৰূপ ধাৰণ কৰে। অসৎ ব্যৱহাৰ, নানা ধৰণৰ শাৰীৰিক আৰু মানসিক নিৰ্যাতন আদিৰ বলি হৈ বহুতো নৱাগত ছাত্ৰী-ছাত্ৰী গভীৰভাৱে বেদনাগ্ৰস্ত হ'বলগীয়া হয়।

নিচাযুক্ত দ্ৰব্য সেৱনত আসক্ত একাংশ ছাত্ৰ-ছাত্ৰীৰ কথাও আজিকালি পোহৰলৈ আহিব ধৰিছে। নিচাযুক্ত দ্ৰব্য সেৱনত আসক্ত ছাত্ৰ-ছাত্ৰীসকলে খন্তেকীয়া নিচাৰ বিনিময়ত কৈশোৰ আৰু যৌৱনৰ সোণালী দিনবোৰ জীৱন গঢ়াৰ বাবে খৰচ নকৰি অশেষ যন্ত্ৰণা ভুগি অকালতে মৃত্যুমুখত পৰিবৰ বাবে অন্ধভাৱে দিনবোৰ কটায়। খন্তেকীয়া নিচাৰ বাহিৰে এই শ্ৰেণী ছাত্ৰ-ছাত্ৰীৰ বাবে জীয়াই থকাৰ অন্য কোনো উদ্দেশ্য নোহোৱা হৈ পৰে আৰু নিচাৰ সন্ধানত উদভ্ৰান্ত হৈ এওঁলোকে অপৰাধৰ জগততো প্ৰৱেশ কৰে।

এইদৰে দেখা যায় যে, শান্তি-শৃংখলা ভংগ কৰা সাধাৰণ উচ্ছৃংখলতাৰ পৰা আৰম্ভ কৰি জঘন্য অপৰাধলৈকে বিভিন্ন ধৰণৰ আইন বিৰোধী আৰু সমাজবিৰোধী কামত আজিৰ যুৱ সমাজৰ একাংশ লিপ্ত হৈছে। যুৱ সমাজৰ তথা ছাত্ৰ সমাজৰ মাজত এয়া এক ভয়ংকৰ ব্যাধি আৰু আইন শৃংখলাৰ কৰ্তৃপক্ষৰ লগতে সমগ্ৰ সমাজতে এই সম্পৰ্কে এটা সময়োপযোগী জাগৰণ নহ'লে এই অপশক্তি দিনে দিনে বৃদ্ধি পাই যুৱ সমাজ তথা সমগ্ৰ সমাজকে গ্ৰাস কৰিব। যুৱ সমাজে নিজেই নিজৰ চেকাবোৰ গুচাবৰ বাবে যদি আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে তেনেহ'লে একাংশ যুৱক-যুৱতীৰ ক্ৰমবৰ্ধমান অপকৰ্মৰ প্ৰাৰ্দুভাৱ হ্ৰাস পাম বুলি আশা কৰিব পাৰি। এনে এক জাগৰণ অবিহনে শিক্ষাৰ পৰিৱেশ অন্ধকাৰাচ্ছন্ন হ'ব। ❖❖❖

# যুক্তিবাদ ঃ সম্পদ নে আপদ



● দিগন্ত দাস
সমাজতত্ত্ব বিভাগ
দ্বিতীয় ষান্মাসিক

যুক্তিবাদ বৰ্তমান বহু ঠাইত এক অগ্ৰহণযোগ্য ধাৰণা। পৃথিৱীৰ বহু সমাজ ইয়াৰ ঘোৰ বিৰোধী। যুক্তিবাদ অৰ্থাৎ যুক্তিৰে বিশ্লেষণ বা যুক্তিৰ সমৰ্থন কৰিলে সমাজ বিৰোধী হয়। আচৰিত নহয়নে? কিয় যুক্তিবাদক লৈ এই হীন মনোভাব?

বৰ্তমান পৃথিৱীত ধৰ্মৰ লগত চলি আছে ধৰ্মবাদ। এই ধৰ্মবাদৰে ঘাই শত্ৰু যুক্তিবাদ বুলি ক'লে হয়তো বঢ়াই কোৱা নহ'ব। বৰ্তমান পৃথিৱীত ধৰ্মবাদে যি ৰূপ ধাৰণ কৰিছে, সেয়া যদি নিজৰ সূক্ষ্ম দৃষ্টিৰে পৰ্যবেক্ষণ কৰা হয় তেনেহ'লে আমাৰ চকুত ইয়াৰ ভয়াৱহতা ভাঁহি আহিব। ধৰ্মবাদ প্ৰচাৰ নামত এচাম এনেদৰে বলিয়া হৈ পৰিছে যে মানৱতাবাদকেই পাহৰি পেলাইছে। ধৰ্মক আশ্ৰয় লৈয়ে এচাম সুবিধাবাদীয়ে সমাজৰ বাকীসকলৰ ওপৰত শোষণ চলাইছে। কিছুমান ধৰ্মীয় বিশ্বাস সৃষ্টিৰে সমাজৰ কিছু সংখ্যক লোকৰ ওপৰত নিৰ্যাতন চলাই আনক নিৰ্যাতিত কৰাৰো আমেজ লৈছে। এইবোৰ কথাত যুক্তিবাদে হস্তক্ষেপ কৰিলেই যুক্তিবাদ সমাজবিৰোধী।

প্ৰায়বোৰ সমাজৰেই এটা ভাগ অশিক্ষিত, নিঃকিন, তথা শিক্ষাগতভাৱে শিক্ষিত হ'লেও মানসিকভাৱে অপৰিপক্ক। এইচাম লোকৰ দুৰ্বলতাৰ সুযোগ লৈয়ে ক্ষমতালোভী আৰু সুবিধাবাদী লোকসকলে ধৰ্ম প্ৰচাৰ, সংৰক্ষণ আদিৰ ভেকোভাওনা কৰি নিজৰ মান-মৰ্যাদাৰ প্ৰতিযোগিতাত নামিছে। নিজৰ গুণ-গৰিমা বৃদ্ধিও বাৰু ব্যক্তিৰ এক ইতিবাচক আবেগ। সেই বুলিয়েই আনক নিজৰ হাতিয়াৰ ৰূপে ব্যৱহাৰ কৰাটো কাহানিও যুক্তিসংগত নহয়। বৰ্তমানৰ পৰিস্থিতিয়ে শিশুক ধৰ্মৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ নামত বাল্যকালৰ পৰা যি সপোন দেখুৱাইছে সেয়াও মানৱতাবাদৰ অন্যতম পৰিপন্থী। ধৰ্ম শিক্ষাই ব্যক্তিক এনে কিছুমান শিক্ষা দিয়ে য'ত সেই নিৰ্দিষ্ট ধৰ্মটোৱেই শ্ৰেষ্ঠ। তাৰ অবিহনে অন্য ধৰ্মত আত্মাই সদ্গতি প্ৰাপ্ত নকৰে। এতিয়া ইয়াক মই উদাহৰণসহ আপোনালোকৰ আগত এনেদৰে উপস্থাপন কৰিব খুজিছোঁ — দুজন ব্যক্তি, এজন অলপতে ৰঙাঘৰৰ আতিথ্য গ্ৰহণ কৰা স্বয়ম্ভূ গডমেন ৰাম ৰহিম সিং আৰু আনজন বৰ্ণবাদ বিৰোধী আন্দোলনৰ নেতা, দক্ষিণ আফ্ৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি নেলচন মেণ্ডেলা। উক্ত ব্যক্তি দুজনক তুলনা কৰিলে হিন্দুসকলে হিন্দু ধৰ্মৰ জনক উচ্চ আসন দিবনে মানৱতাবাদৰ পোষকজনক উচ্চ

আসন দিব। যদিহে হিন্দু ভগৱানৰ অস্তিত্বই সঁচা, তেন্তে ভগৱানজনে কোনজনৰ আত্মাক স্বৰ্গত স্থান দিব।

এইবাৰ আহিছোঁ নাৰী সমাজৰ প্ৰসংগলৈ। প্ৰতিটো জীৱই আনৰ নিয়ন্ত্ৰণৰ পৰা স্বতন্ত্ৰ হৈ থাকিব বিচাৰে। গতিকে পুৰুষৰ দৰে নাৰীসকলকো স্বতন্ত্ৰতা দিয়াৰ প্ৰয়োজন। কিন্তু এচাম সভ্য, নতুনত্বক দুহাতেৰে আঁকোৱালি লোৱাৰ বাহিৰে নতুনত্বক দেখুৱালেও মনৰ ভিতৰত নতুনত্বক আজিও স্থান দিব পৰা নাই। নাৰীসকলক আগৰ দৰেই 'ভোগ্য সামগ্ৰী'ৰ সংজ্ঞাতেই সীমাবদ্ধ ৰাখিছে। এটা একক পৰিয়ালৰ চাকৰীয়াল নাৰীগৰাকীয়ে উপাৰ্জন কৰা ধনতো হস্তক্ষেপ কৰাৰ ক্ষমতা ঘৰগোনা বা অকৰ্মণ্য স্বামীজনৰ হাতত থাকে। সমাজে আকৌ সেইজন পুৰুষকে ঘৰখনৰ মুৰব্বী ৰূপে গণ্য কৰে। এয়া কি পদ্ধতি, মোৰ আধা কেচেলুৱা মস্তিষ্কই আজিও বুজি নাপালে।

যেতিয়ালৈকে আমি পৰম্পৰাগত তথা বৈজ্ঞানিক ভিত্তি নথকা এইবোৰ কথা ভাবি থাকিম তেতিয়ালৈকে সমাজ বাহ্যিকভাৱেহে উন্নত হ'ব। আভ্যন্তৰীণ ফোঁপোলা স্বৰূপটো মানুহৰ পৰা আওকাণ হৈয়ে ৰ'ব। আধুনিকতাই কেৱল পোছাক, গাড়ী-মটৰ, গৃহসজ্জা আদিতেই নাথাকে, মানুহৰ চিন্তাধাৰাতো থাকিব লাগে। চিন্তাধাৰালৈ আধুনিকতা আনিবৰ বাবেই যুক্তিবাদৰ প্ৰয়োজন। 'নাপায়' - কেৱল এই শব্দ কোনো সমস্যা বা উৎসুকতাৰ স্থায়ী সমাধান হ'ব নোৱাৰে। তাক যুক্তিৰে বিশ্লেষণৰো প্ৰয়োজন। ধৰ্মান্ধতাই নাৰীক নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ দৰে সমস্যাৰ সন্মুখত যুক্তিবাদ ঘাই অস্ত্ৰৰূপে থিয় দিয়ে। সমাজৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস, অন্ধসমৰ্থন, ধৰ্মৰ নামত উগ্ৰবাদ আদিবোৰ লুপ্ত কৰিবৰ বাবে যুক্তিবাদৰ বীজ সকলোৰে নিজৰ মস্তিষ্কত ৰোপণ কৰিব লাগিব।

কেৱল আন্দোলন কৰিয়েই পৰিৱৰ্তন আনিব নোৱাৰি। কেৱল এটা লেখনিয়েও এই পৰিৱৰ্তন আনিব নোৱাৰে। ব্যক্তিয়ে অকল যুক্তিবাদ পোষণ কৰিলেও নহ'ব। উঠি অহা চামৰ মাজত ইয়াৰ প্ৰসাৰ ঘটাব লাগিব। অন্যথা জীৱশ্ৰেষ্ঠ নামেৰে মানুহে দি লোৱা নিজৰ পৰিচয়তো দাগ লাগিব।

সদৌ শেষত মই ইয়াকে ক'ব খুজিছোঁ যে যুক্তিবাদ স্থাপন হ'লেহে মানৱতাবাদ ৰক্ষা হ'ব। গতিকে যুক্তিবাদৰ জয় হওক। ❖❖❖

*উজাগৰ ৰাতি*
*সপোন দেখিছো মই*
*ফুল আলসুৱা তোমাৰ মুখৰ*
*শইচ সোণালী হাঁহি*
*অযুত তৰাৰ ঘুমতি ভাঙি*
*যেন সূৰ্য আহিছে নামি*

— **হীৰুদা**

# নাৰী সৱলীকৰণ

● মণি শইকীয়া
দ্বিতীয় ষান্মাসিক
সমাজতত্ব বিভাগ



আমাৰ দেশৰ সমাজ ব্যৱস্থাত নাৰীৰ ভূমিকা আৰু গুৰুত্ব অতীজৰে পৰা সকলোৱে স্বীকাৰ কৰি আহিছে। পৰিয়ালৰ দৰে সৰু সামাজিক পদ্ধতিৰ পৰা ৰাষ্ট্ৰৰ দৰে বৃহত্তৰ সংগঠনলৈকে সকলোতে নাৰীৰ প্ৰয়োজনীয়তাৰ কথা নুই কৰিব নোৱাৰি। প্ৰত্যেক যুগতে নাৰীৰ প্ৰস্থিতি উত্থান-পতনৰ মাজেদি আগবাঢ়িছিল। বৈদিক যুগত নাৰীৰ স্থান বহু উন্নত আছিল। গুৰুৰ গৃহত থাকি সেইসকল নাৰীয়ে শিক্ষা গ্ৰহণ কৰিছিল। সেই সময়ৰ বিদূষী নাৰী যেনে— গাৰ্গী, মৈত্ৰেয়ী, অৰুন্ধতী ইত্যাদিয়ে সমাজত নিজ নিজ পাণ্ডিত্য প্ৰকাশ কৰিবলৈ সুযোগ পাইছিল। ইয়াৰ পিছৰ যুগসমূহ অৰ্থাৎ ত্ৰেতা আৰু দ্বাপৰ যুগত নাৰীৰ শৈক্ষিক ক্ষেত্ৰত স্থান অৱনতি হোৱা দেখা যায়। ভাৰতবৰ্ষৰ ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় ৰেজিয়া চুলতানা, ঝান্সীৰ ৰাণী লক্ষ্মীবাইৰ পৰা আৰম্ভ কৰি স্বাধীন ভাৰতৰ ইন্দিৰা গান্ধীলৈ বিভিন্ন নাৰীয়ে তেওঁলোকৰ নিজস্ব কৰ্মক্ষমতাৰে ৰাজনীতি, অৰ্থনীতি, শিক্ষা, সাহিত্য, সংগীত, বিজ্ঞান, কলা বিভিন্ন ক্ষেত্ৰত ইতিহাসৰ পাতত নাম জিলিকাবলৈ সক্ষম হৈছিল।

এতিয়া কথা হ'ল নাৰী সৱলীকৰণ বা 'Women Empowerment' মানে কি? নাৰী সৱলীকৰণ হ'ল এক বিস্তৃত আৰু গভীৰ বিষয়। চমু অৰ্থত 'Empowerment' মানে ক্ষমতা দিয়া। সেয়ে সৱলীকৰণ হ'ল এটা ব্যৱস্থা বা প্ৰক্ৰিয়া, যাৰ দ্বাৰা নাৰীক সমাজত অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্মীয় শিক্ষা আদি ক্ষেত্ৰত পুৰুষৰ সমকক্ষ হ'বলৈ ক্ষমতা দিয়া বা সৱল কৰি তোলা। সৱলীকৰণৰ দ্বাৰা নাৰী-পুৰুষৰ বৈষম্য সমাজত দূৰ কৰি নাৰীক শোষণমুক্ত কৰি তোলা। গতিকে সৱলীকৰণ বা 'Empowerment' শব্দটোৰ লগত power বা ক্ষমতাৰ সম্পৰ্ক আছে। সমাজৰ প্ৰত্যেক ক্ষেত্ৰতে পুৰুষৰ সমানে নাৰীয়ে অংশগ্ৰহণ কৰিব পৰা ক্ষমতাকে নাৰী সৱলীকৰণ বোলে।

সময়ৰ গতিশীলতাত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে বৰ্তমান সময়ত দেশ কিম্বা সমাজৰ সামাজিক পৰিস্থিতি যথেষ্ট জটিল হৈ পৰিছে। এনেক্ষেত্ৰত নাৰীসকলক

সুৰক্ষা তথা সৱল কৰি তোলাটো যথেষ্ট গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। বিশেষকৈ এগৰাকী অকলশৰীয়া মহিলা সমাজৰ হাজাৰটা সমস্যাৰ সন্মুখীন হ'বলগা হয়। বিভিন্ন প্ৰত্যাহ্বান নেওচি এগৰাকী মহিলাই সমাজত এককভাৱে সমস্যা সমাধানত ব্ৰতী হ'বলগীয়া হয়, এইক্ষেত্ৰত নাৰীসকলক সাহস তথা সহযোগিতা প্ৰদান কৰাটো সুস্থ নাগৰিক হিচাপে আমাৰ সকলোৰে দায়িত্ব তথা কৰ্তব্য।

নাৰী সৱলীকৰণৰ ওপৰত পাশ্চাত্য জগতত আজিৰ পৰা বহু বছৰ আগতেই চৰ্চা হৈছিল। ইয়াৰ ওপৰত বিভিন্ন ধৰণৰ আলোচনা, গৱেষণা, অধ্যয়ন আদিও প্ৰকাশিত হৈছে। যাৰ ফলত পাশ্চাত্যত নাৰীৰ ক্ষমতা, স্বাধীনতা, সামাজিক প্ৰস্থিতিৰ অধিক পৰিৱৰ্তন ঘটিলে আৰু নাৰী-পুৰুষৰ মাজত বৈষম্যহীন হৈ সমতাপূৰ্ণ সমাজ পৰিচালিত হৈছে। কিন্তু প্ৰাচ্যৰ দেশ ভাৰতবৰ্ষত নাৰী সৱলীকৰণ ধাৰণাটো বৰ বেছি পুৰণি নহয়। নাৰীৰ সৱলীকৰণৰ বুৰঞ্জী ফঁহিয়াই চালে দেখা যায় যে গান্ধীজীৰ স্ত্ৰী শিক্ষা আৰু পুৰুষ-স্ত্ৰীৰ সমতাৰ দৃষ্টিভংগীয়ে কুৰি শতিকাৰ প্ৰথম ভাগতে এক আন্দোলনৰ সৃষ্টি কৰিছিল। কিন্তু প্ৰকৃতাৰ্থত স্বাধীনোত্তৰ কালতহে নাৰী সৱলীকৰণ তথা মহিলাৰ সমঅধিকাৰ বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। গতিকে ১৯৭৫ চনটো নাৰীৰ বাবে গুৰুত্বপূৰ্ণ এইবাবে যে- বৰ্ষটোত সন্মিলিত ৰাষ্ট্ৰৰ সাধাৰণ পৰিষদে শিক্ষা, বিজ্ঞান তথা সংস্কৃতি বিভাগৰ পৰিচালনা আৰু তত্বাৱধানত বিশ্ব নাৰী সমাজৰ আত্মমুক্তি আৰু আত্মপ্ৰতিষ্ঠাৰ বাবে সংকল্প গ্ৰহণ কৰিছিল। এই বৰ্ষটো সমগ্ৰ বিশ্বই 'আন্তৰ্জাতিক নাৰী বৰ্ষ" হিচাপে উদ্‌যাপন কৰে। ক্ৰমান্বয়ে নাৰীসকলৰ সাহস, বিশ্বাস, দৃঢ়তাৰ বাবে আজিৰ নাৰীয়ে সমাজত দৃঢ় পদক্ষেপেৰে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, বিজ্ঞান সকলো দিশতে নিজৰ প্ৰগতিশীল মনোভাৱৰ দ্বাৰা বিভিন্ন প্ৰত্যাহ্বান নেওচি পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।

ভাৰতবৰ্ষ স্বাধীন হোৱা পিছৰে পৰা ভাৰতীয় সংবিধানে নাৰীসকলৰ সমঅধিকাৰ সুৰক্ষা দিবৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰিছে যেনে —

১। The Immoral Traffic (Prevention) Act, 1956
২। The Maternity Benifit Act, 1961
৩। The Medical Terminattion of Pregnancy Act, 1971
৪। The Indecent Representation of Women Act, 1986
৫। The Prohibition of Child Marriage Act, 2006

ইয়াৰ বাদেও ২০০১ চনত ভাৰতবৰ্ষৰ চৰকাৰে নেচনেল পলিচী ফৰ এম্পাৱাৰমেণ্ট অৱ ৱ'মেন গঠন কৰে। ভাৰতীয় দণ্ডবিধিত মহিলাক অশ্লীল ভাষা প্ৰয়োগ, মানসিক নিৰ্যাতন আদিৰ ক্ষেত্ৰত বিভিন্ন ধাৰাত দোষীক শাস্তি প্ৰদানৰ বিষয়ে উল্লেখ আছে, গতিকে এনেবিলাক পদক্ষেপৰ দ্বাৰা ভাৰতীয় সংবিধানে নাৰী সৱলীকৰণ দিশটোৰ ওপৰত অধিক গুৰুত্ব দি তেওঁলোকক সৱল সাহসী কৰি তোলাৰ চেষ্টা কৰিছে।

নাৰীসকলৰ বাবে ইমানখিনি পদক্ষেপ লোৱাৰ পিছতো আজিও সমাজত এনে কিছুমান নাৰী আছে যিসকলে বৰ্তমানেও নিজৰ অধিকাৰ পোৱা নাই তথা পুৰুষৰ তলত থাকি জীৱন কটাই আহিছে। তেনে নাৰীসকলে নিজৰ প্ৰস্থিতি উত্থানৰ বাবে নিজৰ চেষ্টা কৰিব লাগিব আৰু নিজৰ অধিকাৰৰ বাবে মাত মাতিব লাগিব কিয়নো আনৰ পুতৌৰ পাত্ৰ হৈ নাথাকি দৃঢ় মানসিকতাৰে তথা সৎ সাহসেৰে জীৱন যুঁজত যুঁজি যাবলৈ আগবাঢ়ি আহিব লাগিব আৰু এনে ক্ষেত্ৰত নাৰীসকলক সাহস আৰু সহযোগিতা প্ৰদান কৰাটো সুস্থ নাগৰিক হিচাপে সমাজৰ প্ৰত্যেকজন লোকৰে দায়িত্ব তথা কৰ্তব্য।


শেষত মনলৈ আহিছে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীতটি—

"মানুহে মানুহৰ বাবে যদিহে অকণো নাভাৱে, অকণি সহানুভূতিৰে ভাবিব কোনেনো কোৱা, সমনীয়া...।"

❖❖❖

# হিন্দু বিদেশীক নাগৰিকত্ব আৰু অসমৰ ভৱিষ্যৎ

● অংকিতা বৰগোহাঁই
অসমীয়া বিভাগ
ষষ্ঠ ষান্মাসিক




৮৫৫ জন শ্বহীদৰ কেঁচা তেজৰ বিনিময়ত স্বাক্ষৰিত 'অসম চুক্তি'ৰ আজি কোনো অৰ্থ নোহোৱা হৈছে। ৩২ বছৰৰ পাছত উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত কাৰ্যকৰী কৰিবলৈ লোৱা 'অসম চুক্তি'ৰ ৬ নং দফাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়া বৰ্তমান এক প্ৰহসনত পৰিণত হোৱা যেন অনুমান হৈছে। কাৰণ কেন্দ্ৰীয় চৰকাৰে হিন্দু বিদেশীক অসমত সংস্থাপন দিবলৈ যো-জা চলাইছে। যিকোনো ৰাজনৈতিক দলেই ক্ষমতালৈ অহাৰ পাছত প্ৰশাসন যন্ত্ৰ চলোৱাৰ সমান্তৰালকৈ ভৱিষ্যতে হ'ব লগা নিৰ্বাচনসমূহত নিজ দলৰ বিজয় সুনিশ্চিত কৰিবলৈ কিছুমান সিদ্ধান্ত গ্ৰহণ কৰে তথা আইন প্ৰণয়ন কৰে। শাসনাধিষ্ঠিত ভাৰতীয় জনতা দলৰ চৰকাৰে হিন্দু বিদেশীক নাগৰিকত্ব প্ৰদান কৰিবলৈ লোৱা তৎপৰতাও তেনে এক সিদ্ধান্তৰ প্ৰতিফলন বুলি ক'ব পাৰি। তেওঁলোকে হিন্দু বিদেশীসকলক লৈ এটা ভোটবেংকৰ কল্পনা কৰিছে তথা সপোন দেখিছে, যি অনাগত দিনত তেওঁলোকক পুনৰবাৰ শাসনত অধিষ্ঠিত কৰাত সহায়ক হ'ব।

ৰাজনীতিৰ ধৰ্মীয় পাশাখেলত আজি অসমৰ ভৱিষ্যৎ সংকটাপন্ন হৈছে। বিজেপি শাসনাধীন কেন্দ্ৰীয় চৰকাৰে দুবছৰৰ আগতে জাৰি কৰা অধিসূচনাত বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা অহা হিন্দু, শিখ, জৈন আদি ধৰ্মীয় সংখ্যালঘু শৰণাৰ্থীক সংস্থাপনৰ কথা ব্যক্ত কৰিছিল। সেই

পৰিকল্পনাৰ অংশস্বৰূপে হিন্দু বিদেশীক অসমত সংস্থাপন কৰাৰ কচৰৎ আৰম্ভ কৰিছে কেন্দ্ৰীয় চৰকাৰে। যাৰ ফলত অসম চুক্তিৰ আধাৰত বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ভিত্তি বছৰৰ কোনো ন্যায়িক অৰ্থ নোহোৱা হৈছে। চৰকাৰে পৰিকল্পনা কৰাৰ দৰে যদি 'নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬' গৃহীত হৈ আইনত পৰিণত হয়, তেন্তে বাংলাদেশৰ পৰা অহা হিন্দু শৰণাৰ্থীক ৰাজ্যত সংস্থাপন আৰু নাগৰিকত্ব দিয়াৰ ক্ষেত্ৰত কোনোধৰণৰ আইনী বাধা নাথাকিব। তাৰ ফলস্বৰূপে গোটেই এন আৰ চি প্ৰক্ৰিয়াও বুমেৰাং হ'ব আৰু অসম চুক্তিৰ সময়সীমা মতে ১৯৭১ চনৰ ২৪ মাৰ্চৰ মধ্যৰাত্ৰিৰ আগৰে পৰা অসমত বাস কৰা যিকোনো ধৰ্ম-ভাষা-গোষ্ঠীৰ লোকক ভাৰতীয় নাগৰিক হিচাপে এন আৰ চিত নাম অন্তৰ্ভুক্ত কৰাটোও অৰ্থহীন হৈ পৰিব।

অসম তথা অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ্থে অসমৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, বুদ্ধিজীৱী, দল-সংগঠন সকলো একত্ৰিত হৈ চৰকাৰক এই বিধেয়কখন অৰ্থাৎ নাগৰিকত্ব সংশোধনী বিধেয়কখন গৃহীত কৰাৰ পৰা বিৰত ৰাখিব লাগিব। নহ'লে অসমীয়াসকল অসমতে ভগনীয়া হ'ব লাগিব। অবৈধ বিদেশী অনুপ্ৰৱেশকাৰীৰ আতিশয্যত কোঙা হোৱা অসমতেই যে চৰকাৰে হিন্দু শৰণাৰ্থীকো সংস্থাপনৰ পোষকতা কৰিছে, তাৰ অন্তৰালত নিশ্চয় স্বাৰ্থপৰ ৰাজনীতি জড়িত হৈ আছে। অন্যথা চৰকাৰে আন ৰাজ্যতো এই শৰণাৰ্থীসকলক সংস্থাপনৰ ব্যৱস্থা কৰিলেহেঁতেন। আচলতে কেন্দ্ৰীয় চৰকাৰে হলা গছত বাগি কুঠাৰ মাৰি কাপুৰুষালি দেখুৱাইছে।

গাদী ৰক্ষাৰ স্বাৰ্থত যদি অসম চৰকাৰৰ মন্ত্ৰী আমোলাই কেন্দ্ৰীয় চৰকাৰৰ বশ্যতা স্বীকাৰ কৰিছে তেন্তে তেওঁলোক কেতিয়াও প্ৰকৃত জন-প্ৰতিনিধি নহয়। কাৰণ অসম আৰু অসমীয়া জাতিয়ে একোজন মানসিকভাৱে সবল জন-প্ৰতিনিধি বিচাৰে, লুভীয়া তথা দুৰ্বল নহয়। আচলতে চৰকাৰে নাগৰিকত্ব সংশোধনী বিধেয়কৰ জৰিয়তে এন আৰ চিৰ পৰা নাম বাদ পৰাৰ সম্ভাৱনা থকা লাখ লাখ লোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰকৃততে এয়া হৈছে বিদেশী হিন্দু-বাংলাদেশীসকলক নাগৰিকত্ব প্ৰদান কৰাৰ দ্বিতীয়টো সুযোগ। ফলত অসমীয়া জাতি অসমতে সংখ্যালঘুত পৰিণত হ'ব। চমুকৈ এয়াই অসমৰ ভৱিষ্যৎ।

অসম চুক্তিয়ে স্পষ্টভাৱে কৈছে যে ১৯৭১ লৈকে অহা হিন্দু-মুছলমানসকলো অসমত থাকিব। গতিকে সমগ্ৰ ভাৰতৰ হৈ অসমৰ দৰে সৰু ৰাজ্য এখনে ১৯৭১ লৈকে অহা সকলো হিন্দু-মুছলমানৰ দায়িত্ব ল'লে। অসমীয়া জাতিৰ মানৱীয়তা আৰু উদাৰতা সকলো অসমীয়া মানুহে বুকু ফালি দেখুৱাই দিলে। ইয়াতকৈ ডাঙৰ উদাৰতা দেখুৱাবলৈ গ'লে অসমীয়া জাতিৰ লাওলোৱা অৱস্থা হ'ব। গতিকে ১৯৭১ৰ পিছত অহা হিন্দু বিদেশীৰ বোজা অসমীয়াই লৈ নিজৰ ভৱিষ্যৎ অন্ধকাৰ কৰিব নোৱাৰে। এয়াই হৈছে আজিৰ দিনত স্পষ্ট আৰু পোনপটীয়া কথা।

অসম আৰু অসমীয়া জাতিয়ে বিদেশী সমস্যাটোৰ এটা স্থায়ী সমাধান বিচাৰিছে। ছয় বছৰজোৰা অসম আন্দোলনৰ পিছত অসম চুক্তি হ'ল। তাৰপিছতো ৩২ বছৰ পাৰ হৈ গ'ল। ইয়াৰ পিছতো ফলাফল পাবলৈ বাকী আছে। বিদেশী নাগৰিক চিনাক্তকৰণ নহ'ল। ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম কৰ্তন নহ'ল। সীমান্তৰ জল-স্থল আজিও ১০০ কিলোমিটাৰ পৰ্যন্ত খোলা। তেনেস্থলত কেন্দ্ৰীয় চৰকাৰে যদি হিন্দুবিদেশীক নাগৰিকত্ব প্ৰদান কৰে, তেন্তে ভৱিষ্যৎ হিন্দু বিদেশীয়ে ক'ব পাৰিব— 'অসম নামৰ এখন ঠাই আছিল আৰু তাত বাস কৰা লোকসকলক অসমীয়া বুলি কোৱা হৈছিল।' এয়াই অসমৰ ভৱিষ্যৎ। ❖

● **কংকনা কোঁচ**
অসমীয়া বিভাগ
চতুৰ্থ যান্মাসিক

বৰ্তমান আমাৰ অসমৰ পৰিস্থিতি খুৱেই ভয়ানক। আপোনালোকে নিশ্চয় ভাবিছে, দিছপুৰত এখন সুস্থ চৰকাৰ থাকোতে অসমৰ পৰিস্থিতি কিয় বেয়া হ'ব। এতিয়া আহো বিষয় বস্তুৰ গভীৰতালৈ। শেহতীয়াকৈ ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে যি হিন্দু বিদেশীক নাগৰিকত্ব দিবলৈ ওলাইছে সেই বিধেয়কখন বাৰুকৈ চৰ্চা হোৱা আমি দেখা পাইছো। মই ব্যক্তিগতভাৱে বিধেয়কখন ভালদৰে পৰ্যালোচনা কৰিছিলো। কিন্তু বিধেয়কখন ভালদৰে বিচাৰ-বিবেচনা কৰাৰ পিছত মই কোনো কাৰণত বিধেয়কখন সমৰ্থন কৰিব নোৱাৰিলো। সুদীৰ্ঘ ছয়বছৰীয়া অসম আন্দোলনৰ শেষত ঐতিহাসিক অসম চুক্তি স্বাক্ষৰিত হৈছিল। এই চুক্তি অনুসৰি অসমে ইতিমধ্যে লাখ লাখ বিদেশীৰ বোজা গ্ৰহণ কৰিছেই পুনৰ বিদেশী বোজা অসমে লোৱাৰ কোনো যুক্তি নাথাকে আৰু ল'ব বাৰু কিয়। কোনো দিনেই, কোনো চৰকাৰেই অসম

চুক্তি সম্পূৰ্ণভাৱে নস্যাৎ কৰি কাম কৰা নাই যদিও বৰ্তমান শাসকীয় চৰকাৰখনে অসম চুক্তিক অৱমাননা কৰি সাম্প্ৰদায়িক বিভাজন কৰি ৮৫৫ জন শ্বহীদক অৱমাননা কৰাই নহয়, ভাৰতবৰ্ষৰ সংবিধানৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰকো ভৰিৰে গচ্ছকি এনে এখন সাম্প্ৰদায়িক বিধেয়ক উত্থাপন কৰি ধৰ্মৰ নামত অসমবাসীক ভাগ ভাগ কৰি অসমৰ হিন্দুসকলৰ মনত মুছলমান প্ৰীতিৰে সাম্প্ৰদায়িক ৰাজনীতি কৰাৰ প্ৰয়াস কৰা হৈছে। যিটো অতি দুৰ্ভাগ্যজনক।

মই ব্যক্তিগতভাৱে ভাৰতীয় সংবিধানক শ্ৰদ্ধা কৰো, সেয়েহে কেন্দ্ৰত অধিষ্ঠিত বিজেপি চৰকাৰখনে উত্থাপন কৰা এই সাম্প্ৰদায়িক বিধেয়কখন তীব্ৰভাৱে বিৰোধিতা কৰিছোঁ আৰু এজন ছাত্ৰ হিচাপে হিন্দু বিদেশী লোকক নাগৰিকত্ব দিলে যে অসমৰ ভৱিষ্যৎ অন্ধকাৰময় হৈ পৰিব এইটো যুক্তি সহকাৰে তলত দাঙি ধৰিলো—

(১) হিন্দু বিদেশীক নাগৰিকত্ব দিলে এটা কথা একেবাৰে সত্য যে অসম হৈ পৰিব বিদেশী বিচৰণৰ মুক্ত পথাৰ অথবা ক্ষেত্ৰ। ইয়াৰ বিপৰীতে আমাৰ অসম ৰাজ্যৰ খিলঞ্জীয়া অসমীয়া বুলি যিসকল আছে, সেইসকল নিজ মাটিতেই দ্বিতীয় শ্ৰেণীৰ নাগৰিক হ'ব। (ইতিমধ্যে অসমৰ ১২৬ টা বিধানসভাৰ সমষ্টিৰ ভিতৰত প্ৰায় ৪২ টা ভাষিক সংখ্যলঘু, ৪২ টা সমষ্টিত প্ৰাৰ্থীৰ জয়-পৰাজয়ৰ ক্ষেত্ৰত বঙালী হিন্দু ভোটাৰে নিৰ্ণয়ক ভূমিকা পালন কৰে। ৩৫ টা সংখ্যালঘুৰ আধিপত্য প্ৰতিষ্ঠা হৈছে। ইয়াৰ অৰ্থ এইটো যে ৭৭ টা সমষ্টি খিলঞ্জীয়া আধিপত্য পৰা আঁতৰি গৈছে। তেনে স্থলত মাত্ৰ ৪৯ টা সমষ্টি খিলঞ্জীয়া প্ৰভূত্ব আছে বুলি ক'ব পাৰি। ইয়াৰ পৰা আমি ক'ব পাৰো এই বিধেয়কৰ দ্বাৰা খিলঞ্জীয়া আধিপত্য বিনষ্ট হ'ব)।

(২) এই সংশোধনীয়ে আমাৰ অসম ৰাজ্যক ধৰ্মৰ নামত ভাগ ভাগ কৰিব বিচাৰিছে। এই আইনৰ উদ্দেশ্য হৈছে অসম যাতে হিন্দু প্ৰধান ৰাজ্য হিচাপে বৰ্তী থাকে। যি দ্বি-জাতিতত্ত্ব ৰাজনীতিয়ে ভাৰতবৰ্ষক দ্বি-খণ্ডিত কৰিছিল। আজি তাৰেই স্পষ্ট নিদৰ্শন এই সংশোধনীত পোৱা গৈছে আৰু অসমৰ হিন্দু সমাজৰ মনত মুছলমান ভীতিৰে সাম্প্ৰদায়িক ৰাজনীতি কৰাৰ প্ৰয়াস কৰা হৈছে। যিটো জাতিটোৰ কাৰণে অতি দুৰ্ভাগ্যজনক আৰু সময়ৰ প্ৰত্যাহ্বান হিচাপে পৰিগণিত হৈছে।

(৩) হিন্দু বিদেশীক নাগৰিকত্ব প্ৰদান কৰিলে আমাৰ অসম ৰাজ্যৰ ৰাজ্যিক ভাষা বাংলা হ'ব। আমাৰ ওচৰ-চুবুৰীয়া ৰাজ্য ত্ৰিপুৰা জনগোষ্ঠীয় ৰাইজ আৰু উত্তৰবংগৰ কোচ ৰাজবংশী সকলৰ ভাষিক/সাংস্কৃতিক সংকটৰ মূল কাৰণ হ'ল হিন্দু বাঙালী আধিপত্য। এই কথাষাৰ আমি অসমৰ ক্ষেত্ৰত যদি ভাবো এই হিন্দু বিদেশীয়ে অসমীয়া জাতি সত্বাক ধ্বংস কৰি ভূমিপুত্ৰ সকলৰ অধিকাৰ প্ৰসংগই এটা বিৰাট প্ৰশ্নবোধক চিহ্নৰ সৃষ্টি কৰিছে। যিটো সময়ত অসমত অসমীয়া আৰু বাংলা ভাষাৰ অঘোষিত প্ৰতিযোগিতা আমি দেখি আহিছো। তেনে এক প্ৰেক্ষাপটত হিন্দু বিদেশীক নাগৰিকত্ব প্ৰদান কৰিলে অসমৰ ৰাজ্যিক ভাষা বাংলা ভাষা হোৱাটো ১০০ শতাংশ সত্য বুলি আমি আজি তাৰিখত বুকুত হাত থৈ ন দি ক'ব পাৰো।

(৪) হিন্দু বিদেশীলোকক নাগৰিকত্ব দিলে নিবনুৱা সমস্যা, কৰ্মসংস্থাপন, খাদ্যৰ নাটনি আদি এশ এটা সমস্যাই আমাৰ অসম ৰাজ্যক গ্ৰাস কৰিব। যিটো সময়ত আমাৰ চৰকাৰে ২৬ লাখ নিবনুৱাক কৰ্মসংস্থাপনৰ প্ৰতিশ্ৰুতি দিয়ে। যিটো সময়ত জাতি-মাটি-ভেটি সুৰক্ষিত কৰাৰ কথা কয়, তেনে এক প্ৰেক্ষাপটত লাখ লাখ বিদেশী অসম ৰাজ্যলৈ আনি ভৱিষ্যতে অসমৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰখনত কেনেকুৱা পৰিৱেশ গঢ়ি তুলিব বিচাৰিছে আমি বুজি উঠিছো আৰু সেইকাৰণেই আজি মই এই হিন্দু বিদেশী নাগৰিকত্ব বিধেয়কখন যুক্তি যুক্ততাৰে বিচাৰ বিবেচনা কৰি তীব্ৰ বিৰোধিতা কৰিলো।

(৫ ) এই বিধেয়কখনে ৮৫৫ জন শ্বহীদৰ তেজেৰে সম্পাদিত হোৱা অসম চুক্তিক সম্পূৰ্ণৰূপে নস্যাৎ কৰি আমাৰ অসম ৰাজ্য ধৰ্ম নিৰপেক্ষ চৰিত্ৰকো আঘাত কৰি উচ্চতম ন্যায়ালয়ৰ জৰিয়তে হৈ থকা এন.আৰ.চি. উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটোক অপ্ৰাসংগিক কৰি তোলাৰ এক ষড়যন্ত্ৰ আৰম্ভ কৰিছে। যিটো সময়ত আমি বছৰ বছৰ ধৰি সন্মুখীন হৈ অহা এটা জ্বলন্ত সমস্যা সমাধানৰ কাৰণে ছয়বছৰীয়া অসম আন্দোলন কৰিছিলো, তেনে এক পৰিস্থিতিৰ পৰা আজিৰ দিনটোত উপনীত হোৱা আমাৰ অসমীয়া জাতিটোক ধ্বংস কৰা এনে অসম বিৰোধী কাম আৰু কি হ'ব পাৰে।

শেষত কওঁ, বৰ্তমান ডিজিটেল ইণ্ডিয়া, ডিজিটেল অসম গঢ়িব বিচৰাৰ এই সময়ত আমাৰ অসম ৰাজ্য এশ এটা সমস্যাৰে জৰ্জৰিত, আমাৰ অসমত বসবাস কৰা বাসিন্দাসকলৰ নানা ধৰণৰ সুকীয়া সুকীয়া সমস্যা। সেয়েহে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আপোনাৰ চৰকাৰে আমাৰ অসমৰ সমস্যাসমূহ সমাধান কৰাৰ কাৰণে কাম কৰক। বাদ দিয়ক হিন্দু বিদেশী আনিব। আপুনিয়ে ২০১৬ ৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰাক্ক্ষণত জাতি-মাটি-ভেটি সুৰক্ষাৰ কথা কৈছিল আৰু আজি অসমীয়া জাতিৰ অস্তিত্ব সংকটৰ

সময়ত ওলোটাই জাতি-মাটিৰ-ভেটিৰ অস্তিত্বৰ সংকট আনিবৰ কাৰণে সাজু হৈছে। তেতিয়া কিন্তু শংকৰ-আজান, ছ্যুকাফাই গঢ়ি থৈ যোৱা অসমবাসী ৰাইজে আপোনাক ক্ষমা নকৰিব।❖

● **প্ৰিয়ংকা দত্ত**
সমাজতত্ত্ব বিভাগ
ষষ্ঠ যান্মাসিক

সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটত সমগ্ৰ অসম তথা অসমবাসীৰ ভৱিষ্যতক লৈ উৎপন্ন হোৱা এটা অতি বিতৰ্কিত বিষয় হ'ল 'হিন্দু বিদেশীক নাগৰিকত্বকৰণ'। বিজেপি চৰকাৰৰ আমোলত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বাংলাদেশৰ পৰা ১৯৭১ চনৰ পাছত অহা অনুপ্ৰৱেশকাৰী তথা শৰণাৰ্থীসকলক অসমক ঠাই দিয়াৰ প্ৰয়াস কৰিছে। যি সময়ত খিলঞ্জীয়া অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ বাবে এন. আৰ. চি. উন্নীতকৰণৰ দৰে এক অতি গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছিল, সেইসময়তে এনেধৰণৰ বাতৰিয়ে সকলোকে সচকিত কৰিছে। অসম আন্দোলনৰ ৮৫৫ চন শ্বহীদৰ তেজৰ মূল্য হয়তো চৰকাৰে এইদৰেই দিছে। ৭৮৪৮৩ বৰ্গ কিলোমিটাৰ অসমৰ ভূমিত ২০১১ চনৰ লোকপিয়ল মতে ৩,১২,০৫,৫৭৬ জন মানুহ বসবাস কৰে। ইমান জনবহুল এটা অঞ্চলত আকৌ এইবাৰ চৰকাৰে বাংলাদেশীৰ শৰণাৰ্থীসকলক বসবাসৰ ভূমিৰূপে স্বীকৃতি দিব বিচাৰিছে। অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত বাংলাদেশৰ পৰা সৰ্বাধিক অবৈধ প্ৰব্ৰজন ঘটে, বিশেষকৈ কৰিমগঞ্জ, কাছাৰলৈ সৰ্বাধিক। তাৰ পৰাই অসমৰ বিভিন্ন অঞ্চললৈ বিয়পি পৰে আৰু গোজেই গঁজালি হয়। এতিয়াও অসম-বাংলাদেশ সীমান্তৰ অধিকাংশই উকা, যাৰ ফলত অতি সহজে সীমা পাৰ হৈ বাংলাদেশী আহিব পাৰে।

এই অবৈধ বাংলাদেশী হিন্দুসকলক নাগৰিকত্ব প্ৰদান কৰিব খোজা পদ্ধতিৰ লগত জড়িত হৈ আছে অসমৰ ভৱিষ্যৎ, খিলঞ্জীয়াৰ ভৱিষ্যৎ। ত্ৰিপুৰাত যিদৰে আজি খিলঞ্জীয়া ত্ৰিপুৰীসকলে অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত লিপ্ত হৈছে, এদিন অসমৰ অৱস্থা এনেধৰণৰ হ'ব নেকি? বৰ্তমান সময়ত এইটো আমাৰ বাবে অতি ডাঙৰ প্ৰশ্ন। ১৯৭১ চনৰ পিছত অসমলৈ অহা কোনো বিদেশীকে অসমত ঠাই দিয়া নহ'ব বুলি কৰা ঘোষণা আৰু তাৰ লগত সংগতি ৰাখি তৈয়াৰ কৰা এন.আৰ. চি.ৰ কি মূল্য থাকিব, যদিহে হিন্দু বিদেশীক স্বদেশীকৰণ কৰা হয়। সমগ্ৰ পদ্ধতিৰ লগত ৰাজনৈতিক এক চক্ৰ জড়িত আছে যাক আমি 'ভোট ৰাজনীতি' আখ্যা দিব পাৰো। নিজৰ শাসনৰ বাঘজৰী নিজৰ হাততে ৰাখি থোৱাৰ কু-চক্ৰান্ত এয়া। যি সময়ত অসমৰ খিলঞ্জীয়াসকলৰ অৰ্থনৈতিক অৱস্থা তথৈবচ, চাকৰিৰ বাবে হাহাকাৰ কৰিব লগা হৈছে, সেই সময়তে এই ঘটনাৰ ফলত হয়তো অসমৰ অৰ্থনীতি আৰু ভাঙি পৰিব। তাৰ ফলত নিবনুৱা সমস্যাই হয়তো এক অতি জটিল ৰূপ ল'ব। কেন্দ্ৰীয় চৰকাৰে কিয় প্ৰতিবাৰেই ব্যৱহাৰ কৰি আহিছে অসমক এক সুবিধাৰ সঁজুলিৰূপে। কিয় প্ৰতিটো ক্ষেত্ৰতেই মাহী আইৰ দৃষ্টিৰে চায় অসমক? অসম-ভাৰতৰ অংগ নহয় নেকি? হয়তো অসমক বাংলাদেশীকৰণৰ এয়া এক পদ্ধতি।

আমি বিচাৰো প্ৰগতিৰ পথত এইধৰণৰ কু-চক্ৰান্ত বন্ধ হোৱা খুবেই জৰুৰী। এইখন ৰাজ্যত জন্ম শংকৰ-মাধৱ, জ্যোতি-বিষ্ণু, যাৰ জ্ঞানৰ জ্যোতিয়ে, একতাৰ বাণীয়ে যুগে যুগে উদ্বুদ্ধ কৰি আহিছে আমাক। এতিয়া যদি পৰিস্থিতি এই ধৰণেই চলি থাকে, তেন্তে হয়তো ড° ভূপেন হাজৰিকাই কোৱাৰ দৰে "অসমীয়াই অসমত ভগনীয়া হ'ব লাগিব", সেয়ে আহক, আমি প্ৰতিজন অসমীয়াই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ এনে কু-চক্ৰান্তৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিওঁ।❖❖❖



# বাক্স্বাধীনতা

*(ইঁ গড়গঞা সংখ্যাটিৰ এক বিশেষ শিতান। সমাজৰ বিভিন্ন ক্ষেত্ৰত আগৰণুৱা কিছু যুৱ প্ৰতিনিধিয়ে নিৰ্দিষ্ট বিষয়ত আগবঢ়োৱা মতামতসমূহ এই শিতানত প্ৰকাশ কৰা হৈছে। সাম্প্ৰতিক সমাজখনক যুৱ প্ৰজন্মই কিদৰে চাব বিচাৰে, তাৰেই এক প্ৰতিফলন এই শিতানৰ যোগেদি আগবঢ়োৱাৰ বিনম্ৰ প্ৰয়াস...)*

**১। অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে যুৱ প্ৰজন্মই কেনে পদক্ষেপ লোৱা উচিত ?**

❖ সমস্যাৰে ভাৰাক্ৰান্ত অসমৰ ক্ষেত্ৰত আৰ্থ-সামাজিক উন্নয়ন বুলি ক'লেই যুৱ প্ৰজন্মৰ ভূমিকা আহি পৰে। কৰ্মসংস্কৃতিৰে উদ্ভাসিত হৈ যুৱ প্ৰজন্মই ঔচিত্য-অনচিত্যৰ দ্বন্দ্ব পৰিহাৰ কৰি আত্মকেন্দ্ৰিকতাৰ পৰা বহল দৃষ্টিভংগীৰে বৌদ্ধিক জাগৰণেৰে সমাজৰ প্ৰতিটো দিশতে যত সম্ভৱ সজাগ আৰু সচেতন হোৱা উচিত। প্ৰত্যেক মানুহেই নিজক অতিক্ৰম কৰিবলৈ যাওঁতে সদায়ে সামাজিক দায়বদ্ধতাক স্বীকাৰ কৰা উচিত। অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত কৰ্মই ধৰ্ম মানি ডিগ্ৰীৰ ভেদাভেদ ত্যাগ কৰি নিজৰ সামৰ্থৰে নিজৰ মাটিতে নতুন নতুন সম্ভাৱনাৰ ফচলেৰে নিজকে দাঙি ধৰিলে অসমৰ অৰ্থনৈতিক উন্নয়নৰ ধাৰাটো আগবাঢ়িব বুলি আশা কৰিব পাৰি।

● **হেমাংগ গগৈ**
সচেতন ছাত্ৰ ও তাৰ্কিক
কটন ৰাজ্যিক বিশ্ববিদ্যালয়

❖ বৰ্তমান অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে অসমৰ যুৱ প্ৰজন্মই সঠিককৈ চিন্তা কৰি সেই চিন্তাক কৰ্মলৈ পৰিৱৰ্তন কৰিব লাগিব। তেতিয়াহে আমি অসমৰ আৰ্থ-সামাজিক উন্নতি সাধন কৰিব পাৰিম।

এক অতি পৰিতাপৰ কথা যে, বৰ্তমান অসমৰ যুৱ সমাজত সহজে ধন ঘটাৰ আৰু চাকৰিমুখী এক প্ৰৱণতাৰ সৃষ্টি হৈছে। ফলত, দুৰ্নীতিয়ে যুৱ প্ৰজন্মক গ্ৰাস কৰিছে। একাংশই বিভিন্ন দল-সংগঠনত জড়িত হৈ আৰু সৃষ্টি কৰি নিজৰ স্বাৰ্থত কেৱল মাত্ৰ বিভিন্ন আন্দোলন কৰি অসমৰ উন্নয়নমুখী সৌন্দৰ্যক ম্লান কৰা পৰিলক্ষিত হৈছে। সমাজৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত এইসমূহ প্ৰতিবন্ধকতাস্বৰূপহে হৈ পৰিছে।

এনে দিশসমূহ পৰিত্যাগ কৰি অসমৰ আৰ্থ-সামাজিক উন্নয়ন সাধন কৰাৰ গুৰু দায়িত্ব বৰ্তমানৰ যুৱ প্ৰজন্মৰ ওপৰত আহি পৰিছে। অসমৰ যুৱ প্ৰজন্মই বৃত্তিমুখী হৈ ব্যৱহাৰিক জীৱনত শ্ৰম কৰি, আনৰ ওপৰত নিৰ্ভৰ নকৰি এজনে কৰিব নোৱাৰা কামবোৰ যুৱ প্ৰজন্মই লগ হৈ, সৰু-বৰ উদ্যোগ, ব্যৱসায়িক কেন্দ্ৰ স্থাপন কৰি নিজৰ লগতে আনকো সংস্থাপন দি অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত এক নতুন আদৰ্শৰ সূচনা কৰিব লাগে।

● **শিশিৰ কুমাৰ গগৈ**
সচেতন ছাত্ৰ
সোণাৰি মহাবিদ্যালয়

## ২। অসমীয়া চলচিত্ৰৰ উত্তৰণৰ বাবে যুৱ প্ৰজন্মৰ মানসিকতা কেনে হোৱা উচিত ?

❖ অসমীয়া চলচিত্ৰৰ উত্তৰণ আৰু যুৱ মানসিকতা — দুয়োটা অতি গুৰুত্বপূৰ্ণ বিষয়। বৰ্তমান সময়ত অসমীয়া চলচিত্ৰৰ দুৰ্দিন চলিছে, ই এক দুৰ্দশাগ্ৰস্ত অৱস্থাৰ সন্মুখীন হৈছে— এইয়া আমি সততে শুনি অহা কথা। কিন্তু, আমি অসমীয়া চলচিত্ৰৰ বৰ্তমান অৱস্থান ইতিবাচক ধৰণেও চাব পাৰো। কিয়নো, এতিয়াও বহু নতুন নতুন পৰিচালক বা প্ৰযোজকে অসমীয়া চিনেমা নিৰ্মাণ কৰিবলৈ আগবাঢ়ি আহিছে আৰু দৰ্শকৰ বাবে মুকলি কৰি দিছে। কোনো কোনোখনে দৰ্শকৰ ব্যাপক সঁহাৰি পোৱাৰ বিপৰীতে কোনোখন বিফল হৈছে। এইক্ষেত্ৰত, পৰিচালক, প্ৰযোজকসকলে দৰ্শকৰ প্ৰয়োজনীয়তাৰ দিশটো বিশেষকৈ চকু দিয়াটো দৰকাৰ।

আকৌ, বৰ্তমান সময়ত চলচিত্ৰ অধ্যয়নক বিভিন্ন শিক্ষানুষ্ঠানত এটা বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। ই এক আশাৰ বতৰা। তদুপৰি, যুৱ প্ৰজন্মই চিনেমা এখন চাই ইয়াৰ সম্পৰ্কে নিজৰ মতামত দাঙি ধৰাৰ মানসিকতা এটা গঢ় দিব লাগে। তেওঁলোকে অসমীয়া চিনেমা এখন চাই আহি তাত কি পালে, কি নাপালে, তাৰপৰা আৰু কি বিচাৰে এনে দিশসমূহৰ পৰ্যালোচনা আগবঢ়াব লাগে। লগতে, চিত্ৰনিৰ্মাতাসকলেও যুৱ প্ৰজন্মৰ মতামতক গুৰুত্ব দিবলৈ ল'ব লাগে। এনে হ'লে নিঃসন্দেহে অসমীয়া চলচিত্ৰৰ ভাল দিন অতি সোনকালেই আহিব।

● **দীপজ্যোতি গগৈ**
তাৰ্কিক ও সচেতন ছাত্ৰ
শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়

## ৪। বৰ্তমান অসমৰ প্ৰেক্ষাপটত অসমীয়া সাহিত্য আৰু নৱপ্ৰজন্মৰ ভূমিকাক কিদৰে আলোচনা কৰিব ?

❖ বৰ্তমান অসমৰ প্ৰেক্ষাপটত অসমীয়া সাহিত্য বনাম নৱপ্ৰজন্মৰ সাহিত্য যদি আমি বিশ্লেষণ কৰি চাওঁ তেনেহ'লে কেতবোৰ সম্ভাৱনা আৰু কেতবোৰ দুৰ্ভাৱনাও একে সময়তে আমাৰ চকুত ফুটি উঠিব। কিয়নো ডিজিটেলাইজেচনৰ প্ৰচুৰ জনপ্ৰিয়তাই এই ক্ষেত্ৰত কিছু সু-প্ৰভাৱ আৰু কিছু কু-প্ৰভাৱো পেলাইছে। নিজস্ব গ্লেমাৰ বৃদ্ধিৰ বাবে একাংশ নৱপ্ৰজন্মই যিদৰে বিভিন্ন মাধ্যমসমূহত সাহিত্যৰ নাম লৈ সাহিত্যৰ বলাৎকাৰ কৰি আছে, ঠিক একে সময়তে একাংশ নৱপ্ৰজন্মৰ নিজস্ব শক্তিশালী কলমেৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি আহিছে। আচলতে এখন সমাজত ভাল আৰু বেয়া, এই দুয়োটা পক্ষ থাকিবই। দাৰ্শনিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে আমি দেখা পাম যে, অদূৰ ভৱিষ্যতে এই নৱ সাহিত্যিকসকলে আমাৰ অসমীয়া সাহিত্যক সমৃদ্ধ কৰিব পাৰিব। কাৰণ এতিয়াও বহুত ছাত্ৰ-ছাত্ৰীয়ে অক্টাভিঅ' পাজ, চেলিৰ পৰা আদি কৰি ডালি, মাৰ্ক্স, শ্যেক্সপীয়েৰৰ ৰচনাৱলী পঢ়ে। বিপৰীতে কিছু সংখ্যকে এইসমূহৰ পৰা আঁতৰত থাকি বেপেৰুৱা কিছুমান সাহিত্য ৰচনা কৰে। দক্ষতাৰ তুলাচনীৰে আমাৰ সাহিত্য পৰিচালিত হৈ আছে বুলি এজন ছাত্ৰ হিচাপে মই ভাবো।

অসমীয়া সাহিত্য দীৰ্ঘজীৱী হওক।

● **লুইত কিৰণ দাস**
কবি, ছাত্ৰ
উত্তৰ লখিমপুৰ মহাবিদ্যালয়

# টকা

● **অংকিতা বৰগোহাঁই**
যষ্ঠ যান্মাষিক
অসমীয়া বিভাগ



নমস্কাৰ প্ৰিয় পাঠকমণ্ডলী। বহুদিনৰ মূৰত নতুন ৰঙৰ পোছাক কেইযোৰমান পিন্ধিবলৈ পাই ৰ'বই নোৱাৰিলোঁ। বোলো আপোনাসৱৰ আগত নিজৰ গুণ এফেৰিকে গাই আহোঁছোন। আশা কৰিছোঁ মোৰ যহতে কুশলে আছে আৰু মাজে মাজে ডুবু ডুবু অৱস্থাও হৈছে। আচলতে মানুহে ডুবিবলৈও শিকিব লাগে। নহ'লে সাঁতুৰিবলৈ আকৌ আপোনাসৱৰ সময়ে নাই নহয়। যি কি নহওক নতুন চৰকাৰৰ কৃপাত কেইযোৰমান নতুন পোছাক পালোঁ। পিছে মনত অলপ দুখ পালোঁ, মোক বাৰু সেই তেতেলীৰ লগত অহাকেইটাৰ পোছাকৰ ৰঙৰহে পোছাক দিব লাগেনে বাৰু? আপোনাসৱৰো কেতিয়াবা কেনা লাগে চাগে। তেতেলীৰ লগত অহা নকল কেইটাকে বুটলে চাগে নহয়নে? নতুন কাপোৰ যে পালোঁ, মনৰ আনন্দতে গীত এফাঁকিও ৰচিলোঁ। গাবলৈ লাজ লাগিছে দেখোন.....এ গাইয়ে দিও বাপ্লেকে—

মোৰ ডাঙৰ ৰূপটোৰ পোছাকৰ ৰং
দিলে বেঙুনীয়া
মোক পালেই তেৰাসৱৰ
আনন্দে নধৰে হিয়া।

তাৰ পিছৰযোৰৰ ৰং
দিলে সেউজীয়া
সেয়ে কোটি কোটি খৰছ কৰি
বিৰাটে পাতিলে বিয়া।

তাৰ পিছৰযোৰৰ ৰং
হ'ল কমলা
মোৰ বাবেই মৰিব পাৰে
মন্ত্ৰী আমোলা।

তাৰ পিছৰ ৰং দিলে
মৰমলগা নীলা
মোক নাপালে তেৰাসৱ
হয় পগলা।

দেখিছেনে বাৰু অলপ নাচোঁতেই ঘামি গ'লোঁগৈ। অ' ঘামৰ কথা কওঁতেই এটা কথা মনত পৰিছে- মোৰ নতুন পোছাককেইযোৰ আপোনাসৱে লেতেৰা নকৰিব দেই...দেখিছোঁ নহয়, আপোনাসৱে বিয়া-বাৰুৱে, সকামে-নিকামে পেট ভৰাই খাই আজি ৰ'ব নোৱাৰি পানী নোহোৱা ঠাইত বৰপানী চুই মোকেই বিসৰ্জন দিয়ে। এইবাৰ আকৌ সেইবোৰ নকৰিব দেই। এনেওটো কেইদিনমানৰ পিছত মোৰ বিসৰ্জন হ'বই, এইবোৰ কিবা Digital India হৈছে নহয়। সেয়েহে নাতি-পুতিক দেখুৱাবলৈ মোৰ পৰিয়ালৰ সদস্যহঁতক ক'ৰবাত সাঁচি ৰাখিব। বেছিকৈও নথ'ব আকৌ, নহ'লে বস্তাই বস্তাই মোক জ্বলাবলগীয়া হ'লে মই বাৰু কমখন কষ্ট পামনে? তেৰাৰ শপত এইবোৰ অথন্তৰ নলগাব আৰু .....মোক যে আপোনাসৱে ভাঁজ কৰি জেপত, বেগত, লুঙিৰ ভাঁজত, ব্লাউজৰ ফাঁকত, পেন্টৰ খোচনিত, চুঙাত আৰু টেকেলীত ভৰাই থয়, তাৰবাবে মই নথৈ আনন্দিত। মোক যে আপোনালোকে পুৰণি হ'লেও পেলাই নিদিয়ে, তাতোকৈ ডাঙৰ কথা মই সৌ-সিদিনালৈকে ডাষ্টবিন দেখা পোৱা নাছিলো। কিন্তু আপোনাসৱৰ কৃপাত গুৱাহাটীৰ নৰ্দমাত স্নান কৰিব লগা হ'ল। সেই কথা ভাবিলে মোৰ তালু গৰম হৈ যায়। সেয়া গৰম হ'লেই। এনেও পাতল। গতিকে আজিলৈ সামৰো। কৃষ্ণ হৰি......

❖❖❖

# ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত গায়িকা তৰালি শৰ্মাৰ সৈতে...



**গড়গঞা ঃ** নমস্কাৰ তৰালি বা। প্ৰথমেই আমি গড়গাঁও মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ আপোনাক শ্ৰদ্ধা আৰু শুভাশিস জনাইছো।

**তৰালি শৰ্মা ঃ** ধন্যবাদ।

**গড়গঞা ঃ** ***প্ৰথমেই আমি আপোনাৰ জন্ম, পৰিয়াল আৰু শৈশৱ সম্পৰ্কে জানিব বিচাৰিছোঁ।***

**তৰালি শৰ্মা ঃ** মোৰ জন্ম গুৱাহাটীতেই। মোৰ ঘৰখন এটা সংগীতৰ পৰিৱেশ থকা ঘৰ। মোৰ দেউতা প্ৰভাত শৰ্মা এজন বাঁহীবাদক, সংগীত পৰিচালক। তেওঁক অসমৰ লোকসংগীতৰ ভঁৰাল বুলি ক'ব পাৰি আচলতে। আকৌ মোৰ ডাঙৰ খুৰা বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ। সত্ৰীয়া সংস্কৃতি, বিশেষকৈ বৰগীত, ঘোষা, পদ তেওঁৰ পৰাই শিকিছো। দুবছৰ আগত মৃত্যু হোৱা মোৰ সৰু খুৰাও সত্ৰীয়া সংস্কৃতিৰ লগত জড়িত আছিল। তেওঁ বৰগীত শিকাইছিল। মাহঁতৰ ঘৰখন আকৌ নাটকৰ লগত জড়িত আছিল। মাৰ দেউতাক, মানে মোৰ ককাই যাত্ৰা কৰিছিল এসময়ত, তেওঁৰ নাম আছিল পুষ্প মিশ্ৰ। যাত্ৰা কৰাৰ সময়ত তেওঁ যথেষ্ট বিখ্যাত আছিল। মোৰ মায়েও গান গায়। খুউব ভাল ভায়'লিনো বজাইছিল। সেয়ে সৰুৰে পৰা গানৰ পৰিৱেশ এটা ঘৰতে পাই আহিছো, দেখি আহিছো। তেনেকৈয়ে স্বতঃস্ফূৰ্তভাৱে হাৰমনিয়াম বজাবলৈ ল'লো, গান গাবলৈ ল'লো। গতিকে exactly কেতিয়াৰ পৰা গান গাবলৈ ল'লো ক'ব নোৱাৰো। কিন্তু ঘৰখন সংগীতৰ, সেয়ে সৰুৰে পৰা দেখি শুনি নিজে নজনাকৈয়ে সংগীতৰ লগত জড়িত হৈ পৰিলো।

**গড়গঞা ঃ** ***অৰ্থাৎ আপোনাৰ শৈশৱ কাল সংগীতৰ মাজতে পাৰ হোৱা বুলি ক'লেও চাগে বঢ়াই কোৱা নহ'ব?***

**তৰালি শৰ্মা ঃ** আচলতে শৈশৱ বুলি ক'লে সাধাৰণতে আন শিশুৰ ক্ষেত্ৰত যি হয়, মোৰো তেনেকুৱাই আছিল। খেলা-

ধূলা, উৎপাত, দুষ্টামি সকলোবোৰ আছিল। কিন্তু তাৰ মাজত সংগীত মুখ্য আছিল।

**গড়গঞা ঃ** *আপোনাৰ শিক্ষা জীৱন?*

**তৰালি শৰ্মা ঃ** মই Holy Child School ত পঢ়িছিলো। তাৰ পৰা গৈ সন্দিকৈ কলেজত B.A. কৰিছো আৰু M.A. কৰিছো গুৱাহাটী বিশ্ববিদ্যালয়ত। মোৰ ইংৰাজী সন্মানীয় বিষয় আছিল। গানৰ বাবে লক্ষ্ণৌ বিশ্ববিদ্যালয়তো শিক্ষা গ্ৰহণ কৰিছোঁ।

**গড়গঞা ঃ** ***প্ৰভাত শৰ্মা অসমৰ সাংস্কৃতিক জগতখনৰ এক উজ্জ্বল নক্ষত্ৰ। ইতিমধ্যে তেখেত সংগীত নাটক একাডেমী বঁটাৰেও বিভূষিত হৈছে। যিহেতু আপুনি তেখেতৰ জীয়াৰী, গতিকে নিশ্চয় আপোনাৰ সাংগীতিক যাত্ৰাত তেখেতৰ যথেষ্ট অৱদান আছে। এইবিষয়ে অকণমান. . .।***

**তৰালি শৰ্মা ঃ** তোমালোকে আচলতে জানি আচৰিত হ'বা যে মোক গানৰ ক্ষেত্ৰত দেউতাই বহুত বেছি সহায় কৰা নাছিল। মায়ে উৎসাহ দিছিল, কিন্তু দেউতাই "তোমাৰ বহুত সাধনা কৰিবলৈ আছে, এতিয়াই প্ৰতিযোগিতাত ভাগ নল'বা" জাতীয় কথাৰে মোক নিৰুৎসাহী কৰিছিল। আনকি মহাবিদ্যালয় সপ্তাহত মই এটা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ পিছত দেউতাই মানুহ পঠিয়াই দি মোক মতাই আনিছিল। দুখ লাগিছিল তেতিয়া। দেউতাৰ ওপৰত খং উঠিছিল, অভিমানো হৈছিল। সেইকাৰণে পিছৰবাৰ দেউতাক নোকোৱাকৈয়ে প্ৰতিযোগিতাত ভাগ ল'লো। আমাৰ সন্মুখৰ ঘৰটো দীপালি বৰঠাকুৰ বাইদেউৰ বায়েকৰ ঘৰ। তাতে ৰেৱাজ কৰিছিলোঁ। কেতিয়াবা মোৰ লগৰ মীনা আৰু ৰীণা অথবা মৈত্ৰেয়ী বাৰ ঘৰলৈও গৈছিলো। যেতিয়া সেইবাৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ গায়িকা হৈছিলোঁ, দেউতা আচৰিত হৈছিল, লগতে ভালো পাইছিল। কিন্তু কৈছিল, সংগীত সাধনাৰ বস্তু, সাধনা নকৰাকৈ গাব নাপায়। অৱশ্যে দেউতাই মোক কোনোদিন লগত বহি এনেকৈ গোৱা, তেনেকৈ গোৱা এইদৰে শিকোৱা নাছিল।

**গড়গঞা ঃ** *এই কথাবোৰৰ বাবে আপোনাৰ কেতিয়াবা আক্ষেপ হয় নে?*

**তৰালি শৰ্মা ঃ** তেতিয়া হৈছিল। কিন্তু এতিয়া নহয়। কাৰণ, এতিয়া উপলব্ধি কৰোঁ, দেউতাই মোক পৰিবলৈ দিছিল। মই পৰা তেওঁ চাই থাকে। তেওঁ ইচ্ছা কৰিলে মোক উঠাই দিব পাৰে, কিন্তু নিদিয়ে। মই কষ্ট কৰি উঠা তেওঁ চাই থাকে। এই যে মোক পৰিবলৈ দিয়ে, আকৌ উঠিবলৈ দিয়ে - এইদৰে জীৱনৰ বাবে অতি লাগতিয়াল শিক্ষা দেউতাই মোক দিছিল।

**গড়গঞা ঃ** ***মানে তৰালি বা, যদি আপোনাক দেউতাই উঠাই দিলেহেঁতেন, তেতিয়া হয়তো আপুনি আজি প্ৰভাত শৰ্মাদেৱৰ জীয়াৰী হিচাপে থাকি গ'লহেঁতেন। কিন্তু আপোনাক যে নিজে উঠিবলৈ দিলে, সেইবাবে আপুনি আজি তৰালি শৰ্মা।***

**তৰালি শৰ্মা ঃ** Exactly। দেউতাই মোক আচলতে স্বাধীনচিতীয়া হ'বলৈ শিকালে।

**গড়গঞা ঃ** ***তৰালি বা, আপোনাৰ কামসমূহৰ বিষয়ে অলপ জনাবচোন।***

**তৰালি শৰ্মা ঃ** মই অষ্টম শ্ৰেণীত পঢ়ি থাকোঁতে প্ৰথম মাইক্ৰ'ফোনত গান গাইছিলোঁ। অল ইণ্ডিয়া ৰেডিঅ'ৰ চেমনীয়া চ'ৰা নামৰ এটা অনুষ্ঠানত গাবৰ বাবে দেউতাই কেশৱ দত্তৰ এটা গীত আনি মোক নিজে সুৰ কৰি গাবলৈ দিছিল। মই সুৰ কৰি গোৱা সেইটোৱে প্ৰথম গান আছিল। সেইবছৰতে 'ৰিপাক-পাক' নামেৰে এখন অকণিৰ বিহু গীতৰ এলবামো কৰিছিলোঁ। পিছত সন্দিকৈ কলেজত পঢ়ি থাকোঁতে এটা ভক্তিমূলক গীতৰ এলবামত গান গাইছিলোঁ। অনিল দাস নামৰ এজন লোকৰ এটি গীত আছিল। সন্ধ্যা মেনন আৰু ৰামেশ্বৰ পাঠকে গাইছিল। লগত নতুন এগৰাকী লাগে বুলি কোৱাত মোক গোৱাইছিল। সংগীত পৰিচালনা দেউতাৰ আছিল। সেইটোৱেই মোৰ প্ৰথম প্ৰফেছনেল এলবাম আছিল। সেই সময়তে আকৌ 'বৃকোদৰ বৰুৱাৰ বিয়া' নামৰ এখন ধাৰাবাহিক আৰম্ভ হৈছিল, খুউব জনপ্ৰিয়ও হৈছিল। তাৰ Title Song টো মই গাইছিলোঁ। সেয়া আছিল একেবাৰে প্ৰথম পৰ্যায়ৰ কাম।

১৯৯৬ চনত সপোন নামৰ এখন চিনেমাত প্ৰথম Playback Singer হিচাপে কাম আৰম্ভ কৰিছিলোঁ। ১৯৯৯ চনত সৰস্বতী কমিউনিকেচনৰ বেনাৰত মোৰ প্ৰথম Solo Album 'অভিমান' মুক্তি পাইছিল। অভিমানৰ পিছত প্ৰজাপতি, তাৰপিছত একাদিক্ৰমে তৰালিৰ অনুভৱ, পাৰবিন চুলতানাৰ গীত, বৰগীত এনেকৈ কেইবাখনো এলবাম এই বেনাৰতে মুক্তি পায়। ২০০৮ চনত মই নিজা এটা প্ৰডাকচন হাউচ আৰম্ভ কৰোঁ। Wind Songs নামৰ এই প্ৰডাকচন

হাউচৰ বেনাৰত ৰিলিজ কৰা প্ৰথম এলবাম আছিল 'মুকলি' আৰু তাৰপিছত ২০১২ চনত 'হেঙুলীয়া' এলবামটোৰ কামো ইয়াতেই কৰিছিলো।

থিয়েটাৰৰ কাম আৰম্ভ কৰিছিলোঁ ২০০৫ চনত। ৰতন লহকৰদেৱৰ সান্নিধ্যত সেইবাৰ শ্বেক্সপীয়েৰৰ 'অথেলো' খনৰ মহেন্দ্ৰ বৰঠাকুৰৰ নাট্যৰূপ আৰু কুলদা কুমাৰ ভট্টাচাৰ্যৰ পৰিচালনাত মই সংগীত পৰিচালনাৰ কাম কৰিছিলোঁ। তেতিয়াৰ পৰা এতিয়ালৈকে প্ৰায় প্ৰতিবছৰে থিয়েটাৰত সংগীত পৰিচালনা কৰি আহিছোঁ। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল 'অসীমত যাৰ হেৰাল সীমা', 'মুক্তি', 'মাজনীৰ মনৰ মানুহ', 'সম্ৰাজ্ঞী', 'সন্ন্যাসিনী'।

মই প্ৰথম সংগীত পৰিচালনা কৰা ছবিখন হ'ল মঞ্জু বৰুৱা বাইদেউৰ 'আকাশীতৰাৰ কথাৰে'। সেইখনতে এটি ঘোষাৰ বাবে মোলৈ ৰাষ্ট্ৰীয় সন্মান আহিছিল। তাৰপিছত হীৰেন বৰাৰ 'বসুন্ধৰা', 'ক্ষোভ', হেমন্ত কুমাৰ দাসৰ 'অথেলো', মঞ্জু বৰুৱাৰ 'অন্তৰীণ', হিমজ্যোতিৰ 'কেলেণ্ডাৰ', প্ৰেৰণা বৰবৰাৰ 'তুমি আহিবানে', অনুপম কৌশিক বৰুৱাৰ 'বৰ নদী ভটিয়াই', হেমেন দাসৰ 'মৃগনাভি', ৰতন শৰ্মাৰ 'মাৰ্কশ্বিট' আদি চিনেমাত সংগীত পৰিচালনাৰ কাম কৰিছোঁ। লগতে 'সীমা' নামৰ আন এখন আহিবলগীয়া ছবিত সংগীত পৰিচালনা কৰিম। নিজৰো 'ডেউকা' নামৰ এটা এলবাম উলিয়াম। এটা বৰগীতৰ এলবামো উলিয়াম।

**গড়গঞা ঃ** ***এইছেগতে আহিবলগীয়া কামসমূহৰ বাবে আপোনাক শুভকামনা জনাইছোঁ।***

**তৰালি শৰ্মা ঃ** ধন্যবাদ।

**গড়গঞা ঃ** ***আপোনাৰ আটাইতকৈ ভাললগা মুহূৰ্তটো কি?***

**তৰালি শৰ্মা ঃ** এই যে মই কামত ব্যস্ত থাকি ভাগৰে জোগৰে ঘৰত সোমাওঁ, তেতিয়া মোৰ ল'ৰাই মোক 'মা আহিলা' বুলি কোৱা মুহূৰ্তটোৰ সমান ভাল লগা মুহূৰ্ত মোৰ বাবে নাই।

**গড়গঞা ঃ** ***তৰালি বা, আমি কিন্তু এই প্ৰশ্নটোৰ উত্তৰত আপুনি ৰাষ্ট্ৰীয় বঁটা লাভ কৰা মুহূৰ্তটোৰ কথা উল্লেখ কৰিব বুলি ভাবিছিলোঁ।***

**তৰালি শৰ্মা ঃ** সেই মুহূৰ্তটো আচলতে এটা উৎসাহজনক মুহূৰ্ত। তুমি যদি মোক আটাইতকৈ উৎসাহিত কৰা মুহূৰ্তৰ কথা সুধিলাহেঁতেন, তেন্তে মই চাগে এই মুহূৰ্তটোৰ কথাই ক'লোহেঁতেন। আচলতে মই ভাবো বঁটা মানুহৰ বাবে খুউব দৰকাৰী। মানুহৰ আগুৱাই যাবলৈ, ইটো কামতকৈ সিটো কাম বেছি ভাল কৰিবলৈ ই প্ৰেৰণা দিয়ে। মানুহে প্ৰতিযোগিতা সদায় নিজৰ লগত কৰিব লাগে, বেলেগৰ লগত নহয়। আগৰ কামটোতকৈ পিছৰ কামটো কেনেকৈ অকণমান হ'লেও ভাল কৰিব পাৰোঁ। গতিকে বঁটা পোৱাৰ লগে লগে কাম কৰিবলৈ উৎসাহ বহুত বাঢ়ি যায়। কিন্তু, তাতকৈ কিছুমান সৰু সৰু বস্তু ভাল লাগে। যেনে - মই ঘূৰি ফুৰোঁতে ৰাস্তাটো খুউব ভাল লাগি গ'ল। গছ, বতাহ, সেউজীয়াৰে ভৰা পৰিৱেশটো দেখি ভাল লাগি গ'ল। অকণমান গাড়ীখন ৰখাই বহি দিলো বা এবাৰ ধিঙলৈ যাওঁতে ৰাস পূৰ্ণিমাৰ জোনটোৱে নদীখনৰ লগত খেলা কৰাৰ দৃশ্য দেখি অভিভূত হৈ গৈছিলো, এনেকুৱা মুহূৰ্তবোৰ আচলতে ভাললগা মুহূৰ্ত। ঘৰৰ মানুহবোৰৰ লগত থকা মুহূৰ্তবোৰ ভাললগা। এইবোৰ পইচা দি কিনিব নোৱাৰি। এইবোৰ এনে কিছুমান মুহূৰ্ত, যিয়ে কামবোৰ ভাল কৰিবলৈ অনুপ্ৰাণিত কৰে।

**গড়গঞা ঃ** ***তৰালি বা আমি কেলেণ্ডাৰ ছবিখনত আপোনাৰ 'সৰু সৰু আশাবোৰ' শীৰ্ষক এটি গীত শুনিছিলো। সেই গীতটিৰ লগত আপোনাৰ জীৱনৰ ভাললগাবোৰৰ খুউব সামঞ্জস্য আছে, নহয়নে?***

**তৰালি শৰ্মা ঃ** সিদিনা মোক কোনোবাই সুধিছিল- 'আপুনি আপোনাৰ কোনটো গান নিজৰ জীৱনৰ লগত সম্পৰ্কিত কৰিব পাৰি বুলি ভাবে', তেতিয়া মই এই গানটোৰ কথাই কৈছিলো।

**গড়গঞা ঃ** ***আপুনি ভ্ৰাম্যমাণ থিয়েটাৰ আৰু অসমীয়া চলচিত্ৰ - দুয়োটাৰে সংগীত পৰিচালনাৰ লগত জড়িত। দুয়োটা ক্ষেত্ৰৰ অনুভৱ আমাক জনাওকচোন।***

**তৰালি শৰ্মা ঃ** দুয়োটা ক্ষেত্ৰই আচলতে মই খুউব ভালপাওঁ। দুয়োটাৰে Thrill বোৰ বেলেগ বেলেগ ধৰণৰ। ভ্ৰাম্যমাণত directly অভিনয়, চৰিত্ৰ, কাহিনী এইবোৰ দেখি থাকো। আৰু Live চলি থকা অৱস্থাত তেওঁলোকৰ আৱেগবোৰে আমাক হৃদয়ত চুই যায়, আমি তেতিয়াই সংগীত কৰোঁ। সেয়া এক বেলেগ আমেজ। আকৌ, চিনেমাত তাৰ ওলোটাতো। ইতিমধ্যে কৰি যোৱা কামবোৰ সম্পাদনা কৰাৰ পিছত আমাৰ Version লৈ আহে। কোনোবাই প্ৰকাশ কৰি যোৱা আবেগ-অনুভূতিক অনুভৱ কৰি তাৰ ওপৰত আমি কাম কৰিব লাগে। দুয়োটাৰে style বোৰ বেলেগ। সেইবাবে

দুয়োটা দিশৰে বেলেগ বেলেগ মজা আছে আৰু মই দুয়োটাতে কাম কৰি ভালপাওঁ।

**গড়গঞা ঃ** *আপোনাৰ মতে সংগীত কি?*
**তৰালি শৰ্মা ঃ** মনৰ আৱেগবোৰ।

**গড়গঞা ঃ** *অসমীয়া সংগীতৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ - আপুনি কিদৰে ব্যাখ্যা কৰিব?*
**তৰালি শৰ্মা ঃ** অতীত - সোণালী, বৰ্তমান - uncertain, ভৱিষ্যৎ - আশাবাদী।

**গড়গঞা ঃ** *বৰ্তমান অসমৰ নৱপ্ৰজন্মই অসমীয়া সংগীতক প্ৰকৃতাৰ্থত অনুধাৱন কৰি চৰ্চা কৰিছে নে?*
**তৰালি শৰ্মা ঃ** এইক্ষেত্ৰত মোৰ অলপ ক'বলগা আছে। অসমৰ নতুন চামৰ voice ইমান ধুনীয়া, তেওঁলোকৰ গান শুনিলে আচৰিত হৈ যাওঁ। কিন্তু, সমস্যাটো হ'ল তেওঁলোকে কিয় গান গাইছে, সেই উদ্দেশ্যটো স্পষ্ট নহয়। মই নিজে ভালপাওঁ কাৰণে গান গাওঁ, নে ৰাইজৰ বাবে গাওঁ, পইচাৰ কাৰণে গান গাওঁ নে গ্লেমাৰৰ বাবে গান গাওঁ —এইটো তেওঁলোকে উপলব্ধি কৰিব পাৰিব লাগিব। তেওঁলোকে উপলব্ধি কৰিব লাগিব যে গান গাবলৈ সাধনাৰ প্ৰয়োজন। আকৌ, ঘৰত বহি practice কৰাটোৱে সাধনা নহয়, গানত থকা উদ্দেশ্য, দায়িত্ববোধ, সমাজত পেলাব পৰা প্ৰভাৱ সকলোখিনি সামৰি seriousness আহিব লাগিব। এতিয়াৰ lyricist সকলো খুউব প্ৰতিভাৱান। তেওঁলোক Technically বিৰাট দক্ষ। শব্দৰ synchronisation ইমান ধুনীয়া, কোন শব্দৰ পিছত কোন শব্দ ব্যৱহাৰ কৰিলে মানুহে গানটো ভালপাব - তেওঁলোকে খুউব ভালকৈ বুজে। কিন্তু, গানৰ বিষয়বস্তু বাছনিত তেওঁলোক অলপ সজাগ হ'ব লাগিব। মানে, তেওঁলোকে স্থায়ী হ'ব পৰা গান নিলিখে, immediately জনপ্ৰিয় হোৱা কিছুমান গান লিখে। তেওঁকে যদি দেশ প্ৰেম বা অন্যান্য বিষয় এটা বাছি গান লিখিবলৈ দিয়া হয়, তেওঁ খুউব সুন্দৰ এটা গীত লিখিব। একেই কথা গায়কসকলৰ ক্ষেত্ৰতো। অৰ্থাৎ যুৱচামৰ মাজত proper use of talent হোৱা নাই। সেইকাৰণে নতুনচামক লৈ সমালোচনা হৈ থাকে। যদি সমাজখনে তেওঁলোকক শুদ্ধ বাট দেখুৱাই, তেওঁলোকে অসমীয়া সংগীতৰ ভাল দিন আনিব পাৰিব বুলি আমি আশাবাদী।



**গড়গঞা ঃ** *জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা কি?*
**তৰালি শৰ্মা ঃ** জীৱন-যাপন নহয়, উদ্‌যাপন কৰিব লাগে। যদি শেষৰ অৱস্থাত মানুহে অতীতলৈ ঘূৰি চাই এবাৰ হাঁহি দিব পাৰে, সেয়াই জীৱন। এই যে সৰু সৰু আশাবোৰ, হেঁপাহবোৰ— এয়াই জীৱন।

**গড়গঞা ঃ** *জীৱনৰ পৰা আপুনি কি বিচাৰে?*
**তৰালি শৰ্মা ঃ** একো নিবিচাৰোঁ। জীৱনৰ পৰা কিবা বিচাৰিলেই কথাবোৰ ওলোটা হৈ যায়। যেনেকৈ যি পাইছো, তাতে সুখী হ'বৰ প্ৰয়াস কৰোঁ।

**গড়গঞা ঃ** *জীৱন আৰু আধ্যাত্মিকতাৰ মাজৰ সম্পৰ্ক কি বুলি আপুনি ভাবে?*
**তৰালি শৰ্মা ঃ** জীৱন এটা বিৰাট শূন্য। শূন্যতে জীৱন ওপঙি আছে। এই শূন্যৰ আগৰ এটা এক হৈছে আধ্যাত্মিকতা, যি জীৱনক প্ৰেৰণা দিয়ে, উৎসাহ দিয়ে আৰু আত্মাৰ শুদ্ধতা আনে।

গড়গঞা

**গড়গঞা ঃ** ***আপুনি যদি সংগীতৰ জগতখনৰ লগত জড়িত নহ'লহেঁতেন, নিজকে কি হিচাপে চিনাকি দিবলৈ ভাল পালেহেঁতেন?***

**তৰালি শৰ্মা ঃ** মই শিকালোহেঁতেন চাগে। নহ'লে খুউব ফুৰিলোহেঁতেন। দেশে-বিদেশে ফুৰি তাৰ মানুহবোৰ, তেওঁলোকৰ সংস্কৃতি চালোহেঁতেন। এইবোৰৰ বিষয়ে অধ্যয়ন কৰিলোহেঁতেন, লিখিলোহেঁতেন।

**গড়গঞা ঃ** ***আপুনি কামত ব্যস্ত থাকোঁতে পৰিয়ালক সময় দিব পৰা নাই, তাৰবাবে আক্ষেপ হৈছে - এনেকুৱা কেতিয়াবা হৈছে নেকি?***

**তৰালি শৰ্মা ঃ** কেতিয়াবা হৈছে। কামৰ ব্যস্ততাত বাহিৰত আছোঁ, ঘৰখনক সময় দিব পৰা নাই, ল'ৰাক সময় দিব পৰা নাই— ঘৰলৈ তেতিয়া খুউব মনত পৰে। কামটো ও তেনেকুৱা, commitment থাকে। মোৰ মা, দেউতা, স্বামী, ল'ৰা— এওঁলোক মোৰ চালিকাশক্তি। তেওঁলোক নহ'লে মই কাম কৰিব নোৱাৰিলোহেঁতেন। সেইবাবে, যেতিয়াই পাৰোঁ তেওঁলোকক খুউব সময় দিওঁ।

**গড়গঞা ঃ** ***আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা?***

**তৰালি শৰ্মা ঃ** বহুবছৰৰ পৰা মই কৈ আহিছোঁ, কৰিব পৰা নাই - মোৰ লোকসংস্কৃতিৰ এটা প্ৰতিষ্ঠান খোলাৰ মন আছে। য'ত লোকসংগীতৰ বিষয়ে শিকিব, পাৰিব, অধ্যয়ন কৰিব পাৰিব। তদুপৰি, নিজাকৈ এখন চিনেমা কৰাৰ হেঁপাহ আছে। শেষ সময়লৈকে গান গাই থাকিবলৈ হেঁপাহ আছে। লাগিলে কমকৈয়ে হওক, কিন্তু কেইটামান এনেকুৱা গান, যিকেইটা মানুহে মই নহ'লেও মনত ৰাখিব পাৰে, যিকেইটা গানত মানুহে নিজক বিচাৰি পাব পাৰে।

**গড়গঞা ঃ** ***সংগীতৰ প্ৰতি আগ্ৰহী নতুন প্ৰজন্মক আপুনি কি ক'ব?***

**তৰালি শৰ্মা ঃ** গুণেৰে, জ্ঞানেৰে বা বয়সেৰে মই নিজকে উপদেশ দিব পৰা হৈছোঁ বুলি নাভাবোঁ। কিন্তু অভিজ্ঞতাৰ ফালৰ পৰা কওঁ - জীৱনত আগবাঢ়িবলৈ তিনিটা 'D' ৰ খুউব প্ৰয়োজন। Determination, অৰ্থাৎ মই কৰিমেই। Dedication কামৰ প্ৰতি ত্যাগ আৰু নিষ্ঠা থাকিব লাগিব। Devotion -এই দুটা থাকি যদি কামৰ প্ৰতি ভক্তি নাথাকে, তেতিয়া কিন্তু নহ'ব।

**গড়গঞা ঃ** ***গড়গঞাৰ প্ৰতি আপুনি কি ক'ব?***

**তৰালি শৰ্মা ঃ** গড়গঞা বুলি ক'লেই এটা আৱেগৰ নাম, এই আৱেগ মোৰো আছে। ইমান এক ঐতিহ্যপূৰ্ণ ঠাইত তোমালোক আছা, তোমালোকলৈ মোৰ মৰম, হেঁপাহ আৰু শুভেচ্ছা জনালোঁ। তোমালোক আগবাঢ়ি যোৱা। পৃথিৱীৰ সকলো ঠাইতে গড়গঞাৰ পৰিচয় গৌৰৱেৰে লৈ তোমালোক থাকিব পাৰা যাতে, সেয়াই কামনা।

**গড়গঞাৰ প্ৰশ্ন, তৰালি শৰ্মাৰ উত্তৰ ঃ**

❖ ***দীপজ্যোতি গোৱালা ঃ সংগীতে কেনেকৈ সমাজত পৰিৱৰ্তন আনিব পাৰে?***

**তৰালি শৰ্মা ঃ** সংগীতে মানুহক ব্যক্তিগতভাৱে প্ৰভাৱান্বিত কৰে। এই ব্যক্তিৰ ওপৰত পেলোৱা প্ৰভাৱে সামগ্ৰিকভাৱে গোটেই সমাজখনৰ পৰিৱৰ্তন আনে।

❖ ***ঋত্বিক তামুলী ঃ আপোনাৰ ধুনীয়া ধুনীয়া সৃষ্টিবোৰৰ আঁৰৰ ৰহস্য কি?***

**তৰালি শৰ্মা ঃ** মোৰ সৃষ্টিৰ ৰহস্য মোৰ আৱেগবোৰ। সুখ, দুখ, সৰু সৰু আশাবোৰ, হেঁপাহবোৰ।

❖ ***পঞ্চমী শৰ্মা ঃ আপুনি সংগীত চৰ্চাৰ উপৰিও কি ভাল পায়?***

**তৰালি শৰ্মা ঃ** পঢ়ি ভালপাওঁ, ঘূৰি ভালপাওঁ আৰু ছবি আঁকি ভালপাওঁ।

❖ ***বৰষা বৰুৱা ঃ আপুনি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অনুষ্ঠান কৰাৰ সুযোগ পালে তাত এগৰাকী অসমীয়া হিচাপে কি পৰিৱেশন কৰি বেছি ভালপাব?***

**তৰালি শৰ্মা ঃ** এনে এটা সুযোগ পালে মই এটি বৰগীত পৰিৱেশন কৰিম আৰু বৰগীতৰ যোগেদি অসমৰ সংস্কৃতিৰ এটা ৰূপ তাত দেখুৱাব পাৰিম বুলি মোৰ বিশ্বাস। ❖❖❖

**সাক্ষাৎ গ্ৰহণ ঃ** ভাৰ্গৱ লিগিৰা, অবিনাশ শইকীয়া

বিশেষ কৃতজ্ঞতা ঃ গীতাৰ্থ বড়া, ছাত্ৰ, লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা ৰাজ্যিক সংগীত মহাবিদ্যালয়।

# কবি, নাট্যকাৰ, অভিনেতা ও চলচিত্ৰ পৰিচালক হিমাংশু প্ৰসাদ দাসৰ সৈতে...



**গড়গঞা ঃ** *নমস্কাৰ, প্ৰথমেই আপোনাক গড়গাঁও মহাবিদ্যালয় আৰু গড়গঞা পৰিয়ালৰ তৰফৰ পৰা শ্ৰদ্ধা আৰু নমস্কাৰ জনাইছো।*

**হিমাংশু ঃ** তোমালোকলৈও মোৰ ফালৰ পৰা ধন্যবাদ জনালোঁ যে মোৰ মনৰ কথা জানিবৰ বাবে তোমালোক আহিলা।

**গড়গঞা ঃ** *আপোনাৰ জন্ম আৰু শৈশৱ?*

**হিমাংশু ঃ** মোৰ জন্ম দক্ষিণ কামৰূপৰ আমৰাংগা গাঁৱত, যিখন গাঁও আমাৰ সকলোৰে শ্ৰদ্ধাৰ মামণি ৰয়ছম গোস্বামী বাইদেউৰো জন্ম গাঁও তথা তেওঁৰ বহুকেইখন বিখ্যাত উপন্যাসৰ পৃষ্ঠভূমি। আমৰাংগা বৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মই ১৯৯৮ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিলো। মোৰ দেউতা সমুদ্ৰ নাথ দাস এজন শিক্ষক আছিল। মোৰ মাৰ নাম আছিল উষাৰাণী দাস। মোৰ বাইদেউ এগৰাকী আৰু দাদা এজন আছিল।

**গড়গঞা ঃ** *অসমৰ আগশাৰীৰ মহাবিদ্যালয় কটন মহাবিদ্যালয়ত আপুনি অধ্যয়ন কৰিছিল। তাত অধ্যয়ন কৰা দিনসমূহৰ অভিজ্ঞতা কেনে আছিল?*

**হিমাংশু ঃ** ১৯৯৮ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত মই কটনলৈ আহিছিলোঁ। কটন কলেজৰ সময়খিনিয়ে মোৰ জীৱনৰ শ্ৰেষ্ঠ সময় আছিল। মই আমৰাংগাৰ দৰে সাংস্কৃতিকভাৱে সমৃদ্ধিশালী এখন গাঁৱত জন্ম হোৱাৰ বাবে সৰুৰে পৰাই সাংস্কৃতিক দিশত আগ্ৰহী আছিলো আৰু এই আগ্ৰহে কটনত এটা বিশেষ আয়তন লাভ কৰিছিল। কটন কলেজৰ পাঁচটা বছৰত মই পোৱা অভিজ্ঞতা, বিভিন্ন ঠাইৰ বিভিন্নজন মানুহৰ লগত কৰা বাৰ্তালাপে আজি মই যিবোৰ কাম কৰি আছোঁ, তাৰ বাবে অন্যতম উৎসাহ আৰু সমলৰ কাম কৰিছে।

**গড়গঞা ঃ** *কটন মহাবিদ্যালয়ত স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত যে আপুনি 'National School of Drama'লৈ গ'ল, তালৈ যোৱাৰ আঁৰত কি আছিল? সৰুৰে পৰা যোৱাৰ ইচ্ছা আছিল নে হঠাৎ সিদ্ধান্ত লোৱা হৈছিল?*

**হিমাংশু ঃ** নিশ্চয় সৰুৰে পৰাই NSD ৰ প্ৰতি মোৰ এটা আগ্ৰহ আৰু সন্মান আছিল, যিহেতু বহুকেইজন প্ৰিয় অভিনেতা তথা নাট্যকৰ্মী তাৰপৰা অধ্যয়ন কৰি ওলাই অহা। তাৰ ভিতৰত ক'ব পাৰো বলিউডৰ ইৰফান খান, অনুপম খেৰ, ওম পুৰী, নাছিৰুদ্দিন ছাহ আৰু অসমৰ বাহাৰুল ইছলাম, অনুপ হাজৰিকা ইত্যাদি। অৱশ্যে NSD ৰ প্ৰতি আগ্ৰহ আছিল যদিও যামেই বুলি ভবা নাছিলো, এইটো আচলতে

দুৰ্ঘটনাবশত বুলিব পাৰি। মোৰ এজন বন্ধু গৌতম দাস, তেখেতে দিল্লীলৈ যাওঁতে মোৰ বাবে NSD ৰ এখন from লৈ আহিছিল। যিখন বহুদিন ধৰি মই fill up কৰাও নাছিলোঁ। সি যি কি নহওক অৱশেষত মই NSD ৰ বাবে পৰীক্ষা দিলোঁ আৰু অতি সৌভাগ্যবশত মই প্ৰথমবাৰতে তাত আসন পালোঁ আৰু তেতিয়া তাত আসন আছিল মাত্ৰ ২০ খন।

গড়গএগ্ৰা ঃ ***NSD ৰ পৰা আহি যে আপুনি চিটিবাছত নাটক কৰাৰ এটা ব্যতিক্ৰমী প্ৰচেষ্টা গ্ৰহণ কৰিছিল বা সমাজলৈ এটা বাৰ্তা দিয়াৰ চেষ্টা কৰিছিল, তাৰ চিন্তা মনলৈ কেনেকৈ আহিছিল?***

**হিমাংশু** ঃ NSD ৰ প্ৰতি মোৰ যথেষ্ট সন্মান আছিল, তাত মই বহু মহান ব্যক্তিক ওচৰৰ পৰা পাইছিলো। গতিকে তাৰ অভিজ্ঞতা মোৰ যথেষ্ট সুন্দৰ। তাৰ যি শিকণ কৌশল আছিল, নাটকৰ ক্ষেত্ৰত সেয়া কিন্তু মই বিচৰাধৰণৰ নাছিল। প্ৰথমতে, তাৰ নাট্য প্ৰযোজনা যথেষ্ট খৰচী আছিল আৰু দ্বিতীয়তে মই অনুভৱ কৰিছিলো যে তাৰ নাটকৰ ধৰণটোৱে সাধাৰণ মানুহৰ লগত যেন সংযোগ স্থাপন কৰিব নোৱাৰে। কিন্তু মই সাধাৰণ মানুহৰ লগত সংযোগ স্থাপন কৰিব পৰাকৈ সাধাৰণভাৱে নাটক কৰিব বিচাৰো। গতিকে ব্যতিক্ৰমীভাৱেই ২০০৭ চনত এই চিটিবাছৰ নাটক আৰম্ভ কৰোঁ। মোৰ লগত আছিল প্ৰণামী, যি বৰ্তমান মোৰ পত্নী আৰু তেওঁ NSD ত মোতকৈ এবছৰ জুনিয়ৰ আছিল। আমি যেতিয়া নাটকখন কৰিছিলো, মানুহে কিন্তু চাই শেষ কৰিহে গম পাইছিল অলপ আগতে যি হৈছিল সেয়া আচলতে নাটক আছিল।

গড়গএগ্ৰা ঃ ***আপুনি বৰ্তমানে চলচিত্ৰৰ জগতখনটো যথেষ্ট ব্যস্ত। ‘দূৰদৰ্শন এটি যন্ত্ৰ’ৰ দৰে জনপ্ৰিয় এখন কথাছবিৰ কাহিনীভাগ আপোনাৰ আছিল, ‘চাকিৰা আহিব বকুল তলৰ বিহুলৈ’ কথাছবিখনৰ পৰিচালনা আপোনাৰ। গতিকে মই সুধিব বিচাৰিছো যে চলচিত্ৰৰ লগত জড়িত হৈ আপোনাৰ কেনে অনুভৱ? আপুনি অসমীয়া চলচিত্ৰৰ ভাল দিন আহি আছে বুলি ভাবেনে?***

**হিমাংশু** ঃ এইক্ষেত্ৰত প্ৰথমেই ক'ম, আমাৰ অসমত এতিয়া এনেকুৱা মানুহৰ সংখ্যা বাঢ়ি গৈছে, যিয়ে অসমীয়া ক'ব নাজানে বুলি কৈ গৌৰৱ অনুভৱ কৰে। গতিকে তেনেস্থলত সমস্যা বাঢ়ি যায়। তদুপৰি বৰ্তমান সময়ত দেখা যায় বহুতো অসমীয়া ছবিয়ে বলিউডক অনুকৰণ কৰে অৰ্থাৎ ক'ব পাৰি যে ছবিবোৰ বলিউডৰ এক অক্ষম অনুকৰণ, যি সম্পূৰ্ণৰূপে হিন্দীৰ দৰেও নহয়, অসমীয়াৰ দৰেও নহয়। কাৰণ বাহিৰৰ দৰে ইয়াত উন্নত মানৰ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ সম্ভৱ নহয়। গতিকে ক'ব বিচাৰিম যদি অসমীয়া ছবিবোৰে নিজস্বতাকে সুন্দৰভাৱে প্ৰতিফলিত কৰিব পাৰে তেতিয়া নিশ্চয় সমস্যাৰ কিছু সমাধান হ'ব। লগতে চিত্ৰগৃহৰ সুবিধাটো থাকিব লাগে আৰু ছবিবোৰ পৰিৱেশন কৰাৰ ব্যৱস্থাটো কিছু উন্নত হ'ব লাগে। গতিকে এনেধৰণৰ আনুষংগিক কিছু কথাও আছে, যিবোৰৰ যোগেদি অসমীয়া চলচিত্ৰক আগবঢ়াই নিয়াত সহায়ক হয়।

গড়গএগ্ৰা ঃ ***আপোনাৰ এখন জনপ্ৰিয় কথাছবি ‘চাকিৰা আহিব বকুল তলৰ বিহুলৈ’ সুন্দৰভাৱে চিত্ৰগৃহত চলি থকাৰ সময়তো দুখন হিন্দী ছবিৰ বাবে চিত্ৰগৃহৰ পৰা আঁতৰাই দিয়া হৈছিল, এইক্ষেত্ৰত আমি এনেদৰে ভাবিব পাৰোঁ নেকি যে অসমৰ ছবিগৃহৰ পৰিচালক সকলেও অসমীয়া ছবিৰ উত্তৰণত বিশেষ সহায় কৰা নাই?***

**হিমাংশু** ঃ আচলতে সঁচা অৰ্থত ক'বলৈ গ'লে কেৱল অসমীয়া কথাছবিৰে অসমীয়া ছবিগৃহসমূহ চলিব নোৱাৰে, কিয়নো ইয়াৰ লগত বাণিজ্যিক দিশ এটাও জড়িত থাকে। গতিকে আমি বিচাৰিছিলো যে বাহিৰৰ ছবিও চলক, কিন্তু অসমীয়া ছবিসমূহো চলাব লাগিব। কিয়নো এখন অসমীয়া ছবি আমি বাহিৰত ৰিলিজ কৰিব নোৱাৰোঁ। তদুপৰি চৰকাৰৰ সহযোগো লাগিব। ছবিসমূহ চলিবৰ বাবে কিছুমান নীতিৰ প্ৰয়োজন হয়। যিদৰে মহাৰাষ্ট্ৰত নীতি আছে যে অন্যান্য ছবি যিমান চলালেও মাৰাঠী ছবি চলোৱাটো বাধ্যতামূলক।

গড়গএগ্ৰা ঃ ***আপোনাৰ মানসপুত্ৰস্বৰূপ ‘গুৰেৱনিকা আৰ্টিষ্ট ফেক্টৰী’ৰ বিষয়ে জানিব বিচাৰিম। কেনেকৈ আৰু কেতিয়াৰ পৰা আৰম্ভ কৰিছিল?***

**হিমাংশু** ঃ গুৰেৱনিকাৰ জন্ম হয় ২০০৭ চনত, কিন্তু ই সম্পূৰ্ণৰূপে জাগ্ৰত হয় ২০০৮ চনত মই NSD ৰ পৰা ঘূৰি অহাৰ পাছত। ২০১২ চনত আমি সিদ্ধান্ত কৰিছিলোঁ যে অ'ত-ত'ত ঘূৰি আমি নাটক কৰাটো কৰি থাকিম কিন্তু আমাক এডোখৰ নিৰ্দিষ্ট ঠাই লাগে। তেনেকৈয়ে আমি ৫ বিঘা জোৰা মাটিৰে এডোখৰ ঠাই বাছি ল'লো আমৰাংগা গাঁৱতে, য'ত আমি খেতি কৰোঁ সকলোৱে মিলি। স্বাৱলম্বিতাৰ এটা অনুশীলন কৰা হয়। এনেকৈয়ে আৰ্টিষ্ট ফেক্টৰী আমৰাংগা গাঁৱতে জন্ম হয়। তালৈ অসমৰে নহয় সমগ্ৰ ভাৰতবৰ্ষৰ

নাট্যপ্ৰেমী ব্যক্তি, কবি, চলচিত্ৰৰ লগত জড়িত ব্যক্তি, সংগীতৰ লগত জড়িত ব্যক্তি আছে, থাকে। গতিকে তাত চলচিত্ৰ, নাট আদিৰ ওপৰত আলোচনা হয়, আড্ডা হয়, যথেষ্ট ভাল লাগে।

**গড়গঞা ঃ** *ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত জড়িত হৈ আপোনাৰ কেনে লাগিছে?*

**হিমাংশু ঃ** ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত জড়িত হৈ মই যথেষ্ট সুখী। আচলতে অসমত অসমীয়া মানুহে গৌৰৱ কৰিব পৰা কিবা এটা যদি আছে সেয়া একমাত্ৰ ভ্ৰাম্যমাণ থিয়েটাৰ, যিটো পৃথিৱীৰ অন্য কোনো ঠাইতে নাই। চাহপাত বা এশিঙীয়া গঁড়ৰ কাৰণে অসম বিখ্যাত যদিও ইয়াৰ লগত অসমৰ মানুহ জড়িত নহয়, ভৌগোলিক কাৰণবশতহে এইবিলাক আছে। গতিকে কেৱল অসমীয়াৰ চিন্তাৰে, অসমীয়াৰ কষ্টৰে হোৱা এটা ব্যতিক্ৰমী তথা নিজস্ব ব্যৱস্থা হৈছে ভ্ৰাম্যমাণ থিয়েটাৰ। হয়, ভ্ৰাম্যমাণ থিয়েটাৰৰো উত্থান-পতন হৈছে, কিন্তু তাৰ মাজতো জীয়াই আছে আৰু সদায় জীয়াই ৰাখিব লাগিব। অচ্যুত লহকৰদেৱৰ যি সৃষ্টি ভ্ৰাম্যমাণৰ, তাক আমি কেতিয়াও কল্পনাই কৰিব নোৱাৰো। সঁচাকৈয়ে এটা দুঃসাহসিক কথা তেওঁ চিন্তা কৰিছিল। ভ্ৰাম্যমাণ থিয়েটাৰক আমি অসমৰ এটা শক্তিশালী গণমাধ্যম বুলিবও পাৰোঁ।

**গড়গঞা ঃ** *ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত কেতিয়াৰ পৰা জড়িত হৈছে?*

**হিমাংশু ঃ** ২০১৭ ৰ পৰা মই ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত জড়িত হৈছোঁ। প্ৰথম নাটক লিখিছিলো হেঙুল থিয়েটাৰৰ 'এই চহৰৰ ৰোমিঅ' -জুলিয়েট'।

**গড়গঞা ঃ** *প্ৰাগ্‌জ্যোতিষ থিয়েটাৰৰ নাটক 'চাকিৰা আহিব বকুল তলৰ বিহুলৈ' আৰু চলচিত্ৰ 'চাকিৰা আহিব বকুল তলৰ বিহুলৈ'ৰ মাজত পাৰ্থক্য আছেনে?*

**হিমাংশু ঃ** নিশ্চয় আছে পাৰ্থক্য। কাৰণ চলচিত্ৰ আৰু নাটক দুটা সম্পূৰ্ণ পৃথক দিশ। কিন্তু চিনেমাখন ভালপোৱাসকলে নিশ্চয় নাটকখনো ভাল পাব।

**গড়গঞা ঃ** *ভ্ৰাম্যমাণ থিয়েটাৰত অভিনয় কৰাৰ ইচ্ছা আছেনে আপোনাৰ?*

**হিমাংশু ঃ** এটা সময়ত নিশ্চয় আছিল। কিন্তু মোৰ বৰ্তমান ব্যস্ততাবিলাক বেলেগ ধৰণেৰে গঢ় লৈছে, গতিকে তাত যোৱাৰ পৰিকল্পনা নাই। কিন্তু যিহেতু অভিনয়ৰ ওপৰত মই শিক্ষা লৈ আহিছো গতিকে ভিতৰত কেতিয়াবা দুৰ্বাৰ হেঁপাহ এটা জাগে, নাজাগে বুলি নকওঁ, কিন্তু সাংঘাতিক কিবা নহ'লে ভ্ৰাম্যমাণত যোৱাৰ অৱকাশ নাই।

**গড়গঞা ঃ** *'চাকিৰা আহিব বকুল তলৰ বিহুলৈ' চলচিত্ৰখনৰ যিজন 'হিমু' আছিল তেখেতক থিয়েটাৰত মানুহে মিচ কৰিব নেকি?*

**হিমাংশু ঃ** তেনেকুৱা কথা নহয় আচলতে। যিকেইজন ল'ৰাই নাটকখন কৰিছে খুব সুন্দৰভাৱে কৰিছে, ফুটাই তুলিছে। গতিকে মই তেওঁলোকক নাটকখন দি কোনো আফচোচ অনুভৱ কৰা নাই, বৰং মই যথেষ্ট সুখীহে। কাৰণ তেওঁলোকে তাত নতুন ৰংহে সানি দিছে।

**গড়গঞা ঃ** *আপুনি কেতিয়াৰ পৰা কবিতা লিখা আৰম্ভ কৰিছে?*

**হিমাংশু ঃ** কবিতা আৰু নাটক দুয়োটাই মই সৰুৰে পৰাই লিখিছিলো। মোৰ প্ৰথম লিখা কবিতাটোৰ নাম আছিল 'ব'হাগ'। কিন্তু ভালকৈ লিখিবলৈ আৰম্ভ কৰিছিলো কটন মহাবিদ্যালয়লৈ অহাৰ পৰা। এইক্ষেত্ৰত মোক মোৰ এজন দাদা ভাস্কৰজ্যোতি বৰা, তেখেতে যথেষ্ট অনুপ্ৰাণিত কৰিছিল। কিন্তু কবিতাৰ বাবে মই বহুত সময় দিয়া নাছিলো। কিন্তু কবিতা এটা লিখি শেষ কৰাৰ পাছত মই যি সুখ পাওঁ সেয়া আন একোতেই নাপাওঁ।

**গড়গঞা ঃ** *আপোনাৰ প্ৰকাশিত কবিতাপুথি কিমান আছে? আৰু কি কি?*

**হিমাংশু ঃ** মোৰ কবিতাপুথি বহুকেইখন আছে। তাৰ ভিতৰত - 'প্ৰেম আৰু বিদ্ৰোহৰ দিনলিপি', 'বনলতাৰ ডাকত প্ৰেমৰ কবিতা', 'চুলি মেলি নাহিবা হিমাদ্ৰী', 'এই ছোৱালী এবাৰ ভাল পাই চাবা নেকি', 'মোক তোমাৰ প্ৰেমিক কৰি লোৱা হিমাদ্ৰী', 'হিন্দী চিনেমাৰ দৰে কিয় নহয় কথাবোৰ', 'এই যে জীৱন এই যে পৃথিৱী', 'জীৱন জিন্দাবাদ' অন্যতম।

**গড়গঞা ঃ** *জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা কি?*

**হিমাংশু ঃ** জীৱন সম্পৰ্কে মই মনৰ পৰা ক'ব বিচাৰো যে আমি প্ৰতিজন ধৰুৱা। কাৰণ আমাৰ জীৱনত বহুজনৰ অৰিহণা থাকে। আমি খোৱা, পিন্ধা, শোৱা, ব্যৱহাৰ কৰা বস্তু, শিক্ষালাভ আদি সকলোতে আনে সহায় কৰে। গতিকে

মই মোৰ কামৰ জৰিয়তে মোৰ ধাৰ কমাই যাব বিচাৰোঁ আৰু সেয়াই মোৰ জীৱন। কাৰণ আমাৰ সম্পূৰ্ণ ধাৰ শোজাৰ ক্ষমতা নাই। গতিকে বিনিময়ত কিবা এটা দিব বিচাৰোঁ। আমাৰ আগৰ প্ৰজন্মই আমাৰ বাবে যথেষ্ট কৰি গৈছে, সমাজ ব্যৱস্থাৰ উত্তৰণত সহায় কৰি গৈছে। গতিকে আমাৰো পিছৰ প্ৰজন্মৰ বাবে কৰণীয় আছে। গতিকে জীৱনত এটা ব্যতিক্ৰমী কিবা পিছৰ প্ৰজন্মৰ বাবে এৰি যাবলৈ চেষ্টা কৰিব লাগে।

গড়গঞা ঃ *বৰ্তমানৰ যুৱ চামক লৈ আপুনি কিমান দূৰ আশাবাদী?*

**হিমাংশু** ঃ এইক্ষেত্ৰত মই যদি সাংস্কৃতিক দিশত কওঁ তেন্তে নতুন প্ৰজন্মক লৈ মই যথেষ্ট আশাবাদী। কাৰণ নাটক, অভিনয়, সাহিত্য, কলা আদিৰ ক্ষেত্ৰত যিসকল নতুন প্ৰজন্ম আগবাঢ়ি আহিছে তেওঁলোক যথেষ্ট উদ্যমী, আগ্ৰহী আৰু যথেষ্ট প্ৰতিভাশালী। লগতে চিন্তাধাৰাও বহল।

গড়গঞা ঃ *আপোনাৰ দৃষ্টিত নতুন প্ৰজন্মৰ নাট্য-চৰ্চাৰ প্ৰতি আগ্ৰহীসকলৰ বাবে অসমত সু-ব্যৱস্থা আছেনে?*

**হিমাংশু** ঃ সু-ব্যৱস্থা হিচাপে নাই। কিন্তু বৰ্তমান সময়ত নাটকৰ পৰিৱেশটো সলনি হৈছে, ইতিবাচকভাৱে। কাৰণ বৰ্তমান সময়ত প্ৰতিখন ঠাইতে থকা যিসকল গুৰুত্বপূৰ্ণ নাট্যকৰ্মী তেওঁলোকে নিজৰ বাবে এডোখৰ নিৰ্দিষ্ট ঠাই আৰু গোট গঠন কৰিছে। তাৰ লগত জড়িত হ'লে নতুন ল'ৰা-ছোৱালীবিলাকে নিশ্চয় ভালদৰে আয়ত্ত কৰাৰ সুবিধা পাব। যিহেতু অসমত কোনো নাট্য বিদ্যালয়ৰ ব্যৱস্থা নাই। যদি ক'ৰবাত সপ্তাহত এদিন শিকাৰ কিবা ব্যৱস্থা আছেও সেয়া ভুল পদ্ধতি বুলি ক'ব বিচাৰোঁ।

গড়গঞা ঃ *আপোনাৰ ভৱিষ্যত পৰিকল্পনা কি?*

**হিমাংশু** ঃ আচলতে মই কাম কৰিবৰ বাবে কোনো নিৰ্দিষ্ট পৰিকল্পনা নকৰোঁ। শেহতীয়াকৈ মই ছবি এখনৰ কাম কৰিম, নামটো হ'ব 'গৰু'।

গড়গঞা ঃ *গড়গঞাৰ জৰিয়তে আপুনি গড়গঞাসকলৰ বাবে কি বাৰ্তা আগবঢ়াব বিচাৰিব?*

**হিমাংশু** ঃ প্ৰথম আৰু শেষ কথাই হ'ল অধ্যয়ন। অধ্যয়ন মানে বিভিন্ন ধৰণৰ অধ্যয়ন হ'ব পাৰে। সকলো সময়তে নিজৰ শৰীৰৰ অংগসমূহ সক্ৰিয় ৰাখিব লাগে আৰু যিকোনো পৰিৱেশত নতুন কিবা এটা অধ্যয়ন কৰিবৰ বাবে চেষ্টা কৰিব লাগে।

**গড়গঞাৰ প্ৰশ্ন আৰু হিমাংশু প্ৰসাদ দাসৰ উত্তৰ ঃ**

*পদুম গগৈ (অৰ্থনীতি বিভাগ) ঃ আপুনি ৰচনা কৰা নাটকবোৰে কেতিয়াবা আপোনাক বিতৰ্কৰ মাজলৈ আনিছে নেকি?*

**হিমাংশু** ঃ সঁচা অৰ্থত তেনেকুৱাধৰণৰ বিতৰ্ক হোৱা নাই নাটকৰ ক্ষেত্ৰত।

*বৰষা বৰুৱা (সমাজতত্ত্ব বিভাগ) ঃ অপেছাদাৰী নাট্যদল আৰু ভ্ৰাম্যমাণ থিয়েটাৰ দুয়োটাৰ লগতে আপুনি জড়িত। গতিকে কোনটোৱে আপোনাক অধিক আকৰ্ষিত কৰে?*

**হিমাংশু** ঃ আচলতে কথাবোৰ তেনেকুৱা নহয়। আমি যিবোৰ নাটক কৰোঁ সেইবোৰ অপেছাদাৰী নহয়, পেছাদাৰীয়েই হয়। লগতে ভ্ৰাম্যমাণৰ ক্ষেত্ৰত যথেষ্ট ৰিস্ক থাকে।

*প্ৰিয়াক্ষী শইকীয়া (ইংৰাজী বিভাগ) ঃ আপুনি নিজকে কবি, নাট্যকাৰ, পৰিচালক নে অভিনেতা হিচাপে অসমৰ ৰাইজে মনত ৰখাটো বিচাৰে?*


**হিমাংশু** ঃ এজন শিল্পী হিচাপে অসমৰ ৰাইজে মোক মনত ৰখাটো বিচাৰো। কিন্তু এতিয়ালৈকে হ'ব পৰা নাই, হ'ব বিচাৰো।

*ভাস্কৰজ্যোতি সন্দিকৈ (সমাজতত্ত্ব বিভাগ) ঃ আপোনাৰ জীৱনৰ স্মৰণীয় দিন কোনটো?*

**হিমাংশু** ঃ স্মৰণীয় দিন বুলিলে বহুতেই আছে। তাৰ ভিতৰত মোৰ জীৱনৰ এটা বিশেষ দিন, যিটো দিনে মোৰ জীৱনত বিশেষ প্ৰভাৱ পেলালে। মই তেতিয়া হায়াৰ ছেকেণ্ডাৰী পঢ়ি আছিলো আৰু এদিন মই এজনী ছোৱালী দেখিছিলো পিছফালৰ পৰা, নাম আছিল হিমাদ্ৰী। মই তাইৰ মাতটোও শুনা নাপালো। মই ক'ব নোৱাৰাকৈয়ে তাইৰ প্ৰেমত পৰিছিলো। যেতিয়া শুনিছিলো তেতিয়া তাইৰ আন কোনোবা প্ৰেমিক আছিল, তাৰপাছত এক বছৰ মই মানসিক চিকিৎসা গ্ৰহণ কৰিবলগা হৈছিল। কিন্তু মোৰ প্ৰেম একপক্ষীয় আছিল। তাইক লৈ মই এটা কবিতাও লিখিছিলো সেই সময়ত, নাম আছিল - 'H+H'। ❖❖❖

সাক্ষাৎ গ্ৰহণ ঃ ভাৰ্গৱ লিগিৰা, অবিনাশ শইকীয়া
যুগুতালে ঃ বৰষা বৰুৱা
বিশেষ ধন্যবাদ ঃ দেৱাশিষ ঠাকুৰীয়া,
শ্ৰেষ্ঠ সাহিত্যিক,
কটন ৰাজ্যিক বিশ্ববিদ্যালয়

# অনুভৱৰ অনুৰণন



কঠিন দিনৰ যাত্ৰী আমি
শিল কঁাইটেৰে ভৰা বাটেৰেই যাত্ৰা আমাৰ

অথচ আমাৰ ভালপোৱা পোহৰমুখী
আমাৰ আৰাধনা জীৱনমুখী।

—প্ৰদীপ বৰুৱা

# ‘দেউতা’

● **মনোৰঞ্জন চাংমাই**
সমাজতত্ত্ব বিভাগ
চতুৰ্থ ষান্মাসিক

*“আঙুলি মূৰত ধৰি তুমি শিকালা*
*জীৱন বাটত খোজ কাঢ়িবলৈ;*
*নিজৰ সকলো দুখ-কষ্ট সহ্য কৰি*
*মৰম-চেনেহৰ জৰীৰে বান্ধিলা মোক।*
*লক্ষ্য বহু দূৰ আৰু আমাক যেতিয়া পৃথিৱীয়ে শোষণ কৰে*
*তেতিয়া দেউতাই আমাৰ হাতখনত থিতাপি ল’লা।”*

মানুহৰ হৃদয় অনন্ত অনুভূতিৰ উৎস। এই অনুভূতি আকাশতকৈ বিশাল, সাগৰতকৈ গভীৰ হয়; মানৱৰ অন্তৰৰ দুৱাৰ মুকলি কৰে অন্তহীন অনুভূতিয়ে। দুখৰ-সুখৰ ভাৰ বহন কৰা “দেউতা” শব্দটোৱে বহু অৰ্থ বহন কৰে আৰু এই শব্দটিৰ অৰ্থ এটা শব্দতে প্ৰকাশ কৰিব নোৱাৰি। দেউতা ভগৱানৰ স্বৰূপ, পৃথিৱীত যিমান ভগৱান আছে ঈশ্বৰ, যীশু, আল্লা আদি ভগৱানৰ গুণৰ অংশবিশেষ বা অধিকাৰী। দেউতাই সজ উপদেশ দি সন্তানৰ আঙুলি ধৰিলে পৃথিৱীৰ প্ৰতিজন সন্তানৰ জীৱনৰ পথ সহজ হৈ পৰে আৰু তেওঁ সুখ-দুখৰ শীতল ছাঁ হৈ আমাক সঁহাৰি দিয়ে। বুকুত ভাগৰুৱা আত্মাৰ জিৰণিৰ স্থল-বিৰিখ হৈ, নিজৰ সকলো সুখ ত্যাগ কৰি, নিজৰ অশ্ৰু মচি আমাৰ শেঁতা পৰা ওঁঠত হাঁহি বিৰিঙাবলৈ চেষ্টা কৰে। পৃথিৱীৰ যিমান নিদাৰুণ শোকৰ ছাঁয়াই আৱৰিলেও দেউতাই আশীৰ্বাদ কৰি বিশ্বাস যোগাই জীৱনৰ মূল্য কিমান? তুমি জ্যোতিৰ অলংকাৰৰ স্ৰষ্টাসেৱক হয়, সৌ উচ্চ হিমালয় পৰ্বততকৈ উচ্চ চিন্তাশীল ভাৱধাৰাৰ মানৱ। সঁচা মা যদি মমতাৰ সাগৰ হয় দেউতা সেই সাগৰৰ পাৰ হয়, মায়ে যদি খোজ কাঢ়িবলৈ শিকাই; দেউতাই শিকাই কেনেকৈ নিজৰ ভৰি ওপৰত থিয় হ’ব।

বৰ্তমান আধুনিকতাৰ যুগত মানৱ বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ ফলত মংগল গ্ৰহৰ পৰা তেজস্বী সভ্যতাৰ অভিশাপ পৰমাণু, মিছাইল, বোমালৈকে সৃষ্টি কৰি সমগ্ৰ বিশ্ব দৰবাৰতে উচ্চ শিখৰত উপনীত হ’লহি। কিন্তু মানৱ সভ্যতাৰ ক্ষেত্ৰত কিছুক্ষেত্ৰত আংশিকভাৱে পিচপৰি ৰ’ল। আজিৰ এই পৃথিৱীত মানৱৰ ঠাইত দানৱৰ হুংকাৰ বেছি শুনিবলৈ পোৱা যায়। আমি সেই বিষাদজনক হুংকাৰৰ উদাহৰণ পঢ়িবলৈ গ’লে ভাগৰি পৰিম। এই বিশ্বত সুখ-দুখ, ব্যথা-বেদনা, নীতি-নিয়মৰে চলিছে। বিজ্ঞানে মানৱ সমাজলৈ অগ্ৰগতিৰ নামত যে কেৱল দুখ, ব্যথা-বেদনাকেই কঢ়িয়াই আনিছে, এনে নহয় মানুহক প্ৰৱঞ্চনাও কৰিছে। দিনক-দিনে হত্যা, লুণ্ঠন, দুৰ্নীতি, অন্ধবিশ্বাসৰ বলি হোৱা, নিকৰুণভাৱে মৃত্যুবৰণ কৰিবলগা হৈছে পিতৃ-মাতৃ, নাবালক শিশু সেই জন্তুৰ নিচিনা হৃদয়হীন অমানুহৰ হাতত। প্ৰকৃততে মানুহে বিজ্ঞান ঐন্দ্ৰজালিক অভাৱ তথা বিভীষিকাৰ পৰা মুক্তি পোৱা নাই? নহ’লে ইমান অমানৱীয় কাম কৰি মানৱতা নেহেৰুৱালেহেঁতেন। প্ৰকৃতিয়েও আজিলৈকে প্ৰকৃতিৰ নিয়ম ভংগ কৰা নাই, মানুহে কৰিছে ইমান শিক্ষিত জ্ঞানী হৈ। সি যি কি নহওঁক পৰিৱৰ্তন হওক নৈতিক চৰিত্ৰ আৰু পৰিৱৰ্তন হওক আধুনিক সমাজ ব্যৱস্থা।

মিঠা মিঠা ৰং বুকুত ঢালি, অযুত হাঁহি দুচকুতে সানি, সেই শৈশৱৰ দিন আজিও সৰ্বৰ মোৰ মন আকাশত। ঢপলিয়াই পাৰ হোৱা ল’ৰালি দিনবোৰ কটাইছিলো, ৰঙা-নীলা জিঞাৰ পাখিক খেদি। মোৰ দেউতাৰ হাতত ধৰি জীৱন বাটত খোজ কাঢ়িবলৈ শিকিলো। মোৰ দেউতাৰ জীৱনৰ আশিস স্বৰূপ হয়, মোৰ পৰিচয়, মোৰ সন্মান, মোৰ আদৰ্শ, মোৰ প্ৰাণ হয়। মোৰ জীৱন নদীৰ মথাউৰি বান্ধোতা। মোৰ আদৰ্শস্বৰূপ হয় কাৰণ তেওঁৰ বাবেই এই সুন্দৰ ধৰণীখন দেখা পালো। তেওঁ মোক জীৱন যুদ্ধত জয়ী হ’বলৈ সাহস দিয়ে আৰু কেতিয়াও হাৰিবলৈ নকয়। এই পৃথিৱীৰ সকলো সন্তানে নিজৰ দেউতাৰ পৰাই সকলো গুণ শিকে,

যিয়ে জীৱনভৰৰ পৰিস্থিতি অনুসৰি নিয়ন্ত্ৰণ কৰিবলৈ কামত আহে। এইয়া অকল মানৱৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় প্ৰকৃতিৰ বুকুৰ অন্য জীৱ-জন্তুৱেও অনুকৰণ কৰা দেখা যায়। তেওঁৰ ওচৰত দিবলৈ আমাক অলেখ জ্ঞানৰ ভাণ্ডাৰ থাকে, যি অসীম কেতিয়াও শেষ নহয়। দেউতাৰ সমান কোনো নাই এই পৃথিৱীত আৰু পৃথিৱীৰ সকলো সন্তানৰ বাবে ৰাতি-দিন এক কৰি দিয়ে, ঘৰৰ অভাৱ, সমস্যাৰ ধ্যান ৰাখে সদায় আৰু ঘৰৰ সকলো ব্যক্তিৰ প্ৰয়োজনীয়তাসমূহ পূৰ কৰিবলৈ চেষ্টা কৰে। সেইবাবেই হয়তো পৃথিৱীৰ জাকত-জিলিকা মানৱ আৰু সন্মানসূচক স্থান পায়। ইয়াৰ ভিতৰতো মোৰ দেউতা অন্যতম। তেওঁৰ হৃদয়খন বহুত ডাঙৰ, কেতিয়াবা নিজৰ প্ৰয়োজনীয়তাবোৰ পাহৰি মোৰ অভাৱ পূৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাই কৰিহে এৰে। সন্তানে যিমান ডাঙৰ ভুল কৰিলেও বা নকৰিলেও প্ৰথমে খং কৰা পাছত ক্ষমা কৰি দিয়ে। মইও জীৱনত বহু ভুল কৰিছোঁ যদিও দেউতাই ক্ষমা কৰি দিছে। সেই ভুলৰ পৰা মই শিকনি পাই আজিৰ এই পৰ্যায় পাইছোঁহি। তেওঁৰ প্ৰতি মোৰ অপৰিসীম শ্ৰদ্ধা-ভক্তি, মৰম ভয়, সহানুভুতি আছে আৰু সদায় থাকিব আজীৱন।

জীৱন দুদিনীয়া, সংসাৰৰ সুখ-সম্ভোগৰ দৰেই দুদিনীয়া; সৃষ্টিৰ দিনাৰ পৰা নিয়তিৰ সৈতে মানৱৰ সংগ্ৰাম আৰম্ভ হয়। ইয়াৰ পৰিণতি স্বৰূপে কেতিয়াবা জয়-পৰাজয় সন্মুখীন হ'ব লগা হয়। কাঁইটীয়া জীৱন বাটৰ আঙুলি ধৰোঁতা মোৰ দেউতাৰ সংগ্ৰাম উল্লেখ কৰিব লগীয়া। সংগ্ৰামী জীৱনটোক প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলি, সুখময়, শান্তিময় জীৱন নিৰ্বাহ কৰা শক্তিৰে জীৱন সংগ্ৰামত বীৰদৰ্পে সাহসে যুঁজি মানৱৰ প্ৰকৃত পুৰুষত্বৰ পৰিচয় দিছিল। মই এই সুন্দৰ পৃথিৱীৰ সুখ দেখাৰ পৰা দেউতাই মোক জীৱনৰ পাঠ পঢ়ালে আৰু মোৰ বাবেই নিজ সুখ এৰি বহু কষ্ট, ত্যাগ কৰিলে। আনকি মই শৈশৱৰ কালত মাতৃহীনতাত ভুগিছিলো যদিও জন্মদাতা-জন্মদাত্ৰী দুয়োটা স্থান পূৰ কৰিছিল। সেই অবুজ স্মৃতিৰ বিষাদ সময় চলি থাকিলেও দেউতাই হাৰ নামানিছিল। ইফালে মোৰ মা বিচ্ছেদ (বিয়োগ), আনফালে মোৰ জীৱনক লৈ চিন্তা জৰ্জৰিত, ঘৰৰ বাকী ব্যক্তিসকলে বৰকৈ অসন্তোষ প্ৰকাশ কৰিছিল। ইমানখিনি সমস্যাই আগুৰিলেও মোক উদাৰ হৃদয়ৰে আঁকোৱালি লৈছিল। মানৱ সমাজৰ বেদনাই কঠিন নিয়মে মোৰ দেউতাৰ অন্তৰত গভীৰ বেদনা, হতাশাৰ ধুমুহাৰ সৃষ্টি কৰিছিল। আপোনালোকে শুনি আচৰিত হ'ব যে তেওঁ জীৱনৰ উত্থান-পতনৰ সময় নিগৰিলেও নিজ পিতৃ-মাতৃৰ প্ৰতি অগাধ শ্ৰদ্ধা-ভক্তি ভাৱ আছিল, তেওঁলোকৰ প্ৰতিটো কথা আখৰে আখৰে পালন কৰিছিল। তেওঁৰ জীৱন বেদনা ভৰা হ'লেও মানৱ সেৱা কৰি ভাল পাইছিল। দুখীয়া মানুহৰ মন বুজি তেওঁ সহায়-সহযোগিতা আগবঢ়াইছিল। সঁচা মোৰ জীৱন তোমাৰ সান্নিধ্যত ধন্য। আচলতে তেওঁৰ জীৱন সংগ্ৰামৰ কাহিনীয়ে মোৰ হৃদয় স্পৰ্শ কৰি যায়। দেউতাই মোৰ যাত্ৰাৰ পথ সীমাহীন জ্যোতি প্ৰপাতৰে জ্যোতিৰ্ময় কৰি তোলাৰ বাবে মোৰ মৰমৰ দেউতাক অহৰ্নিশে জনাই আহিছোঁ। অজস্ৰ প্ৰণিপাত প্ৰণাম। এই প্ৰণাম মই মৃত্যু পৰ্যন্ত কৰি যামেই, মৃত্যু হোৱাৰ পাছতো কমি নাযায় অজস্ৰ প্ৰণামৰ নমস্কাৰ।

সময়ৰ সমষ্টিয়েই জীৱন। আমি জীৱনটোক মৰ্মান্তিক দুখ-দুৰ্দশা, বেদনা, বুকুৰ কামিহাড় ভঙা, অশ্ৰু বৰ্ষণৰ আধাৰ বুলি ভাবিলে ভুল হ'ব। জীৱন এক খেল, যি খেল আমি কঠোৰ অধ্যৱসায় কৰি খেলখনত জয়ী হ'ব লাগিব। সময়ৰ সোঁত আমি কেতিয়াও ধৰি ৰাখিব নোৱাৰো। তথাপি মানুহৰ অনন্ত আৰু মানুহৰ এই নিচেই চুটি জীৱনতে মানুহে বহুতো কাৰ্য সম্পাদন কৰি অন্তহীন আশা পূৰণ কৰিবলৈ বিচাৰে। সময়ে মোকো দুৰ্ভগীয়া কৰি তোলে। সময় সলনি, মানুহৰ মনো সলনি, সময়ৰ প্ৰৱাল সোঁতত এদিন দেউতাই লোৱা সিদ্ধান্তই মোৰ আশাৰ পাপৰি ফুল মৰহি শুকাইছিল। সৰুতে তেওঁ এদিন কৈছিল "মা এজনী লাগিব নে?" তেতিয়া মোৰ উত্তৰ আছিল আপোনাৰ যি ইচ্ছা আৰু মনে মনে ভাবিছিলো তেওঁৰ বাবেই মই বিষকে সদায় গিলি খাবলৈ প্ৰস্তুত আছিলো। সময় দ্ৰুতগতিত যাবলৈ ধৰিলে, এদিন দেউতাই মোৰ সন্মুখতে দ্বিতীয় বিবাহ পাশত আবদ্ধ হৈছিল। সেই সময়খিনিত মোৰ মন আকাশ নিমিষতে ভাগি গ'ল। ভগা হিয়াৰ বিননি কাক শুনাম, কাক বুজাম, বুকুত কেঁচা ঘাঁ লৈ কিদৰে জীয়াই থাকিম। ধেমালি, মৰম, শাসন, সহানুভূতি, সঁহাৰি সদায় অনুপ্ৰেৰণা দিয়া মৰমৰ দেউতাজনৰ গাৰ নোম শিঁয়ৰি যোৱা পৰিৱৰ্তনে মোৰ জীৱনলৈ ধুমুহা জাক কঢ়িয়াই আনিলে। তেওঁৰ লগত কটোৱা সময়ে বেৰি বেৰি ধৰিছিল। একেলগে শোৱা, মোক মৰমত "মাইনা" বুলি কৈ শোৱা পাটিৰ পৰা চেনেহৰ চুমা দি তোলা, পাকঘৰৰ পৰা দুয়ো মিঠাই চুৰ কৰি খোৱা, একেলগে দূৰদৰ্শন চাই হঁহা-কন্দাৰ ধেমালি। মোক লৈ দেউতাৰ কল্পনাৰ ময়ূৰপংখীয়ে সাতোৰহণীয়া ৰামধেনু হৈ দিগন্তৰ সীমাহীন কোনোবা সপোন ৰাজ্যলৈ উৰা মাৰিছিল। ফৰিংফুটা জোনাক ৰাতি যদি মই কান্দি আমনি কৰিলে তেওঁ মোৰ অশ্ৰু মুচি বুজনি দিছিল আৰু আজি সেইবোৰ অতীতৰ স্মৃতি হিচাপে ৰ'ল। সেই

দিনবোৰ ক'ত হেৰাল অ' দেউতা, বিচৰা হাঁহিবোৰ ক'ত মৰহি গ'ল। সেই অতীতৰ মধুৰ স্মৃতিবোৰ আকৌ পুনৰাই জী উঠিব নে দেউতা। আকৌ জীৱনে হাঁহিব নে কান্দিব নাজানো, যদি জীৱনে মোক এৰে তেতিয়াই ৰক্ষা কৰিব আহিবানে দেউতা? কিন্তু দেউতা তুমি সুখী হৈ থাকা ৰঙীন হেঁপাহৰ বৰষুণ জাকত।

মই জানো এতিয়াও মোৰ প্ৰতি অফুৰন্ত মৰম আছে কিন্তু দিব নোৱাৰে, মাতৃত্বৰ সঁচা মৰম নুবুজা সেই মহিলা গৰাকীৰ আগত। বুজিলো আজিৰ যুগত কোনোবাই নিজ মাতৃৰ বাহিৰে আন মাতৃৰ পৰা মাতৃত্বৰ সঁচা মৰম পোৱাটো বহুত কঠিন।

অতীতক এৰি বৰ্তমান কেতিয়াও প্ৰতিষ্ঠিত হ'ব নোৱাৰে। ল'ৰালি কাল প্ৰতিজন মানৱৰ সোণালী দিন স্বৰূপ। মোৰ জীৱনৰ ল'ৰালি কালৰ বহু ঘটনাই মোৰ জীৱনৰ স্মৰণীয় দিন হিচাপে থাকি যাব। সেইদিনা যদি মোৰ দেউতা নথকাহেঁতেন মৃত্যুৰ কষটি শিলত মোৰ জীৱন খোদিত হ'লহেঁতেন। এদিন হাবি-বননিয়ে লগৰীয়া লগত ঘূৰি ফুৰোঁতে দ-খাল এটাত পৰি মই পানীত কক্‌বকাই আছিলো, তেতিয়া লগৰ কেইটাই কোলাহল কৰি দেউতাক মাতি আনিলে আৰু এজন সাহসী যোদ্ধা হৈ মোৰ জীৱন উদ্ধাৰ কৰিলে। গাঁওখনৰ সকলো মানুহ আচৰিত হৈছিল দেউতাই সাহসিকতাৰ পৰিচয় দিয়া বাবে। সেই দিনটো তেওঁ নতুন জীৱনৰ পাতনি দিয়াৰ লগতে মোৰ ওঁঠত নতুনকৈ হাঁহিৰ পোখা মেলিছিল। এজন দেউতাৰ মূল্য সেইজনে ভালদৰে বুজি পাব যিয়ে বুজে দেউতাকৰ হৃদয়খনে কি বিচাৰে আৰু তেওঁৰ প্ৰতি অগাধ শ্ৰদ্ধা-ভক্তি থাকে। উদাহৰণ এই পৃথিৱীত বিৰল তাৰ ভিতৰত আমি শ্ৰৱন কুমাৰৰ অন্ধ পিতৃ-মাতৃক কান্ধত তুলি সমগ্ৰ পৃথিৱীখন ভ্ৰমণ কৰা কথা ক'ব পাৰো।

শেষত কওঁ দেউতা আপুনি অনন্য, তোমাৰ অবিহনে মই শূন্য; মাতৃহীনতাত ভুগিলেও তুমি মোৰ আদৰ্শ সেনানীস্বৰূপ। পৃথিৱীত তোমাৰ নামে পৰিচয় হৈ আহিছিলো আৰু তোমাৰ নামৰ পৰিচয়ত বিলীন হৈ এই জগতৰ পৰা মেলানি মাগিম। মাৰ মৰম নাপালেও তুমি পূৰণ কৰিছিলা, সেইবাবেই মোৰ শব্দৰে শেষ নহ'ব তোমাৰ কথা। তোমাৰ আশীৰ্বাদ মোৰ লগত ছাঁয়া হৈ থাকিলে মোৰ জীৱন সফলৰূপে প্ৰতিষ্ঠিত হ'ব। তোমাৰ অনুভৱে মোক এক শক্তি দিব, যি শক্তিয়ে মোক জীয়াই থকাৰ প্ৰেৰণা দিব। মই য'তেই নাথাকো তোমাৰ ভাৱনাত বিভোৰ হৈ সদায় তোমাৰ আদৰ্শবোৰ মোৰ অবুজন হৃদয়ত কঢ়িয়াই লৈ ফুৰিম। কিন্তু কথা এটা কওঁ— তোমাৰ এই সন্তানে জীৱন সংগ্ৰামত সফল হৈ দেখুৱাম। মৃত্যু মানৱ জীৱনৰ সীমা হ'লেও মৃত্যুকো জয় কৰিম। কঠোৰ পৰিশ্ৰম কৰি সময়ৰ বালিত এটি খোজৰ চিনো দি যাম। মোৰ মনৰ পক্ষী ঘোঁড়া উৰিব খোজে, বিশৃংখল সপোনবোৰক চুমি, সেই সপোনবোৰক দিঠকত পৰিণত কৰিহে এৰিম।

আমাৰ জীৱন প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিবলৈ হ'লে সমাজৰ হকে কাম কৰিব লাগিব। প্ৰথমে পিতৃ-মাতৃ, ককা-আইতা, ককাই, বাই, ভনী, আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱী, শিক্ষক সমাজ আৰু নিজ দেশৰ লোকৰ প্ৰতি থকা কৰ্তব্য থাকিব লাগিব। সমগ্ৰ পৃথিৱীৰ লোকসকল ঈশ্বৰৰ সন্তান, সেইবাবেই এটা পৰিয়াল বুলি ভাবিব লাগিব। আমি সেই অন্ধবিশ্বাসৰ পৰা মুক্ত কৰি সম্পূৰ্ণ নিকা সমাজ গঢ়ি তুলিব লাগিব। নিজৰ পিতৃ-মাতৃক বৃদ্ধ বয়সত বৃদ্ধাশ্ৰমলৈ স্থানান্তৰ নকৰি সুখ আৰু শান্তিত ৰাখিব লাগিব। তেতিয়াহে আমি পিতৃ-মাতৃৰ ঋণমুক্ত হ'ব পাৰিম। মানৱ জীৱনৰ সাৰ্থকতা কৰিব লাগিব নিজ কৰ্মৰ জৰিয়তে। কথা এষাৰ আছে নহয় "কথা নহয়, কৰ্মই কৰে মানৱক জাতিষ্কাৰ"। গতিকে বৰ্তমান জগতত আমি নিজৰ স্থান সু-প্ৰতিষ্ঠিত কৰিবলৈ প্ৰতিটো মুহূৰ্তক কামত নিয়োগ কৰি আমি আমাৰ কৰ্মৰে জীৱন নিৰূপণ কৰিব লাগিব।

সৰ্বশেষত এটাই প্ৰাৰ্থনা "দেউতা" তুমি সদায়েই সুখৰ আশীৰ্বাদ ছটিয়াই থাকিবা। মোৰ চকুত চকুপানী বৈ থাকিলে তোমাৰ এষাৰি মাতে মোক বহুত সান্ত্বনা দিয়ে আৰু সুখ-দুৰ সমভাগী হৈ থাকিবা আজীৱন। যদি মোৰ প্ৰাণো লাগে তোমাক তাকো সঁপি কলিজাৰ কেঁচা তেজো বাকি দিম। থুনুক-থানাক কথাৰে কল্‌কলাওঁতে মোৰ কি সুখ হৈছিল হাঁহি খিল্‌খিলাওঁতে আজিও সেই অবুজ ভৰা সুখৰ হাঁহিৰে তোমাৰ জীৱন জীপাল কৰি থাকিবা। দুখ নকৰিবা কেতিয়াও দুখৰ পিছত সুখ অনিবাৰ্য। পৃথিৱীৰ প্ৰতিজন সন্তানৰ নিজ পিতৃ-মাতৃ অনুপ্ৰেৰণা হওক সদায়। পিতৃ-মাতৃৰ হাঁহিৰ কাৰণ হোৱাৰ সমান স্বৰ্গীয় অনুভৱ নাই। অনুৰোধ এটি আপোনালোকলৈ— জীৱন নদীত পিতৃ-মাতৃ এবাৰহে পাব, আপোনাৰ জীৱনৰ পৃষ্ঠা খালী হৈ আছে যদি আপুনিও নিজ পিতৃ-মাতৃক শ্ৰদ্ধা-ভক্তি কৰক। সময় আৰু সমাজ সলনি হ'লেও বাট এৰি অবাটৰ দিশে ধাৱমান নহ'ব আৰু হেঁপাহৰ কাৰেং সাজক নিজৰ ঠিকনা বিচাৰি পৱিত্ৰ মনৰ যোগেদি।

❖❖❖



# বাস্তৱতাৰ নিদৰ্শন কলেজীয়া সপোন, যুৱ উচ্ছৃংখলতা আৰু আমিবোৰ

● পলী খনিকৰ
শিক্ষাতত্ত্ব বিভাগ
দ্বিতীয় ষান্মাসিক

শৈশৱৰ আঁচল খহাই কৈশোৰৰ এচেৰেঙা ৰ'দত ভৰি দি দুচকুত অলেখ অযুত সপোন লৈ এজাক কিশোৰ-কিশোৰীয়ে ভৰি দিয়েহি কলেজীয়া নাইবা হায়াৰ ছেকেণ্ডাৰীৰ দুৱাৰদলিত। শৈশৱৰ ল'ৰা ধেমালিৰ উন্মাদনা মাৰ নৌ যাওঁতেই অইন এক নতুন অনুভূতিয়ে সকলোৰে হৃদয়ত সংগোপনে ভিৰ কৰেহি। বুকুত হাজাৰটা সপোন বাস্তৱায়িত কৰা এক যাত্ৰা। কলেজীয়া জীৱন। অচিনাকি এখন জগত। পদে পদে উজুটি খোৱাৰ ভয়। এনেদৰেই একোখন কলেজৰ দুৱাৰদলিত আৰম্ভ হয় একোখন দেশৰ ভৱিষ্যৎ।

ভৱিষ্যৎ জীৱনৰ মূল তথা প্ৰথম টাৰ্ণিং পইণ্ট হ'ল এই কলেজীয়া জীৱন। কৈশোৰৰ যৌৱনৰ এই সময়খিনিতে ল'ৰা-ছোৱালীয়ে নিজকে মানসিক উপযুক্ততাৰে গঢ় দিবলৈ চেষ্টা কৰে। সকলো দিশৰ পৰা এই প্ৰজন্ম হৈ পৰে সৰ্বসাধাৰণৰ আস্থাৰ প্ৰতীক। নৱ প্ৰজন্মই আজি দেশৰ ভৱিষ্যতৰ ধ্বজা বাহক। এখন দেশৰ শিক্ষা

ব্যৱস্থা যিমানেই উন্নত হ'ব সিমানেই এখন দেশৰ সমাজ ব্যৱস্থা উন্নত হ'ব, এখন দেশৰ যুৱ প্ৰজন্ম উন্নত হ'ব। এখন বিদ্যালয়ৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈকে এখন দেশৰ ভৱিষ্যৎ নিৰ্মাণ কৰিব পাৰে শিক্ষাৰ জৰিয়তে।

কিন্তু বৰ্তমান যুৱপ্ৰজন্মৰ উচ্ছৃংখলতাৰ নিদৰ্শনে তেওঁলোকৰ প্ৰতি আস্থা কমাইছে। যেন হেৰুৱাই পেলাইছে নৱপ্ৰজন্মই ভৱিষ্যৎ নিৰ্মাণকৰ্তাৰ সেই আসনখনি।

গোলকীকৰণৰ প্ৰভাৱত আমিবোৰ যেন হৈছোঁ একো একোটা যন্ত্ৰ। বিজ্ঞানৰ উন্নতিৰ লগে লগে এখন সমাজৰ নৈতিকতাৰো অৱনতি ঘটিছে। মানুহৰ মানসিকতা যেন এতিয়া যন্ত্ৰৱত। আজি একবিংশ শতিকাৰ দুৱাৰদলিত আধুনিক সভ্যতা তথা বিজ্ঞানৰ চমকপদ অৱদানে পৃথিৱীখন এখন সৰু গাঁৱলৈ ৰূপান্তৰিত কৰিছে। বিশ্ববিয়পা সাংস্কৃতিক আগ্ৰাসনে সুবিশাল জনঅৰণ্যত মানুহক নিঃসহায় আৰু অকলশৰীয়া কৰি পেলাইছে। যাৰ ফলস্বৰূপে সমাজৰ ব্যক্তিসকলৰ মাজত দেখা পোৱা গৈছে যান্ত্ৰিক বস্তুবাদী মানসিকতা তথা মনোভাৱ। যিয়ে আজিৰ সমাজব্যৱস্থা ক্ষতিগ্ৰস্ত কৰি তুলিছে। অন্যায়, অত্যাচাৰ লুণ্ঠন, নিৰ্যাতন, শোষণ, উৎপীড়ন, দুৰ্নীতি, যুৱ-উচ্ছৃংখলতা ইত্যাদি সমস্যাসমূহে মূৰ দাঙি উঠিছে। সম্প্ৰতি অতি ভয়াৱহ আৰু অগ্নিগৰ্ভ সমস্যা হিচাপে চিহ্নিত হৈছে যুৱ-উচ্ছৃংখলতা।

বৰ্তমান যুৱ প্ৰজন্মৰ উচ্ছৃংখল কৰ্মকাণ্ডই সমাজখন ক্ষতিৰ দিশে ঠেলি দিছে। যাৰ ফলত সমাজত অশান্তিৰ পৰিৱেশ সৃষ্টি হৈছে। স্থান-কাল-পাত্ৰ নিবিচাৰি অবাইচ মাত মাতিবলৈ কুণ্ঠাবোধ নকৰা, জ্ঞানী-গুৰুজনক, বয়োজ্যেষ্ঠজনক সন্মান নকৰা, অসৎ কাৰ্যত লিপ্ত হোৱা যুৱকসকলৰ বৰ্তমান কাৰুকাৰ্যই ভৱিষ্যতৰ সমাজখনক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। তদুপৰি একাংশ যুৱচামে মাদক দ্ৰব্য সেৱন কৰি সমাজত কৰা উদ্ভণ্ডালিৰে সমাজখনত অশান্তিৰ পৰিৱেশ সৃষ্টি হৈছে। তদুপৰি শিখৰ, ৰজনীগন্ধা, গুট্খা, চিগাৰেট, মাদক দ্ৰব্য আদিৰ প্ৰচলনে এক বিৰাট ক্ষতি কৰিছে।

বৰ্তমান যুৱচামক এই উচ্ছৃংখলতাৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ আমি সকলোৱে সচেতন হ'ব লাগিব। সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে তেওঁৰ সমাজখন, পৰিয়ালটোক, নিজৰ সন্তানটোক উচিত শিক্ষা দি বিপথগামী হোৱাৰ পৰা বা উচ্ছৃংখলতাৰ গ্ৰাসৰ পৰা মুক্ত কৰিব পাৰিব। সাম্প্ৰতিক প্ৰেক্ষাপটত মূৰ দাঙি অহা এই সমস্যাবোৰ সমাধান কৰিবলৈ আগবাঢ়ি আহিব লাগিব নৱ প্ৰজন্মও। এখন সমাজক উন্নতি পথত আগবঢ়াই নিবলৈ যুৱচামক মূল আহিলা হিচাপে লাগিব অধ্যয়ন তথা শিক্ষা। তেওঁলোকে উচিত শিক্ষাৰে চিন্তা উৎকৰ্ষ সাধন কৰি বৃহত্তৰ সমাজখন দুৰ্বল পথৰ পৰা বচাই শক্তিশালী কৰি তুলিব লাগিব। সমাজৰ উঠি অহা যুৱকসকলৰ মাজত গভীৰ আন্তৰিকতা, একতা, সততা, বিশ্বাস আদি জাগি উঠিব লাগিব। পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই প্ৰত্যাহ্বানক আঁতৰাই গঠনমূলক চিন্তা আৰু বিশ্লেষণাত্মক দৃষ্টিভংগীৰে উপযুক্ত কৰি নিজকে গঢ়ি তুলিব লাগিব। তেতিয়াহে এখন সমাজত শান্তিৰ কুলু কুলু নিজৰা ব'ব।

অফুৰন্ত হেঁপাহ, আশা, কল্পনা আৰু বহুত কিবাকিবি বুকুত বান্ধি উজ্বল ভৱিষ্যতমুখী আমাৰ যুৱ সমাজক বৰ্ণিল পৃথিৱীৰ সেন্দুৰীয়া বাটত খোজ পেলাবলৈ দি সকলো বাটৰ কাঁইট আঁতৰাই যেন এখন সুন্দৰ সমাজৰ সোণৰ সোলেং ৰচনা কৰিব পাৰিব তাত কোনো সন্দেহ নাই। উচ্চ মানসিকতা, উন্নত মনোভাৱেৰে আহক আমি সকলোৱে শান্তিৰ নিজৰা বোৱাওঁ, আমি সকলোৱে মিলি এখন স্বপ্নৰ পৃথিৱী গঢ় দিয়াত আগভাগ লওঁ। ❖❖❖

# নাহৰ দেশৰ মধুৰ স্মৃতি

● লক্ষ্যজিৎ ফুকন
● সুৰভী ৰাজকুমাৰী
স্বেচ্ছাসেৱক, এন.এছ.এছ.
গড়গাঁও মহাবিদ্যালয় গোট

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ফেব্ৰুৱাৰী মাহৰ ৭ তাৰিখৰ পৰা ১১ তাৰিখলৈকে অনুষ্ঠিত হোৱা NSS Mega Special Camp ত যোগদান কৰিবৰ বাবে গড়গাঁও মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি আমি নৱজ্যোতি গগৈ (শিক্ষাতত্ব বিভাগ) লক্ষ্যজিৎ ফুকন (অৰ্থনীতি বিভাগ) সুৰভী ৰাজকুমাৰী (ৰাজনীতি বিজ্ঞান বিভাগ), দ্বীপান্বিতা বৰুৱা (সাধাৰণ) মুঠ ৪ জন NSS ৰ স্বেচ্ছাসেৱক গৈছিলো। এই বিশেষ ৫ দিনত আমি লাভ কৰিছিলো অলেখ মধুৰ স্মৃতি আৰু অভিজ্ঞতা।

এই Mega Special Camp ৰ মুখ্য কাম-কাজসমূহ ০৮-০২-০১৮ ৰ পৰা আৰম্ভ হৈছিল। প্ৰথম দিনাৰ আনুষ্ঠানিক সভাখনৰ আৰম্ভণী অনুষ্ঠানৰ বিশিষ্ট অতিথি আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীযুত অলক কুমাৰ বুঢ়াগোহাঞি ছাৰ, শ্ৰীযুত জিতেন শইকীয়া ছাৰ আৰু শ্ৰীমতী পল্লৱী ডেকা বুজৰবৰুৱা বাইদেউ।

এই Mega Special Camp ত কেৰিয়াৰ, কেন্সাৰ সজাগতা, দুৰ্য্যোগ ব্যৱস্থাপনা, পৰিৱেশ সংৰক্ষণ, স্বাস্থ্য সজাগতা, চৰকাৰী আঁচনিৰ সঠিক ৰূপায়ণ, ৰক্তদান আদি গুৰুত্বপূৰ্ণ দিশসমূহৰ ওপৰত অভিজ্ঞ ব্যক্তিসকলে সুন্দৰ বৰ্ণনা দিয়ে। এই অনুষ্ঠানৰ জৰিয়তেই বিশিষ্ট কেৰিয়াৰ বিশেষজ্ঞ ড° সুনীল কুমাৰ শইকীয়া ছাৰক লগ পোৱাৰ সৌভাগ্য হ'ল।

ৰক্তদান কি? ৰক্তদানৰ জৰিয়তে আমি কেনেদৰে সমাজলৈ সহায়ৰ হাত আগবঢ়াব পাৰোঁ সেই বিষয়ে এই Camp ৰ দ্বাৰা জ্ঞাত হ'লো। যদিও আমি এতিয়ালৈকে ৰক্তদান কৰি পোৱা নাই তথাপিও সুযোগ পালেই ৰক্তদান কৰিম বুলি এই Camp ৰ যোগেদিয়েই প্ৰতিজ্ঞাবদ্ধ হ'লো।

দিনজোৰা কাৰ্যসূচীৰ অন্তত সন্ধিয়া মনোৰঞ্জনৰ বাবে NSSৰ স্বেচ্ছাসেৱকসকলৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিছিল। এই সুন্দৰ অনুষ্ঠানৰ জৰিয়তে স্বেচ্ছাসেৱকসকলে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশ কৰিবলৈ এখন মঞ্চ লাভ কৰিছিল। আমিও উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰিছিলো।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা Mega Special Camp ত আমি বিভিন্ন জিলাৰ পৰা অংশগ্ৰহণ কৰা মুঠ ৬৭ খন মহাবিদ্যালয়ৰ ৩১৫ জন স্বেচ্ছাসেৱকক লগ পাইছিলো। প্ৰথমবাৰৰ বাবে লগ পোৱা এই স্বেচ্ছাসেৱকসকলৰ লগত অতি কম সময়ৰ ভিতৰতে এক নিবিড় বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠিছিল। তেওঁলোকৰ লগত বিভিন্ন বিষয়ৰ ওপৰত বাৰ্তালাপ কৰিবলৈ চেষ্টা কৰিছিলো। এই বাৰ্তালাপৰ যোগেদি আমি বহুতো কথা শিকিব পাৰিছিলো।

এই Mega Special Camp ৰ সামৰণী অনুষ্ঠানত ডিব্ৰুগড় সমষ্টিৰ সাংসদ শ্ৰী ৰামেশ্বৰ তেলী আৰু লাহোৱাল সমষ্টিৰ বিধায়ক শ্ৰী ঋতুপৰ্ণ বৰুৱা ডাঙৰীয়া উপস্থিত থাকি তেওঁলোকৰ বহুমূলীয়া ভাষণ প্ৰদান কৰে। সেই ভাষণৰ দ্বাৰা NSS ৰ স্বেচ্ছাসেৱকসকল বহু পৰিমাণে উপকৃত হৈছিল। সাংসদ ডাঙৰীয়াৰ সহায়ত আমি সকলো NSS স্বেচ্ছাসেৱকে বিশ্ববিদ্যালয় পাৰ্কত প্ৰৱেশ কৰিছিলো।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা এই অনুষ্ঠানৰ মুখ্য ব্যক্তিসকল হ'ল শ্ৰী ডেভিদ কাৰদং ছাৰ, শ্ৰী অমৰ উপাধ্যায় ছাৰ, শ্ৰী হিমাদ্ৰী বৰ্মন ছাৰ লগতে বিশ্ববিদ্যালয়ৰ PG Unit ৰ NSS স্বেচ্ছাসেৱক নিলোৎপল গগৈ, পল্লৱ হাজৰিকা, মৃণাল দা, কাকলি গগৈ, নয়নিকা বা সকলোৰে অতি সুন্দৰভাৱে অনুষ্ঠানটি পৰিচালনা কৰাৰ বাবে সকলোলৈকে ধন্যবাদ জনাইছো। এনে এটি সুন্দৰ অনুষ্ঠানৰ সাক্ষী হোৱাত আমাক সহায় কৰাৰ বাবে গড়গাঁও মহাবিদ্যালয়ৰ NSS Programme Officer শ্ৰীমতী ৰিমঝিম বড়া বাইদেউলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

❖❖❖



# শ্বিলঙলৈ বুলি....

● **প্ৰণামী গগৈ**
দ্বিতীয় ষান্মাসিক
ইংৰাজী বিভাগ

২০১৬ চনৰ ৪ অক্টোবৰৰে কথা এয়া, মনত হেজাৰ সপোন, হেজাৰ আশা লৈ সেই দিনটোতে আমি শ্বিলংঙলৈ বুলি ৰাওনা হ'লো। মই আৰু মোৰ Govt. ৰ বন্ধুসকলৰ লগত। এয়া আছিল আমাৰ Geography ৰ excursionৰ কাৰণে কৰা এটা সুমধুৰ যাত্ৰা। আমি শিৱসাগৰৰ ষ্টেচনৰ পৰা গুৱাহাটীলৈকে ট্ৰেইনেৰে যাত্ৰা কৰিছিলোঁ। কিন্তু, আটাইতকৈ interesting কথাটো হৈছে আমাৰ যাত্ৰাতে এক ভমক লাগিল, সময়তকৈ ট্ৰেইনখন আগতে অহাৰ বাবে আমাৰ লগৰকেইজনীমানৰ দেৰি হোৱাত ট্ৰেইনখন ধৰিব নোৱাৰিলোঁ।

আমাৰ ছাৰে আকৌ ততাতৈয়াকৈ এখন বাছ বন্দবস্ত কৰি দিলে আৰু আমি অকণো পলম নকৰি যোৰহাট ষ্টেচন অভিমুখে যাত্ৰা কৰিলোঁ। মনত হেজাৰ প্ৰশ্ন? কিজানি ট্ৰেইনখন পাম নেবাৰু!! আমাৰ ছাগে শ্বিলং যোৱা আৰু নহ'ব.....ইত্যাদি ইত্যাদি। কিন্তু অৱশেষত, আমি শিৱসাগৰতে এৰি অহা ট্ৰেইনখনক আকৌ যেনিবা লগ পালোঁ আৰু সকলোৱে ট্ৰেইনত উঠি গুৱাহাটীলৈকে আহিলোঁ।

মোৰ আটাইতকৈ মৰমৰ বান্ধৱী, যাক মই নিজতকৈও বহুত বেছি ভাল পাওঁ 'চামিমা' তাই এই গোটেই যাত্ৰাটোত মোৰ সাৰথি হৈ সহায় কৰিছিল।

আমি ৫ অক্টোবৰ তাৰিখে পুৱা ভাগতে আহি গুৱাহাটী পালোহি আৰু সকলোৱে অলপ Fresh হৈ পুৰি আৰু চাহ খাই ল'লো আৰু সেইদিনাই লগে লগেই টেক্সিৰে শ্বিলঙলৈ বুলি যাত্ৰা কৰিলোঁ। বাটত আহি থাকোতে প্ৰিয়ংকা

ভঁৰালীৰ "টেক্সিগাড়ী লৈ যাম শ্বিলঙত" গীতটি মোৰ বাৰুকৈয়ে মনত পৰিছিল। সপোন সপোন লগা যেন দিন এটি বাস্তৱ হ'ল।

পাহাৰীয়া একা-বেকা পথেৰে আহি বৰ ভাল লাগিছিল। বাটত আমাৰ বহুতৰে অলপ সমস্যা হৈছিল, অৱশেষত আমি সকলোৱে আহি গন্তব্য স্থান পালোহি। আমাৰ বাবে ৰঞ্জন ছাৰে 'Hostel' এখন বুক কৰি ৰাখিছিল কাৰণ আমাৰ ল'ৰা-ছোৱালী বহুত আছিলোঁ। Police bazar ত অৱস্থিত 'Youth Hostel' খনতে আমি সকলোৱে প্ৰৱেশ কৰি গা-পা ধুই ভাত খাবলৈ বুলি এখন হোটেললৈ আহিলো। সেইখন এখন বেংগলী মানুহৰ হোটেল আছিল বাবে তাৰ খাদ্যবোৰ বহুত Spicy আছিল। আমি সকলো ভোকত থকাৰ বাবে বৰ তৃপ্তিৰে ভাত সাঁজ খালো। ভাত খায়ে আমি সকলোৱে এটা Point ত বাছখনৰ বাবে অপেক্ষা কৰি আছিলো। যিখন বাছত উঠি আমি প্ৰথম দিনৰ বাবে Shillong sight চাম। অপেক্ষাৰ অন্তত বাছখন আহি আমাৰ সন্মুখত ৰ'ল আৰু আমি সকলোৱে আনন্দ মনেৰে বাছত উঠি গ'লো।

বাটত আমাক ড্ৰাইভাৰজনে NEHU কে ধৰি আৰু বহুতো দেখুৱাই গৈছিল কিন্তু, ভাত খাই উঠি মোৰ বৰকৈ টোপনি ধৰাত বাছতে শুই গ'লো সেইবাবে মই সেইবোৰ একোকে দেখি নাপালো। অৱশেষত, মই সাৰ পাই উঠি NEHU Library টো দেখিবলৈ সক্ষম হৈছিলোঁ। তাতে আমি সকলোৱে ফটো মাৰিলো আৰু অলপ ইফালে-সিফালে ফুৰিলো। তাৰ পৰা পুনৰ ঘূৰি আহি আমি বেলেগ ঠাইবোৰত অলপ অলপকৈ ৰ'লো আৰু ফটো মাৰিলো। আন্ধাৰ নামি অহাৰ বাবে আমি সকলো পুনৰ Hostel লৈ ঘূৰি আহিলোঁ আৰু ৰাতি আহাৰ খাই শুই গ'লো।

পিছদিনা পুনৰ এক নতুন যাত্ৰা.... 'ছেৰাপুঞ্জী', পৃথিৱীৰ ভিতৰত দ্বিতীয় সৰ্বাধিক বৰষুণ হোৱা ঠাই। আমি ছেৰাপুঞ্জীলৈ বুলি যাত্ৰা কৰোতে বাটত আমি অলপ ৰৈছিলো আৰু "Duwan Sing Syien View Point"ত আমিবোৰে তাৰ খাচী 'Traditional dress'; 'Tainsem' পিন্ধিছিলো আৰু এক মুহূৰ্তৰ বাবে আমি সকলোৱে একোজনী খাচী ছোৱালীৰ দৰে অনুভৱ কৰি খুউব আনন্দ কৰিছিলোঁ। তাৰ পাছত পুনৰ যাত্ৰা কৰিছিলো। বাটত গৈ থাকোতে নানাধৰণৰ মনোমোহা দৃশ্য দেখিবলৈ পাইছিলো লগতে বহুতো Waterfalls ইত্যাদি। পোনপ্ৰথমে আমি ছেৰাপুঞ্জীত থকা 'Nohkolikaifalls' টো চাইছিলো, যিটো ভাৰতৰ ভিতৰতে আটাইতকৈ ওখ Waterfall হিচাপে জনা যায়। তাৰ পাছত আমি "Seven sister falls" টো চালো। Waterfalls কেইটা চায়েই পোনে পোনে আমি "Mawsami Cave" ৰ সন্মুখে যাত্ৰা কৰিলো আৰু তাত গৈ পাইয়ে আমি সকলোৱে এটা এটাকৈ শাৰীপাতি Cave ৰ ভিতৰলৈ যাবলৈ বুলি সাজু হ'লো। ভিতৰলৈ সোমাই গৈয়ে এনে অনুভৱ হৈছিল যে এই যাত্ৰা যেন এক সাহসিকতাৰ যাত্ৰা Cave ৰ ভিতৰখন বহুত অন্ধকাৰ আছিল যদিও ক'ৰবাত এটা-দুটাকৈ কেইটামান লাইট দিয়া হৈছিল। প্ৰথমে সোমাই গৈয়ে মোৰ বৰ ভয় লাগিছিল কাৰণটো হ'ল যে Cave টো ইমানেই Puzzling আছিল আমি ক'ত গৈ আছো, কেনি গৈ ওলামগৈ একোকে গম পোৱা নাছিলো আৰু পথটোত বহুত পিছল হৈ আছিল ওপৰৰ পৰা পানী পৰি থকাৰ বাবে সেয়ে আমি বহুত সাৱধানেৰে খোজ দিছিলো। ভয় আৰু শংকাৰ মাজত আমি সকলোৱে আগুৱাই গৈ আছিলো। মাজতে এনেকুৱা অনুভৱ হৈছিল যে আকৌ অহাৰ বাটে ঘূৰিয়েই যাওঁ নেকি কিন্তু অৱশেষত আহি আহি আমি এটা পোহৰ দেখিবলৈ সক্ষম হৈছিলো, যিটোয়েদি আমি বাহিৰলৈ ওলাই আহিব পাৰিলো। এই যাত্ৰা অত্যন্ত আমোদজনক লগতে ভয়ানকো আছিল। বাহিৰলৈ ওলাই আহি সকলোৱে পুনৰ সকাহ পোৱা যেন লাগিছিল। তাৰ পাছত আমি তাৰ চাৰিওফালৰ পৰিৱেশ আৰু সংৰক্ষিত অভয়াৰণ্য চাইছিলো। তাৰ পৰা আহিয়ে আমি পোনে পোনে





" Mawsami Nongthymmai Eco-Park " লৈ বুলি ৰাওনা হ'লো। আমি সকলোৰে তাত বহুত স্ফূৰ্তি কৰিলো আৰু চাৰিওফালে ফুৰিলো। এই Eco-Park খন বাংলাদেশ সীমাৰ একেবাৰে কাষতে অৱস্থিত Park ৰ পৰা ওলাই আহিয়েই পুনৰ আমি যাত্ৰা কৰিছিলোঁ। অৱশেষত, আহি এখন ধুনীয়া ৰেষ্টুৰেন্টত ভাত খাবৰ বাবে সোমাইছিলো আৰু তাত অলপ সময় ৰৈ পুনৰ গতি কৰিছিলো। সন্ধিয়াপৰত আহি আমি "Elephant Falls" পাইছিলো। এই "Elephant Falls"টোত ৩ টা Steps আছিল, কিন্তু আন্ধাৰ হোৱা বাবে আমি Waterfalls কেইটা ভালকৈ দেখি নাপালো। তথাপিও সেই নিজৰাৰ শব্দই মনত বৰকৈ খলকনি জগাইছিল। তাত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ ফটো আছিল, তেওঁ তালৈ কেইমাহমান আগতে আহি যোৱা বুলি তাৰ পৰাই গম পালো। আন্ধাৰ হ'লেও falls বোৰ চাবলৈ যত্ন কৰি ২ নম্বৰ Waterfalls টো লৈকে গ'লো; কিন্তু ছাৰে আৰু যাবলৈ নিদি আমাক তাৰ পৰাই ঘূৰাই লৈ আনিলে। মনত বেজাৰ লৈয়ে আমি ঘূৰি আহিলো। তাৰ বাহিৰেও বহা মেলাবোৰত ইফালে-সিফালে ঘূৰি আকৌ আমি Hostel লৈ ঘূৰি আহিলো। Sir য়ে আমাক Strictly কৈ দিলে, সেইদিনাই যি যি বজাৰ কৰিবলৈ আছে কৰি ল'বলৈ। সেই বাবে আমি Hostel আহিয়ে গা-পা ধুই বজাৰলৈ বুলি ওলাই আহিলো। আটাইতকৈ আমোদজনক কথাটো হৈছিল যে আমি থকা Youth Hostel খনতে সেইদিনাখন বিয়া এখন হৈছিল। কিন্তু আমি কোনেও তাৰ আমেজ ল'ব নোৱাৰিলো। বজাৰ কৰি আহি আমি আগতে খোৱা সেই হোটেলখনতে ৰাতিৰ আহাৰ খালো আৰু সকলো Hostel আহি শুই গ'লো।

পিছদিনা ৰাতিপুৱা Hostel খনতে Breakfast কৰিছিলোঁ। দৰাচলতে, আমি থকা Hostel খনত খোৱাৰ ব্যৱস্থা আছিল বাবে তাতে ৰাতিপুৱা আহাৰ খাই পুনৰ শেষবাৰৰ বাবে যাত্ৰা কৰিলোঁ। Fresh morning, Fresh thinking ৰ সৈতে মনত এটা হেঁপাহ লৈ পুনৰ নতুন কিবা এটা দেখাৰ আগ্ৰহেৰে আমি আগুৱাই গৈ থাকিলো। বাছত উঠাৰ আগেয়ে আমি বিশেষকৈ ছোৱালীবোৰে বিয়াৰ পাছত ৰৈ যোৱা Orchid বোৰ খোপা, কাণতে যেনেকৈ পাৰে গুজি ল'লো। কি যে আনন্দ লাগিছিল সেই মুহূৰ্তটো। Army Camp ৰ Area ৰ ভিতৰেদি আহি আমি "Shillong Peak" পাইছিলোঁহি। সঁচাকৈয়ে এক মন্ত্ৰমুগ্ধ দৃশ্য, য'ৰ পৰা আমি গোটেই Upper Shillong খনকে দেখিবলৈ সক্ষম হৈছিলোঁ। আমি সকলোৰে অধীৰ আগ্ৰহেৰে এই দৃশ্য উপভোগ কৰিছিলোঁ। সেইসময়ত আমাৰ সকলোৰে মনত আমি থকা Hostel খন সেই Peak টোৰ পৰা চোৱাত এক বৃহৎ উদ্বিগ্নতাৰ সৃষ্টি হৈছিল। তেতিয়া আমি সকলোৰে কেৱল মাত্ৰ এটা বস্তুৰে বিচাৰিছিলোঁ, সেইটো হৈছে Shillong ৰ 'বেকা বিলডিং' টো কাৰণ এইটোৰে আমাৰ কাৰণে এটা best adventage আছিল আমাৰ Location টো বিচৰাৰ। সঁচাকৈয়ে কিন্তু এক অদ্ভুত কলা এয়া। আমি সকলোৰে Shillong Peak ৰ মনোমোহা দৃশ্যবোৰ চাবলৈ পাই খুবেই আনন্দিত হৈছিলো। দৃশ্যবোৰ চাই থাকোতে এনেকুৱা অনুভৱ হৈছিল যেন গোটেই Shillong খন এখন প্লেটৰ ওপৰতহে অৱস্থিত হৈ আছে। আমি তাত অলপ সময় কটাই সেই স্থানত পোৱা আটাইতকৈ সুস্বাদু 'গাখীৰ চাহ' একাপৰ সৈতে গৰম গৰম পকৰি খাবলৈ বহি গ'লো আৰু সেইবোৰ খাই উঠি তাতে থকা মেলাবোৰ চাই কিবা-কিবি অলপ কিনি লৈ তাৰ পৰা বিদায় মাগি পুনৰ Hostel ৰ

অভিমুখে যাত্ৰা কৰিলোঁ। বাটত আহি থাকোতে হঠাৎ এটা ঘটনা ঘটিছিল যে আমাৰ লগৰ কেইজনী মানে chips খাই পেকেটটো খিৰিকিৰে দি পেলাই দিয়াত লগে লগে আমাৰ সন্মুখত আহি থকা পুলিচ কেইজনমানে গাড়ীখন ৰ'বলৈ বুলি Signal দিছিল। সেইসময়ত আমি সকলোৱে আচৰিত হৈছিলো যদিও কাৰণটো পিছতহে গম পালো যে ৰাস্তাত পেকেটটো পেলাই তাৰ নিয়ম ভংগ কৰাৰ বাবে আমাক কেইজনমান Army য়ে আমাৰ পিছত আহি আছিল সেয়ে আমাৰ তেনে দশা হৈছিল। যেতিয়া আমাক তেওঁলোকে আমি কৰা ভুলৰ বাবে সঁকীয়াই দিছিল, সেই সময়ত আমাৰ নিজৰে বৰ লাজ লাগিছিল আৰু ছাৰহঁতে নিজে গৈয়ে পেকেটকেইটা ডাষ্টবিনত পেলাই থৈ আহিছিল। সঁচাকৈয়ে তেওঁলোকৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰতি থকা দায়বদ্ধতাই আমাক আকৰ্ষণ কৰাৰ লগতে যথেষ্ট জ্ঞানো দিছিল। সেইসময়ত মনতে এটা প্ৰশ্ন জাগিছিল যে আমাৰ অসমতো যদি এনে দায়িত্বশীলতা থাকিলেহেঁতেন।


যদিও পুৱাতে Hostel ৰ পৰা আমি বিদায় লৈছিলোঁ; কিন্তু মাত্ৰ আমাৰ Luggage বোৰহে ৰুম এটাত থোৱা হৈছিল। মাথো আমাৰ বেগবোৰ ল'বলৈ বুলি Hostel ও সোমাই আকৌ আহি পুনৰ সেই বেংগলী হোটেলখনত শেষবাৰৰ বাবে আহাৰ গ্ৰহণ কৰিছিলোঁ। কিন্তু, সেই সময়ত আমাৰ এটা সমস্যা হৈছিল যে গুৱাহাটীলৈ আহিবলৈ আমি কোনো টেক্সী পোৱা নাছিলো। অক্টোবৰ মাহ পূজাৰ Season বাবে সেইদিনা বেছিভাগ গাড়ী আগতীয়াকৈ বুক হৈ আছিল, tourist বোৰে Shillong ৰ সৌন্দৰ্যক উপভোগ কৰিবলৈ। সেয়েহে কেইঘণ্টামান ইফালে-সিফালে ঘূৰি ইটো-সিটো চাই পাৰ কৰি দিছিলো। অৱশেষত যথেষ্ট কষ্টৰ মূৰত ছাৰে আমাৰ বাবে গাড়ী বন্দবস্ত কৰি আনিবলৈ সক্ষম হৈছিল আৰু আমি সকলোৱে Shillong ক বিদায় দিবলৈ সাজু হৈছিলো।

অৱশেষত, শ্বিলঙৰ অভিজ্ঞতা আৰু স্মৃতিবোৰ লগত কঢ়িয়াই আমি গুৱাহাটী পালোহি। গুৱাহাটীত এটা দিন কটাই Accoland ৰ আমেজ লৈ ৯ অক্টোবৰ তাৰিখে পুৱা ১১-৩০ মান বজাত আমি সকলোৱে আহি শিৱসাগৰ ষ্টেচন পাই ঘৰা-ঘৰি গুচি আহিলোঁ।

❖❖❖

*যাৰ*
*তেজত তিৰ্‌বিৰাইছিল*
*তৰালি*
*বুকুত গুণগুণাইছিল*
*মৌ-মাখি*
*সি নিজানে নিতালে বহি আছে।*
*শিতানত তাৰ তেজে ধোৱা মাটি।*

—হীৰুদা




# চুটিগল্প

চুটিগল্প যেন এটি পাখি লাহী পখিলা। নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চোঁহে, তাৰ পিছত উৰা মাৰি কোনোবাখন পায়গৈ। আমাৰ চকুৰে বন্দী কৰিব পাৰে মাথোন তাৰ এক লহমাৰ আকণ্ঠ মধুপান।

—মহেন্দ্ৰ বৰা

# প্ৰত্যৰ্পণ

● মণীষা বৰগোহাঁই
প্ৰাক্তন ছাত্ৰী



তাৰ পিছত আৰু কি ঘটিছিল তাৰ একো মনত নাই। গাত আছিল পাতল কটন চাৰ্ট এটা। ডিচেম্বৰ মাহৰ ঠাণ্ডাৰ প্ৰকোপ সহ্য কৰিব নোৱাৰি সিৰাই সিৰাই সি অনুভৱ কৰিছিল তীব্ৰ কঁপনি। কিন্তু সি ডাঠ অৰণ্য ডৰা পাৰ হ'বই লাগিব। সেই মুহূৰ্তত অৰণ্য ডৰা পাৰ হোৱাৰ বাহিৰে তাৰ কোনো লক্ষ্য আৰু নিৰ্দিষ্ট পথ জীৱনত নাছিল। ইতিমধ্যেই সি সুদীৰ্ঘ পথ অতিক্ৰম কৰি আহিছিল। জীৱনৰ প্ৰতি থকা অদম্য হেঁপাহৰ বাবেহে সি এনে কৰিব পাৰিছিল। প্ৰচণ্ড ঠাণ্ডা আৰু শাৰীৰিক অৱসাদৰ ফলত তাৰ দেহৰ উত্তাপ বৃদ্ধি পাইছিল। ওচৰতে থকা গাঁওখনৰ পূৰ্বাভাসৰ বাবেই তাৰ মানসিক উদ্যম অটুট থাকিল। গাঁওখন পালেই যে তাৰ যান্ত্ৰণাৰ অন্ত পৰিব —এই ধাৰণাই তাৰ মনত খোপনি পুতিলে।

পথ নিৰ্দেশ অনুসৰি হাবিডৰাতো সি পাব নালাগিছিল। সি ভুল পথেৰেই ইতিমধ্যেই বহু যোজন বাট গুচি আহিছিল। উভতি যোৱাৰ শক্তি, সামৰ্থ আৰু সাহস তাৰ নাছিল। গতিকে অৰণ্য ডৰা পাৰ হোৱাৰ বাহিৰে তাৰ কোনো উপায় নাছিল। অৰণ্য ডৰা পাৰ হ'লেই যে গাঁওখন পাব তাকো সি নাজানিছিল। তথাপি তাৰ মনত এই দোদুল্যমান অৱস্থা সত্বেও সি অৱশেষত হাবি ডৰাৰ ভিতৰলৈ সোমাই গৈছিল। প্ৰথমতে লাহে লাহে আৰু পিছলৈ খৰকৈ খোজ দিছিল। ক'ৰবাত সম্ভৱ সি গছৰ মূঢ়াত উজুটি খাই পৰি গৈছিল। মূৰ ফাটি যোৱাত তেজ নিগৰি আহিছিল, সি অনুভৱ কৰিব নোৱাৰিছিল। গছৰ পাতৰ পৰা বৰষুণৰ টোপালৰ দৰে নিয়ৰ পৰি আছিল। ধীৰ গতিত পৰি থকা নিয়ৰে তাৰ মুখেদি বাগৰি অহা তেজ ধুৱাই নিছিল। কাঁইটৰ পৰা পোৱা আঁচোৰৰ অনুভৱতকৈ, মূৰ কটাৰ পৰা পোৱা আঘাতৰ বিষতকৈ আৰু শৰীৰৰ সুতীব্ৰ উত্তাপতকৈ তাৰ বাবে জৰুৰী কথা আছিল অৰণ্যখন পাৰ হোৱা। সকলো প্ৰতিকূলতাৰ বিৰুদ্ধে যুঁজ দিব পৰাকৈ শাৰীৰিক আৰু মানসিক ভাৰসাম্য বজাই ৰাখিবলৈ সি প্ৰাণপ্ৰণে চেষ্টা কৰিছিল।

"চকু মেলিছে, চকু মেলিছে" - বহুতো কণ্ঠৰ সমস্বৰ উঠিল। তাৰ অনুভূতিৰ চূড়ান্ত ক্ষমতা প্ৰয়োগ কৰি তাৰ স্থিতি অনুধাৱন কৰাৰ চেষ্টা কৰিলে। তেওঁলোকৰ বাবে তাৰ চকু মেলাটো সঁচা হ'লেও তাৰ দৃষ্টিৰ ৰশ্মি তেতিয়াও লক্ষ্যবস্তুৰ পৰা প্ৰতিফলিত হ'ব পৰাকৈ প্ৰখৰ হৈ উঠা নাছিল। মুখেৰে কিবা ক'বলৈ কেইবাবাৰো কৰা অপৰিসীম চেষ্টাৰ পিছতো সি ব্যৰ্থ হ'ল। কিছু সময় নিৰ্বাক নিশ্চল হৈ পৰি থকাটোৱেই তাৰ শাৰীৰিক আৰু মানসিক সন্তুলন ঘূৰাই অনাৰ সৰ্বোত্তম পন্থা বুলি বিবেচনা কৰিলে। কিছু সময়ৰ বাবে মানুহবোৰ নীৰৱ হৈ পৰিল। সম্ভৱতঃ সকলোৱে তাৰ ফালে অতি অনুসন্ধিৎসুৰে চাই আছে। তাৰ বিষয়ে স্পষ্ট ধাৰণাত উপনীত হ'ব নোৱাৰি হয়তো বিব্ৰত হৈছে।

সকলোকে আচৰিত কৰি সি ক'লে— "আপোনালোকক অশেষ ধন্যবাদ। মোক আপোনালোকে জীৱন দিলে। নহ'লে...।"

মানুহবোৰ প্ৰতিক্ৰিয়াৰহিত হৈ ৰ'ল। মৌনতাই যেন তেওঁলোকৰ কণ্ঠনলীৰ দ্বাৰত ভেটা দি থৈছে। তাৰবাবে এই নীৰৱতা অসহনীয় হৈ উঠাৰ আগতেই এজন চৌবিছ/পঁচিছ বছৰীয়া যুৱকে ক'লে—"ধন্যবাদ আমাক নহয়, বৰমাক দিয়ক।" তাৰ পিছত তাৰ প্ৰশ্নলৈ অপেক্ষা নকৰি যুৱকজনে কৈ গ'ল কেনেকৈ সি তাৰ বৰমাকৰ ঘৰৰ পদূলিৰ জপনাখনতে মূৰ দি থিয় হৈ আছিল। বৰমাকে বিপদৰ সকলো সম্ভাৱনাক আওকাণ কৰি এজন অপৰিচিত যুৱকক কিদৰে ঘৰৰ ভিতৰলৈ একপ্ৰকাৰ দাংকোলাকৈ নি চুবুৰীৰ সকলোকে খবৰ দিলে।

সঁচাকৈয়ে, এই মানুহগৰাকীৰ মানুহৰ প্ৰতি থকা সহমৰ্মিতা উজ্বল এটা আভাৰ দৰে জিলিকি আছে মুখাৱয়বত। তেওঁ কৰা এই সহায়ৰ বাবেহে যে তাক এনেদৰে জীৱিত অৱস্থাত উদ্ধাৰ কৰিব পাৰিলে, সেইটো সি বুজি পালে। এগৰাকী মাতৃৰ দৰে তেওঁ তাক বাৎসল্য প্ৰেমেৰে বুৰাই পেলালে। সি তেওঁক কৃতজ্ঞতা জনাবলৈ গৈও উপযুক্ত ভাষা বিচাৰি নাপায় ৰৈ গ'ল। হয়, তেওঁক ধন্যবাদ জনোৱাৰ বাবে উচিত ভাষা তাৰ জ্ঞাত শব্দসম্ভাৰত অনুপস্থিত। ক'ব খুজিও একো ক'ব নোৱাৰিলে। কেৱল কৃতজ্ঞচিত্তে উষ্ণ নয়নেৰে চাই ৰ'ল, সৰলপ্ৰাণা সেই মহীয়সী নাৰীগৰাকীলৈ।

তেওঁৰ মাজত সি তাৰ মাকক আৱিষ্কাৰ কৰিলে। মাকৰ কাতৰ আৰু বেদনাহত অৱস্থাক চূড়ান্তভাৱে অৱহেলা কৰি সি এদিন ঘৰৰ পৰা ওলাই আহিছিল। লক্ষ্যৰ বহুমুখিতাত সি এজন নাৱিকৰ দৰে মাজ সাগৰত সি কক্‌বকাই থাকিলেও উভতি যোৱাৰ সকলো পথ তাৰ বাবে এতিয়া বন্ধ হৈ গৈছে। এক নীতিহীন নীতি সাৱোগত কৰি যে মিছা আস্ফালন চলাইছে, সেইটো সি বুজি পাইছে। তাৰ কি নাছিল। অসম আৰু অসমীয়াক, মানুহ আৰু দেশক ভালপোৱাৰ যুক্তিৰ গাত ভেজা দি সেইবোৰক চূড়ান্তভাৱে প্ৰতাৰণা কৰিলে। তাৰ দুৰন্ত যৌৱনক সি অসমৰ বাবে ত্যাগ কৰিব পাৰিব লাগিছিল। অসমৰ উন্নতিৰ বাবে জাগ্ৰত কৰিব পাৰিব লাগিছিল তাৰ দৰে হাজাৰজনক। তাৰ পৰিৱৰ্তে সিহঁতে সকলোৰে সন্মুখত দাঙি ধৰিলে অনিশ্চিত এক ভৱিষ্যৎ। সিহঁত পৰিণত হ'ল এটা অবুজ সাঁথৰলৈ। সিহঁত ত্যাগী, সাহসী সিহঁত, কিন্তু ত্যাগ আৰু সাহসক সিহঁতে সাগৰক ভেঁটা দিয়া কামত প্ৰবৃত্ত কৰালে।

মাকৰ দৰে এগৰাকী মাতৃৰ সান্নিধ্যই তাক তাৰ পৰা লৈ গ'ল বহু দূৰলৈ — বহু দূৰলৈ। আঁজলি পাতি সি পান কৰিবলৈ ধৰিলে। তাৰ শৈশৱ, কৈশোৰ আৰু প্ৰথম যৌৱনৰ ৰঙীন দিনবোৰ। ইবিলাকক সি এই দুখন হাতেৰেই হত্যা কৰিছিল। এপদ এপদকৈ তাৰ সৰলতাৰ পোছাকবোৰ খুলি ধাৰণ কৰিছিল ব্ৰজকঠিন এখন হৃদয় - যিখন হৃদয়ে পাহৰি পেলাইছিল ফুলৰ সৌন্দৰ্য আৰু গোন্ধ।

তাৰ কঁকালত সি এক তীব্ৰ বিষ অনুভৱ কৰিলে। ৰিভল্‌ভাৰটো তেতিয়াও তাৰ কঁকালতে আছিল আৰু তাৰ অজ্ঞাতে আঘাত কৰি ই ঘাৰ সৃষ্টি কৰিছিল। ৰিভল্‌ভাৰটো উলিয়াই থলেহে যে তাৰ বিষ কিছু উপশম পাব, সেইয়া সি জানে। কিন্তু এগৰাকী মাতৃৰ সন্মুখত ৰিভল্‌ভাৰটো দেখুওৱা কাম যে অতি পাশৱিক, সেই কথা অনুভৱ কৰিব পৰাকৈ তাৰ মননশক্তি তেতিয়াও আছিল। সহ্যই কৰিব, তাৰ বাহিৰে গত্যন্তৰ নাই। সি ওপৰলৈ মূৰ কৰি পৰি থাকিল। মহীয়সী নাৰীগৰাকী তাৰ ওচৰলৈ আহি মূৰত হাত বুলাই দিলে। স্পৰ্শৰ কি অপূৰ্ব তৃপ্তি। বহুত দিনৰ পৰা মনৰ মাজত কঢ়িয়াই ফুৰা এক তৃষ্ণা পূৰ্ণ হ'ল। এই স্পৰ্শই তাক এফালেদি দান কৰিলে অপৰিসীম আনন্দ আৰু আনফালেদি কাৰুণ্যৰে ওপচাই পেলালে তাক। যদিও কাৰুণ্য, এনে কাৰুণ্যতো আছে অভিনৱ মাদকতা। প্ৰতিদিনেই এনে বিষাদে তাক আৱৰি থাকক, সি তাকেই কামনা কৰিলে।

'মা' - তাৰ অজ্ঞাতে মুখৰ পৰা শব্দটো ওলাই গ'ল। যিটো শব্দৰ বাস্তৱ মহত্ব সি ইমান দিনে অনুভৱ কৰিব পৰা নাছিল। দুটোপাল চকুলো তাৰ কপালত পৰিল।

ঃ আপোনাক 'মা' বুলিলত বেয়া পাইছে? —গম্ভীৰ স্বৰেৰে ক'লে সি?

কোনো উত্তৰ নিদি তেওঁ হুকহুকাই কান্দিবলৈ ধৰিলে। সি একো বুজি নাপালে। ইতিমধ্যে তেৰ-চৈধ্য বছৰীয়া ছোৱালী এজনীয়ে বৰমাকক বহুৱাই দিলে। মানুহবোৰে তাৰ নামটো সুধিলে।

ঃ কি নাম তোমাৰ?

সি যেন পাহৰিয়েই গৈছিল তাৰ যে এটা নাম আছে, ঠিক তেনেকুৱা সুৰত সি আশ্চৰ্যৰে তেওঁলোকলৈ চালে। তাৰ পিছত সামান্য সহজ হৈ ক'লে।

ঃ অৰূপ, অৰূপ হাজৰিকা।

নামটো কোৱাৰ পিছত সি চিন্তা কৰিলে, তাৰ কোনটো নাম ক'লে...

মানুহবোৰে তেৰ-চৈধ্য বছৰীয়া ছোৱালীজনীক থৈ ঘৰাঘৰি গ'ল। ছোৱালীজনীক সি বন্দনা বুলি মতা শুনিছিল। বৰমাকৰ কান্দোন কিন্তু বন্ধ নহ'ল। এজনী সৰু ছোৱালীৰ দৰে উচুপি উচুপি তেওঁ কান্দি থাকিল। সি বিব্ৰত হ'ল। বিছনাৰ পৰা নামি সি লাহে লাহে গৈ তেওঁৰ ওচৰত বহিল। তেওঁৰ মূৰত হাত ফুৰাই দিলে। তাৰ চকুৰেদিও পানী নিগৰিছিল।

ঃ আপুনি কিয় কান্দিছে? মই 'মা' বুলিলত...। —সি লাহেকৈ সুধিলে মানুহগৰাকীক।

ঃ তুমি মোক 'মা' বুলি কোৱা এবাৰ দুবাৰ নহয়; হাজাৰবাৰ... —তেওঁ পুনৰ কান্দিবলৈ ধৰিলে। সি একো নক'লে। তেওঁৰ মুখলৈ মাথো চাই ৰ'ল।

কিছু সময়ৰ পিছত তেওঁ প্ৰকৃতিস্থ হ'ল। 'তোমাৰ বাবে খোৱাৰ যোগাৰ কৰোঁগৈ' বুলি আঁতৰি গ'ল তেওঁ। তেওঁৰ কান্দোনৰ কাৰণ জানিবলৈ তাৰ অদম্য ইচ্ছা হ'ল। কিয় কান্দিছিল তেওঁ? 'মা' শব্দটোত এনে কি ৰহস্যময়তা আছে - যি তেওঁৰ অন্তৰত বিষাদৰ অনুৰণন তোলে? তেওঁৰ মনত কষ্ট দিব বুলি জনা হ'লে সি কেতিয়াও তেওঁক এনে সম্বোধন নকৰিলেহেঁতেন।

তাৰ জীৱনদায়িনী এগৰাকী মাতৃয়ে তথা দেৱীয়ে দুখ পোৱাটো সি কেতিয়াও কামনা কৰিব নোৱাৰে।

ঃ 'বন্দনা' - এতিয়াও তাত থিয় দি তাৰ ফালে সন্দিগ্ধ দৃষ্টিৰে চাই থকা ছোৱালীজনীক মতাৰ লগে লগে তাই ওচৰ চাপি আহিল।

ঃ বৰমাই কিয় কান্দিছিল জানানে?

আৰে। তাইতো তাৰ মনৰ ভাৱ বুজিয়ে পালে। সি তাইক ইয়াকে সুধিবলৈ মাতোতেই তাই বিনা প্ৰশ্নই যেন উত্তৰ দি গ'ল।

বন্দনাৰ যোগেদি সি সকলো জানিলে। জীৱনৰ আদি ভাগৰ পৰাই অসহনীয় এক বোজা মানুহগৰাকীয়ে কঢ়িয়াবলগা হ'ল। দহোটা বছৰ মাথো সাংসাৰিক জীৱন কটালে তেওঁলোকে। পিতৃহাৰা ল'ৰাটোক গঢ়ি তুলিলে নিজে উপাৰ্জন কৰি। এটাই মাথো লক্ষ্য - দেউতাকৰ আশাৰ ডাঙৰ মানুহ আৰু প্ৰকৃত মানুহ কৰি গঢ়ি তোলা। তিল তিলকৈ কষ্ট কৰি প্ৰশস্ত কৰিলে তাৰ ভৱিষ্যৎ। তাক প্ৰকৃত মানুহ কৰি গঢ়ি তুলিলে। ভগৱানৰ যেন তেওঁলোকৰ সুখ সহ্য নহ'ল। চাকৰিত যোগদান কৰা এমাহৰ পিছত সিদিনা মহানগৰীত হোৱা বোমা বিস্ফোৰণটোত তেওঁৰ পুত্ৰ অভিনৰ বৰুৱাই এই পৃথিৱীৰ পৰা চিৰবিদায় ল'লে। অনাকাংক্ষিত এটা সত্যই তেওঁৰ জীৱনটোক বিষময় কৰি তুলিলে।

তাৰ সৰ্বশৰীৰত যেন জুই জ্বলিবলৈ ধৰিলে। জুইৰ এই উত্তাপত সি যেন কিছু সময়ৰ ভিতৰতে গলি গলি নিঃশেষ হৈ যাব। তাৰ অস্তিত্ব বহন কৰি থকা সকলো অংগ যেন বিকল হৈ পৰিব— তাৰ তেনে বোধ হ'ল।

সেইদিনাও সি এডৰা অৰণ্য পাৰ হৈছিল; এতিয়াতকৈও ডাঠ হাবি। ৰাতিৰ গাঢ় আন্ধাৰৰ পিছে পিছে সি দৌৰিছিল—ঠিক এতিয়াৰ দৰে। বন্যজন্তুৰ দৰে উদ্ভ্ৰান্ত হৈ উঠিছিল। সি কৃতকাৰ্যতাৰ উন্মাদনাত সকলো পাহৰি পেলাইছিল— আনকি নিজকো।

ঘপহকৈ উঠি সি দুৱাৰখন খুলি ওলাই গ'ল। পাকঘৰত তাৰ বাবে আহাৰ তৈয়াৰ কৰি থকা মাতৃগৰাকীক, আনকি তাৰ সন্মুখতে থকা বন্দনাকো একো নক'লে। বাহিৰত গভীৰ আন্ধাৰ। আন্ধাৰ ৰাতি কিমান ভয়াৱহ হৈ উঠিব পাৰে, আজিহে অনুভৱ কৰিলে সি।

সি ভালকৈ জানে, নিঃশব্দে এনেকৈ গুচি আহি সি অভিনৱৰ মাকক অত্যন্ত আঘাত দিলে। কিন্তু সি 'মা' বুলি সম্বোধন কৰাৰ পিছত, তেওঁক মনৰ অভ্যন্তৰত মাতৃৰ মহান আসন প্ৰদান কৰাৰ পিছত কেনেদৰে ক'ব যে তেওঁৰ পুত্ৰ অভিনৱ নিহত হোৱা বিস্ফোৰণটো তাৰ দ্বাৰা সংঘটিত হৈছে। কিদৰে তেওঁৰ মুখামুখি হৈ তেওঁক ক'ব যে তেওঁৰ জীৱনত আন্ধাৰৰ ৰং ঢালি দিয়া বৰ্বৰটো আন কোনো নহয় —সি।

এনে সৎ সাহস থকা হ'লে সিহঁত সকলোৰে বাস কৰিব পাৰিলেহেঁতেন এখন মানুহৰ পৃথিৱীত।

❖❖❖

# সপোনৰ ৰং

● পৰিস্মৃতা কাকতি
দ্বিতীয় যান্মাসিক
শিক্ষাতত্ত্ব বিভাগ



শীতৰ কোমল ৰ'দজাক আহি উপ-আৰক্ষী অধীক্ষক নমিতাৰ চৰকাৰী বাসগৃহৰ বাৰাণ্ডাত পৰিছেহি। ৰ'দৰ আমেজকণ লৈ বাৰাণ্ডাৰ বেতৰ চকীখনত বহি মাজে মাজে চাহৰ কাপত চুমুক দি বাতৰি কাকতখনত চকু ফুৰাইছে নমিতাৰ বায়েক ভিটালীয়ে। নমিতাও ভিতৰৰ পৰা আহি কাষৰ চকীখনতে বহিলহি। তাইৰ হাতত এটা চৰকাৰী ফাইল। বাইজনীয়ে তাইকো চাহ কাপ দি গ'লহি।

'ৰাতিপুৱাই চৰকাৰী ফাইলটো লৈ নবহিলে নহয় নে?' ভিটালীয়ে বাতৰি কাকতৰ পৰা মূৰ নোতোলাকৈয়ে ক'লে।

'তয়েইতো মোক পুলিচৰ চাকৰিত সোমোৱাইছিলি, এতিয়া এনেকুৱা দুই-এটা কথা সহ্য কৰিবই লাগিব আৰু...।" তাই মিচিকিয়া হাঁহি এটা মাৰি ধেমালিৰ সুৰেৰে বায়েকক ক'লে।

কথাষাৰ কৈ শেষ হ'ল কি নহ'ল ভিটালীৰ ম'বাইলটো বাজি উঠিল— 'হ'ব হ'ব ছাৰ, আমি সকলো তথ্য-পাতি এটা সপ্তাহৰ ভিতৰতে আপোনাৰ মেইলত পঠাই দিম। ছাৰ... মই ছাৰ আমাৰ জিলাৰ বিশটা এন. জি. অ'.ৰ নাম আপোনাক এতিয়াই দি আছোঁ...' কাণত ম'বাইলটো লগায়ে তাই ভিতৰলৈ সোমাই গ'ল।

নমিতাই হাঁহিলে। এটা এন. জি. অ'.ৰ সঞ্চালিকা হিচাপে বায়েক ভিটালীও তাইৰ দৰে আৰক্ষী বিষয়াতকৈও কম ব্যস্ত নহয়। মাথো কেইটামান দিনৰ বাবেহে তাই নমিতাৰ চৰকাৰী বাসগৃহত আছেহি। বিয়া বাৰুৰ কথাও চিন্তা নকৰিলে বায়েকে। তাই বাৰু নিজৰ কথা চিন্তা কৰিবলৈ সময়েই বা পালে ক'ত। এতিয়া তাইকহে বিয়াৰ বাবে মাহেকত এবাৰকৈ সকীয়াই থাকে। এইজনীয়ে সেইজনী বায়েক যি তাইক বুকুৰ উম দি পিতৃ-মাতৃৰ মৰমেৰে আৱৰি ৰাখিছে।

নমিতা তেতিয়া একেবাৰে সৰু। বায়েক ভিটালীয়ে মেট্ৰিক পাছ কৰিছিল। সৰুৰে পৰা তাই বৰ মেধাৱী আছিল। একেখন স্কুলতে শিক্ষয়িত্ৰী কৰা মাকে তাইক লৈ গৌৰৱবোধ কৰিছিল। হঠাতে সিহঁতৰ পৰিয়ালটোলৈ অন্ধকাৰ নামি আহিছিল। এদিন মাকে স্কুলৰ পৰা আহি থাকোতে ৰাস্তাতে মুৰ্চ্ছা গৈ ঢলি পৰিল। চিকিৎসালয় পোৱাৰ পূৰ্বে সেইদিনাই মাকে মৃত্যুক আঁকোৱালি লৈছিল। কণমানি নমিতাই কিন্তু একেবাৰে অনুভৱ কৰিব পৰা নাছিল। মাকৰ মৃত্যুৰ পাছত সিহঁত বৰ অকলশৰীয়া হৈ পৰিছিল। দেউতাকে খেতি কৰি যিকেইটা টকা উপাৰ্জন কৰিছিল, আটাইকেইটা ভিটালী আৰু নমিতাৰ প্ৰতিপালনতে শেষ হৈছিল। ছোৱালী দুজনীয়ে যাতে কোনো কাৰণতে অলপো কষ্ট নাপায় আৰু মাকৰ অনুপস্থিতি অনুভৱ কৰিব নোৱাৰে তাৰ বাবে তেওঁ যথেষ্ট ত্যাগ স্বীকাৰ কৰিছিল। বিপদে কিন্তু নমিতাহঁতক লগ এৰা নাছিল। হঠাতে এদিন দেউতাকৰ প্ৰেচাৰ ষ্ট্ৰ'ক হৈছিল। চিকিৎসকে বহু চেষ্টা কৰিও দেউতাকক মৃত্যুৰ মুখৰ পৰা ঘূৰাই আনিব নোৱাৰিলে। কলেজৰ ছাত্ৰী বায়েক মূক হৈ পৰিছিল। নমিতা তেতিয়া মাথো দ্বিতীয় শ্ৰেণীহে পাইছিলগৈ।

কণমানি ভনীয়েকজনীৰ লগতে নিজৰ কথাও চিন্তা

কৰি ভিটালীৰ সৰু হৃদয়খন কঁপি উঠিছিল। তথাপি সময়ৰ সৈতে খোজ মিলাই ভিটালী আগবাঢ়ি গ'ল। এখন কিতাপ কিনাটোও এটা সমস্যা হৈ থিয় দিছিলহি। তেনে ক্ষেত্ৰত ভনীয়েকক ভিটালীয়ে কেনেদৰে উচ্চ শিক্ষাৰে শিক্ষিত কৰিব। তাইৰ চিন্তাৰ আঁত হেৰাইছিল। তাই এটা সিদ্ধান্তত উপনীত হৈছিল, যিকোনো প্ৰকাৰে ক'ৰবাত সৰুসুৰা কাম কৰি হ'লেও ভনীয়েকক তাই 'মানুহ' হিচাপে সমাজত প্ৰতিষ্ঠিত কৰিবই। দুয়োজনী ছোৱালীকে ডাঙৰ মানুহ কৰাৰ মাক-দেউতাকৰ সপোন আছিল। ভিটালীয়ে নিজে নোৱাৰিলেও ভনীয়েকক তাই ভালকৈ পঢ়াই মাক-দেউততাকৰ সপোন বাস্তৱত ৰূপ দিবই।

ভিটালীয়ে নমিতাক মানুহ কৰাৰ স্বাৰ্থত মিছাৰ আশ্ৰয় লৈছিল। নমিতাক তাই মিছাকৈয়ে কৈছিল, তাই এগৰাকী চিকিৎসক। গতিকে ইমান টকা-পইচা থাকোতে তাই যাতে পঢ়াত কেতিয়াও অৱহেলা নকৰে। তাইও বায়েকৰ দৰে এজন চিকিৎসক হ'ব লাগিব। নমিতাইও ডাক্তৰ হোৱাৰ চেষ্টাৰে মনপুতি পঢ়া-শুনা কৰিছিল। তাই মাক-দেউতাকৰ অনুপস্থিতি একেবাৰেই অনুভৱ কৰা নাছিল। ইমান মৰমেৰে তুলিছিল তাইক। নমিতাৰ বাবে কি কৰা নাই বায়েকে— কেতিয়াবা ৰেষ্টুৰেণ্ট, কেতিয়াবা কাপোৰৰ দোকান, কেতিয়াবা পাৰ্লাৰত কাম কৰিছিল। তেনেকৈয়ে ভনীয়েকৰ সকলো অভাৱ পূৰণ কৰিছিল। নিজৰ দৰে ভনীয়েকৰ জীৱনটোত যাতে আধৰুৱা নহয় তাৰবাবেই হয়তো পুৱা-গধূলি বহু সময় ধৰি তাই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিল।

সেইদিনা আছিল সোমবাৰ। দিনটোৰ বাবে ওলাই যাবলৈ সাজু হৈছে দুয়োজনী। নমিতাই ভাৱে, বায়েকে বাৰু তাই চাকৰি কৰা চিকিৎসালয়খনলৈ কিয় নমিতাক যাবলৈ নিদিয়ে। তাই মন বান্ধিলে, তাই লুকাই-চুৰকৈ হ'লেও আজি যাবই। ভিটালীয়ে নমিতাক স্কুলৰ গেটৰ সন্মুখত থৈ আঁতৰি যোৱাৰ প্ৰায় লগে লগে তাই বায়েকৰ পিছ লৈছিল। এটা সময়ত তাই আচৰিত হ'ল — এয়া কি। বায়েকে দেখোন ৰেষ্টুৰেণ্ট এখনত সোমাই পিছফালে গৈ আনে খাই এৰি থৈ যোৱা প্লেটবোৰ ধুই আছে। এয়া কি? তাই যেন চিঞৰি চিঞৰি কান্দি দিব। প্ৰয়োজনতকৈ অধিক জোৰেৰে তাইৰ মুখৰ পৰা ওলাই আহিল - 'বা, তই এয়া কি কৰিছ?' বায়েকে ঘূৰি চাই আচৰিত হ'ল। স্কুলত এৰি থৈ অহা ভনীয়েক ইয়াত কেনেকৈ? এইবাৰ ভিটালী তাইৰ ওচৰলৈ উঠি আহিল। মুখেৰে একো নকৈ দুয়োজনীয়ে পৰস্পৰক সাৱটি মাথো কান্দিবলৈ ধৰিলে। এই মৰ্মান্তিক দৃশ্যৰ মাথো সাক্ষী হৈ ৰ'ল ৰেষ্টুৰেণ্টৰ মালিকজন।

সেইদিনা তাই স্কুললৈ যাব বিচৰা নাছিল। কিন্তু বায়েকে কৈছিল— 'তোৰ বাবেই মই ইমান কষ্ট কৰিছোঁ, মিছা কথা কৈছোঁ। তই আজি স্কুললৈ নগ'লে মই বৰ দুখ পাম নমি।' তাই চকুপানী মোহাৰি মোহাৰি স্কুল ওলাইছিলগৈ। সেইদিনা স্কুলত তাইৰ ভালকৈ মন বহাই নাছিল। কিন্তু তাই পিছমুহূৰ্ততে মন বান্ধিছিল বায়েকৰ সপোন পূৰণ কৰিবলৈ। ডাক্তৰ হ'ব নোৱাৰিলেও বায়েকৰ ধৈৰ্য, সাহস, ত্যাগ, দৃঢ়তাৰ বলত তাই আজি এগৰাকী সু-নাগৰিক হিচাপে সমাজত প্ৰতিষ্ঠিত এগৰাকী উচ্চ পদস্থ আৰক্ষী বিষয়া। চাকৰি জীৱনৰ সময়ছোৱাত বিভিন্ন সময়ত উদ্ভৱ হোৱা বিভিন্ন অনাকাংক্ষিত পৰিস্থিতিত আজিও ভিটালীয়ে তাইৰ কাষত ছাঁৰ দৰে থিয় দিয়ে। ভাগি পৰা তাইৰ মনটো পুনৰ সাহসী হৈ উঠে।

'অ'ই, চাকৰিলৈ নেযাৰ নেকি?' হঠাতে বায়েকে আহি নমিতাৰ কাষত থিয় হৈ কথাষাৰ কোৱাত তাই এক প্ৰকাৰ উচপ্ খাই উঠিল। তাইক আধা খোৱা চাহৰ কাপটোৰ ফালে চাই বায়েকে পুনৰ ক'লে — 'চাহকাপো সম্পূৰ্ণকৈ খাবলৈ সময় নাই নে তোৰ?'

'যাওঁ যাওঁ, দেৰিয়েই হ'ব এতিয়া। বাইৰ ভাত হ'লনে বাৰু? - চলচলীয়া হৈ থকা চকু দুটা লুকুওৱাৰ ইচ্ছাৰে নমিতাই লাহেকৈ উঠি গ'ল।

ভিটালীয়ে পিছফালৰ পৰা নমিতা যোৱাৰফালে চাই ৰ'ল। তাইৰ মুখত হাঁহিৰ ৰেখা এডাল ফুটি উঠিল। সৰুৰে পৰা কোলাই-বোকোচাই লৈ ডাঙৰ কৰা ছোৱালীজনী ইমান ডাঙৰ হ'ল যে তাই ইচ্ছা কৰিলে ভিটালীৰ পৰা তাইৰ চকুলো দুটোপাল লুকুৱাব পাৰিব।

নমিয়ে হয়তো নাজানে, নিঃসংগ মুহূৰ্ত কিছুমানত ভিটালীয়েও দেখোন এনেকৈয়ে মনটো শাঁত পেলায়।❖❖❖

গল্প



# মাজনিশাৰ উচুপনি

● **প্লাৱিতা ফুকন**
চতুৰ্থ ষান্মাসিক
ইংৰাজী বিভাগ

মই নতুন হোষ্টেলটোলৈ অহা বেছিদিন হোৱা নাই। এটা 'ৰিজনেবল প্ৰাইচ'ত ইমান সা-সুবিধাযুক্ত হোষ্টেলটো পাই নিজকে সৌভাগ্যশালীৰ দৰেই লাগিছে। তিনি তলাৰ হোষ্টেলটোৰ গ্ৰাউণ্ড ফ্লৰ'ত হোষ্টেলৰ মালিক খুৰা-খুৰী থাকে আৰু ওপৰৰ ফ্ল'ৰ দুটাত আছিল আমাৰ হোষ্টেল। মোৰ ৰুমটো আছিল একেবাৰে ওপৰ মহলাত।

খুউব কম দিনৰ ভিতৰতেই হোষ্টেলৰ আন আবাসীসকলৰ লগত মোৰ এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল। মোৰ লগতে মীৰাও একেলগে এই হোষ্টেললৈ আহিছিল। ছোৱালীজনী অস্বাভাৱিকভাৱে গহীন বুলি প্ৰথম দেখোতেই অনুমান কৰিছিলো। মই আৰু মীৰাই একেলগে এই হোষ্টেলত পদাৰ্পণ কৰিছিলো যদিও তাইৰ লগত মোৰ আন ছোৱালীবোৰৰ লগত থকাৰ দৰে এটা সহজ সম্পৰ্ক গঢ়ি উঠা নাছিল। মোৰ অনুভৱ হৈছিল মোৰ উপস্থিতি যেন তাই ভাল নাপায়। কেতিয়াবা মই তাইক

উপযাচি মাতিবলৈ ল'লেও তাই মুখ ঘূৰাই আঁতৰি যায়। মই ভাবিছিলো মোক হয়তো তাই কিবা কথাত বেয়া পাইছে। কিন্তু লাহে লাহে গম পাইছিলো আন কেইবাজনী ছোৱালীও তাইৰ পৰা একে ব্যৱহাৰৰেই সন্মুখীন হৈছে। বহুকেইদিন মই কিবা কাম কৰি থাকোতে মীৰাই মোলৈ খঙাল দৃষ্টিৰে চাই থকাত মোৰ লগতে মোৰ কেইবাজনীও বান্ধৱীৰ চকুত ধৰা পৰিছে।

মীৰাৰ ৰুমমেট আছিল আকাংক্ষা। আকাংক্ষা মই আৰু মীৰা অহা প্ৰায় এমাহমানৰ পাছতহে হোষ্টেললৈ আহিছিল। তাৰ আগলৈকে মীৰাৰ ৰুমত আমাৰ প্ৰৱেশ ঘটা নাছিল। কাৰণ ৰুমটোৰ দৰ্জা প্ৰতি মুহূৰ্ততে বন্ধ হৈ আছিল।

আকাংক্ষাৰ লগত মোৰ এটা ভাল বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল। এদিন ৰাতি আকাংক্ষাৰ মাত শুনি দুৱাৰ খুলি দিয়াত আকাংক্ষা আমাৰ ৰুমলৈ সোমাই আহিল। তাইৰ মুখত আতংকৰ চিন স্পষ্ট। তাই মাত্ৰ এষাৰেই কথা ক'লে যে তাই আৰু সেইটো ৰুমত থাকিব নোৱাৰে। মই আৰু মোৰ ৰুমমেট নেহাই তাইক বহুবাৰ সোধাৰ পাছত তাই ক'লে যে মীৰা প্ৰায় ৰাতি ৰুমত নাথাকে। কেইদিনমান তাই মীৰাক বিচাৰি গৈ আৱিষ্কাৰ কৰিছে বেলকনিত। যেন মীৰাই কাৰোবাৰ লগত খুউব অন্তৰংগভাৱে কথা পাতিছে। অথচ চাৰিফালে চকু ফুৰাইও আকাংক্ষাই মীৰাৰ লগত কাকো দেখা নাপালে। আকৌ কেতিয়াবা মাজৰাতি হঠাৎ সাৰ পাই আকাংক্ষাই দেখে যে মীৰাই সন্মুখৰ নিজৰ বিচনাত বহি আকাংক্ষালৈ একেথৰে চাই আছে। কি হ'ল বুলি সুধিলে মীৰাই একো নকৈ মাথো শুই পৰে।

আমি প্ৰায় সকলোৰে কিছুদিন আগৰ পৰা মীৰা কোনো মানসিক ৰোগত ভুগিছে বুলি অনুভৱ কৰিছিলো। এতিয়া আমাৰ বিশ্বাস সত্য প্ৰমাণিত হোৱাত আকাংক্ষাকো একে কথা কৈ সেইদিনাৰ বাবে আমাৰ ৰুমতে শুই থাকিবলৈ ক'লো। কিন্তু আকাংক্ষাই বাৰে বাৰে কৈ থাকিব ধৰিলে যে মীৰাৰ নিশ্চয় মানসিক ৰোগতকৈ ভয়ানক সাংঘাতিক কিবা এটা হৈছে। ময়ো তাইৰ কথাৰ হেস্তনেস্ত কৰিবৰ বাবে পাছদিনা তাইৰ ৰুমত থাকিম বুলি কথা দিলো।

পাছদিনা মই আকাংক্ষাৰ ৰুমত থাকিলো। মই আৰু আকাংক্ষা এখন বিছনাত আৰু আনখনত মীৰা। মাজৰাতি আকাংক্ষাৰ চিকুটত সাৰ পাই দেখো আকাংক্ষা বিছনাত বহি আছে। তাইৰ মুখ দেখিয়েই গম পালো যে তাই অত্যন্ত ভয় খাইছে। মই বিছনাত উঠি বহাত দেখিলো যে সন্মুখৰ বিছনাত মীৰা বহি আছে। তাইৰ চাৰনি নিষ্পলক আৰু কঠোৰ যেন জীৱন্ত পুতলা। হাতত এডাল মমবাতি, যাৰ পোহৰত মীৰা আৰু আকাংক্ষাৰ মুখ কেইখন জিলিকি উঠিছিল। মই যথেষ্ট সাহস কৰি মীৰাক মাতিলো, কিন্তু তাইৰ পৰা একো উত্তৰ নাপালো। দুবাৰমান মতাৰ পাছত কোনো কঠোৰ তপস্যা ভংগ কৰিলে উঠা খঙৰ খঙাল দৃষ্টিৰে মীৰাই আমাৰ ফালে চালে। এইবাৰ আকাংক্ষাই সাহসেৰে সুধিলে— "মীৰা তোমাৰ কি হৈছে?" মীৰাই খঙেৰে ক'লে—"মোক আমনি দিছা কিয়? তোমালোকৰ বন্ধুৰ লগত কথা পাতিলে মই আমনি দিওঁ নেকি? মোক শান্তিৰে নূপুৰৰ লগত কথা পাতিবলৈ দিয়া।" তেতিয়া মই ক'লো, "মীৰা, তুমি পাগল হৈছা নেকি? কোন নূপুৰৰ কথা কৈছা তুমি? এতিয়া তোমাৰ ওচৰলৈ কোন আহিব?" তেতিয়া মীৰাই এক তাচ্ছিল্যৰ হাঁহি মাৰি ক'লে, "পাগল মই নহয়, তুমিহে। মোৰ বন্ধুৰ অস্তিত্ব আছে, যাৰ অস্তিত্ব তোমাৰ দৰে নিষ্প্ৰাণ পাৰ্থিৱ মূৰ্ত্তিৰ আগত ধূপ জ্বলাই প্ৰাৰ্থনা কৰা মানুহে অনুভৱ কৰিব নোৱাৰে। তুমি মোক নূপুৰ কোন সুধিছা? এয়া তাই মোৰ সন্মুখত বহি আছে। তোমালোকৰ মাজত তাই সদায় থাকে।" তাৰ পাছত মীৰা বিছনাৰ পৰা উঠি বাহিৰলৈ গুচি গ'ল। আৰু মই তাই ওলাই যোৱাৰ ফালে অপলক নেত্ৰে চাই থাকিলো। পিছ মুহূৰ্ততে মই আৰু আকাংক্ষা দৌৰি আহি মোৰ ৰুম পালোহি। সেইদিনা গম পালো তাই মোক বেয়া পোৱাৰ কাৰণ কি?

পিছদিনা আমি সকলোৰে গৈ হোষ্টেলৰ গৰাকী, খুৰাক কথাবিলাক ক'লো। খুৰা-খুৰীয়ে অতি সোনকালে হোষ্টেল খালী কৰি গুচি যাব ক'লে। মীৰা গুচি গ'ল। কিন্তু আকাংক্ষাই তাইৰ টেবুলত আৱিষ্কাৰ কৰিলে এখন সৰু কাগজ য'ত লিখা আছিল—

"মই গুচি যাম। কিন্তু নূপুৰ থাকি যাব। কাৰণ তাই সদায় ইয়াতেই আছিল। তাই এই ঠাইৰ প্ৰকৃত আবাসী। তোমালোক নহয়। তোমালোকৰ বেদখলত তাই ইতিমধ্যে যথেষ্ট অসন্তুষ্ট।

—মীৰা"

লগে লগেই আমাৰ মাজত হুৱা-দুৱাৰ সৃষ্টি হ'ল। নূপুৰ কোন? কিয় তাই এই হোষ্টেলৰ প্ৰকৃত আবাসী? কথাবিলাক খুৰা-খুৰীক সোধাত তেওঁলোকে যথেষ্ট চিন্তাক্লিষ্ট মুখেৰে এইবিলাক একো নহয় বুলি ক'লে।

সেইদিনা ৰাতি আমি সকলোৰে ভয় আতংকত সোনকালে শুই পৰিলো। কিন্তু ৰাতি মোৰ ৰুমমেট নেহাই মোক উঠোৱাত মই সাৰ পালো। তাই মোক মনে মনে থাকিবলৈ ইংগিত দি ভালদৰে শুনিবলৈ ক'লে। আমাৰ

ৰুমটো আছিল কৰিডৰটোৰ একেবাৰে শেষত আৰু বাথৰুমটোৰ একেবাৰে ওচৰত। কিন্তু বাথৰুমটো কোনো কোঠাৰ লগতে সংযোগী নাছিল। মই ভালদৰে কাণ দিয়াত শুনিলো কোনোবাই যেন বাথৰুমটোৰ ভিতৰত কান্দিছে। খুউব কৰুণ সেই উচুপি উচুপি কন্দাৰ শব্দ। যেন অন্তৰংগ বন্ধুৰ বিচ্ছেদত ভাগি পৰিছে কাৰোবাৰ হৃদয়। অলপ দেৰিৰ পাছত সেই কান্দোন বন্ধ হ'ল। তাৰ পাছত আৰম্ভ হ'ল বাথৰুমত কোনোবাই গা ধোৱাৰ শব্দ। টেপ খোলা, বাল্টি ইফাল-সিফাল কৰাৰ শব্দ। আগতেও আমি বাথৰুমত ৰাতি কোনোৱাই গা ধোৱা শব্দ শুনিছিলো। কিন্তু এইবিলাকৰ প্ৰতি বিশেষ কাণ দিয়া নাছিলো। কিন্তু, আজি যেন ঘটনাবোৰে এক নতুন অৰ্থ ধাৰণ কৰিছে। অলপ দেৰিৰ নিস্তব্ধতাৰ পাছত অনুমান হ'ল কোনোবাই যেন কৰিডৰেদি খোজ কাঢ়ি আহি আমাৰ ৰুমৰ ওচৰত ৰৈছেহি। তাৰ পাছত ধীৰে ধীৰে সেই খোজ বেলকনিৰ ফালে যেন আগবাঢ়ি গৈছে। তাৰ পাছত সকলো নিস্তব্ধ।

ৰাতিপুৱা সকলোৰে মুখত ভয়ৰ চিন স্পষ্ট ৰূপত দেখা পালো। কাৰণ আমি সকলো নিশ্চিত আছিলো যে সেই সময়ত হোষ্টেলৰ কোনো ছোৱালী বাথৰুমলৈ যোৱা নাছিল। সেইদিনা খুৰা-খুৰীক আমি জেৰা কৰাৰ দৰে প্ৰশ্ন সোধাত তেওঁলোকে সকলো কথা ক'বলৈ বাধ্য হ'ল। সেয়া আছিল পোন্ধৰ বিশ বছৰ আগৰ কথা। ঘৰটোৰ মালিক আছিল প্ৰতিপত্তিশীল ব্যৱসায়ী অৰুণ মহন্ত, খুৰাৰ দেউতাক। খুৰা অধ্যয়নসূত্ৰে তেতিয়া অসমৰ বাহিৰত আছিল। ঘৰত আছিল খুৰাৰ মাক-দেউতাক, একমাত্ৰ ভনীয়েক আৰু পেহীয়েক। খুৰাৰ ভনীয়েক নূপুৰ আছিল যথেষ্ট প্ৰাণচঞ্চলা। কিন্তু এদিন হঠাৎ খুৰাই খবৰ পাইছিল যে নূপুৰে তিনি তলাৰ ওপৰৰ পৰা জঁপিয়াই আত্মহত্যা কৰিছিল। তেওঁ স্থবিৰ হৈ পৰিছিল মৰমৰ ভনীয়েকৰ মৃত্যু বতৰা পায়। ঘৰলৈ তেওঁ কেনেকৈ আহিব ভাবিছিল। যিগৰাকী গাভৰুৰ হাঁহি আনন্দত ঘৰৰ চতুৰ্দিশ মুখৰিত হৈ থাকিছিল, তাইৰ অনুপস্থিতিত ঘৰৰ চৌহদত কেনেকৈ ভৰি দিব সেয়া ভাবিছিল। ভাবিছিল মাক-দেউতাকৰ মুখলৈ তেওঁ কেনেকৈ চাব। কিন্তু ঘৰলৈ আহি তেওঁ আচৰিত হৈ পৰিছিল। কাৰণ তেওঁ ভবাৰ দৰে মাক-দেউতাক মৰমৰ জীয়ৰীৰ মৃত্যুত ভাগি পৰা নাছিল। বৰঞ্চ যন্ত্ৰৱৎ ভাৱে তাইৰ শ্ৰাদ্ধৰ সকলো কাম কৰি গৈছিল। পাছত এদিন মাকৰ কথাত তেওঁ যেন সকলোবোৰ উত্তৰ পাই গ'ল। মাকে দুখত ভাগি পৰা নূপুৰৰ ককায়েকক কৈছিল— "তই কাৰ বাবে দুখ কৰিছ? তাইৰ বাবে, যি আমাৰ সাতামপুৰুষীয়া বংশগৌৰৱক ধূলিসাৎ কৰি প্ৰেমৰ নামত পলাই যাব খুজিছিল জাত-পাত নাইকিয়া এটা সাধাৰণ ল'ৰালৈ। ভালেই হ'ল অন্ততঃ বংশৰ এটা কলংক গুচি গ'ল।" খুৰাই সকলো বুজি উঠিছিল আৰু পুনৰ গুচি গৈছিল অধ্যয়নৰ বাবে তেওঁ অসমলৈ ঘূৰি আহি মাক-দেউতাকক পুনৰ লগ পাইছিল তেওঁলোকৰ জীৱনৰ শেষৰ বছৰকেইটাত। কিন্তু আচৰিতভাৱে তেওঁলোকে এই প্ৰাসাদোপম ঘৰৰ পৰিৱৰ্তে বাস কৰিছিল আন এখন ঠাইৰ এটা অতি সাধাৰণ ঘৰত। মাক-দেউতাকৰ মৃত্যুৰ পাছতহে খুৰা এই ঘৰটোলৈ আহিছিল। ভালদৰে পূজা-পাতল কৰি ঘৰটোৰ ওপৰ মহল দুটা কিছু কিছু ভাঙি নতুন ৰূপত আধুনিকভাৱে সজাইছিল। ইমানদিনে বহু ছোৱালী থাকি গ'ল যদিও কোনো বিশেষ ঘটনা ঘটা নাছিল। কিন্তু যোৱা কেইবামাহ মানৰ ঘটনাই খুৰাৰ মনত বাৰুকৈয়ে আউল লগাইছিল। হয়তো মীৰাৰ আহ্বানত নূপুৰৰ অতৃপ্ত আত্মা হৈ পৰিছিল আৰু অধিক অস্তিত্বলোভী।

ইয়াৰ পাছত আমাৰ হোষ্টেলৰ বহু ছোৱালী গুচি গৈছিল। গুচি গৈছিল আকাংক্ষাও। কিন্তু পৰীক্ষা ওচৰ চাপি অহাৰ বাবে মই আৰু মোৰ ৰুমমেট নেহাক ধৰি কেইবাজনীও ছোৱালী হোষ্টেলতে থাকিলো। অঘটন তেনেকৈ একো ঘটা নাছিল। মাথো কেতিয়াবা ৰাতি ৰাতি কৰিডৰত সেই পদধ্বনি আৰু বাথৰুমত কৰুণ কান্দোন শুনিছিলো। আমি সেই বাথৰুমটো ব্যৱহাৰ কৰিবলৈ প্ৰায় এৰি দিছিলো।

লাহে লাহে পৰীক্ষা ওচৰ চাপিছিল। পৰীক্ষা দি প্ৰায়বিলাক ছোৱালী ঘৰলৈ গুচি গৈছিল। মোৰ আৰু নেহাৰ পৰীক্ষা শেষ হোৱা নাছিল বাবে আমি হোষ্টেলতে আছিলো। আমাৰ কাষৰ ৰুমটোত আৰু আন এটা ৰুমত দুজনী দুজনীকৈ চাৰিজনী ছোৱালী থকাৰ বাবে আমাৰ সাহস যথেষ্ট বাঢ়িছিল। তদুপৰি ৰাতিপুৱা-গধূলি সদায় ভগৱানৰ ওচৰত ধূপ-চাকি জ্বলাইছিলো। এদিন ৰাতি আমি পঢ়া শেষ কৰি শুইছিলোহে, কিন্তু হঠাৎ সেই পদধ্বনিৰ শব্দ শুনা পালো। আজি যেন সেই পদধ্বনিৰ শব্দ অধিক তীব্ৰ আৰু দ্ৰুত। কৰিডৰটোৰ ইমূৰৰ পৰা সিমূৰলৈ খোজকাঢ়ি পদধ্বনিটো বেলকনিত শেষ হয়। কিছুপৰ নিস্তব্ধতাৰ পাছত আকৌ সেই পদধ্বনি বেলকনিৰ পৰা কৰিডৰেদি আগুৱাই আহিল। আহি যেন ঠিক আমাৰ ৰুমৰ সন্মুখতেই পদধ্বনিটো ৰৈছে। মই আগতেই কেইবাদিনো পদধ্বনিটো তাত ৰোৱা অনুভৱ কৰিছোঁ। প্ৰায় দুই মিনিট নিস্তব্ধতা। তাৰ পাছত হঠাৎ শুনা পালো কাৰোবাৰ উচুপনিৰ শব্দ। উচুপি উচুপি সেই পদধ্বনি যেন গুচি গৈছে বাথৰুমলৈ। তাৰ পাছত শুনিলো বাথৰুমৰ

দৰ্জা ধামকৈ বন্ধ হৈ যোৱাৰ শব্দ। আজি যেন কান্দোনটো অলপ বেছি কৰুণ। মই আৰু নেহাই মনে মনে ভগৱানক প্ৰাৰ্থনা কৰাত লাগিলো।

আগদিনা ৰাতিৰ ঘটনাটো পিছদিনা মোৰ বাৰে বাৰে মনত পৰিবলৈ ধৰিলে। মই বাৰে বাৰে ভাবিছো পদধ্বনিটো কিয় আমাৰ ৰুমৰ আগত সদায় ৰয়হি। হঠাৎ মোৰ চকুত পৰিল আমাৰ ৰুমৰ দৰ্জাখনৰ অলপ ওপৰতে এখন ভেন্টিলেটৰ আছে। তাৰ অলপ ওপৰতেই ঘৰৰ চিলিংখন। মই লগৰ কেইজনীক লৈ ভেন্টিলেটৰখন ঢুকি পোৱাকৈ বিচনা চকী জোৰা দি ল'লো। ভেন্টিলেটৰখন ঢুকি পোৱা হোৱাত ভিতৰলৈ টৰ্চ মাৰি জুমি চোৱাত দেখিলো ভিতৰত কাগজ পত্ৰৰ এটা দ'ম। আমি সকলোৱে ভেন্টিলেটৰখন ভাঙি ভিতৰত কি আছে চোৱাটো ভাল হ'ব বুলি ভাবিলো। ভিতৰত কাগজৰ দমটোত পুৰণি বাতৰি কাকত, আলোচনীবিলাকৰ মাজত উদ্ধাৰ কৰিলো এখন উঁৱলি যোৱা ডায়েৰী। মেলি চাই দেখিলো সেইখন নূপুৰৰ ডায়েৰী। মই পঢ়িবলৈ আৰম্ভ কৰিলো। প্ৰতিটো পৃষ্ঠাই যেন মোৰ চকুৰ সন্মুখত জীৱন্ত হৈ পৰিছে। অনুভৱ কৰিলো এগৰাকী প্ৰাণচঞ্চলা গাভৰু বিষাদগ্ৰস্ত হৈ পৰাৰ অভিজ্ঞতা। পঢ়ি গ'লো তাইৰ মানসিক যান্ত্ৰণাৰ বিৱৰণ আৰু একেবাৰে শেষৰ পৃষ্ঠাটোত মই হৈ পৰিলো স্থবিৰ। তাত তাই লিখিছিল—

৩ ডিচেম্বৰ, ১৯৯৯

মই দুৰ্বল নহয় আৰু হ'ব নোখোজো। মই জানো এইবিলাক যান্ত্ৰণা মোৰ প্ৰাপ্য। মই মা-দেউতা আৰু পেহীদেউৰ দুখ বুজিছো। কিন্তু তেওঁলোকে কিয় বুজিব নোখোজে যে মই তেওঁলোকৰ মনত দুখ দি, অবাধ্য হৈ নিজক সুখী কৰিবলৈ কেতিয়াও নাযাওঁ। কালি মই তাক মানা কৰা সত্ত্বেও সি মোক নিবৰ বাবে ৰাতি আহি ৰৈ আছিলহি। হয়তো মা-দেউতাই কথাটো গম পাই আৰু অলপ বেছি ভয় খাইছে। হয়তো ভাবিছে, তেওঁলোকৰ একমাত্ৰ কন্যা সন্তানে তেওঁলোকৰ বংশগৌৰৱ ধূলিসাৎ কৰিব। কিন্তু মইতো স্পষ্টকৈ জানো যে মই গোটেই জীৱন কুমাৰী হৈ থাকিলেও কেতিয়াও মা-দেউতাৰ অমতত বিয়া নহওঁ। কিন্তু তেওঁলোকে একো বুজিব নুখুজে। তেওঁলোকে বুজি নাপায় তেওঁলোকৰ কথাই মোক কিমান কষ্ট দিয়ে, বিশেষকৈ পেহীদেউৰ তীক্ষ্ণ বাক্যবাণে। লাহে লাহে যেন মই হৈ পৰিছো তেওঁলোকৰ কোনোবা অচিনাকি।

—নূপুৰ

মই লগে লগেই বুজি উঠিলো নূপুৰ যেন বলি হৈছিল এক ভয়ংকৰ ষড়যন্ত্ৰৰ। নহ'লে জীৱন ভাল পোৱা, পৰিয়াল ভাল পোৱা এজনী ছোৱালীয়ে কেতিয়াও এনে পথ বাছি ল'ব নোৱাৰে। মই খুৰাক গৈ সকলোবোৰ কথা কৈ ডায়েৰিখন তেওঁক দি দিলো। কিন্তু কথাবিলাক অনুসন্ধান কৰিবলৈ খুৰাৰ মাক-দেউতাক আৰু তেতিয়া জীৱিত নাছিল। বাকী আছিল খুৰাৰ পেহীয়েক। কিন্তু তেওঁ জীয়াই থাকিও নথকাৰ দৰেই। না কথা ক'ব পাৰে, না লৰচৰ কৰিব পাৰে। পেৰালাইচিচ্ ৰোগত আক্ৰান্ত হৈ তেওঁ বহু বছৰৰ পৰা শয্যাশায়ী। মই ভাবিলো হয়তো নূপুৰৰ জীৱনৰ এক অংশ এই ডায়েৰীখন বিচাৰিয়েই নূপুৰ সদায় আমাৰ ৰুমৰ সন্মুখত ৰয়। সেয়েহে খুৰাই সেইখন জ্বলাই দিয়াৰ সিদ্ধান্ত ল'লে। তাৰ পাছত আৰু কেইদিনমান মই হোষ্টেলত থাকি ঘৰলৈ গুচি আহিলো। আচৰিতভাৱে আমি আৰু সেই পদধ্বনি কেতিয়াও শুনা নাছিলো। ❖❖❖

# শেষ

● দিগন্ত দাস
দ্বিতীয় ষান্মাসিক
সমাজতত্ত্ব বিভাগ

শৈলেনে আগফালে চালি দিয়া বাৰাণ্ডাখনৰ তলত এখন পুৰণি কাঠৰ চকীত জুপুকা মাৰি বহি আছে। আলিটোৰ সিপাৰে গণেশৰ ঘৰৰ ওপৰেদি পাহাৰটো কিছু কিছু ওলাইছে। বতৰটো অলপ ডাৱৰীয়া বাবে পাহাৰটো স্পষ্ট ৰূপত ধৰা দিয়া নাই। সেই পাহাৰটোত নতুনত্ব বুলিবলৈ একোৱেই নাই। সৰুৰে পৰা দেখি আহিছে। আজি কিন্তু যেন শৈলেনে তাক গভীৰভাৱে চাইছে। শৈলেন মানে শৈলেন গগৈ। জামুগুৰি গাঁৱৰ শৈলেন গগৈ। বয়স আঢ়ৈ কুৰি পাৰ হৈছে যদিও তিনি কুৰি হোৱা নাই।

ক্লাচ নাইনত ফেইল কৰি শিক্ষা জীৱনত যতি পেলাই শৈলেনে দেউতাক গুণৰ সৈতে খেতিতেই লাগিল। আনৰ মাটি আধিলৈ লৈ খেতি কৰাৰ লগতে নিজৰ বাৰীত দুই-চাৰিটা বিলাহী, বেঙেনা, লাইশাক, জাতিলাউ কৰি কাষৰ গাঁওখনত বহা সাপ্তাহিক বজাৰখনলৈ নি সেইবোৰ বেচি দুই এপইচা অৰ্জনত লাগিল। এইদৰে কেইবছৰমান যোৱাৰ পাছত ঘৰৰ পৰা প্ৰায় পাঁচিশ মাইল দূৰত কাৰখানা এটাত চাকৰি ওলাল। চাকৰি মানে চকীদাৰৰ চাকৰি। থকাৰ সুবিধাও মালিকে দিব, দৰমহাও ভাল। কিন্তু শৈলেনৰ মন নবহিল। মাক-দেউতাক আৰু বায়েক দুজনীলৈ মনত পৰি থাকে। ৰাতি হেনো কেতিয়াবা টোপনি খতি কৰি কৰি ডিউটি মাৰিব লাগে। মুঠতে এশ এবুৰি সমস্যা।

প্ৰায় ডেৰ বছৰ চাকৰি কৰাৰ পাছত শৈলেন গাঁৱলৈ ঘূৰি আহিল, চাকৰি-বাকৰি সকলো বাদ দি। ঘৰলৈ অহাৰ এমাহ নৌ হওঁতেই কণপাহীক আনি ঘৰ সোমোৱালেহি। বহুতৰে তেতিয়া মুখ বাগৰিল, কণপাহীৰ কাৰণেহে হেনো শৈলেনে চাকৰি এৰি গুচি আহিল। সি যি কি নহওঁক সংসাৰখন গঢ়িছে যেতিয়া দুই মনৰ মিল হৈছে যেতিয়া আনে মাজত মাতি কি লাভ।

কণপাহী যেন সাক্ষাৎ লখিমীহে। ঘৰ সোমোৱাৰ দিন ধৰি ঘৰখন এদোপ এদোপ আগবাঢ়ি আহিবলৈ ধৰিলে। লাহে লাহে ঘৰ ধনে-ধানে কিছু টনকীয়াল হ'ল। শৈলেনৰ বায়েক দুজনীকো বিয়া দিলে। শৈলেন-কণপাহীৰ সংসাৰলৈও দুটি সন্তান আহিল। এজনী ছোৱালী আৰু এটা ল'ৰা। ছোৱালীজনীৰ নাম মলয়া আৰু ল'ৰাটোৰ নাম ৰজনী। শৈলেনে কাম কৰোঁতে কাৰখানাত থকা মালিকজনৰ সৰু ছোৱালীজনী হেনো বৰ মৰমলগা আছিল। তাইৰ নাম আছিল মলয়া। গতিকে তাইৰ নামটো মনলৈ অহাত নিজৰ জীয়েকৰ নামো মলয়া ৰাখিলে। আনহাতে ৰজনীক আকৌ গাঁৱত কচু বুলিহে জানে। এই নামটোৱে তাক কোনে অলংকৃত কৰিলে তাৰ বিষয়ে ভালদৰে তথ্য পোৱা নাযায়। ইফালে শৈলেনে খেতি-বাতিৰ লগতে জাৰ্চী এজনীও আনি পুহিলে। ঘৰে ঘৰে গাখীৰ দিবলৈ গৈও দুপইচা ঘটিলে। তাৰ পাছত পঞ্চায়তৰ কৃপাত দুই এটা কামতো ধৰিলে। মুঠৰ ওপৰত শৈলেনৰ ঘৰখন ঠন ধৰি উঠিল।

হঠাৎ এজাক দুৰ্যোগ নামি আহিল। এবাৰ গাঁৱত ভয়ংকৰ ৰূপ ধাৰণ কৰা কলেৰাত ৰজনী ওৰফে কচুৱে চিৰদিনলৈ চকু মুদিলে। কালৰ গতিত শৈলেনৰ মাক-দেউতাকৰো মৃত্যু হ'ল আৰু শৈলেনক এক দুৰাৰোগ্য ব্যাধিয়ে লগ দিলেহি। শৈলেনৰ শৰীৰ দুৰ্বল হৈ পৰিল। সমগ্ৰ পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থা। চিকিৎসাৰ নামত ইটো সিঠো বহুত কৰিলে। অসমীয়া দৰৱো খুৱালে, কিন্তু ফল নধৰিল। জাৰ্চীজনীও বেচিব লগা হ'ল। কণপাহীয়ে নিজৰ বিদ্যাটোৰ প্ৰয়োগেৰে ইলা দৰ্জীৰ তাতে দুই-এটা চিলাই কৰি ঘৰৰ খৰচটো উলিওৱাৰ চেষ্টা কৰিলে। মলয়াইও পঢ়াৰ মাজে মাজে গাঁৱৰ কোনোবাই মাতিলে সৰু-সুৰা কাম-বন কৰি বিনিময়ত কিবা-কিবি এটা আনি মাকক অলপ সকাহ দিব পৰা হ'ল। ইফালে শৈলেনে ঘৰেই এৰিব নোৱাৰা হ'ল। এবাৰ চহৰত চিকিৎসা কৰাবলৈ নিওঁতে ডাক্তৰে ক'লে উন্নত চিকিৎসাৰ বাবে চেন্নাইলৈ নিব লাগিব। ঘৰ চলিবৰ জোখেৰে পইচা নাই, চেন্নাইৰ চিন্তাটো বহু দূৰ। শৈলেনে ভাবিছিল কণপাহীক বিয়া পাতি সুখেৰে দুবেলা-দুমুঠি খাই জীয়াই থাকিব। ল'ৰা-ছোৱালীহালক ডাঙৰ মানুহ কৰিব। ডাঙৰ হ'লে সিহঁতৰ বিয়া ধুমধামেৰে পাতিব। কিন্তু সকলো শেষ হৈ গ'ল। ধেৎ সঁচাই শেষ হৈ গ'ল। তাকো যেন ভগৱানে শেষ কৰি নেপেলাই কিয়? তাৰবাবেইতো কণপাহী আৰু মলয়াই শাস্তি ভুগিছে। তেনেতে মলয়াই আহি দেউতাকৰ বাঁওকান্ধত তাইৰ হাতখন থলেহি। হঠাৎ চকীখনত বহি থকা শৈলেন উচপ খাই উঠিল। মলয়াই সুধিলে, "দেউতা, স্বাস্থ্য কেন্দ্ৰলৈ নোযোৱা নেকি? যোৱা সোমবাৰে যাওঁতে তোমাক মাতি পঠাইছিল নহয়"। "ওঁ, যাওঁ" বুলি শৈলেনে চকীখনৰ পৰা লাহেকৈ উঠিল।❖❖❖

# সংকল্প, এক নতুন জীৱনৰ...

● পূৰবী বুঢ়াগোহাঁই
চতুৰ্থ যান্মাসিক
ইংৰাজী বিভাগ



অনুভৱ দত্ত একান্ত মনে খিৰিকীৰ কাষত বহি আছে। দেউতাক ঢুকুৰাৰ আজি এমাহ হ'ল। খিৰিকীৰে সোমাই অহা এছাটি মৃদু বতাহে তেওঁক অতীতৰ দিনলৈ উভতাই লৈ যায়।

পৃথিৱীত মানুহে চেষ্টা আৰু সাধনাৰ বলতহে সফলতা পায়। বহুবছৰ সতি-সন্ততিৰ মুখ নেদেখা দত্ত দম্পতীয়ে বহু বছৰৰ মূৰত পুত্ৰ সন্তানৰ মুখ দেখিছিল। মধ্যবিত্ত পৰিয়ালৰ একমাত্ৰ সন্তান অনুভৱ দত্ত। পিতৃ-মাতৃৰ সৈতে এটি আনন্দৰ জীৱন কটাইছিলি। অনুভৱৰ পিতৃ আছিল এখন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক। সমাজত তেওঁক সকলোৱে শ্ৰদ্ধা আৰু সমীহ কৰে। পুত্ৰ অনুভৱক লৈ দুই পিতৃ-মাতৃ কল্পনাৰ সাগৰত ডুব গৈছিল। অমায়িক আৰু মেধাৱী পুত্ৰই বংশৰ নাম উজ্বলোৱাৰ সপোন দেখিছিল। সৰুৰে পৰাই সকলো দিশত পাৰ্গত অনুভৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফলাফল প্ৰদৰ্শন কৰি সমাজ আৰু পৰিয়াললৈ গৌৰৱ কঢ়িয়াই আনিলে। পুত্ৰক মানুহ কৰাৰ স্বাৰ্থত, পুত্ৰক সমাজত ভাল ব্যক্তিৰূপত প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত অৰূপ দত্তই চহৰৰ এখন নামী কলেজত পুত্ৰক নামভৰ্ত্তি কৰাই দিলে। নামী কলেজ পাই অনুভৱেও মনত আনন্দ পালে। নতুন বন্ধু-বান্ধৱ, নতুন পাঠ্যপুথিত মন দিলে। এনেদৰে সময় পাৰ হ'ল। কলেজীয়া জীৱনৰ প্ৰথম বছৰ পাৰ হ'ল।

কিন্তু সময় জানো সদায় একেই হৈ থাকে...। কলেজীয়া জীৱনে অনুভৱক বিপথে পৰিচালিত কৰে। নষ্ট সংগত পৰি অনুভৱে নানা অপকৰ্মত লিপ্ত হ'বলৈ ধৰিলে। মদৰ আড্ডা, ভাঙৰ আড্ডাত অনুভৱে যোগ দিলে। ড্ৰাগছ্, ডেনড্ৰাইটৰ দৰে ৰাগিয়াল দ্ৰব্য সেৱন কৰিবলৈ ল'লে। পিতৃ-মাতৃৰ সপোন ভৰিৰে মোহাৰি পেলালে, সি লক্ষ্যভ্ৰষ্ট হৈ পৰিল। পিতৃ অৰূপ দত্তই পুত্ৰৰ কু-কৰ্মৰ বিষয়ে জানি শোকত ভাগি পৰিল, হৃদৰোগ, উচ্চ ৰক্তচাপৰ দৰে নানা ৰোগে তেওঁক আৱৰি ধৰিল। চিকিৎসকে অশেষ কষ্ট কৰিও তেখেতক বচাব নোৱাৰিলে। মৃত্যুৰ শীতল কোলাত অৱশেষত অনুভৱৰ পিতৃ শুই পৰিল চিৰদিনৰ বাবে। দেউতাকৰ নিথৰ, প্ৰাণহীন দেহাটো দেখি অনুভৱৰ চকু খোল খালে. পিতৃৰ ভৰিত ধৰি তেখেতৰ আত্মাক শান্তি দিবলৈ সি কেতিয়াও আৰু বিপথে পৰিচালিত নোহোৱাৰ সংকল্প ল'লে। পিতৃ-মাতৃৰ সোণালী সপোনক বাস্তৱত পৰিণত কৰাৰ প্ৰতিজ্ঞা কৰিলে। ❖❖❖

(নৱপ্ৰজন্মলৈ অনুৰোধ তেওঁলোকে যাতে কেতিয়াও বন্ধু বিচাৰি গৈ অসৎ সংগত পৰি পিতৃ-মাতৃৰ সপোনক ভৰিৰে মোহাৰি নেপেলায়। নৈতিকতাৰ সৎ ব্যৱহাৰেৰে যেন নিজকে সমাজত সফল ব্যক্তিৰূপে প্ৰতিষ্ঠিত কৰায়।)



# জীৱন নামৰ কিবা এটা

● অনিৰ্বান চেতিয়া
ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বাহিৰত এজাক কিন্‌কিনীয়া বৰষুণ। এটা গোমা পৰিৱেশ। যাত্ৰীসকলৰ নিয়মমাফিক ব্যস্ততাৰে পৰিপূৰ্ণ আজিও ডিব্ৰুগড় ষ্টেচন। এই ডিব্ৰুগড় ষ্টেচনৰ প্লেটফৰ্মৰ ৰে'লযাত্ৰীসকলৰ ভিৰৰ মাজতেই আৰম্ভ হৈছিল বিপুল ৰাভা নামৰ ১৫ বছৰীয়া কিশোৰজনৰ জীৱন সংগ্ৰাম। অভাৱত মুখ ঠেকেচা খাই এদিন আৰম্ভ কৰিছিল বিপুলে ৰে'লত ফেৰি কৰা কাম। হাতত এখন মোনা লৈ তামোল-পাণ বিক্ৰী কৰিছিল ৰে'ল যাত্ৰীসকলৰ মাজত। দিনটোত যিমানকেইখন ৰে'ল ধৰিব পাৰিছিল সিমানেই লাভ হৈছিল তাৰ। অন্ততঃ দিনটোত পোৱা ১০০-২০০ টকাৰে সি সিহঁতৰ পৰিয়ালটোক অলপ হ'লেও সকাহ দিব পাৰিছিল। পৰিয়ালটোৰ ৬ জন সদস্যৰ ভৰণ-পোষণৰ

আধা খৰচ তাৰ পৰাই আহে। গতিকে ৰ'দ, বৰষুণ, ধুমুহা, বন্ধ হ'লেও বিপুলে তাৰ কামক অব্যাহতি দিয়া নাছিল।

অৱশ্যে বিপুলে ইয়াৰ আগতে স্কুললৈ গৈছিল। নৱম শ্ৰেণী পোৱাৰ পাছতে ভেঞ্চাৰ স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক দেউতাকে আৰু তাক পঢ়ুৱাবলৈ অসমৰ্থ হ'ল। কিয়নো বিপুলৰ ওপৰৰ তিনিগৰাকী বায়েকৰ ইতিমধ্যে বিয়া দিয়াৰ উপযুক্ত বয়স হৈছিলহি। সেয়েহে বিপুলে এদিন আৰম্ভ কৰি দিছিল ৰে'লত ফেৰি কৰা অন্য এক জীৱন।

সিদিনাখন এজাক কিন্‌কিনীয়া বৰষুণেৰে আৰম্ভ হৈছিল বিপুলৰ ফেৰি কৰা কাম। এটা দীঘলীয়া উকি মাৰি ৰে'লখন ষ্টেচনত সোমাইছিলহি। সি জাপ মাৰি দবা এটাত সোমাই পৰিল। ট্ৰেইনখন আহি ষ্টেচনত ৰওঁতে সি দেখিলে সিফালৰ পৰা গুৱাহাটী অভিমুখী ট্ৰেইন এখন আহি আছে। গতিকে সি সেইখন ধৰিবলৈ জপিয়াই দিলে। কিন্তু সিদিনা তাৰ ভাগ্য বেয়া আছিল। তাৰ সোঁ ভৰিখন পৰিলগৈ এটা শিলৰ ওপৰত। মুহূৰ্ততে সি লাইনত পৰি গ'ল। ট্ৰেইনৰ চকাৰ ফাকত সোমাই তাৰ এখন হাত বিচ্ছিন্ন হৈ গ'ল। আনখন হাতো তাৰ জখম হ'ল। কোনো সদাশয় ব্যক্তিয়ে হয়তো তাক ওচৰৰ হস্পিতেলত ভৰ্ত্তি কৰালে। কিন্তু দুৰ্ভাগ্যবশতঃ চিকিৎসকে অপাৰেশ্যন কৰি তাৰ আনখন হাতো শৰীৰৰ পৰা বিচ্ছিন্ন কৰি পেলালে। তাকে লৈ বৃদ্ধ মাক-বাপেকে তাক ঘৰলৈ লৈ গৈছিল।

সময়বোৰো বছৰ হৈ বাগৰ সলাইছিল। প্ৰায় ডেৰ বছৰমানৰ পাছত বিপুলে মাক-দেউতাক আৰু বায়েকহঁতৰ ভৰসাত শাৰীৰিকভাৱে সুস্থ হৈ উঠিছিল। কিন্তু তথাপিও যেন অনুভৱ কৰিছিল সি এটা দুই হাতবিহীন কিশোৰ; যেন এটা সি জীৱন্ত মৃতদেহ। তথাপিও বিপুলে সপোন দেখিবলৈ পাহৰা নাই। বুকুত তাৰ এটাই আশা মৰমৰ মাকজনী জীয়াই থাকোতেই সি অন্ততঃ এখন হ'লেও কৃত্ৰিম হাত লগাব খোজে। আৰম্ভ কৰিব খোজে পুনৰ এক নতুন জীৱন। সিহঁতৰ দৰে মধ্যবিত্ত পৰিয়ালৰ আবেগত ৰুৱ খোজে সপোনবোৰক দিঠক কৰা, আশাবোৰক ৰঙীন কৰি তোলা জীৱন নামৰ কিবা এটা। ❖❖❖

(বিঃদ্ৰঃ - এজন মধ্যবিত্ত পৰিয়ালৰ সংগ্ৰামী কিশোৰৰ সঁচা জীৱন কাহিনীৰ আধাৰত ৰচিত গল্প।)

*সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখাৰ*
*উন্মাদ বাসনা আমাৰ নাই*
*আমি বুৰঞ্জীত শিলাখণ্ডৰ জীৱন্ত ফছিল।*

**— হেম বৰুৱা**

# সেমেকা ৰাতিৰ উৰুঙা পঁজা

● **পৰিস্মৃতা কাকতি**
শিক্ষাতত্ত্ব বিভাগ
দ্বিতীয় ষান্মাসিক



"আজি বতৰটো বৰ ভাল নহয়, বৰষুণ দিবও পাৰে। আকাশখন একেবাৰে এঙাৰ বৰণীয়া হৈ পৰিছে, কি যে হ'ব নহয় অন্ধকাৰ হৈ পৰিল দেখোন! ঐ নমী বাহিৰত থৈ অহা পিঠাখিনি লৈ আহচোন, বৰষুণত তিতিলে এনেই লোকচান হ'ব।"—

খুড়ীয়েকৰ মাতত নমী উচপ্ খাই উঠিল। দৌৰ মাৰি খুড়ীয়েকৰ ওচৰ পাই অন্ধকাৰ আকাশখনৰ ফালে একেথৰে চাই ৰ'ল।

কথাবোৰ বৰ বেছি আগৰ নহয়। খুউব বেছি দুবছৰ মানৰ আগৰ কথা। হাঁহি-ধেমালিৰে এটি সুখৰ পৰিয়াল আছিল। নাই কোনো বেদনা আৰু যান্ত্ৰণা, মাথোঁ আছিল মৰম আৰু ভালপোৱা।

—"ঐ বেঙী কি হ'ল ৰ লাগিলি যে, মোৰ কথাবোৰ শুনিছনে নাই? পিঠাখিনি যদি বৰষুণত তিতিবলৈ পাই, চাবি কিন্তু! মোৰ সোণ বহুত দিনৰ পিছত ঘৰলৈ উভতি আহিব। পিঠা খাই বহুত ভাল পায় সি। তাৰ বাবে পিঠাকেইটামান বনাবিছোন তই।"

খুড়ীয়েকৰ কথাবোৰ শুনি শুনি নমীয়ে বতাহে উৰুৱাই অনা পাতবোৰকে সাৰি আছে।

— "অ' মা অ' মা বুলি দৌৰি আহিব মোৰ সোণ। সি যোৱাবাৰ বিহুত অনা নীলাৰঙৰ চাদৰখনৰ সূতা এডালো ছিগা নাই আজিলৈকে বুজিছ। সি মোলৈ ভাল বস্তুৰেই আনে সদায়। তই পিঠা বনা যা, সি পাবহিয়ে অলপ পিছত।"

— "হ'ব খুড়ী আপুনি যি বিচাৰে তাকে কৰিম, আপুনি

এতিয়া শুই দিয়কচোন। নহ'লে সোণদা আহি গালি দিব।" মৰমৰ খুড়ীয়েকক বিচনাত শুৱাই থৈ বাহিৰলৈ বুলি নমী উলাই যায়। বৰ কষ্ট হয় তাইৰ। নিসংগতাৰ বলি হৈ সকলোখিনি চম্ভালিবলৈ বৰ কষ্ট হয় নমীৰ।

নিশাবোৰ যেন বৰ গভীৰলৈ গতি কৰিছে। ডাৱৰৰ মাজত অহৰহ হৈ থকা যুঁজবোৰৰ দৰেই যে আমাৰ জীৱন সংগ্ৰাম। জীৱনৰ প্ৰতি খোজতে যে বিষপান কৰি কাঁইটৰ দৰে দলিচা পাৰি শুই থাকে সময়বোৰে। এনেদৰে আৰু কিমানদিন, কিমান ৰাতি উজাগৰে পাৰ কৰিব লাগিব।— কথাবোৰ ভাবি ভাবি খুড়ীয়েকৰ বিচনাতে নমীও শুই পৰিল।

—"ঐ নমী, সোণ আহিলে দৰ্জাখন খুলি দেচোন। তই ক'তনো মৰি আছ অ'। সি বৈ আছেহি নহয়।"

— "খুড়ী তুমি অকণমান ৰ'বাচোন, এনেকে কিমানদিন উজাগৰী নিশা কটাবা তুমি, ইমান যান্ত্ৰণাৰ মাজত নোৱাৰো তোমাক চাই থাকিব।"

দুটা বছৰ পাৰ হৈ গ'ল। কিন্তু সলনি হোৱা নাই। অশেষ চেষ্টাৰ পিছতো কোনো সলনি আনিব পৰা নাই নমীয়ে। এনেদৰে দুটা বছৰ উকা পৃথিৱীৰ মাজত নমীয়ে খুড়ীয়েকৰ লগত পাৰ কৰি আহিছে সময়বোৰ। যি গৰাকী মানুহে পুত্ৰৰ আগমনৰ বতৰা বুকুত সাবটি জীয়াই আছে। মানসিকভাৱে একেবাৰে ভাগি পৰিল তেওঁ। নমীয়েই হৈছে একমাত্ৰ সাৰথি যি প্ৰতি খোজতে খুড়ীয়েকৰ লগত প্ৰতিচ্ছবি হৈ থিয় দি আহিছে।

বহুত আশা, বহুত আনন্দৰ আছিল সেইদিনটো। নমীৰ খুড়ীয়েকৰ ল'ৰা প্ৰদীপ গুৱাহাটীত এম.এচ.চি. শেষ কৰি মাকৰ সৈতে কেইদিনমান কটাবৰ বাবে ঘৰলৈ ঘূৰি আহিছে। এবছৰৰ অন্তত পুত্ৰৰ সৈতে সময় পাৰ কৰিবলৈ পায় তেওঁ বহুত সুখী। কিয়নো স্বামীৰ মৃত্যুৰ পিছৰপৰা প্ৰদীপেই তেখেতৰ একমাত্ৰ সম্পত্তি। ঘৰত বহুত আয়োজন কৰিছে মাকে। নমীয়েও ককায়েকে ভালপোৱা সকলোবোৰ খোৱা বস্তু ৰান্ধি থৈছে।

এনেতে নমীৰ ম'বাইলটো বাজি উঠিল।

— "ঐ নমী কোনে ফোন কৰিছে?"

— "নাই খুড়ী কোনো নহয়, এনেয়ে কোনোৱা চাগে..."

মুখৰ মাত হেৰাই যোৱা নমী মাটিত বাগৰি পৰিল।

— "ঐ কি হ'ল তোৰ অ'? কিয় এনেকৈ কান্দিছ?"

— "খুড়ী অ' সোণদা আৰু...."

— "কি হ'ল মোৰ সোণৰ? সি পালেহি নি?"

— "নাই অ' খুড়ী সি আৰু কেতিয়াও নাহে?"

— "ক'ত যাব সি ঘৰলৈ নাহি ! পগলা হ'লি তই নমী।"

খুড়ীয়েকক জোৰকৈ সাবট মাৰি বুকু উজাৰি কান্দিবলৈ ধৰিলে নমীয়ে। ককায়েক এক্সিডেণ্টত ঢুকাল বুলি কথাষাৰ কবলৈ নমীৰ সাহস নহ'ল। বহুত আশা আৰু হেঁপাহেৰে বাট চাই আছিল খুড়ীয়েকে। মাক-দেউতাকক সৰুতেই হেৰুওৱা নমীয়ে খুড়ীয়েকৰ লগতেই ডাঙৰ-দীঘল হৈছে। নিজৰ ছোৱালীৰ দৰে মৰম কৰে তাইক খুড়ীয়েকে। খুড়ীয়েকৰ মৰ্মান্তিক অৱস্থাৰ একমাত্ৰ সাক্ষী হৈ ৰ'ল নমী। তাই একো ধৰিবই পৰা নাছিল। সেই সময়খিনি তাইৰ বাবে যেন জীৱনৰ অতি কঠোৰ আৰু নিষ্ঠুৰ আছিল। সকলোবোৰ শেষ হৈ গ'ল।

— "ঐ নমী উঠচোন, মোৰ সোণ আহিল চাগে।"

খুড়ীয়েকৰ মাতত নমী উচপ খাই সাৰ পাই উঠিল।


এনেদৰে সময়বোৰ পাৰ হৈ গ'ল। বছৰৰ পাছত বছৰ পাৰ হৈ গ'ল। সকলো পিনে কেৱল মাথো অন্ধকাৰ। অন্ধকাৰৰ মাজতো অকণমান পোহৰৰ বাবে হাবাথুৰি খাই ফুৰিছিল নমীয়ে। তাই মাথো শান্তি বিচাৰে।

এয়া মাথোন আৰম্ভণি। এনেদৰে ক'লা ডাৱৰৰ মাজতেই নমী পোহৰৰ শিখা হৈ থিয় দিছিল খুড়ীয়েকৰ কাষত। তাই নিবিচাৰে সকলো শেষ হোৱাটো। মানসিক বিকাৰগ্ৰস্ত খুড়ীয়েকক তাই পুনৰ আগৰ অৱস্থালৈ ঘূৰাই আনিব বিচাৰে। ক'লা ডাৱৰৰ মাজতো সূৰ্যৰ কিৰণ বিয়পাব বিচাৰে নমীয়ে। জীৱন-সংগ্ৰামত যুঁজ দি ভাগৰা নাই নমী। জীৱনৰ শেষ নিশ্বাসলৈকে যুঁজ দিব তাই। হেৰুৱা সপোনবোৰ ঘূৰাই আনিবৰ বাবে যুঁজ দিব। বুকুত অজস্ৰ আশা, চকুত অলেখ সপোন আছে নমীৰ। কিন্তু ককায়েকৰ চিতাৰ জুইৰ লগতে তাইৰ সপোনবোৰো জুইৰ তাপত দহন হ'ল। এতিয়া মাথো এটাই আশা, এটাই সপোন— সেয়া হ'ল মৰমৰ খুড়ীয়েকক পুনৰ এটা নতুন জীৱন দিয়া। শুকান জেওৰাৰ দৰে সকলোবোৰ ভাঙি-চিঙি চুৰমাৰ হৈ গ'ল আৰু সেইফালেই অহা-যোৱা কৰি মনৰ ভিতৰত খুলি-খুলি খাই এটা বিভ্ৰান্তি, যিটো অলৌকিক, মাত্ৰ এয়া এক মিছা অনুভূতি।

❖❖❖

গল্পগুচ্ছ

# অমাৱস্যাত আশাৰ কিৰণ



● অংকিতা বৰগোহাঁই
অসমীয়া বিভাগ
ষষ্ঠ ষান্মাসিক

*মন হীৰাদৈ চাইকেল নহয় টিলিঙা*
*টিলিং টিলিং*
*মন হীৰাদৈ ডেকা নহয় পিলিঙা...*

গানটো সুৰ লগাই গানৰ লগে লগে চাইকেলৰ টিলিঙাটো জোৰেৰে বজাই দীঘল পদূলিটোৰেদি ভৰেশ ঘৰলৈ সোমাই আহিল। কাণি-মুনি বেলিকা। জীয়েক আইজনীয়ে তুলসীৰ তলত চাকি দিছে। পুতেক পুতুকণে চিঞৰি চিঞৰি নেওঁতা মুখস্থ কৰিছে। ঘৰৰ চৌহদটোৰ চৌপাশে এবাৰ চকু ফুৰাই ভৰেশে বাৰাণ্ডাতে চাইকেল তুলি, ঘৰৰ ভিতৰলৈ সোমাই গ'ল। চ'ৰাঘৰতে বহি টেবুল ফেনখন চলাই ভিতৰলৈ চাই চিঞৰিলে—

ঃ আইজনীৰ মাক অ', চাহপানী এবাটিকে দিবিচোন। ডিঙি একেবাৰে শুকাই আহিছে। অ' আইজনী মোনাটো ভিতৰলৈ লৈ যা। পকৰী কেইটামান আনিছো। পুতুক পঢ়া টেবুলতে দেগৈ। মই ভৰি-হাত ধুই আহোঁগৈ।

আইজনী নিঃশব্দে আহি মোনাটো ভিতৰলৈ লৈ গ'ল। ভৰেশে উঠিবলৈ লৈও জীয়েকলৈ চালে। কোনে ক'ব এই ল'ৰাজনী বিয়া হোৱাৰ এবছৰৰ পিছতে বিধৱা হ'ল। জোঁৱায়েকৰ ছবিখন মনলৈ অহাত ভৰেশৰ চকুপানী বৈ আহিল। বৰ অমায়িক ল'ৰা আছিল। কিহত যে কিখনে পালে।

ঃ কি হ'ল ঠাইতে দৰক লাগিলে যে? চাহপানী বাকিলোঁ। হাত-ভৰি ধুই আহকগৈ।

ঃ কথা এটা ভাবিছিলো অ'। যাওঁ বাৰু। কৃষ্ণ কৃষ্ণ।

ৰাতি ভাতৰ পাতত বহি ভৰেশে আকৌ জীয়েকলৈ চালে। সঁচাই বৰ বেয়া কথা হৈছে। ছোৱালীজনীক এনেকৈ ঘৰৰ ভিতৰত আবদ্ধ কৰি ৰখাটো বেয়া হৈছে। আজি এটা বছৰে ভৰেশৰ টোপনি নাই - জীয়েকৰ ভৱিষ্যৎ চিন্তা কৰি। অৱশেষত ভৰেশ এটা সিদ্ধান্তত উপনীত হ'ল। ভাত খাই উঠি তামোল খাবলৈ বহোঁতেই সি কথাষাৰ উলিয়ালে।

ঃ আইজনী অ' এইফালে আহচোন। কথা এষাৰ সুধোঁ।

ঃ কি কথা দেউতা?

ঃ মই তোক আকৌ পঢ়াব খুজিছোঁ। তোৰ কিবা আপত্তি আছেনি?

কঁপি উঠিল আইজনী আৰু আইজনীৰ মাক।

ঃ দেউতা. . .

ঃ মই সঁচাই কৈছো আইজনী। তই আকৌ পঢ় MA টো কম্প্লিট কৰ।

'দেউতা' বুলি উচুপি উঠিল আইজনী। জীয়েকৰ মূৰত হাতখন বুলাই ভৰেশে স্বস্তিৰ নিশ্বাস এৰিলে।

ঃ আইজনী, মই তোৰ কাৰণে কোনো ডাঙৰ কাম কৰা নাই। মই মাথো তোক দুখন পাখি দিব বিচাৰিছো। চৰাইৰ পাখি দুখন থকাৰ কাৰণে চনকা ডালত বহিবলৈও ভয় নকৰে। মই হ'ব পাৰো এল. পি. স্কুলৰ চকীদাৰ তথাপি তোৰ মনটোক পঢ়িব পাৰো।

ঃ "দেউতা, মই বৰ ভাগ্যৰ বলত আপোনাক দেউতা হিচাপে পালো। অহাজনমতো যেন আপোনাকে দেউতা হিচাপে পাওঁ। যি ছোৱালীকো ল'ৰা হিচাপে গঢ় দিব সমান অধিকাৰ দিছে। আপোনাৰ কাৰণেই মই চিঞৰি চিঞৰি ক'ব পাৰিম মধ্যবিত্ত শ্ৰেণীৰো আবেগ, সপোন, আশা বোলা বস্তুবোৰ আছে। মই বহুত সুখী দেউতা।"

❖❖❖

# এটি আশা


● **প্ৰণামী গগৈ**  
দ্বিতীয় ষান্মাসিক  
ইংৰাজী বিভাগ




অসমীহঁতৰ কলেজ সপ্তাহৰ আজি সাংস্কৃতিক অনুষ্ঠান আছিল। তাই সাংস্কৃতিক অনুষ্ঠান চাই ঘৰলৈ অহাৰ পৰাই মনতো বৰ বেয়া লাগি আছিল। কাৰণ তাইৰ বান্ধৱী দীক্ষাই সাংস্কৃতিক অনুষ্ঠানৰ গান আৰু নাচত প্ৰথম স্থান অধিকাৰ কৰি আন্তঃকলেজ প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত হৈছিল। অসমীৰ কিন্তু প্ৰতিশোধৰ জুইত বেয়া লগা নাই, তাইৰ বেয়া লাগিছে অতীতৰ সেই দিনকেইটাৰ কথা মনত পৰাৰ বাবেহে। যি দিনকেইটাত স্কুলৰ খেল-ধেমালিৰ গান-নাচ প্ৰতিযোগিতাত তাইৰ বাদে বেলেগ কোনেও প্ৰথম পুৰস্কাৰ লাভ কৰিব পৰা নাছিল। এদিনৰ কথা, তেতিয়া তাই চতুৰ্থ শ্ৰেণীৰ এগৰাকী ছাত্ৰী। স্কুলৰ বাৰ্ষিক সাংস্কৃতিক প্ৰতিযোগিতাত বিচাৰকৰ আসন শুৱনি কৰিবলৈ এগৰাকী অতিথি আমন্ত্ৰিত কৰা হৈছিল। গীতৰ অনুষ্ঠানত অসমীয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ "আইদেউৰে বুলনিতে পোহৰে ধেমালি..." গীতটি সুন্দৰকৈ পৰিৱেশন কৰাত তেওঁ স্তব্ধ হৈ পৰিছিল আৰু ওচৰলৈ মাতি নি মূৰত হাত বুলাই কৈছিল, "মাজনী, তুমি ডাঙৰ হ'লে সঁচাকৈয়ে এগৰাকী ভাল গায়িকা হ'বা"। সেই কথাষাৰ মনত লৈ তাইৰ আনন্দৰ সীমা নোহোৱা হৈছিল আৰু ঘৰলৈ আহি মাকক সকলোবোৰ কথা খুলি কৈছিল। মাকেও কথাটো শুনি বহুত আনন্দ পাইছিল। লগতে তাইক গানৰ স্কুলত নাম লগোৱা কথাটোও কৈছিল। কিন্তু সেই সময়ত সিহঁতৰ চাৰিটা ল'ৰা-ছোৱালীৰ সৈতে মাক-দেউতাকে কোনোমতেহে ঘৰখন চলাই আছিল। মাকে মৰমেৰে তাইক বুকুৰ মাজত সোমোৱাই লৈ কৈছিল, "চা মাজনী, তোক মই আৰু দেউতাৰাই সংগীত বিদ্যালয়ত নাম লগাই দিব নোৱাৰো অ'। কাৰণ আমাৰ উপাৰ্জনেৰে তোক আৰু ভণ্টী-ভাইটিহঁতক কোনোমতেহে পঢ়াওঁ। সংগীত বিদ্যালয়ৰ মাহেকীয়া খৰচ আৰু অহা-যোৱা খৰচ ক'ৰ পৰা দিম? তই আমাক বেয়া নেপাবি সোণ"। মাকৰ এই কথাষাৰত কণমানি অসমীৰ কান্দোনত হিয়া ভাগি পৰিছিল। কিন্তু তাই প্ৰকাশ নকৰি মাকৰ কথাত সন্মতি জনাই ক'লে, "হ'ব মা, মই পাৰিলে পাছত শিকিম"। আৰু তাই তাৰ পৰা আঁতৰি গৈছিল। আজি অসমীয়ে সেই দিনটোৰ কথা বৰকৈয়ে মনত পৰিছে আৰু তাই অনুভৱ কৰিছে তাই মধ্যবিত্ত পৰিয়ালত জন্ম গ্ৰহণ নকৰি ধনী পৰিয়ালত জন্ম গ্ৰহণ কৰাহেঁতেন হয়তো কান্দিবলগীয়া নহ'লহেঁতেন। তাই নিজৰ মনতে এটা প্ৰশ্ন কৰিলে, "কিয় এই মধ্যবিত্ত পৰিয়ালৰ আৱেগবোৰ সদায় আৱেগ হৈয়ে ৰয়?" তাইৰ দুচকু সেমেকি উঠিল আৰু খিৰিকীৰে বাহিৰৰ মুকলি আকাশখনলৈ চাই পঠিয়ালে। ❖❖❖

# ৰাধিকাৰ দুঃসময়

● স্বস্তিকা বৰকটকী
দ্বিতীয় ষান্মাসিক
অৰ্থনীতি বিভাগ

সন্ধিয়াৰ বতাহ জাকে পদুমণি গাঁৱৰ পৰিৱেশটো এক শীতল, শান্তিময় কৰি তুলিছে। ঘৰৰ পোহনীয়া জীৱ-জন্তুকেইটা নিজৰ নিজৰ গঁৰাল-গোহালিত সোমাইছে, নামঘৰৰ ডবা-কাঁহৰ শব্দ শুনা গৈছে। গাঁওখনৰ জীয়ৰী-বোৱাৰীসকলে গোঁসাইৰ ওচৰত চাকি, ধূপ-ধূনা দি প্ৰাৰ্থনা কৰিছে। ৰাধিকাইও গোঁসাইৰ ওচৰত চাকি দি ভক্তিভাৱে প্ৰাৰ্থনা কৰি গোঁসাইঘৰৰ পৰা ওলাই আহিছে। গোঁসাই ঘৰৰ পৰা ওলাই আহিয়ে তাই চাহৰ কাপটো হাতত লৈ অলপ সময় বাৰাণ্ডাৰ চকীখনতে বহী পৰিল। বিভিন্ন চিন্তা-ভাৱনাই তাইৰ মনত খলকনি তুলিছে। তাই আঙুলিৰ মূৰত হিচাপ কৰিলে, আজি জানুৱাৰী মাহৰ ১০ তাৰিখ। এইবছৰৰো দিনকেইটা গ'লেই। পলীক স্কুলত এডমিচন দিব পৰা নহ'ব আৰু। এইবাৰ তাইৰ বয়স ৫ বছৰ। আনৰ ঘৰৰ ল'ৰা-ছোৱালী ৩ বছৰ বয়সৰ পৰাই স্কুল যাবলৈ আৰম্ভ কৰে। কিন্তু বহুতো অভাৱৰ বাবে ৰাধিকাই এইবাৰো তাইৰ ছোৱালীজনীক স্কুলত দিব নোৱাৰিলে। অভাৱে তাইৰ জীৱনলৈ এজাক ধুমুহা কঢ়িয়াই লৈ আনিছে। ৰাধিকাৰ গিৰীয়েক ৰঞ্জিত এজন ব্যৱসায়ী। কিন্তু আজি বহুদিনৰ পৰা ব্যৱসায়ত লোকচান হোৱাৰ ফলত অভাৱে সিহঁতক জুৰুলা কৰি পেলাইছে। ৰাধিকাৰ বহুত আশা আৰু সপোন আছিল পলীক লৈ। তাইৰ একমাত্ৰ ছোৱালী পলীক এখন ভাল স্কুলত পঢ়োৱাই ভাল মানুহ কৰাৰ। কিন্তু আজিলৈকে পলীক স্কুলত এডমিচন দিব পৰা নাই। ৰাধিকাৰ সপোনবোৰ সপোন হৈয়ে ৰ'ব নেকি? তাইৰ এই সমস্যাবোৰৰ কেতিয়া সমাধান হ'ব? এনেবোৰ কথা ভাৱিলে তাইৰ গাটো শিয়ৰি উঠে। ইফালে অহা মাহত তাইৰ মাহীয়েকৰ জীয়েকৰ বিয়া। ঘৰুৱা বিয়া হিচাপে খৰচ-পাতিও বহুত হ'ব। নহ'লে নিজৰ আত্মসন্মানত লাগিব। কিন্তু ইমানবোৰ খৰচ কৰিব কেনেকৈ? কোনে বুজিব সিহঁতৰ এই সমস্যাৰ কথা? নিজে কিবা এটা কৰি ঘৰখন বচাবলৈও যে তাই অসমৰ্থ। আধাতে পঢ়া-শুনা সামৰি ঘৰৰ কথাত বাধ্যত পৰি তাই ৰঞ্জিতৰ লগত বিয়াত বহিছিল। বিয়াৰ পিছত প্ৰথমতে সকলো ঠিকে আছিল যদিও পলীৰ জন্মৰ প্ৰায় তিনিবছৰমানৰ পৰা ৰঞ্জিতৰ ব্যৱসায়ৰ অধোন্নতিৰ দিশে আগবাঢ়িল। আৰ্থিক সমস্যাই ৰঞ্জিত আৰু ৰাধিকাক দিশহাৰা কৰি পেলালে গাঁৱৰ দোকানকেইখনত সিহঁতৰ বহুত বাকী আছে। আজিকালি ৰাধিকা ঘৰৰ পৰা বাহিৰলৈ ওলাব নোৱাৰা হ'ল। সকলোৱে সিহঁতক ইতিকিং কৰি হাঁহিবলৈ লয়। মাছ-মাংসৰ গোন্ধও সিহঁতে পাহৰিলেই। বহুদিন কেৱল নিমখ ভাতেই পেটৰ ভোক মাৰিবলগীয়া হৈছে। এনেকৈ আৰু কিমান দিন যাব? অভাৱে কিমান দিন সিহঁতক আত্মীয়-স্বজনৰ পৰা আঁতৰাই ৰাখিব? "ইমান মাতি আছোঁ কি ভাবি আছিলা মা?" —পলীৰ মাতত হঠাৎ তাই চক্ খাই উঠিল। এইবোৰ কথা ভাবি থাকোতেই বহু সময় পাৰ হৈ গ'ল। নিজৰ দুচকু মচি তাই ভিতৰলৈ উঠি গ'ল। ❖❖❖

# নীলা খামৰ চিঠি



# নীলা খামৰ চিঠি

● সম্প্ৰীতি লাহন
তৃতীয় যান্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

মৰমৰ

মেঘস্পৰ্শা (মেঘা)

প্ৰথমে মোৰ হৃদয়ৰ নিভৃত কোণৰ পৰা তোমালৈ অলেখ মৰমৰ যাচিছোঁ। আশাকৰোঁ কুশলে আছা। ঘৰৰ সকলোৰে ভালনে? নেদেখাজনৰ কৃপাত মইও কুশলে আছো। কলেজলৈ গৈ আছানে? পঢ়া-শুনা ভালদৰে কৰিবা। তোমাৰ পৰা দূৰত থাকিলেও মোৰ শুভকামনাবোৰ সদায় তোমাৰ লগত আছে মেঘা। আমাৰ মাজৰ কিঃ মিঃ ৰ ব্যৱধানবোৰক কেতিয়াও মৰম আৰু ভালপোৱাৰ ব্যৱধানলৈ পৰিৱৰ্তন হ'ব নিদিবা।

মেঘা, তোমাক লৈ মোৰ সপোনৰ অন্ত নাই। তুমিতো সকলো জানাই। একেদৰে চিন্তাৰো অন্ত নাই অ'। পৰিৱেশ-পৰিস্থিতি বৰ বেয়া অ' আজিকালি। প্ৰাণনাশী বিষবাষ্পবোৰ সকলোতে বিয়পি পৰিছে। কলুষতাবোৰো সমাজৰ চুকে-কোণে শিপালে। অভি-নীলৰ কথাতো গম পোৱাই। আজিলৈকে ন্যায় নাপালে। আজিও কাণত বাজি আছে অভি-নীলৰ মৰণকাতৰ চিঞৰ। আস্...। মেঘা, সেই যে সপোন দেখা ছোৱালীজনী (ৰাধা), তাইকো বৰ নিৰ্মমভাৱে হত্যা কৰিলে নৰপিশাচ দুটাই। ধৰ্ষণৰ ঘটনাবোৰ শুনিলে বুকুখন কঁপি উঠে অ' মেঘা। অজান আশংকা এটাই বাহ লয় বুকুত। মেঘা, শুনা, সাৱধান হ'বা। সন্ধ্যাবোৰো মাতাল এতিয়া। নিশাৰ আন্ধাৰবোৰো অধিক গভীৰ হৈ পৰিছে। নিশা অকলে ৰাস্তাত খোজ নিদিবা মেঘা। ভয় লাগে অ' মোৰ। কেতিয়াবা ভাৱো সকলো বাদ দি গুচি যাম তোমাৰ কাষলৈ। প্ৰতিটো বিপদত ঢাল এখন হৈ থিয় দিম তোমাৰ সন্মুখত। কিন্তু, দায়িত্ববোৰৰ পৰাটো পলাব নোৱাৰো। মেঘা, প্ৰতিটো সময়ত শাৰীৰিকভাৱে তোমাৰ কাষত থিয় দিব নোৱাৰিলেও প্ৰতিশ্ৰুতি দিব পাৰিম যে প্ৰতিটো মুহূৰ্ত তোমাৰ সাহস হৈ তোমাক সংগ দিম।

মেঘা, তোমাৰ ছেমিষ্টাৰৰ ৰিজাল্টটো পাই সুখী হ'লোঁ। মই বিচাৰো মোৰ সপোনৰ পাহাৰ আৰু ওখ হ'ব। সফলতাৰ আকাশ চুমিব। মোৰ মেঘস্পৰ্শাই সঁচাকৈয়ে এদিন আকাশৰ মেঘ স্পৰ্শ কৰিব। মেঘা, সপোনবোৰ সাধনাৰে জীপ দি তোলা, সফল নিশ্চয় হ'বা।

এইবাৰ বোলে দিখৌৰ বলিয়া বানে বহুত ঠাইত তাণ্ডৱ চলালে। শুনিছো খেতিপথাৰবোৰ বাঢ়নি পানীয়ে বুৰাই কৃষকৰ হাড়ভঙা পৰিশ্ৰম মাটিৰ লগত মিলাই থৈ গ'ল। হুমম্...। কি কৰিবা প্ৰকৃতিৰ তাণ্ডৱ। লগতে কেলেংকাৰীবোৰ আছেই। আচলতে দায়ী আমিবোৰো মেঘা। আমি জানো প্ৰকৃতিক কষ্ট দিয়া নাই।

তোমালোকৰ ঘৰৰ সন্মুখৰ পথাৰখনত এতিয়া চাগে সেউজীয়াবোৰ জীপ ধৰিছে। বৰ ভালপাওঁ জানা সেউজীয়াবোৰ। মহানগৰীৰ কংক্ৰিটৰ পৃথিৱীৰ পৰা দূৰত তোমাৰ সেউজীয়া গাঁওখনলৈ বৰকৈ মনত পৰে অ' মেঘা।

শুনা, অহা মাহত হয়তো যাম সেউজীয়াৰ মাজলৈ, মোৰ মেঘাৰ কাষলৈ। চিঠিৰ প্ৰত্যুত্তৰ দিবলৈ নাপাহৰিবা। তোমাৰ চিঠিখনলৈ বৰ আকুলতাৰে বাট চাওঁ মেঘা।

মা-দেউতাক মোৰ শ্ৰদ্ধা জনাবা। ভাইটিক ভালদৰে পঢ়া-শুনা কৰিবলৈ ক'বা। তুমিও আজৰি সময়ত তাক পঢ়া-শুনাত সহায় কৰি দিবা। আৰুনো কি লিখিম। সদায় কোৱাৰ দৰে "নিজৰ যত্ন ল'বা। পঢ়া-শুনা ভালদৰে কৰিবা। অলেখ মৰম আৰু ভালপোৱা তোমালৈ...। বিশ্বাসবোৰো বিশ্বাসেৰে জীয়াই ৰাখিবা"। চিৰদিন তোমাৰ হৈ থকাৰ প্ৰতিশ্ৰুতিৰে।

ইতি

তোমাৰ স্পন্দন

# হেঁপাহৰ এখনি নীলা খামৰ চিঠিৰ বাবে

● পূৰ্ণিমা দত্ত
চতুৰ্থ ষান্মাসিক
শিক্ষাতত্ত্ব বিভাগ

এখনি চিঠি দিবানা জোনাক, নীলা খামৰ বন্ধ চিঠি। বহুদিন হ'ল তোমাৰ এখনো চিঠি নোপোৱা, কিমান ফোন মেছেজ কৰিবা? মোৰ আমনিয়ে লাগিছে জানা।

ডাকোৱালজনকো লগেই নোপোৱা হ'লো, সোধাও নহ'ল তেওঁক তেওঁৰ ঘৰমুখী ঠিকনা। তেওঁৰ মৰমী হাতৰ পৰশে লৈ অহা তোমাৰ চিঠিখন হাতত লওঁতে কিমান যে ভাল লাগিছিল।

আগতেতো আমি চিঠিৰে যোগাযোগ ৰাখিছিলোঁ। আজি কালিনো তোমাৰ কি হ'ল জোনাক, তুমিও পৰিৱৰ্তনৰ সাগৰত ডুব গ'লা নেকি? নে তুমিও ভীষণ যান্ত্ৰিক হৈ পৰিলা।

কিবা উৰুঙা উৰুঙা লাগিছে জোনাক কিবা যেন হেৰুৱাই পেলাইছোঁ আমি। তোমাকতো সেইবাবে কওঁ "এখনি চিঠি দিবানা জোনাক"। কিন্তু তুমি হাঁহি উৰুৱাই দিয়া,"ধেৎ, আজিকালি চিঠি দিয়েনে, মিছাতে সময় নষ্ট। তাতকৈ ফোন এটা কৰি ল'লেই হ'ল"। মোৰ যে তেতিয়া বিৰাট খং উঠে তোমালৈ।

ম'বাইলৰ ৰং-বিৰঙৰ যান্ত্ৰিকতাৰ সলনি মৰমেৰে লিখা সেই আখৰকেইটাৰ সমান হ'বই নোৱাৰে অ'। লাগিলে তেওঁৰ আখৰ কুকুৰাঠেঙীয়াই হওক। আমাৰ আগৰ দিনবোৰ উভতি অহা হ'লে কিমান আকুলভাৱে ৰ'লোহেঁতেন এখনি চিঠিৰ বাবে।

জোনাক ফোন এছ.এম.এছ.ৰ জৰিয়তে মোক জনাব পাৰিবা জানো তোমাৰ মৰমৰ গভীৰতা, আই-বোপাইৰ মৰম, গাঁৱৰ গাভৰু জাকৰ খিলখিল হাঁহিৰ খবৰ, ভাওনাৰ বতৰা। পাৰিবা জানো আনি দিব মোক আকাশৰ জোন, বেলি, তৰা। নিচুকাব পাৰিবা জানো আমাৰ কণমানিজনীক নিচুকনি গীত গাই। যিমানে আধুনিকতা নাহক লাগে আমাৰ মাজলৈ তথাপিও সেই নিভাঁজ আন্তৰিকতা তুমি ক'তো বিচাৰি নোপোৱা।

ইমান দূৰত থাকা তুমি চাকৰিৰ খাতিৰত, ম'বাইল থকাৰ বাবে দূৰত থকা নিচিনা নালাগে কিন্তু চিঠি পঢ়াৰ মাদকতা ম'বাইলে দিব নোৱাৰে অ'।

আগৰ দিনবিলাক এতিয়া এক দুঃস্বপ্নৰ দৰে লাগে মাথো। কিমান যে সলনি হ'ল আৰু কিমান যে বাকী আছে। সলনি হৈ গৈ আছো আমি। প্লিজ, জোনাক তোমাক কাতৰেৰে অনুৰোধ কৰিছোঁ এবাৰৰ কাৰণে হ'লেও এখনি চিঠি দিয়ানা। য'ত মই... মই অনুভৱ কৰিব পাৰিম তোমাৰ ভালপোৱা, বাৰে বাৰে পঢ়ি ৰ'ম তোমাৰ লেখা। য'ত থাকিব কেৱল মাত্ৰ সঁচা ভালপোৱাৰ ৰেঙনি। দিবা দেই জোনাক ডাকোৱাল জনলৈ অপেক্ষা কৰি ৰ'ম। ঘৰৰ পদূলিৰ বকুল গছজোপাৰ তলত। এইবাৰ সুধিম বাৰু তেওঁৰ ঘৰমুখী ঠিকনা এবাৰ মাত্ৰ, মাথো এবাৰ দিবানা এখন নীলা খামৰ চিঠি মোৰেই শপত।

# অনুভৱৰ চাকনৈয়া...

● কংকণা বৰুৱা
চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ



প্ৰাণ মৰমৰ...

নিয়ৰ সেমেকা এটি কোমল পুৱা.....বুজা-নুবুজাৰ ভাষাৰে অলেখ অনুভৱৰ একলম তোমালৈ বুলি.....সেমেকা সেমেকা এই পুৱতিত.....অনুভৱৰ ৰেখা বৈ যায়, তোমাকে সুঁৱৰি.....মাথো দূৰ-দিগন্তলৈ.....।

এয়া অনুভৱহে মাথোঁ.....।

তোমাক পোৱাৰ বেদনাত নে পাই হেৰুৱাৰ বেদনাত বুজাব নোৱাৰো মোৰ অবুজন মনটোক.....। কেৱল কল্পনাৰ সাগৰত প্ৰতি উশাহত ঢৌ খেলোঁ.....। কিজানি এবাৰ..... মাত্ৰ এবাৰ লগ পাই যাওঁ মোৰ ধূলিয়ৰী দীঘল পদূলিৰ সেই বকুলজোপাৰ তলত.....।

তোমাক হেৰুৱালো বুলিয়েইতো কান্দি কান্দি পাৰ কৰিব নোৱাৰো অনাগত দিনবোৰ..... হাঁহি হাঁহিও জীৱন কটাব নোৱাৰো স্মৃতিৰ অৱলোকনৰ বেলাত.....।

তোমাক নিচেই কাষতে পোৱা যেন লাগে জানা.....। এই যে ধেমালিবোৰ.....প্ৰেম-ভালপোৱা-মৰমবোৰ.....অভিমান হৈ দেখা দিয়ে দুচকুত। বিচ্ছেদবোৰ বাৰু কিয় আহে? ধুমুহাৰ দৰে চূৰমাৰ কৰি থৈ যায় সকলো.....।

তোমাৰ কাষত থকাৰ হেঁপাহত, মোক অনুভৱী হ'ব শিকাইছিলি জানা.....সেই দিনটো, সেই দিনটোৰে.....যিদিনা তুমি কাষত থাকিও মোক সঁহাৰি জনাবলৈ পাহৰি গৈছিলা.....মই যে দুখতে উতনুৱা হৈ দৌৰি ফুৰিছিলোঁ। বৰ দুখ পাইছিলোঁ.....।

আজি এই অন্ধকাৰ পৃথিৱীত তোমাক হেৰুৱাই মোৰ অনুভৱ - তুমি কেৱল তুমি নহয়.....। তুমি আৰু মই মিলি আজিও আমি হৈ আছোঁ। তথাপি তুমিবিহীন মই বৰ অকলশৰীয়া। তুমি নাথাকিলেও সেই স্মৃতিবোৰে আজিও এই হৃদয়ৰ একোণত কেতিয়াবা বৰ জোৰকৈ খুন্দা মাৰে। তুমি নাই বাবেইটো মৰমবোৰ ভৰি আছে মোৰ কলিজাত। কেৱল মাথোঁ তুমি উভতি অহাৰ অপেক্ষাত.....।

ইতি
তোমাৰ প্ৰিয়া

# ডাকটিকটত অসম আৰু অসমীয়া















# উপন্যাসিকা

*চুটিগল্প যদি প্ৰেম, উপন্যাস বিবাহ।*
*চুটিগল্প যদি আলোকচিত্ৰ, উপন্যাস পূৰ্ণাংগ চলচিত্ৰ।*

—ল'ৰি ম'ৰ



# উপন্যাস

● সুশান্ত ভৰালী
চতুৰ্থ যান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ



ঃ ১২-৪০ হ'ল ঐ, ব'ল ক্লাছ start হ'ব এতিয়া।

ঃ ধুৰ্‌ৰ.. আবে বহ না ভাই, এতিয়াৰ ক্লাছটোৰ লেক্‌চাৰ এনেও বুজি নাপাৰ, notes খিনি কাৰোবাৰ পৰা পাছত লৈ লবি আহ্।

ঃ আৰে ভাই বুজি নাপালেও ক্লাছত এনেই বহি থাকিলেও attendance টো পাম না।

ঃ আৰে্, তই সদায় Topper কেইটাৰ লগত একেলগে বহি তাহাঁতৰ সমানে ক্লাছ কৰচোন; হ'লেও তই তাহাঁতৰ সমান attendence ৰ percentage য়ে পাৰ নে, attendance ৰ percentage টোৰেই হিচাপ মতে সিহঁতৰ সমান পাৰ। আমাৰ লগত বহ অলপ, next ma'am ৰ ক্লাছটো কৰিমগৈ।

'ক'ৰ কথাকেইটাই 'খ'ৰ মনত তুমুল চাপৰ সৃষ্টি কৰিলে। সি একো প্ৰত্যুত্তৰ নিদিয়াকৈ অন্যমনস্কভাৱে দোকানৰ পৰা কলেজ গেটলৈ খোজ দিলে।

হয়তো। সিচোন সদায়েই সিহঁতৰ Topper 'গ', 'ঘ'ৰ লগতে বহি সমানে ক্লাছ কৰি আহিছে। হ'লেও সি 'গ', 'ঘ'তকৈ 10-15% attendance সদায়ে কম পায়। প্ৰথম Semester ত সি department ত অভিযোগ কৰিছিল যদিও একো লাভ নহ'ল, senior বোৰে তাক বুজালে যে এইবোৰ complain কৰি একো লাভ নাই। Last semester তটো 'খ'ৰ attendance 65% হে, যিটো সম্পূৰ্ণ ভুল। ইফালে 'গ', 'ঘ'ৰ 90%। তাৰো percentage সিমান মানেই হ'ব লাগে। সিটো 'গ'ৰ লগত একেলগে কলেজলৈ আহে, একেলগে ক্লাছ কৰে, আনকি ঘৰলৈও একলগে যায় (তেতিয়াহ'লে তাৰ attendance ৰ percentage কমিল কিয়? ভুলটো বাৰু কোনে ক'ত কৰিলে?) প্ৰথমবাৰ list ত তাৰ attendance75% ওলাইছিল। আকৌ recount কৰিবলৈ কোৱাত আৰু 10% কমি 65% হে হ'লগৈ। খং উঠিছিল তাৰ, হ'লেও সি জানিছিল একো লাভ নাই। আকৌ হয়তো complain কৰিও একো লাভ নাই। বাদ দিছিল সি। ফলত য'ত সি attendance ৰ কাৰণে 5 পাব লাগিছিল, তাত পাইছিল 1 (হয়তো, সি সেইবোৰৰ হিচাপ কৰিবলৈ এৰি দিছিল।)

আজিকালি অকলশৰীয়া মুহূৰ্তবিলাকত কথাবোৰে তাৰ মনত জুমুৰি দি ধৰেহি। সি বিষয়বোৰ জুকিয়াই চাই যুক্তি দিয়ে সপক্ষে-বিপক্ষে (এসময়ত সি ভাল তাৰ্কিক আছিল।)

কথাবোৰ পাগুলি সি ক্লাছৰুমত সোমাই পৰিল। কেইবাবাৰো চেষ্টা কৰাৰ পাছতো ক্লাছৰ কথাবোৰ সি আয়ত্তলৈ আনিব পৰা নাই। আকৌ তাৰ মনটোৱে প্ৰাচীন পুখুৰীটোত ডুব দিলে।

দ্ৰোণাচাৰ্য সঁচাকৈয়ে সন্মানৰ অধিকাৰী নে, যিমান সন্মানেৰে তেওঁক মহাভাৰতৰ চৰিত্ৰত উপস্থাপন কৰা হয়? অস্ত্ৰ শিক্ষা দানৰ নামত তেওঁটো অকল পক্ষপাতিত্বয়েই কৰিলে। দ্ৰোণে প্ৰথম দৃষ্টিতে বুজিছিল কৰ্ণ আৰু একলব্যৰ ইতিহাস সলনি কৰিব পৰা প্ৰচুৰ সম্ভাৱনা আৰু ক্ষমতাৰ কথা। মাত্ৰ বংশ, জাত, গোত্ৰৰ দোহাই দি শিক্ষা নিদিয়াৰ কথা ঘোষণা কৰিছিল তেওঁ। (হয়তো কৰ্ণ-একলব্যৰ শ্ৰেষ্ঠ যোদ্ধা হোৱাৰ অপৰিসীম ক্ষমতাৰ উমান পাইয়ে তেওঁ শিক্ষা দিবলৈ অস্বীকাৰ কৰি অৰ্জুনক শ্ৰেষ্ঠতৰ কৰি তোলাৰ ষড়যন্ত্ৰ ৰচিছিল।) কৰ্ণ আৰু একলব্য আঁতৰি গৈছিল। কৰ্ণয়ে সদম্ভে ঘোষণা কৰি গৈছিল দ্ৰোণৰ আগত, দ্ৰোণে আজি যাৰ কাৰণে, যি কাৰণে কৰ্ণক এনেদৰে অপমান কৰিলে তাৰ প্ৰতিশোধ ল'ব। অৰ্জুনতকৈ শ্ৰেষ্ঠতৰ হৈ দেখাব। আনহাতে একলব্য আঁতৰি গৈছিল সংগোপনে আৰু নিজে নিজক প্ৰশিক্ষিত কৰি গৈছিল ধনুৰ্ধৰ হ'বলৈ, সফলো হৈছিল বহুখিনি কিন্তু দ্ৰোণে একলব্যক স্তব্ধ কৰি অৰ্জুনক শ্ৰেষ্ঠ কৰি তুলিবলৈ গুৰুদক্ষিণাৰ ছলেৰে কাঢ়ি লৈছিল একলব্যৰ বুঢ়া আঙুলি। চিৰ জীৱনৰ বাবে একলব্যক কৰি তুলিছিল পংগু আৰু ধনু চলাবলৈ অসমৰ্থ। ইমান ডাঙৰ পাপ, এটা প্ৰতিভাৱান কিশোৰৰ জীৱন ধ্বংস কৰা দ্ৰোণক, ইমান ডাঙৰ

অন্যায় কৰাৰ পাছতো দ্ৰোণাচাৰ্যক মহাভাৰতত কিয় উপস্থাপন কৰা হ'ল এক সন্মানীয় ব্যক্তিৰ আসনত?

কোৱা হয় ৰামায়ণ, মহাভাৰত, গীতা আদিৰ প্ৰতিটো খণ্ড, কাহিনীত সাধাৰণ জনজীৱনৰ গূঢ়াৰ্থ নিহিত হৈ থাকে। তেতিয়াহ'লে দ্ৰোণৰ চৰিত্ৰ তথা একলব্য, দ্ৰোৰ্ণ, কৰ্ণ আৰু অৰ্জুনৰ এই কাহিনীটোৱে কি অৰ্থ বহন কৰিছে? হয়তো practical, internal mark ৰ কাৰণে তেল মাৰিব লগা শিক্ষকসকলেই আজিৰ যুগৰ দ্ৰোৰ্ণ আৰু যিসকলে practical, internal mark ক বুঢ়া আঙুলি দেখুৱাই কেৱল theory ত ভাল ফল দেখুৱাই আগুৱাই যায় সেইসকল আজিৰ যুগৰ কৰ্ণ আৰু শিক্ষকৰ পক্ষপাতিত্বত career নষ্ট হোৱাকেইটা হয়তো আজিৰ একলব্য। পাৰ্থক্য মাথো গুৰু দক্ষিণা দিয়া বুঢ়া আঙুলিটো। (নিজৰ ৰিজনিত সি নিজেই হাঁহিলে এবাৰ)। সেইজনো হ'ব পাৰে আজিৰ যুগৰ দ্ৰোণাচাৰ্য, যিজনে কৃতী শিক্ষকৰ বঁটা পাইছিল, যিজনে তাক, সিহঁতক ক্লাছৰ মাজত প্ৰায়েই নীতি শিক্ষাৰ লেকচাৰ দিছিল। সৎ হ'বলৈ কৈছিল আৰু শিক্ষাৰ্থীক admission দিয়াৰ নামত 'ঘোচ' লৈছিল। সেইজনেই হ'ব পাৰে আজিৰ যুগৰ দ্ৰোৰ্ণ, যিজন Principal য়ে admission ৰ নামত উৎকোচ লোৱা কথাটো এদিন তাৰ লগৰ কেইটাই কওঁতে সিহঁতে প্ৰথমে তেওঁ যে তেনেকুৱা বিশ্বাসেই কৰা নাছিল।

আজিৰ ভাৰত তথা অসমৰ শাসন ব্যৱস্থাটোত ব্যাপক দুৰ্নীতি, অনিয়ম, অবিচাৰ। ক্লাছত নীতি শিক্ষাৰ ভাষণ দিয়া আৰু ছাত্ৰক উৎকোচ লৈ admission দিয়া শিক্ষকজনক দেখি সৰু সৰু ছাত্ৰ-ছাত্ৰীসকলেও একপ্ৰকাৰৰ তেনেধৰণৰ ভদ্ৰতাৰ মুখা পিন্ধি দুৰ্নীতি কৰিবলৈকে নিশিকিব নে? বহুক্ষেত্ৰত দেখা যায় আমাৰ অগ্ৰজসকলে কথাৰ লাচতে কৈ দিয়ে যে আমেৰিকাত ১৮ বছৰৰ ল'ৰা-ছোৱালীক মাক-বাপেকে টকা দিবলৈ বন্ধ কৰি দিয়ে, সিহঁতে নিজে উপাৰ্জন কৰে আৰু পঢ়েও। আমাৰ আকৌ ল'ৰা-ছোৱালীক আদ বয়সলৈকে মাক-বাপেকে খুৱাব-পিন্ধাব লাগে (কিছুমান নথকাও নহয় একদম নিষ্কৰ্মা)। কিন্তু কথাষাৰ কওঁতে সদাশয় ব্যক্তিসকলে এইটো পাহৰি যায় যে আমেৰিকাৰ দৰে দেশত সৰু-বৰ চাকৰি-কামৰ অভাৱ নাই। কিন্তু আমাৰ পূৰ্বজসকলে আমাৰ ভাৰতবৰ্ষৰ অৱস্থাটো এনেকুৱা কৰি থৈ গৈছে যে ইয়াত ডিগ্ৰী complete কৰা সকলেও কাম-চাকৰি বিচাৰি টাকুৰি ঘূৰাদি ঘূৰিব লাগে।

আজিৰ নৱপ্ৰজন্ম সঁচাকৈয়ে উচ্ছৃংখল নে? যদি হয়; কিমান উচ্ছৃংখল? সকলো দিশৰ পৰা নৱ প্ৰজন্মৰ স্খলন ঘটিছে বুলি তেওঁলোকৰ দোষ-ত্ৰুটীক লৈ বহু সমালোচনা হৈছে আৰু হয়। কিন্তু আজিৰ তাৰিখত সংঘটিত বৃহৎ কেলেংকাৰী, অনিয়মত কিমান নৱপ্ৰজন্ম জড়িত? নীৰৱ মোডী, বিজয় মালিয়া, ৰাকেশ পাল এওঁলোকটো নৱপ্ৰজন্ম নহয়। কিছু সংখ্যক যুৱক-যুৱতীৰ কাৰণে আজিৰ নৱপ্ৰজন্ম উচ্ছৃংখল বুলি সমগ্ৰ নৱপ্ৰজন্মক সামৰি লোৱাটো কিমান সমীচিন? আজি নবীন চামৰ ভুল-ত্ৰুটীবোৰ সমালোচনা কৰি আঙুলিয়াই দিয়াত প্ৰবীণচাম সদায়ে তৎপৰ। কিন্তু প্ৰবীণচামৰ ভুল-দোষবোৰ কোনে সকীয়াই দিব?

তাৰ চিন্তাৰ নৈখনে সুঁতি সলালে—

FIFA World Cup, Russia-ৰ Finalist Croatia প্ৰায় ৪০ লাখ জনসংখ্যাৰ এখন দেশ। যিয়ে Final ত প্ৰৱেশ কৰি ফ্ৰান্সৰ সন্মুখত পৰাভূত হৈও বিশ্ব জিনিলে। Iceland, যাৰ জনসংখ্যা ১০ লাখতকৈও কম। তেনেকুৱা এখন দেশেও ৰাছিয়া World Cup ত পদচিহ্ন ৰাখিবলৈ সক্ষম হ'ল। তেনেক্ষেত্ৰত ১০০ কোটিৰো অধিক জনসংখ্যাৰ দেশ ভাৰতৰ পৰা বিশ্বকাপ খেলিব পৰা ১১ জনীয়া দল এটা নোলায়। ধিক্। ১৯৫০ চনৰ Brazil World Cup ত ভাৰতে qualify কৰিছিল, কিন্তু ভাৰত চৰকাৰে সেই ১১-১৫ জনীয়া দলটোৰ বাবে এযোৰকৈ বুট জোতাও যোগান ধৰিব নোৱাৰিলে। যাৰ ফলত শুদা ভৰিৰে ভাৰতক খেলিবলৈ দিয়া নহ'ল। ইমান এখন বৃহৎ দেশৰ পৰা কিয় নোলায় ১১ জনীয়া এটা দক্ষ দল? কিয় ভাৰতীয় খেলুৱৈয়ে দৌৰ, লং জাপ, হাই জাপ, জিম্নাষ্টিক, প'ল ভল্ট আদি খেলত অলিম্পিকত qualify নহয় আৰু হ'লেও ভাল ফলাফল দেখুৱাব নোৱাৰে? হৰভজন সিঙে ঠিকেই কৈছে - Croatia, Iceland ৰ দৰে দেশে World Cup খেলিছে আৰু ভাৰতে আজিও হিন্দু-মুছলিম খেলাতে ব্যস্ত। হিন্দু-মুছলিম, জাতি-ধৰ্ম, ভেদা-ভেদ, লেতেৰা ৰাজনীতি আদিয়ে সঁচাকৈয়ে দেশখনৰ কামি হাড় ভাঙি দিয়াৰ উপক্ৰম হৈছে। সেই তাহানিতে শংকৰদেৱে নৰোত্তম, চান্দ সাঁই আদি নগা, মুছলমান, গাৰো আদি সকলোকে সামৰি সম্প্ৰীতিৰ অসম গঢ়াৰ নিদৰ্শন দেখাইছিল (যিটো নিদৰ্শন আজান ফকীৰেও দেখুৱাইছিল)। কিন্তু আজিৰ অসমীয়াই, আজিৰ ভাৰতীয়ই সেই শান্তি-সম্প্ৰীতি বজাই ৰাখিব পৰা নাই (বহুক্ষেত্ৰত এইবোৰ কামত চতুৰ ৰাজনীতিকৰো হাত থাকে। নিজৰ ৰাজনৈতিক চাহিদা পূৰণৰ বাবেই তেওঁলোকে সাধাৰণ মানুহৰ মাজত জাতি-ধৰ্মৰ ভেদা-ভেদ আনি দিয়ে)। স্কুল কলেজত অনৈক্যৰ মাজত ঐক্য - হিন্দু, মুছলিম, ব্ৰাহ্মণ,

কৈৱৰ্ত, নগা, খাচীয়া, গাৰো, বিহাৰী, বঙালী আমি সকলোৰে মিলি ভাৰতবৰ্ষ বুলি (হিন্দু-মুছলিম ভাই-ভাই, আমাৰ সকলোৰে ধৰ্ম এটাই - মানৱ ধৰ্ম) পঢ়ুওৱা প্ৰফেচাৰ, শিক্ষক তথা এইবোৰ কথাৰ ফুলজাৰিৰে সভাত বক্তব্য ৰখা সমাজৰ বৰমূৰীয়াজনেই গাঁৱৰ কলিতা ল'ৰাটোৱে নীহ কুলৰ ছোৱালী আনিলে বুলি নামঘৰত মেল পাতে। (SC, ST, OBC, General আদি caste system টোৰ জন্মও কোনোবা চতুৰ ৰাজনীতিকৰ ৰাজনীতিৰ চাহিদা পূৰণৰ আহিলা হিচাপেই হোৱা নাছিলটো?) আমাৰ সমাজ ব্যৱস্থাটোও বহু ক্ষেত্ৰত ঘুণে ধৰা। ওচৰ-চুবুৰীয়া বিলাকৰ চকু সাধাৰণতে (মূলতঃ গাঁও অঞ্চলৰ) নিজৰ কামতকৈ কাষৰ মানুহ ঘৰৰ ল'ৰাটোৰ বাইকৰ পাছত কাৰ জীয়েক উঠিছে তাতহে চকু।

এটা প্ৰশ্নৰ উত্তৰ সি আজিলৈকে নাপালে। (প্ৰশ্নৰ উত্তৰ বিচাৰি...) গৰু মাংস হিন্দুৰ অখাদ্য, কাৰণ গৰুক আমি পূজা কৰোঁ। দেৱাদিদেৱ মহাদেৱৰ বাহন আছিল এটা ষাঁড় গৰু (নন্দী)। যদি গৰু হিন্দুৰ অখাদ্য, তেনেহ'লে মাছ, কাছ, গাহৰিও হিন্দুৰ অখাদ্য হ'ব লাগেচোন। মুছলমান সতীৰ্থ এজনে কোৱা এষাৰ কথালৈ তাৰ মনত পৰিল— মুছলমানসকলে মাংস ভক্ষণ কৰিলে জীৱটো হালাল দি লয়। কিন্তু মাছ হালাল নিদিয়াকৈ ভক্ষণ কৰে। কিয়? মাছটোওতো এটা জীৱ। যেতিয়া মানুহবোৰে হাবিত বাস কৰিছিল তেতিয়াটো সকলোৰে সকলোবোৰ বস্তুৰেই চিকাৰ কৰি খাইছিল গৰু, ম'হ, গাহৰি আদি। তেতিয়াটো কোনেও কোৱা নাছিল গৰু হিন্দুৰ অখাদ্য বুলি। গাহৰি মুছলমানৰ অখাদ্য বুলি।

যদি নীহ কুলৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰাটো ধৰ্মৰ বাহিৰত, পাপ হয়, তেন্তে ধৰ্মৰ প্ৰতীক পঞ্চপাণ্ডৱৰ ভীমে কিয় বিয়া কৰাইছিল ৰাক্ষস কুলৰ হিড়িম্বাক?

আৰু আজিৰ যুগৰ বুদ্ধিজীৱীসকল, তেওঁলোক ইমানে সকলো দিশতে পাৰ্গত যে (All rounder) যে ধাৰ্মিক, সামাজিক, ৰাজনৈতিক, শৈক্ষিক সকলো বিষয়তে একে কেইজন বুদ্ধিজীৱীয়েই বিভিন্ন বিবৃতি আগবঢ়াই Talk Show, Paper সকলোতে আলোচনা, সমালোচনা কৰা দেখা যায়।

(নিজৰ ভাৱনাত উটি গৈ সি ক'ৰবাৰ পৰা ক'ৰবাত পালেগৈ)। আমাৰ দেশত, আমাৰ সমাজত বহু প্ৰতিভা প্ৰস্ফুটিত হোৱাৰ আগতেই মৰহি যায় আৰু এইক্ষেত্ৰত অৰিহণা থাকে নিজৰেই মাক-দেউতাক তথা পৰিয়ালৰ। সকলোৱে বিচাৰে নিজৰ ল'ৰাটো Science ত পঢ়ক, ডাক্তৰ-ইঞ্জিনিয়াৰ হওক। যেন ডাক্তৰ-ইঞ্জিনিয়াৰক বাদ দি বাকী মানুহবোৰৰ জীৱন জীৱনেই নহয়। সকলো ব্যস্ত নিজৰ ল'ৰাটোক বেলেগৰ লগত তুলনা কৰাত। অমুকে তোতকৈ বেছি mark পাইছে তই কিয় নাপাৱ? তেওঁলোকে নিজৰ ল'ৰাটোক বেলেগৰ ল'ৰাৰ লগত তুলনা কৰাত ইমানেই ব্যস্ত, বেলেগ এটা ল'ৰাৰ mark, percentage ৰ লগত নিজৰ ল'ৰাটোৰ mark, percentage ৰ তুলনা কৰে আৰু নিজৰ ল'ৰাটোক ডাক্তৰ-ইঞ্জিনিয়াৰ বনাবলৈ ইমানেই উঠি পৰি লাগে যে তেওঁলোক অন্ধ হৈ পৰে। তাৰ ফলত তেওঁলোকে কোনেও কেতিয়াও নেদেখে যে তেওঁৰ ল'ৰাটো সেই অমুক-তমুকৰ পুতেকক ১০০ মিটাৰ দৌৰত ২০-৩০ মিটাৰ দূৰতে এৰি থৈ আহে বা তেওঁৰ ল'ৰাটোৰ ভৰিত ফুটবলটো পৰিলে যাদুৰ সৃষ্টি হয়। ফুলৰ ওপৰত কবিতা লিখি ভালপোৱা ল'ৰাটোৱে ঘৰৰ pressure ত ডাক্তৰ-ইঞ্জিনিয়াৰ হ'বলৈ গৈ বিজ্ঞান শাখাত নাম লগাই সেইপাহ ফুলকে practical lab ত কাটি-ছিঙি পৰীক্ষা কৰিবলগা হয়গৈ। শেষত সি না নিজৰ সপোনবোৰ পূৰণ কৰিব পাৰে না মাক-দেউতাকৰ সপোনবোৰ সম্পূৰ্ণ কৰিব পাৰে।

অসম বাৰেকুৰি সমস্যাৰে জৰ্জৰিত এখন ৰাজ্য। য'ত সাধাৰণ ৰাইজে যিকোনো এটা অপৰাধৰ উচিত বিচাৰৰ বাবেও ৰাজপথলৈ আহি ধৰ্ণা, আন্দোলন কৰিব লাগে। নদীবান্ধ, বিদেশী সমস্যা, বানপানী আদি গুৰু সমস্যাবোৰ সমাধানৰ বাবে কৰা আন্দোলনবোৰটো আছেই। আন্দোলন আৰু কিমান কৰিম? ৰ'দ-বৰষুণক আওকাণ নকৰি আমি বছৰি চলোৱা আন্দোলনে গাদীত বহি AC ৰ হাৱা খাই থকা প্ৰশাসকক হিলাব নোৱাৰে বুলি হাত সাবটি বহি থকাতকৈ কিবা এটা সমাধানৰ সূত্ৰ উলিওৱাৰ মানসেৰে, প্ৰয়াসেৰে চলাই যায় আন্দোলন, উলিয়াই সমদল আৰু কিছুমানে নপতা ফুকনৰ দৰে লীডাৰ হৈ গৰম কৰে নিজৰ পকেট। বহুতে উচ্চ শিক্ষা-দীক্ষা লাভ কৰি অসমত বা ভাৰতত থাকি লাভ নাই বুলি ভাবি, এই দেশৰ একো উন্নতি নাই বুলি ভাবি বিদেশলৈ যায়গৈ। তাকে লৈ বহুতে ফিতাহি মাৰে, অমুকৰ পুতেক, মোৰ ভাগিনটো লণ্ডনতহে থাকে। বহুতে কয় অমুক খুৰাক দেখিছিলোঁ এতিয়া আমেৰিকাত থাকে, ভালকে পঢ় তেতিয়া এদিন তইও অমুকৰ দৰে ডুবাইত থাকিব পাৰিবি। কথাবোৰ শুনি হাঁহিও উঠে তাৰ, যিবোৰে উচ্চ শিক্ষা লাভ কৰাৰ পাছত নিজৰ সেই শিক্ষা উচ্চ বিচাৰ, তীক্ষ্ণ বুদ্ধিৰে নিজৰ দেশ-ৰাজ্যখনক আগুৱাই নিব লাগিছিল, নিজৰ

মাতৃভূমিৰ সমস্যা সমাধানৰ পথ বিচাৰিব লাগিছিল, তেওঁলোক এতিয়া ব্যস্ত বিদেশৰ লাহ-বিলাহত। আৰু আমাৰে কিছুমানে তেওঁলোকে বিদেশত আছে বাবেই তেওঁলোকক মহান সজাই আমাক তেওঁলোকৰ দৰে হ'বলৈ উদাহৰণ দিয়ে। (হাঃ হাঃ হাঃ, মনতে এবাৰ হাঁহি দিলে সি) এইবোৰেই জানো Brain Drain নহয়? যি পুত্ৰই মাতৃৰ প্ৰয়োজনত মাতৃৰ কাষৰ পৰা আঁতৰি যায়, যি পুত্ৰই সামৰ্থ থকাৰ পাছতো মাতৃৰ কষ্ট লাঘৱৰ বাবে একো নকৰে, তেনে পুত্ৰ হয়তো নথকাই শ্ৰেয়। (সৰুতেই চোৱা 'স্বদেশ' নামৰ চিনেমাখনলৈ তাৰ মনত পৰিল। য'ত চিনেমাৰ নায়ক SRKয়ে NASA ৰ চাকৰি এৰি নিজৰ বুদ্ধি তথা উচ্চ শিক্ষাৰে নিজৰ দেশখনক আগুৱাই নিয়াৰ এক প্ৰয়াস কৰিছিল)। Topper বোৰৰ অধিকাংশৰে পাছৰ জীৱন পাৰ হৈ যায় দেশৰ অথবা বিদেশৰ বহুজাতিক কোম্পানীবোৰৰ Boss ৰ নিৰ্দেশ মতে yes sir, হয় ছাৰ কৈ উঠা-বহা কৰোঁতেই আৰু back banchers ৰ কিছুমানহে পাছলৈ দেশ তথা সমাজৰ হকে মাত মাতিবলৈ ওলাই অহা দেখা যায়।(?) ৰামানুজনক লৈ আজিৰ ভাৰতীয়ই গৌৰৱ কৰে। কিন্তু তাৰ মনত এটা প্ৰশ্ন— ৰামানুজনৰ নিচিনা এজন পণ্ডিত পুৰুষক কিয় ভাৰতবৰ্ষৰ কলেজসমূহত উচ্চ শিক্ষা লাভৰ সুবিধা তথা সুযোগ দিয়া নহ'ল? তেওঁ অংক বিষয়টো বাদ দি অন্যান্য বিষয়ত সিমান ভাল নাছিল বাবেই? (অংক শাস্ত্ৰত থকা তেওঁৰ অগাধ পাণ্ডিত্যৰ কথা জানিও।) তাৰ ফলত তেওঁ G.H.Hardy ৰ আমন্ত্ৰণ পাই স্বদেশৰ কলেজত পঢ়াৰ আশা বাদ দি ট্ৰিনিটি কলেজত উচ্চ শিক্ষা গ্ৰহণ কৰে (যিটো সেই সময়ত ঘটিত এটা লজ্জাজনক ঘটনা বুলি সি বিবেচনা কৰে।) মেট্ৰিক তথা হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত ১০০ ৰ ভিতৰত ১০০ পোৱা ল'ৰা-ছোৱালী ভাৰতত বছৰি লাখ লাখ ওলাই, হ'লেও আজি পৰ্যন্ত এজনো ভাৰতীয় অংক শাস্ত্ৰত 'Noble prize' ৰ সমকক্ষ 'Fields medal' পাবলৈ অসমৰ্থ কিয়? (Mathematics ত Noble prize নাই) (Manjul Bhargava আৰু Akshay Venkatesh নামৰ দুজন ভাৰতীয় মূলৰ মানুহে পাইছিল, কিন্তু তেওঁলোক ভাৰতীয় নহয় বৰ্তমান, তেওঁলোক ভাৰতীয় মূলৰ হে। অৰ্থাৎ তেওঁলোকৰ কোনোবা পূৰ্বপুৰুষহে কোনোবা কাহানি ভাৰতীয় আছিল)।

আমাৰ আজিৰ শিক্ষা ব্যৱস্থাই, সমাজ ব্যৱস্থাই ল'ৰা-ছোৱালীবোৰক অকল Number বা mark ৰ পাছতহে দৌৰিবলৈ শিকাইছে। সৰুৰে পৰা আমাক শিকোৱা হৈছে, দেখুওৱা হৈছে এটা কংক্ৰীটৰ সপোন। ভালদৰে পঢ়, সৰহকৈ mark গোটা, মোটা দৰমহাৰ চাকৰি কৰ, দামী গাড়ী, গগণ চুম্বী ভাল ধুনীয়া ঘৰ এটা তেতিয়াহে বনাব পাৰিবি। আমাক কোনেও সেউজীয়া সপোনবোৰ দেখুওৱা নাই। আমাক কোনেও খেতি কৰিবলৈ শিকোৱা নাই। (৩ টকীয়া চাউল পোৱা এখন দেশত খেতিয়কৰ মূল্যই বা কিমান?) অথচ আমাৰ অগ্ৰজসকলেই কয় আজিৰ ল'ৰাই নাঙলৰ মুঠিত ধৰিব নাজানে। আজিৰ ছোৱালীয়ে ৰোৱা-তোলা কৰিব নাজানে, তাঁত বব নাজানে। (হাস্যকৰ)

ক্লাছৰ বেল পৰাত তাৰ তন্ময়তা ভাগি কথাবোৰ জুকিয়াই সি ক্লাচৰ পৰা ওলাই গ'ল। তাৰ মনত পৰিল হায়াৰ ছেকেণ্ডাৰীত পঢ়োতে সি অংকৰ টিউচন লোৱা শিক্ষকজনলৈ। তেওঁ সুধিছিল, "তই ডাঙৰ হৈ কি হবি?" উত্তৰত সি কৈছিল যে "মই খেতিয়ক হম"। তেতিয়া শিক্ষকজনে তাক কৈছিল যে তই ইমান পঢ়া-শুনা কৰি খেতিয়ক হে হ'বিগৈ নে? যদি খেতিয়েই কৰিবৰ মন, পঢ়া-শুনা কৰি মাৰ-দেউতাৰ পইচাবোৰ অবাবত ব্যয় কৰিছ কিয়? খেতিয়ক হ'বলৈতো নপঢ়িলেও হয়"। কথাটো মনত পৰাত সি হাঁহিলে।

বহু প্ৰশ্ন আছে তাৰ মনত, যি অনবৰতে তাৰ মনৰ ভিতৰতে খুদুৰাই থাকে। যিবোৰ মুকলিকৈ উপস্থাপন কৰিলে ঠিকটো নাই কোনে তাক জাতিদ্ৰোহী, ধৰ্ম বিদ্বেষী সজাই তোলে আৰু কোন তলকত আজিৰ প্ৰশাসনে তাক উচটনিমূলক কথা কোৱাৰ কাৰণে তথা অন্যান্য কাৰণ দৰ্শাই ধাৰা লগাই লক্‌আপত ভৰাই দিয়ে আৰু প্ৰবীণসকলক আঙুলিয়াই কথা কোৱাটোও অসভ্যালি, তাৰ ধৃষ্টতা বুলিয়েই গণ্য কৰা হ'ব। সিওটো নাজানে উক্ত প্ৰশ্নবোৰ কৰিবলৈ, নিজৰ যুক্তিবোৰ উপস্থাপন কৰিবলৈ সি বা কিমান যোগ্য?❖❖❖

# এখন ঘৰৰ কাহিনী

● **অংকিতা বৰগোহাঁই**
অসমীয়া বিভাগ
ষষ্ঠ ষান্মাসিক



(১)

"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
নির্লোভ ভাস্কর্য"

হীৰুদাৰ ভাষাত শুনিবলৈ সুন্দৰ যদিও মৃত্যু নামৰ চিৰন্তন সত্যটোৱে জোকাৰি থৈ গ'ল নম্ৰতাক...। তাইৰ সন্মুখত চিতাৰ জুইত জ্বলি শেষ হৈ যোৱা জোনাকৰ শৰীৰৰ অৱশিষ্ট অস্থি দেখি কেনেকৈ ক'ব পাৰে— কেনেকৈ মানি ল'ব পাৰে 'মৃতুওটো এটা শিল্প' বুলি...।

এনেকৈয়ে ভাগেনে সপোনবোৰ?? এনেকৈয়ে শেষ হয়নে এটি সৰু সুখী পৰিয়াল?? সামান্য জ্বৰেৰে কোনোবাই এনেকৈ জীৱনৰ আৰম্ভণিতে এৰি থৈ যায় জানো জীৱন লগৰীক?? সশব্দে উচুপি উঠিল নম্ৰতা...।

"আধৰুৱা হ'ল
কিমান সপোন
ৰাখিলা জানো তাৰে হিচাপ
এৰি অহা
কোন জনমৰে মই
সাবটি ল'লো এই অভিশাপ..."

(২)

ঃ নম্ৰতা, তোমাৰ বাৰু মন যায়নে সেউজীয়া পাহাৰ এটাৰ পৰা জঁপিয়াই পৰিবলৈ? নতুবা চলন্ত গাড়ী এখনৰ আগত বৈ দিবলৈ? মোৰ কিন্তু খুউব মন যায় জীৱনৰ আন্‌কমন ঘটনাবোৰ সংঘটিত কৰি ল'বলৈ...।

ঃ পাগলৰ দৰে কথাবোৰ কিয় কৈছা?

ঃ ইমান ছিৰিয়াছ কথা কৈ আছোঁ, তুমি এইবোৰ পাগলামি বুলি কৈছা? মানুহে জীৱনটো উপভোগ কৰিবলৈ সকলো কৰি চাব লাগে... তুমি যে গল্প, উপন্যাস বিশেষকৈ কবিতা লিখা, কিয় লিখা বাৰু?

ঃ কিয় মানে? লিখিবলৈ মন যায় লিখোঁ। মোৰো মন যায় এগৰাকী শ্ৰেষ্ঠ সাহিত্যিক হ'বলৈ...।

ঃ কিবা এটা লিখিলেই মানুহ সাহিত্যিক হৈ নাযায়, অভিনয় কৰিলেই মানুহ অভিনেতা হ'ব নোৱাৰে। কবিতা, অভিনয়, নাচ-গান এইবোৰ হৈছে একোটা কলা। এইবোৰক হৃদয়ংগম কৰিব পাৰিব লাগিব। তেতিয়াহে তুমি সফল হ'ব পাৰিবা। সৌ সিদিনা যে অন্ধ মগনীয়াৰজন দেখিছিলা তেওঁ এটা জীৱন্ত কবিতা— জীৱন নাটৰ সুদক্ষ অভিনেতা। তুমি এইবোৰ বুজি নোপোৱা।

ঃ তেন্তে মই বুজি পাওঁ কি?

ঃ মহাবিদ্যালয়ৰ পৰা ক্লাছ শেষ হ'লেই সুৰসুৰাই ওলাই আহিবা, কলেজ তিনিআলিত বাছত উঠি দীঘলীপুখুৰীৰ পাৰত নামি জলং জপং খোজেৰে আহি এই পাগল প্ৰেমিক জোনাকক লগ কৰিবা —এইটোহে বুজি পোৱা...।

ঃ পাগল।

ঃ তুমিয়েই মোক পাগল কৰিলা...।

পুৱতি নিশা ঢহমহাই উঠি বহিল নম্ৰতা। কিয় হয় এনে? সদায় সপোনত জোনাকক দেখে, কিয়?? কিয় এনে লাগে জোনাক যেন তাইৰ আশে-পাশে আছে... আজি তাৰ মৃত্যু হোৱা ৪ বছৰেই হ'লহি। তথাপিও কিয় এনে লাগে সি যেন অনুভূতি আৰু তাই কাষতে আছে..

(৩)

দীঘল পদুলিটোৰেদি অন্যমনস্ক হৈ আহি থকা নম্ৰতাক অনুভূতিয়ে সাবটি ধৰি লৈ উচুপিবলৈ ধৰিলে।

ঃ মোৰ সোণজনীৰ কি হ'ল? কোনোবাই কিবা ক'লেনি?

ঃ মা, আজি মোক স্কুলত নতুন মিছে সুধিছে তোমাক মায়ে বেছি মৰম কৰে নে দেউতাই বেছি মৰম কৰে?

ভিতৰি ভিতৰি কঁপি উঠিল নম্ৰতা।

ঃ তুমি কি ক'লা মোৰ সোণ?

ঃ মই একো ক'বলৈ নাপালোৱেই, মৃগাংকহঁতে মিছক মই

তোমাৰ জীয়েক নহয় বুলি ক'লে।

ফেঁকুৰি উঠিল কণমানি অনুভূতিজনী। নম্ৰতাৰো চকুলো বাগৰি আহিল। সজোৰে সাবটি ধৰিলে তাই অনুভূতিক।

ঃ মোৰ সোণ, তুমি যে স্কুলৰ 'Student of the year' সেয়ে তোমাক মৃগাংকহঁতে হিংসা কৰে। So তোমাক জোকাইছিল চাগে সিহঁতে...।

ঃ ওম, মই জানো। মা, আমি ইয়াৰ পৰা দূৰলৈ যাওঁগৈ ব'লা।

ঃ ক'লৈ যাবা সোণ? আৰু কিয়?

ঃ ইয়াৰ পৰা বহু দূৰলৈ - বহু দূৰলৈ... ইয়াত থকা সকলোৱে আমাক হিংসা কৰে।

কণমানিজনীৰ কথা পেলাব নোৱাৰিলে নম্ৰতাই। গুচি আহিল তাই পুনৰ নিজৰ ওপজা ঘৰখনলৈ— য'ত তাইৰ বৃদ্ধ দেউতাকে আশাৰে বাট চাই আছিল— অনুভূতিক লৈ তাই উভতি অহালৈ... দেউতাকো যে তাইৰ দৰেই অকলশৰীয়া...।

(৪)

ঃ মা, মা তুমি ক'ত আছা?

পদূলিমুখতে ককাদেউতাকৰ হাতত স্কুলবেগটো গতাই অনুভূতি নামৰ ঘৰচিৰিকাজনী দেও দি দি চোতালত বহি থকা নম্ৰতাৰ কোলাত জঁপিয়াই উঠিলগৈ।

ঃ মা, মই আজি কাক লগ পালোঁ জানা?

ঃ কাক লগ পালা মোৰ পখিলীজনী?

ঃ তুমিয়েই কোৱাছোন।

ঃ তোমাৰ চ'নপৰীক?

ঃ ধেৎ নহয়।

ঃ কাক লগ পালানো?

ঃ মই ক'লে আচৰিত হ'বা তুমি। তোমাৰ চকুকেইটা ডাঙৰ হৈ যাব।

অনুভূতিয়ে যিমান পাৰে সিমান বহলাই মেলিলে নিজৰ চকুযুৰি।

ঃ মোৰ সোণমানু, কোৱাচোন কাক লগ পালা?

নম্ৰতাই অনুভূতিৰ গালত লাহেকৈ চুমা এটা দিলে।

ঃ আজি মই দেউতাক লগ পালোঁ জানা...।

ঃ কাক?

নম্ৰতা উচপ খাই উঠিল।

ঃ দেউতাক। ককাদেউতা গৈ পোৱাৰ আগতে মোক আজি মানুহ এজনে ইমানসোপা চক্‌লেট দিলে। মই তোমালৈও লৈ আনিছোঁ। তেওঁ মোক কোলাত লৈ এতিয়া তুমি দিয়াৰ দৰে গালত চুমা এটা দি 'মই তোমাৰ দেউতা' বুলি ক'লে। তুমি মোক এনেই কৈছিলা, দেউতাক ভগৱানে লৈ গ'ল বুলি। ৰ'বা মই ককাক কওঁগৈ। আজি ৰাতি দেউতা আহিব। একেবাৰে আহিব।

ঃ অনুভূতি মোৰ সোণ, শুনাচোন।

নাই, অনুভূতি গৈ ঘৰৰ ভিতৰ পালেগৈ। স্তম্ভিত হৈ বহি ৰ'ল নম্ৰতা।

(৫)

ঃ কিয় আহিছা ইয়ালৈ?

ড্ৰয়িংৰুমৰ পৰ্দা আঁতৰাইয়ে বহি থকা অনুপমলৈ ৰঙচুৱা হৈ থকা চকুৰে চালে নম্ৰতাই।

ঃ তোমাৰ জীৱনটোৰ বিষয়ে জানিবলৈ।

ঃ আৰু কি জানিবলৈ বাকী আছে? তেতিয়াও কৈছিলোঁ, আজিও কৈছো— বিধৱা মই। বিয়াৰ মাহ-হালধিৰ গোন্ধ যাবলৈ নাপাওঁতেই হোৱা বিধৱা। শহুৰৰ ঘৰখনৰ কাৰণে কুলক্ষিণী।

ঃ মিছা কথা, মই নামানো তুমি কুলক্ষিণী বুলি।

ঃ মানে নামানে আপোনাৰ কথা। হাতযোৰ কৰিছোঁ, গুচি যাওঁক ইয়াৰ পৰা। মোক মোৰ মতে জীয়াই থাকিবলৈ দিয়ক।

ঃ ঠিক আছে, তুমি তোমাৰ মতেই থাকা। কিন্তু অনুভূতিৰ কথা কেতিয়াবা ভাবি চাইছানে? তাইক যে দেউতাকৰো প্ৰয়োজন সেই কথা তুমি ভবা নাই কিয়?

ঃ অনুভূতি মোৰ আৰু জোনাকৰ সন্তান। তুমি কোন মাত মাতিবলৈ?

ঃ মিছা নামাতিবা। তুমি যিখন অনাথ আশ্ৰমৰ পৰা তাইক আনিছা, তাৰ পৰিচালকজন মোৰ বন্ধু।

বহাৰ পৰাই অনুপমে তীক্ষ্ণ দৃষ্টিৰে নম্ৰতালৈ চালে। সেই দৃষ্টি সহ্য কৰিব নোৱাৰি উচুপি উঠিল নম্ৰতা। কান্দোনৰ শব্দ শুনি ভিতৰৰ পৰা দেউতাক ওলাই আহিল অনুভূতিক কোলাত লৈ। ককাকৰ কোলাৰ পৰা অনুপমলৈ চাই হাঁহিলে অনুভূতিয়ে।

ঃ মৌমন, অনুপম বোপাই ঠিকেই কৈছে। তই নতুন জীৱনৰ পাতনি মেল। তোৰ অতীতটোক এলান্ধু বুলি ভাবি পাহৰি যা। আজি তোৰ মাৰ থকাহেঁতেন তেখেতেও অনু বোপাক সমৰ্থন কৰিলেহেঁতেন। মৌমন অনুভূতিৰ কথা ভাব। চাছোন মাজনী, তাই আজি কিমান সুখী হৈছে...।

(৫)

ঘৰবিহীন মানুহে যেতিয়া এখন ঘৰৰ অধিকাৰী হয় তেতিয়া বুজি পায় ঘৰৰ মাদকতা কি? পৰিয়াল কাক কয়? ঠিক তেনেদৰে সংগবিহীন মানুহে যেতিয়া সঁচা অৰ্থত আপোন কাৰোবাক বিচাৰি পায় তেতিয়াই পৃথিৱীত সৃষ্টি হয় সেই সোণালী সূতাৰ বান্ধোনটোৰ - যিটো বান্ধোনত বান্ধ খাবলৈ পৃথিৱীৰ প্ৰত্যেকজন মানুহে 'মই আকৌ জনম ল'ম' বুলি কয়...

অৱশেষত নম্ৰতাই বিচাৰি পালে অনুপমৰ মাজত, এখন আনৰ দুখত দুখ পোৱা হৃদয়, অনুভূতিয়ে নিজৰ দেউতাকক আৰু নম্ৰতাৰ দেউতাক মৌজাদাৰ ৰমাকান্ত বৰকাকতিৰ ঘৰখন হৈ পৰিল প্ৰকৃতাৰ্থত এখন ঘৰ...। ❖❖❖

# চৰাইদেউ পাহাৰৰ নাগিনীজনী



● পদুম গগৈ
চতুৰ্থ ষান্মাসিক
অৰ্থনীতি বিভাগ

[নাটকখন কাৰো জীৱনক ভিত্তি কৰি নাইবা কোনো সমাজক কেন্দ্ৰ কৰি লিখা হোৱা নাই। ইয়াত এটি কাল্পনিক কাহিনী সন্নিৱিষ্ট কৰা হৈছে। জাতিৰ মাজত বিভেদ, অন্ধবিশ্বাস, নিচাজাতীয় দ্ৰব্যৰ পৰা আঁতৰি থাকিবলৈ নাটকখন লিখা হৈছে। নাটকখনিৰ নগাৰ সংলাপসমূহ সকলোৰে বুজিব পৰাকৈ অসমীয়া ভাষাত লিখা হৈছে। নাটকখনি লিখিবলৈ যাওঁতে অনেকখিনি ভুল-ভ্ৰান্তি হ'ব পাৰে। তাৰবাবে ক্ষমা কৰি দিব বুলি আশা কৰিলোঁ।]

১। কাঞ্চনী ঃ এজনী নাগিনী ছোৱালী
২। বাইচুং ঃ কাঞ্চনীৰ দেউতাক
৩। জংকিমাই ঃ মদ বিক্ৰী কৰা এগৰাকী নাগিনী তিৰোতা
৪। জাংফাই ঃ এজন নগা পুৰুষ
৫। ১ম ভকত
৬। ২য় ভকত
৭। ৩য় ভকত
৮। মহিলা
৯। গাঁৰৰ মানুহবিলাক

## প্ৰথম দৃশ্য

[দেখা যাব বাইচুঙে জংকিমাইৰ ঘৰত বহি মদ খাই আছে আৰু জাংফাই, জংকিমাই ওচৰতে কথা পাতি পাতি বহি আছে।]

বাইচুঙ ঃ ঐ বাই আৰু এবটল দে।

জংকিমাই ঃ এতিয়ালৈকে তই বহুত মদ খালি। ইমান খাব নালাগে। কাঞ্চনী ঘৰত অকলে অকলে আছে। তই যাগৈ যা, তাই অকলে অকলে ভয় কৰিব পাই।

বাইচুং ঃ তাই এতিয়া সৰু ছোৱালী হৈ থকা নাই। তাই এতিয়া এখন স্কুলৰ মাষ্টৰনী হয়। পাৰিব দে অকলে থাকিব।

জাংফাই ঃ ককাই, কথা এটা শুনিছো, সঁচা নেকি?

বাইচুং ঃ কি কথা? ক চোন।

জাংফাই ঃ তোৰ ছোৱালীটোৱে বোলে ভৈয়ামৰ ল'ৰা এটা ভাল পাই, কথাটো সঁচা নেকি? আমাৰ চুবুৰীৰ সকলো মানুহে গম পাই। তই গম নাপাৰ নেকি?

বাইচুং ঃ ঠেৎ তেৰি, কি কথাবোৰ কৈ থাক অ' তই। ক'ত শুনিলি এইবোৰ কথা? নাজানো মই।

জংকিমাই ঃ তই সঁচাকে কথাতো গম নাপাৰ নেকি? মইতো তই জান' বুলিহে কথাটো কোৱা নাছিলোঁ।

বাইচুং ঃ কেনেবাকৈ কথাটো যদি সঁচা হয়, তেতিয়া তাইকতো মই কাটি পেলাম। মোৰ মান-সন্মান চব চেচ্ কৰি দিলে তাই। মোৰ ছোৱালী হৈ এইবোৰ কৰিবলৈ আহে। (তেনেতে বাইচুঙৰলৈ কাঞ্চনীয়ে ফোন কৰে।) হেল্ল', অ' কাঞ্চনী। এহ্ ৰহ্, মই যাব ওলাইছোৰেই। তই ভাতটো খাই ল'। মই যোৱালৈ ৰ'ব নালাগে। (ফোনটো কটাৰ পিছত) ঐ মই গৈ থাকো দে, কাঞ্চনীয়ে

ফোন কৰিছিল। তহঁতি থাক।

জাংফাই ঃ অ' যা যা। তই গৈ আজিয়েই তাইক কথাটো সুধিবি। যদি তাই তাক এৰিব নোৱাৰে, তেন্তে তাইক ঘৰৰ পৰা উলিয়াই দিবি।

বাইচুং ঃ ঘৰৰ পৰা উলিয়াই দিবলৈ নাই, একেবাৰে কাটি দুচেও কৰি পেলাম। এতিয়া মই গৈ থাকো দে। (বাইচুং যায়।)

জংকিমাই ঃ (জাংফাইক উদ্দেশ্য কৰি) ঐ... জাংফাই, তইনো তাক যি তি কথাবোৰ কিয় লগাই পঠিয়াইছ। সেইটোৱে এতিয়া ঘৰত গৈ কি কৰে ক'ব নোৱাৰি।

জাংফাই ঃ কৰিবলৈ দে যি কৰে, মই তোৰ বাবেহে ভাল কৰিলোঁ।

জংকিমাই ঃ মোৰ বাবে কি ভাল কৰিলি? ভালকৈ বুজাই ক'চোন।

জাংফাই ঃ বাইচুঙে যে তোৰ ইয়াত মদ খাবলৈ আহে, সেই কথা গম পাই কাঞ্চনীয়ে পুলিচক লগাই দিলে। তই যে মদ বিক্ৰী কৰি গোটেই মতা মানুহবোৰক মদাহী কৰি পেলালি, সেই কথা পুলিচক জনাইছে।

জংকিমাই ঃ কি? তাইৰ ইমান সাহস।

জাংফাই ঃ গতিকে কাইলৈ তোৰ ইয়ালৈ পুলিচ আহিব পাৰে। সেইবাবে তই মদৰ বস্তু যিমান আছে সকলো এতিয়াই ক'ৰবাত লুকুৱাই থ'গৈ।

জংকিমাই ঃ আও, এইজনীৰ ইমান সাহস। ভালেই কৰিলি, বাইচুঙক তই যি তি কথা লগাই পঠিয়ালি। সেইজনীক তেন্তে এই চৰাইদেউ পাহাৰৰ পৰা খেদি নপঠিয়ালে মোৰ এই ব্যৱসায়টোও নাইকিয়া হ'ব।

জাংফাই ঃ তই চিন্তা নকৰিবি, মই সেই ব্যৱস্থাও কৰি আছো। এতিয়া তই যা... যিমান মদৰ বস্তু আছে, সব লুকুৱাই থ'গৈ। কাইলৈ পুলিচ আহিলে নহ'লে গণ্ডগোল হ'ব। মই বাইচুঙৰ ঘৰৰ পৰা আহোঁগৈ।

জংকিমাই ঃ তই আক' সিহঁতৰ ঘৰলৈ কিয় যাব?

জাংফাই ঃ পাছত সব কথা গম পাবি। এতিয়া মই যাওঁ। (জাংফাই যায়। জংকিমাইয়ে মদৰ বটলকেইটা লৈ ভিতৰলৈ সোমাই যায়।)

## দ্বিতীয় দৃশ্য

[দেখা যাব কাঞ্চনীৰ ঘৰ]

কাঞ্চনী ঃ তই সদায় সদায় মদ খাই কিয় আহ'? তোৰ বাবেই মা এদিন এই পৃথিৱীৰ পৰা গুচি যাবলগীয়া হ'ল। এতিয়া মোকো অশান্তি দি মাৰিছ'।

বাইচুং ঃ এহ্ চালা... সেইবোৰ কথা বাদ দে। মই তোক যি সুধি আছো তাৰ উত্তৰ দে। তই ভৈয়ামৰ ল'ৰা এটাক ভাল পাৱ নেকি?

কাঞ্চনী ঃ অ' পাওঁ। তাৰ পৰা কি হ'ল?

বাইচুং ঃ কি ক'লি তই?

কাঞ্চনী ঃ (চিঞৰি) অ' মই ভৈয়ামৰ ল'ৰা এটাক ভাল পাওঁ। তাৰ পৰা কি হ'ল?

বাইচুং ঃ তই মোৰ ছোৱালী হৈ ভৈয়ামৰ ল'ৰাক ভাল পাবলৈ আহ'। তই অসমীয়া ল'ৰাক ভাল পাবলৈ আহ'।

কাঞ্চনী ঃ ভৈয়ামৰ হ'ল কি হ'ল? অসমীয়া হ'ল কি হ'ল? মানুহ মানুহেই। জাতি-ধৰ্মৰ মাজত এইবোৰ কথা কৈ বিভেদ সৃষ্টি নকৰিবি। তই কাৰ কথা শুনি এইবোৰ কথা ক'বলৈ আহিছ'। তোক কোনে এইবোৰ কথা লগাই পঠিয়ালে।

বাইচুং ঃ মোক কি ক'লে বাদ দে। তই এতিয়া ক' মোক... ভৈয়ামৰ ল'ৰাটোক এৰি দিবিনে নিদিয়।

কাঞ্চনী ঃ তই হাজাৰ চেষ্টা কৰিলেও মোক তাৰ ভালপোৱাৰ পৰা আঁতৰাই আনিব নোৱাৰিবি। তহঁতৰ দৰে মানুহবোৰৰ বাবেই আজিৰ সমাজত জাতিক লৈ, ধৰ্মক লৈ সংঘাত চলি আহিছে। মানুহৰ মাজত মিলাপ্ৰীতিৰ ভাৱ নাইকিয়া হৈ পৰিছে। সোণৰ অসমত মানুহৰ মাজত বিদ্ৰোহৰ ভাৱ সৃষ্টি হৈছে। আমি এই চিন্তাবোৰৰ পৰা আঁতৰিবৰ হ'ল। সকলো একগোট হৈ অসমৰ বৰভেঁটি গঢ়িবৰ বাবে চেষ্টা কৰাৰ বিপৰীতে তহঁতি বেয়া বেয়া চিন্তা লৈ সকলো পৃথক পৃথক কিয় হ'ব বিচাৰিছ?

বাইচুং ঃ এইখন তোৰ স্কুল নহয় যে তই বুজাই যাবি আৰু মই শুনি যাম। এইখন মোৰ ঘৰ হয়, ঘৰ। ইয়াত মই বুজাম, তই শুনিবি। এতিয়াই ক' তই তাক এৰি দিবিনে নিদিবি?

কাঞ্চনী ঃ (চিঞৰি) মই তাক এৰি নিদিওঁ। এবাৰ ক'লে বুজি নাপাৱ নেকি?

বাইচুং ঃ তোক ৰ' আজি। (বাইচুঙে ভিতৰৰ পৰা দা খন আনি কাঞ্চনীক কাটিবলৈ লয়। তেনেতে জাংফাই ওলাইহি।)

জাংফাই ঃ (চিঞৰি) ককাই। তই এইবোৰ কি কৰিবলৈ ওলাইছ। কিয় তাইক মাৰিবলৈ লৈছ? চাওঁ তই এইফালে শুনচোন, কথা এটা কওঁ। (বাইচুঙক ওচৰলৈ মাতি আনি কাঞ্চনীক ঘৰৰ পৰা খেদি পঠিয়াবলৈ মনে মনে কয়) হ'ব দে মই এতিয়া যাওঁ। (কথাষাৰ কোৱাৰ পিছত জাংফাই গুচি যায়।)

বাইচুং ঃ আজি জাংফাই অহাৰ বাবে তই বাচি গ'লি। নহ'লে আজি তোক কাটি দুচেও কৰিলোহেঁতেন। কিন্তু তই এইখন ঘৰত আৰু আজিৰ পৰা থাকিবলৈ নাপাৱ। তোক মই আজিৰ পৰা মৰিলি বুলি ধৰি ল'লোঁ। তই এতিয়াই ঘৰৰ পৰা ওলায় যা। (কাঞ্চনীক চুলিত ধৰি গতিয়াই পেলায়।)

কাঞ্চনী ঃ (কান্দি কান্দি) যাম দেউতা, মই যামগৈ। তোৰ লগত ইমান কষ্টৰে থকাতকৈ, মই ভৈয়ামলৈ গৈ সুখেৰে থাকিমগৈ। তোৰ ওচৰলৈ কেতিয়াও ঘূৰি নাহোঁ। যোৱাৰ সময়ত এটা কথা কৈ যাওঁ। আজি তই লোকৰ কথা শুনি নিজৰ বিচাৰ-বুদ্ধি পাহৰি মোৰ লগত যি কৰিলি, তাৰবাবে ভগৱানে তোক কেতিয়াও ক্ষমা কৰি নিদিয়ে। মই এটাই প্ৰাৰ্থনা কৰিছো ভগৱানক, তহঁতক এদিন নহয় এদিন ইয়াৰ শাস্তি দিব। মদৰ বাবে এদিন সকলো ধ্বংস হৈ যাব। মই ভৈয়ামলৈ যাওঁ, মোক আৰু কেতিয়াও বিচাৰি নাহিবি। (কাঞ্চনী কান্দি কান্দি ওলায় যায়)

## তৃতীয় দৃশ্য

[দেখা যাব কাঞ্চনীয়ে ভৈয়ামৰ ৰাস্তাৰ মাজত ৰাতি বাৰ বজাত নাগিনী সাজ-পাৰেৰে, চুলি আউলি-বাউলি হৈ কিবাকিবি কৈ বহি আছে।]

কাঞ্চনী ঃ (কান্দি কান্দি) মা...তইতো মোক সৰুতে এৰি থৈ গ'লি, এতিয়া দেউতাইও মোক ঘৰৰ পৰা উলিয়াই দিলে। মই উপায় নাপায় এতিয়া ভৈয়ামলৈ গুচি আহিলো মা। মই লগত ফোনটোও আনিবলৈ পাহৰিলোঁ। এতিয়া মই মোৰ ভালপোৱাক ক'ত বিচাৰি যাম। কি কৰো উপায় পোৱা নাই। (তেনেতে সেইফালেদি তিনিজন ভকত আৰু এগৰাকী মহিলা সকাম খাই ঘৰলৈ বুলি আহিছে।)

১ম ভকত ঃ আজি সকামত যথেষ্ট মানুহ হৈছিল।

২য় ভকত ঃ সঁচাকৈ, গাঁৱৰ ভিতৰত এইটো সকামেই ডাঙৰকৈ খাই পাইছোঁ।

৩য় ভকত ঃ হাঁহৰ ভাজিকণ কিন্তু বৰ ধুনীয়াকৈ বনাইছিল দেই। কোনে বনাইছিল জানো...?

মহিলা ঃ কেলৈ, আমাৰ বুধেশ্বৰ আক'।

১ম ভকত ঃ (টৰ্চৰ পোহৰত কাঞ্চনীক দূৰৰ পৰা দেখা পাই।) ঐ সৌটো কি বস্তু অ'। মানুহ নে গৰু।

২য় ভকত ঃ কোনটো অ'। একোকে দেখা নাইচোন মই।

৩য় ভকত ঃ (টৰ্চটো জ্বলাই) অ' সৌটো কি বস্তু আক'। বৰ দীঘল চুলিচোন। ভূত-চুট নেকি আক'।

মহিলা ঃ (চিঞৰি) আই ঐ, সেইজনী যখিনী হ'পাই।

১ম ভকত ঃ সেইট্ এইজনী। এনেই এনেই ভয় নুখুৱাবিচোন।

২য় ভকত ঃ (ভয়ত) কৃষ্ণ কৃষ্ণ, ৰাম ৰাম। ৰক্ষা কৰা, ৰক্ষা কৰা।

৩য় ভকত ঃ ওম, নমো নমো ভগৱতে নমঃ। নাম লোৱা নাম লোৱা সকলোৱে। (গোটেই কেইটাই যিহকে পাই তিহকে হৰিনাম গাবলৈ ধৰে।)

কাঞ্চনী ঃ (হৰিনাম গোৱা শুনি পিছফালে ঘূৰি চায়। সিহঁতক চিঞৰি মাতে) কোন হয়?

মহিলা ঃ ঐ সেইজনীয়ে মাত মাতিছে।

১ম ভকত ঃ আই ঐ খালে অ' খালে। যখিনীয়ে মাত লগাইছে। ঐ পলা অ' পলা। (ধুতি-চুতি দাঙি পলাবলৈ লয়।)

কাঞ্চনী ঃ (চিঞৰি) মই যখিনী নহয়। মই এজনী নাগিনী ছোৱালী হয়।

২য় ভকত ঃ (নাগিনী শব্দটো ডাইনী বুলি শুনা পাই) ঐ, সেইজনীয়ে কি কৈছে, শুনিছনে নাই। তাই বোলে ডাইনী ছোৱালী হয়। ঐ কোনোবা গৈ মানুহ মাতি আনগৈ, এইজনী ডাইনী হয়।

(তয় ভকতজনে ডাইনী ওলাইছে ডাইনী ওলাইছে বুলি চিঞৰি চিঞৰি ওলায় যায়।)

মহিলা : অ' আচল কথাটো এতিয়া ধৰিব পাৰিছোঁ। ইমান দিনৰ পৰা গাঁওখনৰ মানুহৰ বেমাৰ হৈ থকাৰ মূল কাৰণ মানে এই ডাইনীজনীয়েই। এই আমাৰ গাঁও ধ্বংস কৰিব বিচাৰিছে। (নেপথ্যত মানুহৰ হুলস্থূল শুনা যায়। ক'ত আছে ডাইনীজনী, ব'ল ব'ল মাৰোগৈ, ক'ত আছে ডাইনীজনী, ব'ল ব'ল। গাঁৱৰ মানুহবোৰ সোমাই আহে।)

১ম ভকত : ঐ এইজনী ডাইনী.....মাৰ তাইক। মাৰ মাৰ। (গোটেই গাঁৱৰ মানুহে কাঞ্চনীক মাৰে।)

কাঞ্চনী : (চিঞৰি) মই ডাইনী নহয়, মই ডাইনী নহয়। মোক নামাৰিবি, মোক নামাৰিবি। মই সৌ চৰাইদেউ পাহাৰৰ নাগিনী হয়। মোৰ নাম কাঞ্চনী।

গাঁৱৰ মানুহবিলাক : মাৰ মাৰ এইক, ডাইনী হয় এই, ডাইনী হয়। মাৰ মাৰ।

কাঞ্চনী : মই হাতযোৰ কৰি কৈছো, মই সঁচাকৈ ডাইনী নহয়।

মহিলা : তই ডাইনী নহয় যদি এই ৰাতি বাৰ বজাত ৰাস্তাৰ মাজত বহি কি কৰিছ? ক'লৈ যাব তই? ক'ত কি কৰিবলৈ আহিছ?

গাঁৱৰ মানুহবিলাক : এহ্ মাৰ মাৰ এইক, ডাইনী হয় এইজনী, ডাইনী।

কাঞ্চনী : মই মোৰ ভালপোৱা ল'ৰাজনক বিচাৰি আহিছিলোঁ।

১ম ভকত : তোৰ ভালপোৱা ল'ৰা। ক'ত তোৰ ভালপোৱা ল'ৰা। চাওঁ তোৰ মোবাইলত ফটো দেখা। তই আমাৰ আগত কাহিনী শুনোৱা নাইতো।

কাঞ্চনী : মোক দেউতাই ঘৰৰ পৰা উলিয়াই দিলে। মোবাইলটো ঘৰতে থাকি আহিল।

মহিলা : (কাঞ্চনীৰ চুলিত ধৰি) এই ৰাতিখন তই তোৰ ভালপোৱা ল'ৰাক বিচাৰি আহিছ? এইক মাৰ, এইজনীৰ বাবেই আমাৰ গাঁওখন বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। এইজনী ডাইনী হয়। মাৰ এইক। (সকলোৱে কাঞ্চনীক মাৰে। দুটামানে চুলিত ধৰি চোচৰাই নিয়ে। দুটামানে লাঠিৰে কোবায়। দুটামানে ভৰিৰে গুৰিয়াই। অৱশেষত কাঞ্চনী মাটিত শুই পৰে। গাঁৱৰ সকলো মানুহ গুচি যায়।)

কাঞ্চনী : (থোকা-থুকি) জান... মই তোমাক লগ পাবগৈ নোৱাৰিলো অ'। তুমি ক'ত আছানো? যাবৰ সময়ত মই যদি এবাৰ তোমাৰ মুখখন চাবলৈ পোৱাহেঁতেন মই শান্তিৰে মৰিব পাৰিলোহেঁতেন। অৱশ্যে মোৰো গাত ভুল আছে বাৰু। মইনো বাৰু তোমাক নোকোৱাকৈ বিচাৰি আহিব লাগেনে? আচলতে মোৰ ফোনটো ঘৰতেই থাকি আহিলে অ'। তোমাক লগ পাবলৈ বহুত মন আছিল জান। ভালপোৱাৰ শক্তি লৈ, বুকুত একুৰা জুই লৈ তোমাৰ ওচৰলৈ একেবাৰে গুচি আহিছিলোঁ। কিন্তু আধা ৰাস্তাতে মোক কিছুমান অন্ধবিশ্বাসী মানুহে লগ পাই ইমানকৈ মাৰিলে নহয়, এতিয়া চাগে আৰু মই তোমাক কেতিয়াও লগ নাপাম। মোৰ যাব হৈছে অ'... জান। তুমি সদায় হাঁহি থাকিবা দেই। মই মৰিলো বুলি দুখ নকৰিবা। কাইলৈ বাতৰিৰ যোগেদি মোৰ কথা গম পাবা নহয়, ডাইনী সন্দেহত এজনী নাগিনী ছোৱালীক মাৰিলে বুলি। তেতিয়া তুমি মানুহবোৰক জনাই দিবা দেই, মই ডাইনী নাছিলোঁ বুলি। তুমি সেই অন্ধবিশ্বাসী মানুহবোৰক চিঞৰি চিঞৰি জনাই দিবাচোন, যে মই ডাইনী নহয় বুলি। তুমি সিহঁতক চিঞৰি চিঞৰি জনাই দিবাচোন... মই আছিলোঁ তুমি ভালপোৱা সৌ চৰাইদেউ পাহাৰৰ নাগিনীজনী। তুমি কৈ দিবাচোন সিহঁতক, মই তোমাৰ প্ৰেমিকা সৌ চৰাইদেউ পাহাৰৰ নাগিনীজনী বুলি। (কাঞ্চনীৰ মুখৰ মাত লাহে লাহে কমি আহে। অলপ সময়ৰ পিছত কাঞ্চনী মৃত্যুমুখত পৰে।)

❖❖❖

# ছন্দৰ বাংময় বাট

*মানুহ আৰু কবিতা অবিচ্ছেদ্য। মানুহ থাকিলে বুজিব যে কবিতা আছে। কবিতা থাকিলে বুজিব যে মানুহ আছে।*

*—হুমায়ুন আজাদ*



# শৰত নাহিবি তই

● **প্ৰিয়ংকা দত্ত**
ষষ্ঠ ষান্মাসিক
সমাজতত্ত্ব বিভাগ

শৰত নাহিবি তই, তই আহিলেই
বুকুৰ কোনোবা এটা কোণত অত্যন্ত
অনুভৱ বিষৰ...
উন্মনা সপোনবোৰে বাউলী কৰে মোক
শৈশৱৰ ৰং বিচাৰি...
শৈশৱৰ মৰম আকুলতাই
আপ্লুত কৰে মোৰ হৃদয়ৰ সকলো আবেগ-অনুভূতিক
বিচাৰি পাওঁ চিনাকি মুখৰ চিনাকি অতীত
পাহৰিব খোজো নিঃশব্দে... নীৰৱে...
গুণগুণাই গাব নিবিচাৰো সোঁৱৰণিৰ গান।
বুকুৰ নিভৃত কোণত আপোন কৰি ল'ব নোৱাৰো
সেউজীয়াবোৰ...
শৰত নাহিবি তই, তই আহিলেও
তোৰ কোলাত ওমলিব নোৱাৰো মই
বুটলিব নোৱাৰো পুৱাৰ শেৱালি
সদ্যস্নাতা হৈ গছকিব নোৱাৰো দুবৰি বন।
শৰত যদিও তই...
হাজাৰ প্ৰতিশ্ৰুতি লৈ আগমন ঘটিছ
তাক দিব নোৱাৰো মোৰ
আচল ঠিকনা...
মাত্ৰ...
মাত্ৰ দিব পাৰো অতীতৰ সেই
সোণাৰুবুলীয়া আবেলিবোৰৰ চিহ্ন
আৰু কিছু নষ্টালজিয়া...। ❖

# সভ্যতাত বিলীন নোহোৱা এটা চিঞৰ



● **অনিৰ্বান চেতিয়া**
ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

অসমী আইৰ ধৰাল বুকুত
এটি সংগ্ৰামৰ সুঁতি,
যাযাবৰী কথকতা
গুণগুণনি সভ্যতাৰ।
তেজাল ইতিহাসৰ
উদ্দামতাৰ প্ৰকাশিত বন্যতা।
বছৰ হৈ বাগৰ সলোৱা
সময়ৰ ধাৰমান গতিত
কতজনৰ ঘামৰ টোপালক
মিশ্ৰিত সামুদ্ৰিক বানত
ললায়িত কৰাৰ প্ৰয়াস।
অভিনৱ নতুন উদিত সূৰুযৰ
প্ৰাণময় বলুকাত হৃদয়স্পৰ্শী
গুঞ্জনৰ নাম...
তুমি ব্ৰহ্মপুত্ৰ,
তুমি আবেলি বেলিকাৰ
গধূলি সন্ধিৰ
এক বৰ্ণময় ইতিহাস।। ❖

# আহ ঃ ৰোহিংগ্যা

● **অংকিতা বৰগোহাঁই**
ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ



হাজাৰজন দেউতাৰ আশাবোৰে
থিতাপি লৈছেহি মোৰ কলিজাত,
সপোনবোৰে কিল্‌বিলাই ফুৰিছে
মোৰ প্ৰতিডাল সিৰাত।
তেওঁলোকৰ ফটা গোৰোহাত জমা হোৱা ধূলিবোৰ
মোৰ উশাহেদি উজাই
ভিৰ কৰিছে মগজুত...
আৰু ফটা-ছিটা কাপোৰ পিন্ধা
শীৰ্ণকায় শৰীৰৰ মাতৃবোৰ,
যাৰ তলপেটত আশ্ৰয় লৈ আছে
ভৱিষ্যৎ বংশধৰে...।
এনে লাগিছে যেন তাত পালিত হৈছে
বিশাল ধনৰ হিচাপ...
আৰু কণ কণ শিশুবোৰ,
যাৰ জিভাৰ আগত বিজলুৰা বমিৰ দৰে
ভোকটো উজাই আহি ৰৈ আছে সৰ্বক্ষণ...

আহঃ নক'বা আৰু মোক নক'বা
দুৰ্ভগীয়া ৰোহিংগ্যাসকলৰ কথা
তেওঁলোকৰ কথা শুনিলে মই পাহৰি যাওঁ
'মই পৃথিৱীৰ জীৱশ্ৰেষ্ঠ মানুহ'... ❖

# সপোনৰ উচুপনি

● **অনিৰ্বান চেতিয়া**
ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

তেতিয়া তোমালৈ মনত পৰে মা
যেতিয়া পিতাইৰ বুকুৰ চেপাত
এটা বিড়িয়ে সুৰ হৈ নাচে,
উশাহৰ গতিত ধাৱমান হোৱা
বিভীষিকাবোৰে
জয়াল ৰাতিটো
আৰু গহীন কৰিব খোজে,
ফেঁচাটোৰ মাতত
ডেউকা কোবাই উৰি যায় লগন,
সাৰ পাব ধৰে একোটা
ধৰ্ষিত হোৱা পুৱা
আৰু তেতিয়া
মোৰ উজাব ধৰা সপোনটো
থমকি ৰৈ যায়...
বলৎকাৰ হোৱাৰ ভয়ত।। ❖



# বৰষুণ

● সম্প্ৰীতি লাহন
দ্বিতীয় যান্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

বৰষুণ।
নীল আকাশৰ সীমনাৰ পৰা
নামি অহা আৰেগজাকে
গোপনে কঢ়িয়াই কৃষ্ণচূড়াৰঙী স্মৃতি...।
আমাৰ দুয়োৰে প্ৰিয় বৰষুণ...।
হৃদয়ৰ ভাঁজত ঘৰ সজা
অযুত সপোনৰ ভাৰ-বিনিময়
কৰো আমি নীলিম আকাশৰ ছাঁত,
বৰষুণজাক হৈ পৰে চিৰন্তন সাক্ষী।
বৰষুণ নামিলেই হৃদয়েদি
বাগৰি যায় অনুভূতিৰ এখন চপল নৈ...।
মুহূৰ্তবোৰেৰে এখন সুন্দৰ উদ্যান
সজাব পৰা হ'লে...।
সজালোহেঁতেন স্মৃতিবোৰ এটাৰ পিছত এটাকৈ।
বৰষুণ নামিলেই হৃদয়ে বিচাৰি ফুৰে তেওঁক,
একেলগে বৰষুণত তিতাৰ আশাত।
অনুভূতিবোৰ আকৌ জীপ ধৰি সেউজীয়া হ'ব,
সপোনে পোখা মেলিব হৃদয়ত...
শিহৰিত শৰীৰত ফুলিব মদাৰ
আৰু দুচকুত ভালপোৱাৰ ৰঙা গোলাপ। ❖

# অপেক্ষাৰ অন্তত...

● পূৰবী বুঢ়াগোহাঁই
চতুৰ্থ যান্মাসিক
ইংৰাজী বিভাগ

ৰক্তাক্ত, উত্তপ্ত চৌদিশ
সংঘৰ্ষ, ধ্বংস, লাঞ্ছনা-গঞ্জনা
নিত্য-নৈমিত্তিক মুখ্য পৰিক্ৰমা
নিৰন্তৰ অন্তৰ্দ্বন্দ্ব, বিদ্ৰোহ-বিক্ষোভ
এক নিমিলা অংক।
দুখময়, দুৰ্ভাগ্যজনক এক জীৱনবোধ।
অপেক্ষাৰ অন্তত...
আহিল অতিক্ৰমী,
সৃষ্টিৰ স্বাৰ্থত...
খোদিত হ'ল সোণালী আখৰেৰে
ইতিহাসৰ পাতত...
সংবিধানৰ পাতত...
সত্য পৰিচয়।
হৃদয়ত নাই ভেদাভেদৰ বীজ
উদ্ধাৰ হ'ল সকলো;
ব্যৰ্থ নহ'ল,
পৰিচয় প্ৰদানৰ অব্যৰ্থ প্ৰতিজ্ঞা...
খিলঞ্জীয়াই পালে
নৱজীৱন...
নতুন পৰিচয়...। ❖

# জীৱন ঃ এক ধূসৰিত পৃষ্ঠা



● কংকণা বৰুৱা
চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

মোৰ জীৱনৰ এটি ধূসৰ পৃষ্ঠা...
কালাগ্নি হৈ শেষ হ'ব ধৰিছে আজি
জ্বলি জ্বলি উমি উমি...
অথচ
অতৃপ্ত মোৰ ব্যস্ত কলিজা
আৰু কিমান???
মোৰ কালসিৰাই ৰুধিৰ বোৱাই আনি
মোৰ ব্যস্ত কলিজাই
জীৱনৰ মোহনাত ব-দ্বীপ সাজিব শিকিছে।
আমনি নকৰিবা।
ৰুদ্ধ হ'লে কালশনিৰ দৰেই হৈ পৰিব সি
নামি আহিব কালক্ষণৰ কালসন্ধিয়া।
কালাগ্নিত জাহ দি নিঃশেষ কৰি পেলাইছে
আজি—
মোৰ জীৱনৰ সেই ধূসৰ পৃষ্ঠাখন।
পঞ্চভূতত বিলীন হৈ গৈছে...
কুকুৰ্হাৰ দ্বাৰা মোৰ জীৱনৰ কালিমাবোৰ
হয়তো আঁতৰাই পেলাব বিচাৰিছে।
তথাপি অতৃপ্ত...
কিহৰ জ্বালাত...
কিহৰ তাড়নাত...
হয়তো সি বুজিছে
তুমি মোৰ মনত দি থৈ যোৱা
যান্ত্ৰণা-জীয়াতুবোৰৰ কথা।
কিদৰে আজি সহিছো মই...
মোৰ চকুৰেদি লোতক নিগৰি নিগৰি
মোৰ দুগালতে শুকাই যোৱাৰ কাৰণ
হয়তো সি বুজি পাইছে।
কাৰণ সি মোৰেই থুনুকা কামিহাড়ৰ মাজত
সংস্থাপিত হৈ থকা...
মোৰেই অতৃপ্ত ব্যস্ত কলিজা।
অতৃপ্ত যদিও সি...
প্ৰশান্ত সাগৰৰ দৰেই শান্ত-সমাহিত।
যেন কুশধ্বজ ৰজাৰ কন্যা বেদৱতী...।
যিদৰে সীতাৰূপে বেদৱতীৰ জন্ম
ৰাৱণৰ সবংশে বিনাশৰ হেতু...।
অথচ, বেদৱতী শান্ত-সমাহিত
কিন্তু এক জ্বালামুখী...
সেইদৰে মোৰ অতৃপ্ত কলিজাটোৰেও
গুজৰি-গুমৰি উঠিছে
আজি তোমাৰ বিৰুদ্ধে।
তুমি দি থৈ যোৱা
প্ৰতাৰণাৰ বিৰুদ্ধে।
বুকুখন খুব বিষাইছে
ৰিণিৰিণিকৈ কঁপিছে...
আজি সি হয়তো প্ৰশান্ত মহাসাগৰৰ ছুনামিৰ দৰেই
ভয়ংকৰ হৈ উঠিব পাৰে।
একমাত্ৰ তোমাৰ বাবেই—
তুমি মোক দি থৈ যোৱা
তোমাৰ 'মৰম' নামৰ
সেই এলান্ধুখিনিৰ বাবেই
কোনেও গম নোপোৱাকৈ
সংগোপনে...। ❖

# অসমীয়া মুৰ্দাবাদ

● কংকণা কোঁচ
চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

ৰাইজৰ বাবে
ৰাইজৰ দ্বাৰা
ৰাইজৰ চৰকাৰ
গণতন্ত্ৰ জিন্দাবাদ।
আজি অসমত গণতন্ত্ৰৰ উল্লাস
আজি আমচাঙত গণতন্ত্ৰৰ জিন্দাবাদ
ক'ত গ'ল জাতি-মাটি-ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি।
ক'ত গ'ল আজি খিলঞ্জীয়া অসমীয়া জীয়াই থকাৰ অধিকাৰ।
ক'ত গ'ল অধিকাৰৰ জয়গান।


আজি গণতন্ত্ৰ ৰাজনৈতিক নেতাৰ পকেটত
আজি গণতন্ত্ৰ কাৰোবাৰ ব্যক্তিগত সম্পত্তি
আজি গণতন্ত্ৰ ৰজাই প্ৰজাক শোষণ কৰা আহিলা।

কোনোবাই চিঞৰে
সকলোতে অসমীগিৰি
ক'তা আজি দেখোন খিলঞ্জীয়াই বোৱাইছে
চকুলোৰ নদী।

পুঁজিপতি জিন্দাবাদ
আম্বানী, মাদানী জিন্দাবাদ
খিলঞ্জীয়া অসমীয়া মুৰ্দাবাদ
জাতি-মাটি-ভেটি জিন্দাবাদ। ❖



# গাত ৰ'দ-বৰষুণ নপৰা মানুহজন



● **সুশান্ত ভৰালী**
চতুৰ্থ যান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

যেতিয়াই থুনুক-থানাককৈ খোজ কাঢ়ি
একোবত পৰি গৈছিলো,
যেতিয়াই খোজ কাঢ়ি-কাঢ়ি ভাগৰি পৰিছিলো,
কঠুৰা অথচ পেশীবহুল হাতখনেৰে দাঙি ধৰিছিল তেওঁ মোক।
ৰ'দে পোৰা, তাম বৰণীয়া পিঠিখনত তুলি
গোটেই গাঁওখনত ফুৰাইছিল তেওঁ মোক।
জোনাক নিশা মুকলি আকাশৰ তলত
বুকুৰ মাজত শুৱাই শুনাইছিল মহাবীৰ কৰ্ণৰ বীৰ গাঁথা।
তেওঁ পথাৰ ভাল পায়।
লাগিলে সেয়া আঘোণৰ সোণবৰণীয়া পথাৰখনেই হওক,
অথবা কাতি মাহৰ সেউজীয়া,
ফাগুনৰ উদং পথাৰখনেই হওক,
অথবা শাওণৰ বোকাত পুত যোৱা...
(সেয়ে হয়তো তেওঁৰ পৰাই মইও পথাৰখন ভাল পাবলৈ শিকিছো।)
তেওঁৰ কঠোৰ শ্ৰম, মূৰৰ ঘামৰ স্বাক্ষৰ বহন কৰি
সদায়ে ভৰি থাকে আমাৰ দুই কোঠলীয়া গুটি ধানৰ ভঁৰালটো।
মোৰ কাৰণে গাত ৰ'দ নলগা বৰষুণ নপৰা মানুহজন
সদায় তেওঁৰেই মোৰ দেউতা।

যেতিয়াই নৰিয়া পাটিত পৰি কেঁকাইছিলো
আইয়ে আল-ফুলেৰে যতন লোৱাৰ পৰিৱৰ্তে
দেউতায়ে কৈছিল উঠ, থিয় হ, কঠোৰ হ, যুঁজ দিবলৈ শিক্,
অন্যথা নিৰ্দয় সমাজৰ নিৰ্মম প্ৰহাৰত
কালিলৈ চূৰমাৰ হ'বি তই।
ধুমুহাৰ সতে দেউতাৰ যুঁজখন বহু দিনৰ,
যেতিয়াই দুখৰ ধুমুহাচাটিয়ে উৰুৱাই নিব খোজে,
তেতিয়াই এজোপা প্ৰকাণ্ড শালগছৰ দৰে
বুকু পাতি আগভেটা দিয়ে কালধুমুহাৰ সংহাৰী প্ৰহাৰ।
অনুভৱ সেইদিনাহে কৰিছিলো,
যি দিনা শালগছজোপা উভালি পৰাৰ উপক্ৰম হৈছিল।
তেওঁৰ মলিয়ন কামিজটো, শুকাই খহটা হোৱা হাতখন,
বোকা-মাটিৰ যুঁজখনত নখচুকীয়া হৈ শুকোৱা নখকেইটাই
প্ৰতিনিতে সোঁৱৰাই তেওঁ আমাক লৈ কৰা সংগ্ৰামখনৰ কথা।
তেওঁৰ সংগ্ৰাম আজিও জাৰি আছে,
আজীৱন জাৰি থাকিব,
কেৱল মোক, আমাক আগুৱাই নিয়াৰ স্বাৰ্থতে।
তথাপিও নাজানো কিয়, আজি পৰ্যন্ত এবাৰো তেওঁক কোৱা নহ'ল
'দেউতা তোমাক ভাল পাওঁ' - বুলি
আজি পৰ্যন্ত এবাৰো তেওঁক সাবটি ধৰা নহ'ল
'দেউতা আপুনি মোৰ-আমাৰ কাৰণে যিখিনি কৰিছে,
তাৰ কাৰণে ধন্যবাদ' - বুলি। ❖

# অনুভৱৰ অংকুৰণ



● গৌৰীপ্ৰিয়া
চতুৰ্থ ষান্মাসিক
ইংৰাজী বিভাগ

সন্ধিয়াৰ আকাশে সমীৰণ মাতিছে,
মাতিছে হৃদয়ৰ কাষলে তোমাক।
সেমেকা পচোৱাৰ পৰশে
সোঁৱৰাই স্মৃতি প্ৰতি সময়ে,
নীৰৱে যেতিয়া চাই আছিলা তুমি মোক,
বলিয়া মনৰ আশাৰ চাৰনিৰে।
সময়বোৰ ৰৈ গৈছিল নিমাত হৈ
কেৱল আছিলো তুমি আৰু মই।

হাঁহিমুখীয়া ছবিখন মনত ধৰি ৰাখিবলৈ
মিছা অজুহাতত আহিছিলা কাষলৈ
আৰু নীৰৱে চাই আছিলা,
সমনীয়াবোৰৰ খিলখিলনিত সাৰ পাই উঠিছিলা
চকু মেলি দেখা সপোনৰ পৰা,
তলমূৰ হৈ হাঁহিছিলা তুমিও
ঢাকিব খুজিছিলা লাজত ৰঙা হৈ পৰা গালখন।

সুখ-দুখৰ প্ৰতি মুহূৰ্ততে কাষত থাকিব বিচাৰিছিলা,
প্ৰতি ক্ষণতে প্ৰতি সুযোগতে অনুভৱ দিছিলা ভালপোৱাৰ,
বুজাব খুজিছিলা তোমাৰ জীৱনত মোৰ স্বাভাৱিক উপস্থিতি।
মাজে মাজে মোৰ অভিমানত ভাঙি পৰিছিলা...
থোকা-থুকি মাতেৰে তেতিয়াও মোক কৈছিলা তুমি,
ভালে থাকিবা...


দূৰৈত থাকিও প্ৰত্যেক মুহূৰ্তৰে বতৰা
প্ৰয়োজনীয় আছিল তোমাৰ বাবে,
আজিও সেই সমীৰণে দিয়ে স্পৰ্শ তোমাৰ,
যি স্পৰ্শই তপতাই তোলে মনবোৰ,
অসহজ কৰি তোলে সেই থৰ লগা চাৱনিবোৰে।
এনেকৈয়ে সযতনে আছে তোমাৰ সৈতে মোৰ
প্ৰতিটো স্মৃতি...

খুজিও আজি তোমাৰ কথাত কৰিব নোৱাৰো অভিমান,
সেই একেই সন্ধিয়া আৰু চিনাকি বতাহজাক,
মাথো পৰিৱৰ্তন কিছু, বুকুত ঢপঢপনি. . .
আজি বলিয়া কেৱল তোমাৰ মন নহয়।
নীৰৱে চাই আছো আজি তোমাক তোমাৰ দৰেই।
আৰু মাজে মাজে সাৰ পাইছো সমনীয়াৰ খিল্‌খিলনিত,
মিচিকিয়াই উঠিছো আজি মোৰ গালত ৰঙাকৈ
বিয়পি পৰা...
তোমাৰ ভালপোৱাৰ উমাল অনুভৱত। ❖

# দুঃ সময়

● **ক্ষমালিকা দত্ত**
চতুৰ্থ ষান্মাসিক
সমাজতত্ত্ব বিভাগ

অলপ পোহৰ, অলপ আন্ধাৰ
চকা-মকা ধূসৰিত ধোঁৱা ধোঁৱা...
বুকুত অবুজ শিহৰণ জাগি উঠে
চৌদিশে কোলাহল, আতংকৰ আৰ্তনাদ
বিভীষিকাময় এখন সমাজ।
কোন বাৰু
সেই বিভীষিকাৰ সৃষ্টিকৰ্তা
তেজপিয়া সন্ত্ৰাসৰ দল জানো নহয়
নহয় জানো মানুহৰ সমাগমেই
সিহঁতৰ লক্ষ্যস্থান
এইখন সোণৰ অসমতেই
জানো নহয় সিহঁত পাষাণৰ জনম
প্ৰসৱ বেদনাত ছট্‌ফটাই থকা
মাতৃৰ কান্দোনে জানো
স্পৰ্শ নকৰে সিহঁতৰ পাষাণ হৃদয়
মাতৃৰ বুকু ৰাঙলী কৰি
দীন-দৰিদ্ৰৰ অন্ন কাঢ়ি
শত-সহস্ৰৰ জীৱন নাশি
অশ্ৰুসিক্ত নয়নৰ গৰিহণা খালি
হ'ল জানো স্বাৰ্থ পূৰণ
আজি যেন সকলো অসাৰ
যৌৱনদীপ্ত বোৱাৰীৰ
কপালৰ ৰঙা তিলক আৰু নুমুচিবি
কোমল হিয়াৰ মাতৃক
আৰু সন্তানহাৰা নকৰিবি
নকৰিবি কণমানিহঁতক
পিত-মাতৃৰ মৰমৰ পৰা বঞ্চিত
স্বাধীনতাৰ নামত, সৃষ্টিৰ নামত
ধ্বংসৰ ধুমুহা আৰু নবলিবি
এতিয়া শান্তি প্ৰত্যাশী
নিষ্পেষিত জনগণ
শিলাবৃষ্টি আৰু নকৰিবি
জ্বলি উঠক শান্তিৰ বন্তিগছি। ❖



# প্ৰণিপাত

● **ৰেইনী বৰগোহাঁই**
চতুৰ্থ ষান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

তুমি নহয় মাথোঁ এক নদী
তুমি হৈছা এটি আৱেগ;
অসমীয়াৰ জীৱনৰ ৰৌদ্ৰোজ্জ্বল পুৰা তুমি
মানস পুত্ৰ মহানদ, সভ্যতাৰ চাবি-কাঠি তুমি
আদিৰ পৰা অন্তলৈকে
তোমাতেই বিয়পে অসমীয়াৰ তেজ
কত মাছমৰীয়াৰ পেটৰ ভাত মুঠিৰ মূল তুমি
কত নাৱৰীয়াৰ আবেলিৰ আনন্দৰ হাঁহি তুমি
প্ৰকৃতিৰ অনবদ্য ৰূপ তুমি মহানদ।
অসমৰ ভূমিৰ ওপৰেদি বৈ যোৱা তুমি
যেন এখনি নীলা চাদৰ।
তোমাক জনাওঁ প্ৰণিপাত। ❖

# মনত পৰে



● **পৰিস্মৃতা কাকতি**
দ্বিতীয় ষাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ

আজি বৰকৈ মনত পৰিছে ওমলি ফুৰা দিনবোৰলৈ,
হাতত হাত ধৰি আমি যে দৌৰি ফুৰিছিলো।
বৰকৈ মনত পৰে সেই সময়বোৰলৈ,
যিবোৰ সময়ত আমি যে লুকা-ভাকু খেলিছিলো,
আৰু ইজনে-সিজনক বিচাৰি নোপোৱাৰ বেদনাত
ঠেহ পাতি বহি আছিলো।
ৰামধেনুৰ সাতোৰঙৰ দৰে ৰঙীন আছিল
সেই দিনবোৰ
য'ত নাছিল কোনো বেদনা আৰু যান্ত্ৰণা,
কেৱল আছিল মৰম আৰু ভালপোৱা।
হেৰাই গ'ল সেইবোৰ দিন,
যিবোৰ দিনত আমি একলগে নাচিছিলো, গাইছিলো
আৰু সুখ-দুখৰ কথা পাতিছিলো।
সপোন সপোন যেন লগা সেইবোৰ দিন
ক'ত যে হেৰাই গ'ল।
দিনবোৰৰ লগতে আমাৰ মৰমবোৰো যেন
থমকি ৰ'ল।
আধুনিকতাৰ দোমোজাত হেৰাই গ'ল,
মোৰ সেই ৰঙীন সপোনবোৰ,
স্মৃতিৰ ফুলনিত এপাহ ৰঙা গোলাপ হৈ
ফুলি আছে অতীতৰ দিনবোৰ।। ❖

# স্মৃতিৰ এখিলা পাত




● **পলী খনিকৰ**
দ্বিতীয় ষাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ

ব্যস্ত বাস্তৱতাৰ হেন্দোলনিত
কোনো এক মুহূৰ্তত হেৰাই
যাব ধৰো...
আৱেগৰ বন্যাত ব্ৰজ কঠোৰ
হৃদয়ো গলি গলি নিগৰি
যাব খোজে প্ৰতিটো ভগ্ন টোপাল
নিৰ্জু অশ্ৰু আশাই হৃদয়াকাশৰ
তাড়নাত বিষাদৰ হাতত
বাৰে বাৰে খামুচি ধৰে
অভিমানৰ গোজপুতি
তোমাৰ সেই কেৰেচীয়া বাটটোৰে
তুমি গুচি গ'লা
উভতি নহাৰ প্ৰতিশ্ৰুতিৰে
আৰু মই... ৰৈ গ'লো সেই বাটতে
ক্ৰমশঃ
সংগোপনে ৰাখি গ'লো
অব্যক্ত মিশ্ৰিত অনুভূতিবোৰ
স্বপ্নাতুৰ স্বপ্নৰে ৰোমন্থিত
কৰা স্মৃতিবোৰ...। ❖

# জীৱন - মাথোঁ এক শূন্য

● **অন্বেষা ভট্ট**
দ্বিতীয় যান্মাসিক
অৰ্থনীতি বিভাগ



জীৱন...
মাথোঁ এক ধেমালি।
এই ধেমালিৰ মাজত আছে
কত সুখ-দুখৰ কাহিনী।
জীৱনৰ এই ধেমালি আমি
এবাৰেই খেলোঁ,
এবাৰেই পাওঁ আমি জীৱনৰ
আনন্দ তথা যান্ত্ৰণা।
জীৱন নিয়তিৰ হাতৰ পুতলা,
তাত নাথাকে মানৱৰ নিয়ন্ত্ৰণ।
জীৱনৰ কোনো নিৰ্দিষ্ট পৰিধি নাই;
ই আজি আছে, কাইলৈ নাই।

জীৱন সময়ৰ সোঁতত
কৰ্তব্যত বিভুৰ,
কোন সময়ত ই থমকি ৰয়;
তাক নাজানে কোনেও।
তথাপি এই খন্তেকীয়া জীৱনৰ প্ৰতি
সকলোৰে কত আশা, কত অহংকাৰ।
অথচ এই সকলো ত্যাগ কৰি
ই বিলীন হৈ যায় শূন্যতাত।
তাক নোৱাৰে কোনেও ৰোধিব। ❖

# English Section

**"Develop an interest in life as you see it; the people, things, literature, music-the world is so rich, simply throbbing with rich treasures, beautiful souls and interesting people. Forget yourself."**

***— Henry Miller***






# Arundhati Roy: A Bold Voice of Contemporary India

● **Himakhi Phukan**
Alumna, Department of English

Arundhati Roy, well-known as a writer, activist, journalist, public intellectual is the first Indian woman novelist to won the Booker Prize. She raises voice in every important issue happening across the country and even does not hesitate to criticize the government for its policies affecting the common people. Unlike other writers, she does not resort to the world of imagination; rather she accepts the challenges to represent all the realities of social, political, economic happening around her society without thinking the consequence she has to meet. She believes writing as an efficient way for political action. In her "The Book or the Barricade", Roy argues the relative merits of writing and political action, the relative strength of the pen and sword. The power of literary representation remains powerful in the task of imagining a different kind of world. But Roy shows that the imagined world can be realized only by the political action.

Born on 24 November in 1961, in Shillong, Meghalaya to Mary Roy, a Malayali Syrian Christian woman from Kerala and Rajib




Roy, a Bengali Hindu tea plantation manager from Culcutta, Arundhati Roy had her early education in her mother's informal Western style school, Corpus Christi in Kerala. She then studied architecture in Delhi. Unlike most of the Indo-Anglican writers, Roy did not attend any exclusive higher educational institution in India and a prestigious British or American university either. However, her writing style and literary skill is no less appealing than others. Though trained as an architect, Roy had little interest in it and she realized that architecture was not for her, and she dreamed instead of a writing career. Before she started to writing novel, she had honed her skills by working in films, writing screenplays as well as doing a bit of film journalism.

Roy went through a rough stage for quite some time before she got a steady job in the National Institute of Urban Affairs. Early in her career, Roy worked for television and movies. She wrote screenplays for *In Which Annie Gives It Those Ones* (1989) and *Electric Moon* (1992). Roy won the "National Film Award for Best Screenplay" in 1988 for *In Which Annie Gives It Those Ones*. She attracted attention of the public when she criticized Shekhar Kapur's film *Bandit Queen*, which was based on the life of Phoolan Devi. In her film-review titled, *The Great Indian Rape Trick*, she questioned the right to restage the rape of a living woman without her permission and charged Kapur with misrepresenting Devi's real life experiences. Although Roy was gaining media attention with the ripples of her writings, she made a splash only after the publication of *The God of Small Things* in 1997. This semi-autobiographical work, departed from the conventional plots, composed in a lyrical language about South Indian themes and characters in a narrative that wandered through time, Roy's novel became the biggest-selling book by a non-expatriate Indian author and won 1997 Man Booker Prize for Fiction. As it happened, the novel became her wonderful magnum opus, and, to quote Anthony Spaeth from *Time*, "[Roy] gained renown overnight" (April 21, 1997: 76) Explaining the reason why Roy's novel was chosen over the Booker contenders, Jason Cowley, one of the five Booker Prize judges of 1997, said: "*The God of Small Things* fulfils the highest demand of the art of fiction: to see the world, not conventionally or habitually, but as if for the first time. Roy's achievement, and it is considerable, is never to forget about the small things in life: the insects and flowers, wind and water, the outcast and the despised. She deserved to win." After the remarkable success of her debut novel, Arundhati Roy changed her terrain of writing, moving from fiction to non-fiction. Roy's subsequent literary output largely consisted of politically oriented non-fiction, much of it aimed at addressing the problems faced by India in the age of global power. Apart from writing, Roy actively participates in mass-protests. Roy works with Medha Patkar in the campaign

against the Narmada Dam Project and she donated her Booker Prize money to the Narmada Bachao Andolan. Roy has criticized the Indian government's armed actions against the Naxalite-Maoist insurgency, calling it a "war on poorest people in the country". She spent almost three weeks walking through the forests of Central India with the Naxalites, a Maoist group that seeks to defend the rights of the tribal people. Her political writing often put Roy in hot water. She even has been convicted into jail. She is a spokesperson of the anti-globalization movement and a vehement critic of neo-imperialism and US foreign policy. In her book, *The Algebra of Infinite Justice* (2001), Roy criticized the US military invasion of Afghanistan arguing that the invasion would be a retaliation for September 11 Attacks of US. Condemning the nuclear tests conducted on Indian subcontinent, Roy wrote *The End of imagination* (1998) which was criticized by the nationalists. She wrote essays powerfully against the big dams, "The Greater Common Good", on the 2002 Gujarat Massacre. In 2017, Roy has published her long-awaited second novel, *The Ministry of Utmost Happiness* after twenty years of the publication of her first novel. The novel blends personal stories with socio-political issues uses a large cast of characters, including a transgender woman and resistance fighter in Kashmir, protesters in Jantar-Mantar to explore contemporary India. The novel had been long listed for the Booker Prize of 2017.

Arundhati Roy won the Lannan Foundation's Cultural Freedom Award in 2002 for her work regarding the civil societies. Besides, she was awarded a special recognition as a woman of Peace at the Global Human Rights Awards in San Francisco in 2003. Roy was awarded the Sydney Peace Prize in 2004 for her social campaigns and for promoting tolerance and non-violence. She also received Sahitya Akademi Award, a national Award for her collection of essays on contemporary issues, *The Algebra of Infinite Justice* (2001). However, she declined it in protest of Indian government's ruthless policies towards industrial workers, increasing militarization and economic neo-liberalization which places her in the category of radical dissenters. In November 2011, she was awarded the Norman Mailer Prize for distinguished writing. Thus, Arundhati Roy is not just writer, but a bold voice to man every possible tyrrany coming in the path of common people. Although she has been criticized by some people for her outspokenness but she cares little about in such criticism. Very few writers have taken such risk to challenge the system that is in the power and Arundhati Roy is one of such dauntless writer. ❖❖❖



# Globalization and Its Impact on Young Generation

● **Janardan Chetia**
6th Semester
English Department

Young people are growing up in a world of globalization, taking part in a development process that is simultaneously bringing people closer together. Globalization is the increasing interaction of people, states or countries through the growth of international flow of money, ideas and culture. Globalization is primarily an economic process of integration that has culture and social aspects as well. It involves exchange of goods and survives, money, culture, food habits, dress habits among various countries. The signing of free trade agreements among various countries have boosted the globalization process. All these improvement we enjoy in the modern era have been major factors of globalization.

Today the young generation gets most of the attention. Majority of the population of most of the countries comprises of young population due to the high birthrates. They are the resources of a country. In order to become proper citizens the young generation should be properly molded. Youth or young generation is marked by freshness, vigor, spirit, vitality etc.

Globalization has a very deep impact on

the young generation. In fact it is on the young generation that globalization has both positive and negative impact on the. Today's youth are the first generation that is grown up using computers. They have more information at their reach than their parents had. If there is a significant event in the world, they will know about it in a matter of second. It may seem to be very flashy but it has both positive and negative effects. Some of the few positive impacts of globalization on youth are as under:

1. Globalization can bring countless advantage to young people such as better access to knowledge and communication with other people from all around the world.

2. Globalization can be instrumental in providing interchanges among students from schools and colleges and Universities from all around the world. It gives a chance to young people to switch ideas and knowhow's with others.

3. Globalization can promote cultural exchange among youths of different countries. International youth festivals can do a world of good in this regard.

4. Globalization is more of an economic renaissance. Economic co-operation among different countries is very helpful to the youths. Today youths can get employed at any country.

5. Due to globalization the youths can get internation recognition for their remarkable work. Malala is an excellent example in this regard.

Thus it is seen that globalization has a lot of positive impacts on the young generation. However it does not mean that it does not have any negative impact. There are many negative impact of globalization on the youths as well. Some of them are as under:

(i) Due to globalization, the youths are losing their grip on their culture. The youths of the developing countries are opting for the western culture.

(ii) Globalization operates mostly in the interest of the youths of rich countries. The youths of the developing and the under developing countries are exploited by the advent of globalization.

(iii) Globalization is hugely responsible for outsourcing of talented youths from developing countries to the develop countries.

Thus it is seen that globalization has both positive and negative impact on the youths. However it can be said that globalization has created a global village which is hugely responsible for the upliftment of the young generation. No doubt it has negative impact as well but if the developed countries maintains a balance with the developing countries, then it can be a great blessing to the young generation.

❖❖❖

# The Story of Gratitude
## (Story of the iron lady of Pakistan : Muniba Mazari)

(She is my inspiration. I am lucky to share her story and I love her)

● **Dipjyoti Gowala**
2nd Semester
Geography Department

[There are some incidens that happen in our life, and those incidents are so strong that they change our DNA. Those incidents or accidents are so strong that they break us physically, deform us mentally, but they transform our soul. But they mold into the better version of us.]



It is a story of a women, whose perfectly imperfect life, made her who and what she is today. It's the story of a woman who in pursuit of her dreams and aspiration made other people realize.

If you think that your life is hard and you're giving up on that. Because you think your life is uniform! Think again. Because when you think that way you are being unfair to your own self. If you; then it is a perfect story for you.

It's the story of a woman who made people realize that sometimes problems are not too big. We are too small. Because we cannot handle them. It is the story of a woman who in time realized that real happiness

doesn't lie in success, money, fame. It lies within, real happiness lies in gratitude. That is her story. This is the story of gratitude.

Muniba Mazari is a Pakistani artist, model, activist, motivational speaker and television host. She is an icon of all over the world.

" I believe in the power of words, many people speak before they think, but I know the value of words. The words can make you, break you. They can heal your soul. They can damage you forever. So, I always try to use the positive words in my life whenever I go. They call it adversity I call it opportunity. They call it weakness, I call it strength. They call me disable, I call myself differently able. They see my disability, I see my ability". Muniba shared.

Muniba was 18 years old when she got married. She belonged to a very conservative family of Pakistan, a Baloch family. Where good daughters never say 'no' to their parents. Her father wanted to get her married and she was happy for her parents' decisions. But it was never a happy marriage. Just about after two years of getting married, she met a car accident. Somehow her husband felt asleep, and the car fell in the ditch. Her husband managed to jump out. But she stayed inside the car. She sustained lot of injuries. Radius ulna of her right arm was fractured. The wrist was fractured. Shoulder bone and collarbone was fractured. Her whole ribcage got fractured and because of the ribcage injury, lungs and liver were badly injured. She couldn't breathe. She lost revel bowel control. But that injury that changed her and her life completely.

As a person in her perception towards living her life was the spine injury. Three vertebral off her back bone were completely crushed. And she got paralyzed for the rest of her life. This accident took place in a far-flung area in the outskirt of a very small province Baloch.Where there are no first aid, no hospital, no ambulance. She was in the middle. She was in the middle of that toppled car. At that time, many people came to rescue her. They gave her CPR, they dragged her out of the car and while they were dragging her out, she got the complete transaction of her spinal card. There was no ambulance. There was a four wheel jeep standing in the corner of the street. They put her in the back of the jeep and take her to the hospital, which is three hour away from that place. On that bumpy ride she was all broken. Then she was realized that her half body was fractured and a half was paralyzed. She finally ended up in a hospital where she stayed for two and a half month. She underwent multiple surgeries. Doctor had put a lot of titanium in her arm. There's a lot of titanium at her the iron lady of Pakistan.

In the hospital, one day doctor came to her and he said, "Well, I heard that you wanted to be an artist, but you ended up being a housewife. I have a bad news for you. You won't be able to paint again. Because your wrist and arm are so deformed you won't be able to hold paint again." Next day doctor came to her and said," Your spine injury is so bad you won't be able to walk again." And she said," It's all right." Next day doctor came to her and said, "Because of your spine injury and the fixation that you have in your back you won't be able to give birth to a child again." That day she was devastated. She asked her mother, "Why me? And that is where she started to question her existence that why she even alive? What's the point of living? She was disappointed that time. She cannot be a mother and this thing makes her incomplete women, because we people think that women incomplete without having children. She was going to be an incomplete woman far the rest of her life. And she questioned what the point of her living is? She said that "we all

try to chase this tunnel. We all do this because we see light at the end of the tunnel, which keeps us going." But according to her, there was a tunnel, but she had to roll on, where was no light. And then she realized that the word have the power to heal the soul. Her mother said to her: "This too shall pall. God has a greater plan for you. I don't know what exactlyt it is, but he surely has and in all that distress and grief somehow or the other those word were so magical that they kept me going. I was trying to put that smile on my face all the time was hiding. It was so hard to hide the pain. Which was there, but all I know was that if I will give up my mother and brother will give up too. I cannot see them crying with me." Shared Muniba.

One day she asked her brother that, "I know I have a deformed hand but I am tired of looking at these white walls in the hospital and wearing this white scrub. I want to paint. I want to add more colors to my life. Bring me some colors. Bring me some small camas." The first painting she made was on her death bed, where she painted for the very first time. According to her, "It was not just an art piece or just my passion. It was my therapy." She tried to share her story through that painting. Few months later, she was discharged. She went back home. She has a lot of pressure ulcer on her back and her hip bone was broken, so she can't sit. There are lots of infections in her body, a lot of allergies. So, doctors said her to lie down on the bed straight for two years.

"I was bedridden confined in that one room, looking outside the window listening to the bird chirping and thinking maybe there will be a time when we will be going out with the family and enjoying the nature. That was the time where I realized how lucky people are, but they don't realize. That is the time where I realized that the day I'm going to sit I am going to share this pain with everyone to make them realize how blessed they are and they don't even consider them lucky. These are always turning point in our life. There was a rebirth day that I celebrated. After two years and two and a half month, when I was able to sit in a wheelchair that was the day when I had the rebirth. I was completely different person. I still remember. The day I set on the wheelchair for the first time knowing that I am never going to leave this. I saw myself in the mirror and I talked to myself, I cannot wait for a miracle to come and make me wall. I cannot sit in the corner of the room crying cribbing and begging for mercy because nobody has time. So, I have to accept myself the way I am. The sooner the better. So, I applied the lip color for the first time and I eared it and I cried. And I said: What am I doing? A person in a wheelchair should not do this. What will people say? Clean it up, put it again."- Muniba shared in an international event.

She said that at that time she put for herself because she wanted to feel perfect from within. And that day she decided that she live her life for herself. She said that she was not going to be that perfect person for someone. She was going to take that moment and make perfect for herself. According to her, that day she decided that she going to fight her fears.

We all have fears. Fears of unknown. Fears of known, fear of losing people, fear of losing help, money. We are scared all the time. So, she wrote down all those fear and she decided to overcome these fear one at a time. Her biggest fear was divorce. She couldn't stand this word. But she realize that this is nothing but my fear. She liberated herself by setting him free and made herself emotionally so strong. And that day she got the never that her husband is getting married. She sent him a text and wish him. And she conquer her fears.

Her second fear was she would not be able to be a mother again and this problem was

devastating for her. But then she realized, there are so many children in the world. All they want is acceptance. So, there is no point of crying. So she adopt a child. She gave her name in different organization, different orphanages. But she did not mention that she a wheelchair drying to have s child. So, she just told her name. After two years she got a call from a very small city in Pakistan and they said that there was a baby boy. She was going to take him house and when she reached there the man was sitting, and he was looking at her from head to toe. She thought that he going to easy that she deserved it. As the man said she told that "Do not judge me because I am on the wheelchair but you know I can take care of him." The man smile and said that he knew she will be the best mother of him.

Her another fear was facing people. She used to hide herself from people when she was on bed for two years. She used to keep the door closed. Because she doesn't want sympathy towards her.

Her another fear that people on the wheelchair the people who are differently able. She said that people think there will not be imperfect. So, she decided to start an NGO for disability awareness. She started to appear more in public. She started to paint which she always wanted to. She have done lot of exhibition. She done a lot of modeling campaign, different campaign for brands like Toni and Guy. She is the first women and first wheelchair model. She was going to join the national TV of Pakistan as an anchorperson and she did a lot of shows.

She currently serves as of the National Ambassador for UN women Pakistan and has participated as a motivational speaker at various conferences and seminer. Her first break being TEDX Islamabad. She was one of the two Pakistanis to be named BBC100 most inspirational women in 2015 and worked as an occasional anchor at PTV. She featured in Forbes 30 under 30 in 2016 and head of CSR for Chughtai Labe.

Muniba Mazary has given motivational talks on various platforms like TEDX, Entrepreneurs' Organization (EO), Young Presidents' Organization (YPO), Youth Entrepreneur Organization (YEO), Global Leadership Conference 2016 (GLC), Vcon Malaysia 2017, Vcon Dubai 2017, Leadership Summit Pakistan, Young Bourgeois Organization etc.

According to her voice, " it all didn't happen alone. You all are thriving in your career. You have bigger dreams and aspirations in life. Always remember one thing: On the road to success, there is always we, not me. Do not think that you alone can achieve thing. No! There is always another person who is standing behind you maybe not coming on the forefront but behind you. Praying for you when supporting you. Never love that person. I couldn't find a hero, so I become one. I recognize three people in my life who literally changed my life completely and I get inspiration from them every single day. Waleed Khan, my son and also my mother is my inspiration because they doing a lot for me. I learned how to be happy in every situation from Waleed Khan who was shot in the terrorist attack. I learned how to be patient from my son. He made me realize that when you think your glass is half empty, come on, your glass is half-full. Last but not least. The women who made me realize that heroes have no gender. The women believed in me even when I was completely at the words of despair where everybody left. She was there. She never cried in front of me. My mother, who is my real hero."

We human being have a problem. Out of many problems, there is one more and this is self created one. We always expect ease from

life. We have this amazing fantasy about life. This is how things should work. This is my plan. It should go as per my plan. It that doesn't happen, we give up. Dear friends, this life is a test and a trial and test our trails are never supposed to be easy so when you are expecting are from life. And life gives you lemons then you make the lemonade and then do not blame life for that because you were expecting ease from a trial. Trial make up a better person. Life is a trial. Every time you realize that.

It is okay to be scared. It is okay to cry. Everything is okay but giving up should not be an option. They always say that failure a not an option. Failure should be an option because when you fail you get up and then you fail and then you get up and that keeps you going. That is how humans are strong. Failure is an option should be an option but giving up is not. Never we have this thing in minds. We call it perfection. We want everything perfect. We want ourselves to be perfect. There is this image in our head about everything. But nothing is perfect in this world. We all are perfectly imperfect and that is perfectly all right. Only the perfect eyes can see that. Only the perfect eyes will see that. So, in all those imperfection you have to listen to your heart. You don't have to look good for people. You don't have to be perfect just because other people want you to be perfect. If your soul is perfect from within that's all right. This is all what you want. This is all what you needed to be.

Our society has made very weird. Very weird kind of norms to look perfect and great. For women it is different. We think too much about what people say. With we listen to ourselves too little. You know what make you perfect? When you make someone smile. You know what make you perfect? When you try to do something good for the people around you. When you feel someone pain and how beautiful pain in that it connect you with people. No other medium can connect you with other but the pain. There are many people in the world who is dreaming to live a life that you are living right now. You have no idea. Embrace each and every breath that you are taking. Celebrate your life. Live it. Do not die before your death. We all die. We live this one routine of a day for 75 years and we call it life. No, that's nit life. If you still thinking why you have been sent here, it you are still juggling with the concept of why you were here. You have not lived yet. You work hard. You make money. You do it for yourself. That is not life. You go out. You seek for people who need your help. You make their lives better. You become that sponge which can absorb all the negativity and you become that person who can exit beautiful positive vibes and when you realize that you have changed someone's life and because if you this person did not give up. That is the day when you live. Always be grateful for what you have and you will always, always end up having more.

Today Muniba Mazari is an accomplished artist, work two jobs, is a single mother of an adopted son and she'll be representing. Pakistan in the prestigious Forbes 30 under 30 list of top promising young leader, daring entrepreneurs and game changers from around the world.

I am lucky to share her story here. She is my inspiration and I am very proud of her.

Live your life fully.

Accept yourself the way you are.

Be kind to yourself. And only then you can be kind to other. Love yourself and spread that love. Life will be hard. These will be turmoil. There will be trial but that will only make you strong. Never give up. The real happiness doesn't lie is money or success or fame. Real happiness lies in gratitude. So, be grateful. Be alive and live every moment. ❖❖❖

# We Live in Deeds, Not in Years

● **Angkrita Chetia**
2nd Semester
English Department



"A long life may not be good enough, but a good life is long enough."
*–Benjamin Franklin*

Life spent in action is life well spent. The great dramatist Shakespeare rightly observes that life should be measured by deeds, not years. Age is no criterion for meaning of life. It is the actions, good deeds which give meaning to life and immortalize man in the indelible sand of time.

Everyone yearns for a long life, but a long life devoid of constructive or productive work is worthless. Even a short life full of activity is a sure sign of greatness. Everyone knows that man is mortal but some immortalize their names in the golden history of time even after their death on account of their glorious deeds.

History shows innumerable instances of great man who died in the prime of their lives yet left indelible footprints on the sand of time. Jesus Christ was crucified at thirty three. Alexander the Great lived at thirty two and John Keats at an age of twenty-six. Ramanujan the great mathematician died at the age of thirty three. Even many young people like Sardar Bhagat Singh, Sardar Uddham Singh, Kanaklata Baruah and a host of many others lost their lives when they were young. But each one of these persons still electrifies millions of people.

The mission of life is not simply to eat, drink and be merry. One should nourish a noble aim in life. A barren short life is as insignificant and worthless as a similar long life. Mere death after a short span of life does not bring any glory by itself. In the same way a long life does not necessarily mean a worthless life. Many great people who lived till their ripe old age such as Shreemanta Sankardeva and Mahatma Gandhi lived for 120 years and 79 years, end up their lives with good deeds imbibing the virtues of life.

This article is a crystal clear depiction of worthwhile deeds of man which places them in the glorious history of time.

"Man will come and man will go
But their good deeds will go on forever."

❖❖❖

# A Lonely Midnight in a City



● **Janardan Chetia**
6th Semester
English Department

I was very excited to get my first job on a call centre in our national capital. Let me tell you something about me. I am Minali Sharma, a young woman of twenty four.

On my first day I carried a few sweets to my office and distributed them to my colleagues. I was very excited to get my first job because I hail from a typical Indian village. Right from my childhood I have heard that it is a crime for girl child to go to school. Let me tell you I was very lucky to be born since my mother was forced to destroy me in her womb itself by her in-laws. But due to the help and support of a private NGO, I was dramatically saved.

After a busy shift duty on my office, I washed my face, tied my hair again and tried to search a cab. It was a very embarrassing first day at office. I was shocked to see some of my male colleagues starring at me. I felt like giving them a slap. But I cooled myself and paused.

It was about 12:30 pm I was searching for a cab at our national capital which has a tag of rape capital of India. But somehow I gave courage to myself. After a few minutes, I got a cab. The driver looked like a South Indian movie villain. But I had no other option than to hire his taxi. I gave him my address of my rented home. After travelling a few kilometer, I was very afraid as he took his taxi towards a deserted road. I asked him " Bhaya, this is not the way to my home." He replied "Madam this is a short cut."

I was terribly afraid since I have seen many such cases in Hindi films. I texted my mom but there was no reply. I had no other friend in Delhi. So I gave myself some courage and started to shout "help help". After that miracle happened that, you would not believe. You may consider it as a divine help or a co-incident. To my blessings, a lady cop police officer along with two other police men were coming on that way and rescued me.

I was so terribly afraid that I almost lost my sense. Even though a metro city, the national capital of mega India, Delhi is also not safe for women. It's high time to change our mentality. I felt like quitting my job but I decided against it. So that I can become an example to others.

❖❖❖

# Last Day

● **Angelina B. Dihingia**
6th Semester
English Department



"Rimi, please go… please… otherwise you will miss a pleasant day. Lots of joy, enjoyment will be there. Please don't miss it".

The whole friends circle is forcing Rimi to go to picnic with them. The 10th standard students are arranging a picnic to Disangmukh. All are very excited to go to the new place, to see the new views. Everybody was ready to go but Rimi… She is not ready to go, for she has the wish to go but her poor father. From where he will collect that amount of money. Her friends don't know that Rimi is the girl who sometimes have to sacrifice her food for her little sisters. They have to compromise even in their daily food also.

But , friends did not want her to leave. Mainly Barsha. She is Rimi's best friend. She is asking Rimi to give her the money to go there. At first Rimi ignored that. But lastly, she decided to go. She told her parents that they have to go there for the field study report.

The day came. They started their journey. All were very excited. They played songs in the way. But then… a big vehicle collided with their picnic bus. There was a chaotic situation. Everywhere there was blood and blood… and seven students dead along with Rimi. That day proved to be their last day, last picnic. ❖❖❖

# The Proud Father

● **Plabita Phukon**
4th Semester
English Department



The result of the I.A.S. came out. She was thrilled, she was happy, she got a high rank. She looked at her parents. They were happy, they were proud. She felt like, she was at the top of the world.

She was the youngest of the four daughters of her parents. Her parents wanted a boy, but she was born to their dismay. On the day of her birth her father refused to look at her, because she was a girl. He cursed the God, for giving him a girl again. Her grand mom looked after her, when she was a baby.

Now, she is a mature girl. She came to know all the things that happened because of her being a girl. She wanted the company of her parents when she was a child. But she was always left alone with their servant. She has grown up with the servant. She is indebted to him.

But, in spite of all the hatred, she loved her parents. She was determined to make them proud from an early age. She made a promise to herself to become a well-known and independent woman.

She knew that the only key to her aim was to study hard. She tried harder and harder and tried to become an I.A.S. officer. At last her dream came true. Now, her father, who even refused to look at her on her birthday, was the most proud person at her success. She was happy. Her father came to her and said, "You are the best thing that God has given me."

She is determined now to fight for gender discrimination and she wants to make everyone realize that. "Mankind can't survive or can't exist without girls."

❖❖❖



# Raghu's Stepmother

● **Angkrita Chetia**
2nd Semester
English Department

A few years ago, Raghu's mother died in an accident mishap in Jagiroad. His father was left forever with two of his children Raghu and Rita, as their mother rested in eternal peace in her dead dome. Jagdish, father of Raghu married a young women to look after his children and to handle the chaos that apparently occurred in their house. The wedlock took place in a full fledged pious ceremony. Maya, the step mother looked after her family with care and affection.

Time flies on wings. As years rolled by Maya was bestowed with a baby boy. The family was enthralled by the new guest. But time curbs everything. As the three children grew up, it became quite difficult for the parents to manage their family as they belonged to mediocre economic stratum. Maya, being more devoted to her son Sukarma, casted step motherly attitude to Raghu and Rita. The matter was made the worst when she poked her nose in the decision of admitting Raghu to a good college despite of his excellent result.

But due to the convenience of his father he got admitted to that college. Now the step mother always interfered in Rita's affair. Her condition was quite distressing owing to the pressure from her mother she was married to a man of her father's age.

Sukarma grew up day by day becoming more contagious. Maya's condition became down at heal as he looted them and became addicted to drugs. He threw her on road after he got married and Maya's shelter in now nothing but the big banyan tree near her house dwelling with rats and birds. ❖❖❖

# Subconscious Vision

● **Janardan Chetia**
6th Semester
English Department

Sometimes I do smile without any reason,
Then I realize you are in my eyes.
I feel like all the pains and monotony being washed away,
With a single subconscious vision,
That's the power of your might.
I heard a voice, looked around,
No one was there.
Then I realize, in my dream
You are there.
And then my mind is filled with joy and ecstasy.
Your memory keeps visiting again and again.
It gave me a feeling
Was that you?
Who gave me a new life.
Was that you, my inspiration
Throughout my life.
Was that you who hold my hand,
For years to go.
Was that you who treated me as a friend,
When others treated me as a foe.
Was that you who gave me faith,
That I have many thing in my life to do.
How happy was I no one might know,
At your thought and imagination.
But it was just another subconscious vision,
Seen be me in my slumber,
And I was very sad thereafter. ❖

# Teachers

● **Angkrita Chetia**
2nd Semester
English Department

Teachers are rays of light,
Who guide students to mould their mind.
Teachers are keys,
That unlock students mind and set
a new vision of life.
Teachers are friend, philosopher and guide,
Who help students to know about the
Wrong and the right.
Teachers turn the pages of great books,
To train students to reach great heights.
Teachers teach us everything from land to sky.
To direct every person to aim
high and reach for the sky. ❖

# Something Missing

● **Plabita Phukon**
4th Semester
English Department

Once I was happy,
And happiness touched the ultimate limit,
I want to live those days again;
Far away from being rational,
Enjoying every moment.
When I enjoyed the joys of innocence,
It was my childhood,
The innocent days of my life.
I knew then how to smile,
How to offer,
How to be satisfied;
Those days were not
As suffocating as today,
Where I have to hold back
Myself from expressing,
Or to feel,
What I feel,
Long ago, it was my childhood.
Life goes on,
So, do we,
And we can do nothing
But to recall, those days
From the past;
That's the precious childhood of mine. ❖

# My 3am Story

● **Gauri Priya**
4th Semester
English Department

In the breezy nights,
When I murmured about my sufferings, into the thin air;
Waited so long, yet no answer came.
With rage I erased every memory from my diary
But the ink-stains remained.
All those flashback swing in front of me.
Now I stay up all night
And write my 3 am stories,
Finding the cure of insomnia.
But realizing soon, that sleep won't help my tired soul!
Am I blessed or cursed, with this downcast life!
That I still have to wish or dream?
It will be sad for a while
But it goes fine, once I'm able to suffer through the night.
The morning really has something with it,
Each time convincing me to fake a smile
In the darkest of days,
When I fell low on faith
A heavenly being keep reminded me
He had more faith in me than myself.
But the footsteps I've been following so long...
Didn't know would be vanished and I'll be lost!
The shield has now gone,
I am left here, shaking like a leaf,
So helpless, I remained silent among the crowd,
Being an easy prey
Of another experiment by God! ❖

# সম্পাদকীয় প্রতিবেদন





# সভাপতিৰ প্ৰতিবেদন...

যিসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টা আৰু কষ্টৰ বিনিময়ত গড়গাঁও মহাবিদ্যালয় নামৰ এই ঐতিহ্যমণ্ডিত শিক্ষাৰ মন্দিৰটি গঢ়ি উঠিল তেওঁলোকলৈ প্ৰতিবেদনৰ আৰম্ভণিতে সশ্ৰদ্ধ প্ৰণিপাত তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এনে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ এজন সদস্য হ'বলৈ পাই সদায় গৌৰৱ অনুভৱ কৰোঁ আৰু তাতে সুৰগা চৰাই যেতিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি পদত অধিষ্ঠিত হৈছিলোঁ তেতিয়া নিজকে ধন্য মানিছিলো। কাৰ্যকালৰ আৰম্ভণিতে আমি ছাত্ৰ একতা সভাই একলগ হৈ মহাবিদ্যালয়ৰ ক্ৰীড়া-সাহিত্য আৰু সাংস্কৃতিক সমাৰোহটি সুচাৰুৰূপে পালন কৰোঁ। তাৰপাছতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱটিত অংশগ্ৰহণ কৰিবলৈ যোৱা দলটিক সাজু কৰাত সহায় কৰোঁ।

ইয়াৰ পাছতে মূল কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা, সৰস্বতী পূজা পালন কৰা আদি কাৰ্যসূচীসমূহ আমি ছাত্ৰ একতা সভাৰ লগতে মহাবিদ্যালয়ৰ আটাইৰে সহযোগত সুচাৰুৰূপে পালন কৰোঁ। তদুপৰি মহাবিদ্যালয়ৰ সমস্যাসমূহ সমাধানৰ ওপৰতো গুৰুত্ব দিছিলোঁ, কিমানদূৰ সফল হ'লো নাজানো, কিন্তু যিমান পাৰো চেষ্টা কৰিছিলো যাতে মহাবিদ্যালয়খনৰ পৰিৱেশ সুস্থ হৈ থাকে। যদিও মোৰ ভাগত নিৰ্দিষ্ট বিশেষ দায়িত্ব নাছিল তথাপিও আন বিভাগীয় সম্পাদকসকলৰ যিমান পাৰো সৰ্বতোপ্ৰকাৰে সহায় কৰি ছাত্ৰ একতা সভাৰ কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণত গুৰুত্ব দিছিলোঁ। মহাবিদ্যালয়ৰ বাবে কাম কৰাৰ ইচ্ছা আৰু আছিল যদিও সময়ৰ অভাৱৰ বাবে হয়তো কৰা নহ'ল।

সদৌশেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা কৰ্তৃপক্ষক অন্তৰৰ পৰা কৃতজ্ঞতা জনাইছো, আমাৰ কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণত সহায় কৰাৰ বাবে। শেষত আমাৰ মৰমৰ মহাবিদ্যালয়খন যাতে ভৱিষ্যতে বহুদূৰ আগবাঢ়ি যায়, অধিক উন্নতমানৰ হয় আৰু নিজৰ ঐতিহ্য সদায় অক্ষুণ্ণ ৰাখিব পাৰে, তাকে অন্তৰৰ পৰা কামনা কৰিছোঁ।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

ইতি

বিশ্বজিৎ বৰগোহাঁই
সভাপতি



# উপ-সভাপতিৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়খনি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰা প্ৰতিজন মনীষীকে মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সুঁৱৰিছো। প্ৰকৃততে ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পোৱাটোৱেই গৌৰৱৰ বিষয়, তাতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদত অধিষ্ঠিত হৈ ব্যক্তিগতভাৱে মহাবিদ্যালয়খনৰ বাবে কাম কৰিবলৈ পাই মই নিজকে অতিশয় ধন্য মানিছোঁ। কাৰ্যকালৰ খতিয়ান বুলি ক'লে প্ৰথম কাৰ্যসূচী হিচাপে আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহটি অনুষ্ঠিত কৰা। ইয়াৰ পাছতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয়ৰ যুৱ-মহোৎসৱত যোগদান কৰা দলটিক সাজু কৰাত সহায় কৰোঁ।

ইয়াৰ পাছতে অন্যান্য কাৰ্যসূচীৰ ভিতৰত মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা, সৰস্বতী পূজা পালন কৰা আদি কাৰ্যসূচীসমূহ আমাৰ বৰ্ষত আমি সকলোৱে মিলি সুচাৰুৰূপে পালন কৰোঁ। নিজাববীয়াকৈ মোৰ বিশেষ কোনো দায়িত্ব নাছিল যদিও বিভাগীয় সম্পাদকসকলক বিভিন্ন সময়ত সৰ্বতোপ্ৰকাৰে সহায় কৰি ছাত্ৰ একতা সভাৰ কাৰ্যসূচীৰ সফল ৰূপায়ণত আগভাগ লৈছিলো। তদুপৰি মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰটো গুৰুত্ব দিয়া হৈছিল।

সদৌ শেষত আমাৰ কাৰ্যসূচীসমূহ পৰিচালনা কৰাত সহায় কৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে কৰ্তৃপক্ষক কৃতজ্ঞতা জনাইছো। আশা কৰোঁ মহাবিদ্যালয়খনৰ পৰিৱেশ ভৱিষ্যতে আৰু অধিক উন্নত হৈ পৰিব।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

ইতি

গীতাৰ্থী গগৈ
উপ-সভাপতি



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন...

"নিবিড় তিমিৰ ভেদি
পোহৰে সীমা খেদি
আমি আগুৱাই যাওঁ।"

যিসকল মহান ব্যক্তিয়ে অজ্ঞানতাৰ আন্ধাৰ ভেদি পোহৰৰ বাটত নতুন প্ৰজন্মক গতি কৰোৱাৰ মহৎ উদ্দেশ্য পোষণ কৰি ঐতিহ্যমণ্ডিত গড়গাঁৰৰ বুকুত গড়গাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল, প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে সেইসকল মহান ব্যক্তিৰ অসীম ত্যাগ আৰু চেষ্টাক সুঁৱৰি মোৰ ভক্তিভৰা প্ৰণিপাত নিবেদিলোঁ।

২০১৭-১৮ বৰ্ষৰ গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বহু আশা আৰু পৰিকল্পনা বুকুত বান্ধি সাধাৰণ সম্পাদকৰ পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছিলো। মোৰেই সৌভাগ্য যে, এনে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ দুই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীক প্ৰতিনিধিত্ব কৰিব পৰাৰ সৌভাগ্য অৰ্জন কৰি মই সাধাৰণ সম্পাদক নিৰ্বাচিত হ'লো। এইছেগতে, মোক নিৰ্বাচনত জয়ী হৈ মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰা প্ৰতিগৰাকী শুভাকাংক্ষীলৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰাক্তন সাধাৰণ সম্পাদক মৃণ্ময় গগৈ দাদাৰ হাতৰ পৰা দায়িত্ব গ্ৰহণ কৰাৰ দিনাই পণ লৈছিলো মহাবিদ্যালয়ৰ স্বাৰ্থৰ হকে কেতবোৰ কাম কৰাত। পৰিকল্পনা বহুতেই আছিল, কিন্তু সময় আৰু কিছুমান আনুষংগিক কাৰণৰ বাবে সকলোবোৰ পৰিকল্পনা বাস্তৱায়িত কৰিব পৰা নাছিলো। কিন্তু, তাৰ মাজতে যিসমূহ কাম মোৰ এবছৰীয়া কাৰ্যকালত সমাধা কৰা হৈছিল, তাৰ চমু খতিয়ান তলত দাঙি ধৰা হ'ল —

১) দায়িত্ব গ্ৰহণৰ পিছতে শিক্ষক দিৱসৰ দিনা ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুক ওলগ জনায়।

২) ৭ ছেপ্তেম্বৰত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা পূৰ্ণ সহযোগ আগবঢ়োৱা হয়।

৩) মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ ছাত্ৰৰ ওপৰত আৰক্ষীৰ আক্ৰমণৰ ঘটনাক গৰিহণা দি ছাত্ৰ একতা সভাৰ উদ্যোগত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়।

৪) কাকজান মহাবিদ্যালয়ৰ এগৰাকী মেধাৱী ছাত্ৰীৰ অসুখৰ সময়ত ছাত্ৰ একতা সভাই তেওঁৰ বাবে সাহায্য সংগ্ৰহ কৰে আৰু এই সাহায্য কাকজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ যোগেদি ছাত্ৰীগৰাকীৰ পৰিয়ালৰ প্ৰদান কৰা হয়।

৫) আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ বাবে দল নিৰ্বাচন কৰিবলৈ ছাত্ৰ একতা সভাই এলানি বাছনি প্ৰতিযোগিতা দুদিনীয়া কাৰ্যসূচীৰে হাতত লয়।

৬) মহাবিদ্যালয়ৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্যসূচী বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ সপ্তাহজোৱা কাৰ্যসূচীৰে ৪-১১ জানুৱাৰীলৈ অনুষ্ঠিত কৰা হয়। বিভাগীয় সম্পাদকসকলৰ তৎপৰতাত এই কাৰ্যসূচীৰ সফল ৰূপায়ণ হয়। তদুপৰি, ইয়াৰ শেষৰ দিনা বেণুধৰ মহন্ত সোঁৱৰণী প্ৰেক্ষাগৃহত 'নৃসিংহ মুৰাৰী' ভাওনা প্ৰদৰ্শন কৰা হয়।

৭) শিৱসাগৰ মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱলৈ মহাবিদ্যালয়ৰ পৰা দল প্ৰেৰণ কৰা হয় আৰু এই দলটিয়ে পাঁচটা পুৰস্কাৰ অৰ্জনেৰে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

৮) শ্ৰীশ্ৰী সৰস্বতী পূজাভাগ প্ৰতিবছৰৰ দৰে উলহ-মালহেৰে মহাবিদ্যালয়ত পালন কৰা হয়।

৯) অসম মহিলা বিশ্ববিদ্যালয়ৰ স্বাৰ্থৰ বিপৰীতে চৰকাৰে গ্ৰহণ কৰা নীতিৰ বিৰোধিতাৰে মহাবিদ্যালয়ত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়।

১০) মহাবিদ্যালয়ৰ পৰা ১৬ জনীয়া এটা শিক্ষাৰ্থীৰ দল অসম বিধানসভা পৰিদৰ্শনৰ বাবে পঠিওৱা হয়।

১১) গড়গাঁও মহাবিদ্যালয়ক ৰাজ্যিক বিশ্ববিদ্যালয়ৰ মৰ্যাদা প্ৰদান তথা খালীপদত নিযুক্তিকে আদি কৰি মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা দূৰীকৰণৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী মহোদয়ক স্মাৰকপত্ৰ প্ৰদান কৰা হয়।

১২) আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ত শিক্ষক গোটৰ উদ্যোগত ব'হাগ বিহুৰ আদৰণি পালন কৰা হয়।

১৩) মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰাণজিৎ গগৈ জটিল ৰোগত আক্ৰান্ত হোৱাৰ বাবে তেওঁৰ সাহায্যাৰ্থে ছাত্ৰ একতা সভাই অৰ্থসংগ্ৰহ কৰে। দুৰ্ভাগ্যবশতঃ ছাত্ৰজন পুনৰ সুস্থ হৈ নুঠিল। এই আপাহতে ছাত্ৰ একতা সভাৰ হৈ ছাত্ৰজনৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ।

১৪) মহাবিদ্যালয়ৰ সন্মুখতে আৱৰ্জনা পেলাই মহাবিদ্যালয়ৰ পৰিৱেশ বিনষ্ট কৰা বালিঘাট দৈনিক বজাৰ ব্যৱসায়ী সন্থাক অনাগত দিনত এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সঁকীয়াই দি এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

১৫) মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত শিমলুগুৰি নগৰ সমিতিৰ সহায় বিচাৰি ছাত্ৰ একতা সভাই এখন আবেদন পত্ৰ দাখিল কৰে। তাৰ প্ৰতি সমৰ্থন জনাই নগৰ সমিতিৰ শ্ৰমিকে মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰকে আদি কৰি বিভিন্ন ঠাইৰ আৱৰ্জনাসমূহ পৰিষ্কাৰ কৰি দিয়ে। এই ছেগতে নগৰ সমিতিলৈ আমাৰ ধন্যবাদ জনালোঁ।

১৬) ২০১৮ বৰ্ষৰ নৱাগত আদৰণী সভাখন ছাত্ৰ একতা সভাৰ উদ্যোগত উলহ-মালহেৰে পালন কৰা হয় য'ত উপস্থিত থাকে অসমৰ জনপ্ৰিয় সাহিত্যিক তথা 'বসুন্ধৰা'ৰ সম্পাদক শাংকৱ কৌশিক বৰুৱা।

১৭) জুবিন ফাউণ্ডেশ্যনে মহাবিদ্যালয়লৈ আগবঢ়োৱা ২০০ গছৰ পুলি মহাবিদ্যালয় চৌহদ, ছাত্ৰীনিবাস আৰু ছাত্ৰ নিবাসত ৰোপণ কৰা হয়।

১৮) 'গড়গঞা'ৰ বাবে সাক্ষাৎ গ্ৰহণৰ অনুমতি দিয়া অসমৰ সাংস্কৃতিক জগতৰ দুজন চিনাকি ব্যক্তি তৰালি শৰ্মা আৰু হিমাংশু প্ৰসাদ দাসক ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

১৯) অসম জোকাৰি যোৱা ডক্‌মকা কাণ্ডৰ তীব্ৰ গৰিহণা দিয়াৰ লগতে দুৰ্বৃত্তই প্ৰাণ লোৱা নীলোৎপল দাস আৰু অভিজিৎ নাথৰ আত্মাৰ সদগতি কামনাৰে ছাত্ৰ একতা সভাই এক কাৰ্যসূচী গ্ৰহণ কৰে।

২০) ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ তৎপৰতাত 'Youth Miracle - we are the next chapter' নামৰ এটা সাংস্কৃতিক গোট মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লৈ গঠন কৰা হয়। এই গোটে নৱাগত আদৰণী সভাত পৰিৱেশন কৰা দেশ প্ৰেমমূলক অনুষ্ঠান 'জয় আই অসম'-এ দৰ্শক শ্ৰোতাৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়।

২১) নাজিৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ NSS গোটৰ সহযোগত শিমলুগুৰি অঞ্চলৰ বানাক্ৰান্ত লোকসকলৰ সাহায্যাৰ্থে বান সাহায্য সংগ্ৰহ কৰি বিতৰণ কৰা হয়।

২২) নৱগঠিত ছাত্ৰ একতা সভা ২০১৮-১৯ আৰু NSS গোটৰ সহযোগত শিৱসাগৰৰ কৌমুদালয়ত বিশ্ব ভ্ৰাতৃত্ব দিৱস উদ্‌যাপন কৰা হয়।

এনে কামসমূহৰ যোগেদি এবছৰীয়া কাৰ্যকালটোত মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ চেষ্টাত ব্ৰতী হৈছিলো।

কিমান দূৰ সফল হ'লো, সেয়া আপোনালোকে বিচাৰ কৰিব। কিন্তু এই কামসমূহৰ ৰূপায়ণত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পুণ্যধৰ গগৈ ছাৰ, ছাত্ৰ একতা সভাৰ উপদেষ্টা ড° যোগেশ বৰা ছাৰ, জ্যেষ্ঠ অধ্যাপক ড° পৰাগ কুমাৰ বৰা ছাৰ, NSSৰ সমন্বয়ক ড° ৰিমঝিম বৰা বাইদেউ তথা ড° জিতু শইকীয়া ছাৰ আৰু সমূহ শিক্ষাগুৰুলৈ প্ৰতিবেদনৰ যোগেদি ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, বিশেষকৈ মোৰ প্ৰতিটো কামতে লগত থাকি নিজৰ চিন্তা তথা শ্ৰমেৰে মোক উদ্বুদ্ধ কৰা আলোচনী বিভাগৰ সম্পাদক ভাৰ্গৱ, সাংস্কৃতিক বিভাগৰ সম্পাদক মণিমুগ্ধ আৰু তৰ্ক বিভাগৰ সম্পাদিকা ছেহ্নাজলৈ মোৰ বহুত বহুত ধন্যবাদ থাকিল। তদুপৰি মানস দাদা, মৃণ্ময় দাদা, ৰাহুল দাদা, ভাস্কৰ দাদাকে প্ৰমুখ্য কৰি সমূহ অগ্ৰজ, ৰাহুল, হীৰক, সুৰুজ, কৌশিক, জয়, লাকী, গৌৰী, ডিম্পী, হিমাশ্ৰীকে আদি কৰি সমূহ বন্ধু-বান্ধৱী তথা সমূহ অনুজকো মোৰ কৃতজ্ঞতাৰ শৰাই যাচিলোঁ। CCK Girls' Hostel ৰ সমূহ আবাসীকে আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলোঁ। মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক অঞ্জন দাদাৰ সহায়ৰ কথা কিদৰে পাহৰিব পাৰো? চন্দ্ৰ কাই, অনিল কাই, বৰ্মন দা, কনক কাই, ৰূপা বাইৰ দৰে মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ সহায় নোহোৱা হ'লেও হয়তো মই সফল হ'ব নোৱাৰিলোহেঁতেন। শেষত অনিচ্ছাসত্ত্বেও যিসকল শুভাকাংক্ষীৰ নাম ল'ব নোৱাৰিলো, তেওঁলোকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো।

মোৰ কাৰ্যকালত ৰৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটীৰ বাবে মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰে প্ৰতিবেদন সামৰিলো।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

অবিনাশ শইকীয়া
সাধাৰণ সম্পাদক

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন...



১৯৫৯ চনতেই স্থাপিত গড়গাঁও মহাবিদ্যালয় ইতিহাসৰ এক সোণালী অধ্যায়। এসময়ৰ আহোমৰ ৰাজধানী গড়গাঁৰৰ বুকুত আজিও সগৌৰৱে জিলিকি আছে প্ৰত্যেকজন গড়গঞাৰে স্বাভিমান তথা স্মৃতিৰ প্ৰতীক 'গড়গাঁও মহাবিদ্যালয়'। প্ৰতিবেদনৰ প্ৰাক্ক্ষণতে শ্ৰদ্ধাৰে সুঁৱৰিছো সেইসকল চিৰনমস্য ব্যক্তিক, যিসকলৰ আশাশুধীয়া প্ৰচেষ্টা তথা হাতৰ পৰশত প্ৰাণ পাই উঠিছিল জ্ঞানৰ প্ৰতীক গড়গাঁও মহাবিদ্যালয়; যিখন মহাবিদ্যালয়ৰ লগত জড়িত হৈ আছে প্ৰাক্তনসকলৰ চিৰসেউজ স্মৃতি আৰু বৰ্তমানসকলৰ ভৱিষ্যৎ।

নতুন ভৱিষ্যতৰ পম খেদি, বুকুত এবুকু নতুন সপোন লৈ এইখন মহাবিদ্যালয়ত মোৰ কলেজীয়া জীৱনৰ আৰম্ভণি কৰিছিলো। সময় আগবঢ়াৰ লগে লগে লাহে লাহে মহাবিদ্যালয়খনৰ লগত মোৰ একাত্মতা বাঢ়ি গ'ল। কিছু দিনৰ পিছতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ বাবে বিশেষ একো নভবাকৈ সহকাৰী সাধাৰণ সম্পাদক পদৰ বাবে মই মনোনয়ন পত্ৰ দাখিল কৰিলো। অতি কম সময়তে মহাবিদ্যালয়খনৰ লগত গঢ়ি উঠা একাত্মতাই নিৰ্বাচনৰ বাবে মোক এক নতুন উদ্যম তথা সাহস দিলে। বন্ধু-বান্ধৱী তথা শুভাকাংক্ষীসকলৰ প্ৰচেষ্টাত মই ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হ'লো। এই নিৰ্বাচনৰ পিছতে আৰম্ভ হ'ল মোৰ কলেজীয়া জীৱনৰ এক বৰ্ণিল অধ্যায়। শপত গ্ৰহণৰ প্ৰতিটো বাক্যক সাৰোগত কৰি মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতিৰ বাবে আমি অৰ্থাৎ ছাত্ৰ একতা সভাৰ প্ৰত্যেকজন সদস্য-সদস্যা বদ্ধ-পৰিকৰ আছিলো। আমি প্ৰত্যেকেই মহাবিদ্যালয়খনৰ সৰু-ডাঙৰ সকলো কাৰ্যসূচীতে নিজকে জড়িত কৰি যৎপৰোনাস্তি সেৱা আগবঢ়োৱাৰ প্ৰয়াস কৰিছিলো। এই আপাহতে ছাত্ৰ একতা সভা তথা মোক সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা প্ৰত্যেকজন নমস্য শিক্ষাগুৰুলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° পুণ্যধৰ গগৈ ছাৰকে প্ৰমুখ্য কৰি অতিৰিক্ত উপাধ্যক্ষ যোগেশ বৰা ছাৰ তথা শিক্ষাগুৰুসকলে যিধৰণে আমাক উৎসাহ তথা দিহা-পৰামৰ্শ আগবঢ়ালে, তাৰবাবে আমি তেওঁলোকৰ ওচৰত চিৰঋণী হৈ ৰ'ম।

মানুহ মাত্ৰেই ভুল। গতিকে মোৰ চমু এবছৰীয়া কাৰ্যকালত ভুল হোৱাতো নিতান্তই স্বাভাৱিক। এই আপাহতে আপোনালোক সকলোৰে ওচৰত ইচ্ছাকৃত বা অনিচ্ছাকৃতভাৱে কৰা সকলো ভুলৰ বাবে মই ক্ষমা বিচাৰিছো।

মহাবিদ্যালয়ৰ বিভিন্ন কামত জড়িত হৈ থাকোতে এবছৰ কেতিয়া পাৰ হৈ গ'ল গমকে নাপালো আৰু এদিন এনেদৰেই সময়ৰ আহ্বানত নামৰ আগত প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদকৰ মোহৰ লাগিল। সদৌশেষত মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ কামনাৰে মোৰ বিভাগীয় প্ৰতিবেদন ইমানতে সামৰিছো।

ধন্যবাদেৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়

জয়তু গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

প্ৰাঞ্জল গগৈ
সহকাৰী সাধাৰণ সম্পাদক



# উৎসৱ আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিক সুঁৱৰিব বিচাৰিছো, যিসকলৰ প্ৰতি টোপাল ঘামৰ বিনিময়ত আজি গড়গাঁও মহাবিদ্যালয়ে ১৯৫৯ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখৰ পৰা একো একোজন প্ৰকৃত মানৱ সম্পদ গঢ় দিয়াত ইন্ধন যোগাই আহিছে। যেতিয়া উজনি অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ঘৰৰ কাষতে উচ্চ শিক্ষা গ্ৰহণ কৰাটো সপোন আছিল, যেতিয়া উজনিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সামূহিক দিশৰ এটি প্ৰতিষ্ঠানৰ অভাৱ আছিল, তেতিয়াই এচাম বুদ্ধিজীৱীৰ পৰশত প্ৰাণ পাই উঠিছিল আমাৰ গড়গাঁও মহাবিদ্যালয়। গড়গাঁও মানে কেৱল শিক্ষা নহয়, গড়গাঁও মানে আৱেগ, অনুভূতি, সংস্কৃতিৰ মন্দিৰ, ৰাজনৈতিক, সামাজিক তথা সামূহিক দিশৰ এটি ভঁৰাল। সু-উচ্চ চাৰি গড়ৰ মাজত স-গৌৰৱেৰে থিয় দি থকা গড়গাঁও মহাবিদ্যালয়ৰ আমি চিৰগৌৰৱান্বিত গড়গঞা।

সৰুৰে পৰা শুনি অহা এটি পৰিচিত নাম গড়গাঁও মহাবিদ্যালয়। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ এই মহাবিদ্যালয়ৰ অংশীদাৰ হ'বলৈ আহিছিলো যদিও মোৰ এই সিদ্ধান্ত অপৰিকল্পিত আছিল। প্ৰথম দিনকেইটা কেৱল নিজৰ স্বাৰ্থতহে মহাবিদ্যালয়ত ভৰি দিয়াৰ নিচিনা হৈছিল। দ্বিতীয় যান্মাসিকৰ পৰা মহাবিদ্যালয়ৰ উন্নতিৰ খাতিৰত কিবা এটা কৰাৰ মনোভাৱ জাগি উঠিছিল। এই মানসেৰে তৃতীয় যান্মাসিকত ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন ২০১৭-১৮ চনত সাংস্কৃতিক আৰু উৎসৱ বিভাগৰ সম্পাদকৰ পদটিৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়ালো আৰু বয়োজ্যেষ্ঠ-কনিষ্ঠ, সহপাঠী সকলোৰে সহায়ত মই ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ এজন সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিলো। শপত গ্ৰহণৰ দিনাই অধ্যাপক ড° দিগন্ত কোঁৱৰ ছাৰৰ উপদেশ মৰ্মে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহায়ত ৰাষ্ট্ৰীয় ভিত্তিত এখনি চুটি ছবি নিৰ্মাণৰ সুবিধা লাভ কৰিলো। এইদৰে সময়ৰ গতিত আমাৰ একতা সভাৰ আন সম্পাদকসকলৰ লগত লগলাগি মহাবিদ্যালয়ৰ উন্নতিৰ হকে বিভিন্ন কামৰ পৰিকল্পনা প্ৰস্তুত কৰি সকলোবোৰ সফল ৰূপায়ণৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই গ'লো। আমাৰ একতা সভাৰ এটি কথা সকলোৰে আদৰণীয় আৰু আমি সেই ক্ষেত্ৰত গৌৰৱ কৰো যে আমাৰ ১৫ জন সম্পাদকৰ মাজত বহুত মিল আছিল। নিজৰ বুলি এটি কাম কোনেও অকলে কৰিবলগীয়া নহৈছিল। লগে-ভাগে কাম কৰাটো আমাৰ বাবে এক প্ৰকাৰৰ নিচা আছিল। এনেদৰেই আমি বান সাহায্যৰ পৰা আৰম্ভ কৰি অন্য মহাবিদ্যালয়ৰ আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক জৰুৰীকালীন অৱস্থাত অৰ্থ সংগ্ৰহ কৰি দিব পাৰিছিলো। এনে সম্বন্ধই আমাক "মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ" সুকলমে সফলভাৱে পালন কৰাত ইন্ধন যোগাইছিল। এজন সাংস্কৃতিক সম্পাদক হিচাপে মোৰ এক গুৰু দায়িত্ব আছিল "আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ ২০১৭-১৮"ৰ বাবে আমাৰ মহাবিদ্যালয়ৰ পৰা এটি দল অংশগ্ৰহণ কৰোৱা। ২৫ জনীয়া উক্ত দলটিৰ বাবে প্ৰতিযোগী নিৰ্বাচনৰ পৰা আৰম্ভ কৰি আখৰা পৰ্যন্ত আৰু সফলভাৱে সেই অনুষ্ঠানত অংশগ্ৰহণ কৰি অহালৈকে সমগ্ৰ দায়িত্ব আমি সকলোৱে লগলাগি পালন কৰিছিলো। ঠিক সেইদৰে মহাবিদ্যালয় সপ্তাহৰ 'বঁটা বিতৰণী সভা'ৰ দিনা এখনি ভাওনা প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰটো আমাৰ সকলো সম্পাদকে আগভাগ লৈছিল। এনেদৰে সকলোৰে প্ৰচেষ্টাত আমি ব্যক্তিগত বিভাগৰ প্ৰতিটো কাম অনায়াসে সফল ৰূপায়ণ কৰিছিলো।

মোৰ কাৰ্যকালত থকা এই গোটেই বছৰটো মোৰ কাৰণে এক অভিজ্ঞতাপূৰ্ণ সংগ্ৰহালয়ৰ দৰে আছিল। এই সময়খিনিত মোৰ প্ৰতিটো কামতে উৎসাহ আৰু সঁহাৰি জনোৱা মাননীয় অধ্যক্ষ মহোদয়, সহকৰ্মী সম্পাদকসকল, বয়োজ্যেষ্ঠসকল আৰু

বিশেষভাৱে মোৰ বিভাগীয় উপদেষ্টা ড° মিণ্টু গগৈ ছাৰ আৰু অনিল তাঁতী ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। নিৰ্বাচনৰ সময়ত দিন-ৰাতি হিচাপ নোহোৱাকৈ প্ৰতিটো ক্ষেত্ৰতে সহায় কৰা শুভাকাংক্ষীসকলকো এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ সন্মানীয় বিষয়ৰ বিভাগৰ অধ্যাপকসকলেও মোক বহু ক্ষেত্ৰত সহায় কৰিছিল, তেওঁলোকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম।

মহাবিদ্যালয়ৰ উৎসৱ আৰু সাংস্কৃতিক দিশত অতীতৰে পৰা হৈ অহা উন্নতিৰ ধাৰাবাহিকতা ৰক্ষা কৰাত মই কিমান দূৰ সফল সেয়া আপোনাসৱৰ বিচাৰ্য বিষয়।

সদৌশেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিজন গড়গঞাই যাতে এই “গড়গঞা” শব্দটিৰ পৱিত্ৰতা ৰক্ষা কৰি যাব পাৰে তাৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

মণিমুগ্ধ ৰাজকোঁৱৰ
উৎসৱ আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...



যিসকল পুণ্যাত্মাৰ ত্যাগ আৰু অহোপুৰুষাৰ্থৰ বলত ইতিহাসে গৰকা গড়গাঁৰৰ বুকুত প্ৰাণ পাই উঠিল গড়গাঁও মহাবিদ্যালয়, প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল পুণ্যাত্মালৈ শ্ৰদ্ধা আৰু ভক্তিভৰা প্ৰণিপাত জনালোঁ।

দুই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ আৱেগ আৰু স্বাভিমানৰ প্ৰতীক গড়গাঁও মহাবিদ্যালয়। উজনি অসমৰ ভিতৰতে উচ্চ শিক্ষাৰ ক্ষেত্ৰত লেখত ল'বলগীয়া এই মহাবিদ্যালয়খনৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ দৰে গধুৰ দায়িত্ব পালনৰ সুযোগ এই অভাজনে লাভ কৰিছিলো। দায়িত্ব গ্ৰহণ কৰিয়ে নিজৰ পৰিকল্পনাসমূহ ৰূপায়ণ কৰিবলৈ মই আগবাঢ়ি গৈছিলোঁ। প্ৰথম পৰ্যায়ত ছাত্ৰ একতা সভাৰ উদ্যোগত গ্ৰহণ কৰা সকলো কাৰ্যসূচীতে অংশগ্ৰহণ কৰাৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীৰ প্ৰতি আকৰ্ষিত কৰিবৰ বাবে "জেনিথ য়ুথ ক্লাৱ"য়ে গ্ৰহণ কৰা কাৰ্যসূচীসমূহত সহযোগিতা আগবঢ়াইছিলো।

এনেধৰণৰ কাৰ্যসূচীসমূহ ৰূপায়ণ কৰাৰ পাছত আহি পৰিছিল মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ অন্যতম গুৰুত্বপূৰ্ণ অনুষ্ঠান "বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ"। ইয়াত এই অভাজনে ১৯ টা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দায়িত্ব লাভ কৰিছিলো। ই যথেষ্ট কঠিন আছিল যদিও বিভাগীয় উপদেষ্টা ড° অঞ্জন কোঁৱৰ ছাৰ আৰু প্ৰণৱ দুৱৰা ছাৰৰ সক্ৰিয় সহযোগিতা আৰু পৰামৰ্শই কোনো আউল নলগাকৈ কামসমূহ সমাধা কৰাত সহায় কৰিছিল। তদুপৰি এই কাৰ্যসূচীত সাহিত্য বিভাগৰ আটাইতকৈ উল্লেখনীয় পদক্ষেপ আছিল, "Go Green" যাৰ আঁৰৰ ব্যক্তিজন আছিল ড° অঞ্জন কোঁৱৰ ছাৰ। এই পদক্ষেপৰ যোগেদি সাহিত্য বিভাগে সমাৰোহৰ কোনো কাৰ্যসূচীত প্লাষ্টিক ব্যৱহাৰ কৰা নাছিল আৰু আমন্ত্ৰিত অতিথিসকলক উপহাৰ হিচাপে একোটিকৈ গছপুলি প্ৰদান কৰিছিল। এই পদক্ষেপে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। সমাৰোহৰ পিছত সাহিত্য বিভাগে নিজা উদ্যোগত কোনো কাৰ্যসূচী লোৱা নাছিল যদিও ছাত্ৰ একতা সভাৰ কাৰ্যসূচীসমূহত সক্ৰিয় অংশ লৈছিল। তদুপৰি নাজিৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত বানাক্ৰান্ত ৰাইজক সাহায্য প্ৰদানৰ কাৰ্যসূচীৰ আৰম্ভণি সাহিত্য বিভাগৰ প্ৰচেষ্টাতে হৈছিল।

এইসমূহৰ উপৰিও বিভিন্ন সময়ত অনুষ্ঠিত বিভিন্ন সাহিত্য প্ৰতিযোগিতালৈ মহাবিদ্যালয়ৰ পৰা প্ৰতিযোগী প্ৰেৰণ কৰা হৈছিল। সকলোবোৰতে মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে সফলতা পোৱা নাছিল যদিও শিৱসাগৰত অনুষ্ঠিত জিলাভিত্তিত ৰচনা প্ৰতিযোগিতাত বিকাশজ্যোতি চাংমাইৰ স্থান লাভ, সদৌ অসমভিত্তিত মুকলি প্ৰবন্ধ প্ৰতিযোগিতাত সাহিত্য সম্পাদকৰ স্থান লাভ ইত্যাদি আছিল মোৰ কাৰ্যকালত সাহিত্য বিভাগে লাভ কৰা লেখত ল'বলগীয়া সাফল্য।

সাহিত্য বিভাগৰ সম্পাদক হিচাপে যদিও যথেষ্ট পৰিকল্পনা আছিল, সেইসমূহ বাস্তৱায়িত কৰাত সম্পূৰ্ণ সফল হ'ব নোৱাৰিলোঁ। যিখিনি কৰিলো, সেয়া কিমান সুন্দৰকৈ হৈ উঠিল তাৰ বিচাৰ আপোনালোকলৈ এৰিলোঁ। কিন্তু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পুণ্যধৰ গগৈ ছাৰ, অতিৰিক্ত উপাধ্যক্ষ ড° যোগেশ বড়া ছাৰ, বিভাগীয় উপদেষ্টা ড° অঞ্জন কোঁৱৰ ছাৰ আৰু প্ৰণৱ দুৱৰা ছাৰৰ লগতে সমাজতত্ত্ব বিভাগৰ বিভাগীয় মুৰব্বী ড° ক্ষীৰোদ চন্দ্ৰ গগৈ ছাৰৰ যি সহায় আৰু উৎসাহ লাভ কৰিছিলো, তাৰ বাবে কৃতজ্ঞতা স্বীকাৰ কৰিবলৈমোৰ ভাষা নাই। ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল, অগ্ৰজ-অনুজ তথা সহপাঠীসকলৰ যি অৰিহণা, সেয়াও সদায় শ্ৰদ্ধাৰে সুঁৱৰিম।

শেষত মোৰ কাৰ্যকালত ৰৈ যোৱা ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ। লগতে মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

ভাৰ্গৱ লিগিৰা
সাহিত্য আৰু আলোচনী সম্পাদক

# তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান পুৰুষৰ অহোপুৰুষাৰ্থ চেষ্টাই ঐতিহ্যমণ্ডিত 'গড়গাঁও মহাবিদ্যালয়'ক জন্ম দিলে সেইসকলৰ চৰণত মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। লগতে শ্ৰদ্ধা নিবেদন কৰিছোঁ বৰ্তমানৰ সেইসকল মহান ব্যক্তিক যিসকল মহান ব্যক্তিয়ে 'গড়গাঁও মহাবিদ্যালয়'ক গৌৰৱৰ কেন্দ্ৰস্থল হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা আৰু ত্যাগ স্বীকাৰ কৰিছে।

যিসকল শুভাকাংক্ষীৰ সহায়-সহযোগিতা আৰু সমৰ্থনেৰে মই ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদক হিচাপে জয়ী হ'লো, সেইসকল শুভাকাংক্ষীলৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো। তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰে পৰা মোৰ দায়িত্বভাৰ সুচাৰুৰূপে পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। 'তনু কোঁৱৰ সোঁৱৰণী আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা'ৰ লগতে মহাবিদ্যালয়ৰ অন্যান্য কাৰ্যসূচীসমূহতো মোৰ দায়িত্বসমূহ পালন কৰিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক সমাৰোহত বিভাগীয় প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাৰ লগতে ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যসূচীত সহায়-সহযোগিতা আগবঢ়াবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মোক দিহা-পৰামৰ্শৰে সহায় কৰা মোৰ বিভাগীয় উপদেষ্টা ড° ৰিমঝিম বৰা বাইদেউৰ লগতে অধ্যক্ষ মহোদয় আৰু প্ৰতিজন শিক্ষাগুৰুৰ ওচৰত মই চিৰকৃতজ্ঞ।

অৱশেষত, ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যলৈ মোৰ ধন্যবাদ আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

প্ৰান্তত

ছেহ্‌নাজ আহমেদ
তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদক

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...



সম্পাদকীয় প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মই সেইসকল মহান মনীষীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি নিবেদিছো যিসকল মহান মনীষীৰ আপ্ৰাণ চেষ্টা আৰু ত্যাগৰ ফলশ্ৰুতিত ১৯৫৯ চনত গড়গাঁও মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিলে। আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি নিবেদন কৰিছোঁ সেইসকল গণ্য-মান্য ব্যক্তিলৈ, যিসকলৰ তত্বাৱধানত মহাবিদ্যালয়খনে উন্নতিৰ দিশত আগবাঢ়ি যাবলৈ সক্ষম হৈছে।

মই ধন্যবাদ জনাব বিচাৰিছো সেইসকল শুভাকাংক্ষীক, যিসকলৰ সহায় আৰু সহযোগিতাৰ ফলস্বৰূপে মই এই ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হ'বলৈ সক্ষম হ'লো। উক্ত পদটিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰে পৰা দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ প্ৰতিটো কাৰ্যসূচীত পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ যত্নপৰ হৈছিলো। লগতে প্ৰতিটো কাৰ্যসূচীত মহাবিদ্যালয় সংগীত পৰিৱেশন কৰাৰ প্ৰতি লক্ষ্য ৰাখিছিলো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহত মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাৰ লগতে আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱলৈও প্ৰতিযোগী প্ৰেৰণ কৰিছিলো। ছাত্ৰ একতা সভাৰ দ্বাৰা অনুষ্ঠিত প্ৰতিটো অনুষ্ঠানত পূৰ্ণ সহযোগিতা কৰিবলৈ চেষ্টা কৰিছিলো।

মোক প্ৰতিটো ক্ষেত্ৰতে উচিত দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা বিভাগীয় উপদেষ্টা ড° দিলীপ কুমাৰ ডেকা ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° পুণ্যধৰ গগৈ ছাৰ আৰু ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যলৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। শেষত গড়গাঁও মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ কামনাৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

প্ৰান্তত

শিৱানী গগৈ
সংগীত বিভাগৰ সম্পাদক

# ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ প্ৰচেষ্টাত ১৯৫৯ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে ইতিহাসত জিলিকি পৰা আমাৰ জ্ঞানৰ পৱিত্ৰ মন্দিৰ গড়গাঁও মহাবিদ্যালয়খন প্ৰাণ পাই উঠিছিল, সেই মহান তথা বৰেণ্য ব্যক্তিসকললৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ-উপাধ্যক্ষ মহোদয়, পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টীলৈ মই মোৰ আন্তৰিক ওলগ জনাইছো।

এই পৱিত্ৰ জ্ঞানৰ মন্দিৰ গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ২০১৭-১৮ বৰ্ষৰ 'ছাত্ৰ একতা সভা'ৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ পাই বহুত সুখী। সম্পাদক পদ পোৱাৰ পাছত মোৰ কাৰ্যসূচীসমূহ সুকলমে চলাই নিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত কিমান সফল হ'ব পাৰিলো নাজানো, সেয়া আপোনালোকৰ বিচাৰ্য। ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি মই 'বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ'ৰ বাবে প্ৰস্তুতি চলাবলগা হৈছিল। সমাৰোহৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ক্ৰীড়া অনুষ্ঠানসমূহ অনুষ্ঠিত কৰা হৈছিল। তদুপৰি আন্তঃমহাবিদ্যালয় এথলেটিক্‌চ প্ৰতিযোগিতালৈও খেলুৱৈ পঠিওৱা হৈছিল।

মোৰ সম্পাদকৰ কাৰ্যকালত দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা ড° আৰানদাও নাৰ্জাৰী ছাৰলৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ অগ্ৰজ তথা বন্ধু-বান্ধৱী আৰু সমূহ শুভাকাংক্ষীলৈ প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটীৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিছো লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলো।

ধন্যবাদেৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

আফৰাজ ৰহমান
ক্ৰীড়া বিভাগৰ সম্পাদক



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু প্ৰচেষ্টাত ১৯৫৯ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে ঐতিহাসিক গড়গাঁও মহাবিদ্যালয়খন স্থাপিত হৈছিল, মহাবিদ্যালয়খনৰ বিকাশৰ সেতু গঢ়িব খোজা সেই মহান তথা বৰেণ্য ব্যক্তিসকললৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ-উপাধ্যক্ষ মহোদয়, পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টীলৈ মই মোৰ আন্তৰিক ওলগ জনাইছো।

ঐতিহাসিক গড়গাঁও মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ 'ছাত্ৰ একতা সভা'ৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পাছত মহাবিদ্যালয়ৰ কাৰ্যসূচীসমূহ সুকলমে চলাই নিবলৈ চেষ্টা কৰিছিলো। লগতে 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ' অনুষ্ঠিত হোৱা মহাবিদ্যালয়খনৰ ক্ৰীড়া অনুষ্ঠানসমূহ আগবঢ়াই নিছিলো। লগতে, কাবাডী আৰু বেডমিণ্টনৰ আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতালৈও দল প্ৰেৰণ কৰিছিলো।

মোৰ সম্পাদক কাৰ্যকালত দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা দিগন্ত কোঁৱৰ ছাৰলৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ অগ্ৰজ তথা বন্ধু-বান্ধৱী আৰু সমূহ শুভাকাংক্ষীলৈ প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিছোঁ লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদেৰে—

'জয়তু গড়গাঁও মহাদ্যিালয়'
'জয়তু ছাত্ৰ একতা সভা'

ফল্গুবল্লভ ৰাজকোঁৱৰ
লঘু খেল বিভাগৰ সম্পাদক



# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ প্ৰচেষ্টাত ১৯৫৯ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে ইতিহাসত জিলিকি পৰা আমাৰ জ্ঞানৰ পৱিত্ৰ মন্দিৰ গড়গাঁও মহাবিদ্যালয়খন প্ৰাণ পাই উঠিছিল, সেই মহান তথা বৰেণ্য ব্যক্তিসকললৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ-উপাধ্যক্ষ মহোদয়, পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টীলৈ মই মোৰ আন্তৰিক ওলগ জনাইছো।

এই পৱিত্ৰ জ্ঞানৰ মন্দিৰ গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰী আৰু ২০১৭-১৮ বৰ্ষৰ 'ছাত্ৰ একতা সভা'ৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ পাই বহুত সুখী। সম্পাদকৰ পদ পোৱাৰ পাছত মোৰ কাৰ্যসূচীসমূহ সুকলমে চলাই নিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত কিমান সফল হ'ব পাৰিলো নাজানো, সেয়া আপোনালোকৰ বিচাৰ্য। বিভাগীয় সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি মই 'বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ'ৰ বাবে প্ৰস্তুতি চলাবলগা হৈছিল। সমাৰোহৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ চৌহদ আৰু প্ৰেক্ষাগৃহ সমূহ চাফা কৰা হৈছিল।

মোৰ সম্পাদকৰ কাৰ্যকালত দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা সুৰজিৎ শইকীয়া ছাৰ, যোগেশ বৰা ছাৰ, নীলোৎপল ছাৰ, ক্ষীৰোদ চন্দ্ৰ গগৈ ছাৰলৈয়ো মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ অগ্ৰজ তথা বন্ধু-বান্ধৱী আৰু সমূহ শুভাকাংক্ষীলৈ প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো। যি কি নহওক এই 'ছাত্ৰ একতা সভা'ৰ সম্পাদিকা হোৱাৰ মধুৰ সময়খিনি মোৰ বাবে সদায় স্মৃতি হৈ ৰ'ব।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিছো লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদেৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

কৃষ্ণা গগৈ
সমাজসেৱা বিভাগৰ সম্পাদক

# ছাত্ৰ জিৰণি চ'ৰা সম্পাদকৰ প্ৰতিবেদন...



প্ৰতিবেদনৰ আৰম্ভণিতে ইতিহাসৰ পাতত সোণালী আখৰেৰে খোদিত হোৱা অতীতৰ আহোমসকলৰ ৰাজধানী গড়গাঁৰৰ বৰ্তমান বিবেকস্বৰূপ গড়গাঁও মহাবিদ্যালয়ক যিসকল মহান মনীষীয়ে জিলিকাই তুলিলে তেওঁলোকক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণাম যাচিছোঁ।

২০১৭-১৮ বৰ্ষৰ গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ জিৰণি চ'ৰা সম্পাদক হিচাপে নিৰ্বাচিত কৰা বাবে শুভাকাংক্ষীসকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো। উক্ত পদটি গ্ৰহণ কৰাৰ পৰা মোৰ দায়িত্বসমূহ পালন কৰিবলৈ যত্নপৰ হৈছিলো। বাৰ্ষিক ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক সমাৰোহত বিভাগীয় খেলসমূহ অনুষ্ঠিত কৰিছিলো। এই কাৰ্যসমূহ সুচাৰুৰূপে কৰোঁতে মোক দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা ছাৰক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। ছাত্ৰ একতা সভাৰ দ্বাৰা অনুষ্ঠিত প্ৰতিটো কাৰ্যসূচীত সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াবলৈ যত্নপৰ হৈছিলো।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° পুণ্যধৰ গগৈ ছাৰৰ লগতে শিক্ষাগুৰুসকল আৰু ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্য-সদস্যালৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। দায়িত্বভাৰ পালন কৰোঁতে অজানিতে ৰৈ যোৱা ভুলৰ বাবে ক্ষমাপ্ৰাৰ্থী।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদেৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

দেৱব্ৰত দত্ত
ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক

# ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকাৰ প্ৰতিবেদন...



সম্পাদকীয় প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মই সেইসকল মহান মনীষীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি নিবেদিছোঁ, যিসকল মহান মনীষীৰ আপ্ৰাণ চেষ্টা আৰু ত্যাগৰ ফলশ্ৰুতিত ১৯৫৯ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে 'গড়গাঁও মহাবিদ্যালয়ে' প্ৰতিষ্ঠা লাভ কৰিলে। আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি নিবেদন কৰিছো সেইসকল গণ্য-মান্য ব্যক্তিলৈ যিসকলৰ তত্ত্বাৱধানত মহাবিদ্যালয়খনে উন্নতিৰ জখলাত পদাৰ্পণ কৰিছে।

২০১৭-১৮ বৰ্ষৰ গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা হিচাপে নিৰ্বাচিত হ'বলৈ সক্ষম হ'লো। উক্ত পদটিৰ ভাৰ গ্ৰহণ কৰিবলৈ পাই নথৈ আনন্দিত আৰু এই আপাহতে মোক সেৰা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সদৌটিলৈ পুনৰবাৰ ধন্যবাদ জনালোঁ।

উক্ত পদটিৰ ভাৰ গ্ৰহণ কৰাৰে পৰা মোৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিলোঁ। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া-সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ আৰম্ভ হৈছিল। ক্ৰীড়া সপ্তাহত মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিলো। এই কাৰ্যসমূহ মোক সুচাৰুৰূপে পালন কৰাত মোক দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা বাইদেউক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত সহায় সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ ড° পুণ্যধৰ গগৈ ছাৰৰ লগতে শিক্ষাগুৰুসকল আৰু ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্য/সদস্যালৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। দায়িত্বভাৰ পালন কৰোঁতে অজানিতে হৈ যোৱা ভুল-ত্ৰুটী বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদেৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

নিকুমণি মহন
ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা